PGAS S4 04 (Lang)

Exam Code : 130 N

তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা

চতুর্থ ষাণ্মাসিক

অসমীয়া

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° মালিনী গোস্বামী, অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়

ড° উপেন ৰাভা হাকাচাম, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

ড° খগেশ সেন ডেকা, (অৱসৰপ্রাপ্ত) সহযোগী অধ্যাপক পূব কামৰূপ মহাবিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*
১, ২ আৰু ৩	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৪, ৫, ৬, ৭, ৮, ৯,	
১০ আৰু ১১	**নন্দিতা তালুকদাৰ,** মৰিগাওঁ মহাবিদ্যালয়
১২, ১৩ আৰু ১৪	**অর্ণৱ শর্মা,** এছ্ বি দেওৰা মহাবিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা	ঃ	**ড° উপেন ৰাভা হাকাচাম,** গুৱাহাটী বিশ্ববিদ্যালয় অধ্যায় ঃ ১,২,৩,৪,৫,৬,৭,৮,৯ আৰু ১০
	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অধ্যায় ঃ ১১,১২,১৩ আৰু ১৪
গাঁথনিক সম্পাদনা	ঃ	**ড° নিভা ৰাণী ফুকন,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ ডিচেম্বৰ, ২০১৮ / **দ্বিতীয় প্রকাশ ঃ চেপ্তেম্বৰ,** ২০২১

ISBN : 978-93-87940-77-2

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত।

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/ For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
নতুন দিল্লীৰ দূৰ শিক্ষা পৰিষদৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭; Web : www.kkhsou.in

মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২

পাঠ্যবিষয়ৰ পৰিচয় ঃ তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্রমৰ চতুর্থ যাণ্মাসিকৰ সংশোধিত আৰু পৰিবর্ধিত পাঠ্যবিষয়। 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা' শিৰোনামৰ এই পাঠ্যবিষয় চতুর্থ যাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয়। এইখন পাঠ্যবিষয়ত শিক্ষার্থীক মূল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ লগত পৰিচয় কৰাই দিবলৈ চেষ্টা কৰা হৈছে। সামগ্রিকভাৱে ইয়াত তিব্বত-বর্মীয় পৰিয়ালৰ ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব আৰু অসমীয়া ভাষাৰ লগত তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ সাদৃশ্য-বৈসাদৃশ্যসমূহত চকু ফুৰোৱা হৈছে।

পাঠ্যবিষয়ৰ প্রথম অধ্যায়টো হৈছে 'অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ সাধাৰণ পৰিচয়'। ইয়াত তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ সাধাৰণ পৰিচয় আগবঢ়োৱাৰ লগতে অসমত প্রচলিত তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ কেইটামান লেখৰ ভাষা, যেনে— বৰো, ৰাভা, কার্বি, মিছিং, ডিমাছা আদিৰ থুলমূল পৰিচয় আগবঢ়োৱা হৈছে। দ্বিতীয় অধ্যায়টোৰ শিৰোনাম 'অসমৰ তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য'। ইয়াত অসমত প্রচলিত থকা তিব্বত-বর্মীয় ভাষাসমূহৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহত আলোকপাত কৰা হৈছে। তৃতীয় অধ্যায়টো হৈছে 'অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য'। ইয়াত অসমত প্রচলিত বিভিন্ন তিব্বত-বর্মীয় গোষ্ঠীভুক্ত ভাষাৰ পৰা বাচি অনা উদাহৰণৰ মাধ্যমত এই ভাষাৰ ৰূপতাত্ত্বিক দিশসমূহ পর্যালোচনা কৰা হৈছে। চতুর্থ অধ্যায় 'অসমৰ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰ'ত তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰৰ শ্রেণী বিভাজন দেখুওৱাৰ লগতে তিব্বত-বর্মীয় ভাষাৰ বিভিন্ন শব্দৰ আলোচনা আগবঢ়োৱা হৈছে। অনুসন্ধিৎসু শিক্ষার্থীৰ বাবে এই অধ্যায়টোৰ অধ্যয়ন অতি ফলপ্রসূ হ'ব। পঞ্চম অধ্যায়টো হৈছে 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা'। ধ্বনিতত্ত্বৰ এই তুলনামূলক আলোচনা সন্নিৱিষ্ট থকা অধ্যায়টোৰে অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ অন্তর্গত ভাষাসমূহৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্যসমূহত আলোকপাত কৰিছে। ষষ্ঠ অধ্যায়ৰ শিৰোনাম 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনা'। তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দসমূহলৈ লক্ষ্য কৰিলে প্রত্যেকটো তিব্বত-বর্মীয় পৰিয়ালৰ ভাষাতে বৈচিত্র্যপূর্ণ দিশ আমাৰ চকুত পৰে। ভাষাৰ কালিকা স্বৰূপ সেই বৈশিষ্ট্যসমূহে যেন সেই ভাষাসমূহৰ প্রত্যেককে বিশেষত্ব প্রদান কৰিছে। অধ্যায়টোত তাৰে আলোচনা সন্নিৱিষ্ট হৈছে। সপ্তম অধ্যায়ৰ শিৰোনাম 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনা'। ইয়াত তুলনামূলক আলোচনাৰ আধাৰত তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দসমূহৰ লগত অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দৰ পৰিচয় আগবঢ়োৱা হৈছে। অষ্টম অধ্যায়ৰ শিৰোনাম 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনামৰ তুলনা'। তিব্বত-বর্মীয় ভাষাসমূহৰ সর্বনামৰ যি বিচিত্র ৰূপ— তাৰ বিষয়ে এই আলোচনাৰ মাধ্যমেদি শিক্ষার্থীয়ে জানিব পাৰিব। বিশেষণৰ আলোচনাৰ মাজেদি ভাষা একোটাৰ ৰূপতত্ত্বৰ অন্তর্গত এটা গুৰুত্বপূর্ণ দিশৰ কথা জানিব পাৰি। নৱম অধ্যায় 'অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনা'ত এই দিশটোৰ মনোজ্ঞ আলোচনা আগবঢ়োৱা হৈছে। পাঠ্যবিষয়ৰ দশম অধ্যায়টো হৈছে 'অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনা'। ইয়াত তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ, গঠন, প্রয়োগ আদিৰ মনোজ্ঞ আলোচনা আগবঢ়োৱা হৈছে। একাদশ অধ্যায়ৰ শিৰোনাম 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনা'। ইয়াত অসমীয়া ভাষাৰ লগত তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ মাজত সম্যক তুলনা আগবঢ়োৱা হৈছে। দ্বাদশ অধ্যায় 'অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ'ত অসমীয়া ভাষা আৰু সংস্কৃতিত তিব্বত-বর্মীয় ভাষাৰ কি দৰে আৰু কেনেকৈ প্রভাৱ পৰিছে তাৰ আলোচনা আগবঢ়োৱা হৈছে। ত্রয়োদশ অধ্যায় 'তিব্বত-বর্মীয় ভাষাত অসমীয়া ভাষাৰ পাৰস্পৰিক প্রভাৱ'ত মূল বিষয়বস্তুৰ উপযোগী হোৱাকৈ উপযুক্ত উদাহৰণৰ সহায়ত মনোজ্ঞ আলোচনা আগবঢ়োৱা হৈছে। পাঠ্যবিষয়ৰ চতুর্দশ তথা শেষ অধ্যায় 'সাম্প্রতিক কালত তিব্বত-বর্মীয় ভাষাৰ চর্চা'ত তিব্বত-বর্মীয় ভাষাসমূহৰ শেহতীয়া অগ্রগতিৰ সমীক্ষা আগবঢ়োৱা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-

পৰীক্ষণৰ সুবিধা দিব। উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা ‘অগ্ৰগতিৰ খতিয়ান’ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্ৰশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ’ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে ‘অধিক জানিবলৈ’ শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত ‘আৰ্হি প্ৰশ্ন’ হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান ‘প্ৰসঙ্গ পুথি’ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ’লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ সাধাৰণ পৰিচয় ৭ - ৩৫

তিব্বত-বর্মীয় ভাষা ঃ সাধাৰণ পৰিচয়; অসমত থকা বিভিন্ন তিব্বত-বর্মীয় ভাষাৰ চমু পৰিচয়; বৰো ভাষা, ৰাভা ভাষা, কার্বি ভাষা, মিছিং ভাষা, ডিমাছা ভাষা

অধ্যায় ২ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য ৩৬ - ৪৫

অসমৰ তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

অধ্যায় ৩ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য ৪৬ - ৫৪

অসমৰ তিব্বত-বর্মীয় ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

অধ্যায় ৪ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰ ৫৫ - ৬৬

তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰ ঃ চমু পৰিচয়; তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰৰ শ্রেণী বিভাজন, তিব্বত-বর্মীয় ভাষাৰ বিভিন্ন শব্দৰ আলোচনা

অধ্যায় ৫ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা ৬৭ - ৭৪

অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা; অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ পাৰস্পৰিক প্রভাৱ

অধ্যায় ৬ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনা ৭৫ - ৮৬

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগ; অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনা

অধ্যায় ৭ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনা ৮৭ - ৯৭

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দ; অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনা

অধ্যায় ৮ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনামৰ তুলনা ৯৮ - ১০৮

অসমীয়া আৰু তিব্বত-বর্মীয় সর্বনাম শব্দৰ গঠন আৰু প্রয়োগ;
অসমীয়া আৰু তিব্বত-বর্মীয় সর্বনাম শব্দৰ তুলনা

অধ্যায় ৯ ঃ অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনা **১০৯ - ১১৮**

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ গঠন আৰু প্রয়োগ; অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনা

অধ্যায় ১০ ঃ অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনা **১১৯ - ১৩২**

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ গঠন আৰু প্রয়োগ; অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনা

অধ্যায় ১১ ঃ অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনা **১৩৩ - ১৪২**

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনা

অধ্যায় ১২ ঃ অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ **১৪৩ - ১৫১**

অসমৰ আর্যভিন্ন ভাষা, অসমীয়া ভাষাত আর্যভিন্ন উপাদান ৰক্ষিত হোৱাৰ কাৰণ, অসমীয়া সমাজ-সংস্কৃতিলৈ মংগোলীয় (তিব্বত-বর্মীয়) লোকসকলৰ অৱদান, অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ

অধ্যায় ১৩ ঃ তিব্বত-বর্মীয় ভাষাত অসমীয়া ভাষাৰ পাৰস্পৰিক প্রভাৱ **১৫২ - ১৫৭**

তিব্বত-বর্মীয় লোকসকলৰ ভাষাত অসমীয়া আৰু অন্য আর্য ভাষাৰ উপাদান সন্নিৱিষ্ট হোৱাৰ কাৰণ, তিব্বত-বর্মীয় ভাষাত ৰক্ষিত অসমীয়া আৰু আর্যমূলীয় ভাষাৰ প্রভাৱ

অধ্যায় ১৪ ঃ সাম্প্রতিক কালত তিব্বত-বর্মীয় ভাষাৰ চর্চা **১৫৮ - ১৬৩**

তিব্বত-বর্মীয় ভাষাসমূহৰ শেহতীয়া অগ্রগতিৰ সমীক্ষা

প্রসঙ্গ পুথি **১৬৪ - ১৬৫**

অধ্যায় ১ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ সাধাৰণ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ তিব্বত-বর্মীয় ভাষা ঃ সাধাৰণ পৰিচয়

১.৪ অসমত থকা বিভিন্ন তিব্বত-বর্মীয় ভাষাৰ চমু পৰিচয়

১.৪.১ বডো ভাষা

১.৪.২ ৰাভা ভাষা

১.৪.৩ কার্বি ভাষা

১.৪.৪ মিছিং ভাষা

১.৪.৫ ডিমাছা ভাষা

১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৬ অধিক জানিবলৈ

১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১.৮ আৰ্হি প্রশ্ন

১.২ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহৰ সাধাৰণ পৰিচয় লাভ কৰিব
- প্রধান তিব্বত-বর্মীয় ভাষা, যেনে— বডো, ৰাভা, কার্বি, মিছিং আদিৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ থূলমূল আভাস দিব পাৰিব
- অসমীয়া ভাষাৰ লগত এই ভাষাসমূহৰ সাদৃশ্য কিমান আৰু কোন কোন দিশত পৃথক তাৰ আভাস লাভ কৰিব।

১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুর্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'ৰ এইটো প্রথম অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ সাধাৰণ পৰিচয়'। এই বিশেষ পাঠ্যবিষয়ৰ যোগেদি শিক্ষার্থীসকলক অসমত প্রচলিত এটা বিশিষ্ট ভাষা পৰিয়াল— তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ অন্তর্গত ভাষাসমূহৰ চমু পৰিচয়ৰ লগতে ভাষা পৰিয়ালৰ অন্তর্গত ভাষাসমূহৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক, শব্দতত্ত্ব আৰু বাক্যতত্ত্বৰ লগত জড়িত বৈশিষ্ট্যসমূহ আলোচনা কৰা হৈছে। ইয়াৰ


অন্তর্গত প্রথম অধ্যায়টোত আপুনি অসমত প্রচলিত থকা তিব্বত-বর্মীয় পৰিয়ালৰ অন্তর্গত কেইটামান প্রধান ভাষাৰ চমু পৰিচয় লাভৰ লগতে তিব্বত-বর্মীয় ভাষাৰ কেইটামানৰ সাধাৰণ ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ লগত পৰিচিত হ'ব।

১.৩ তিব্বত-বর্মীয় ভাষা ঃ সাধাৰণ পৰিচয়

পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়ালৰ ভাষাৰ ভিতৰত তিব্বত-বর্মীয় পৰিয়ালৰ ভাষাসমূহেও উল্লেখযোগ্য স্থান দখল কৰি আছে। ভাষা শাখাৰ শিক্ষার্থী হিচাপে পূর্বৱর্তী তৃতীয় ষাণ্মাসিকতে আপুনি তিব্বত-বর্মীয় ভাষাৰ বিষয়ে চমু ধাৰণা লাভ কৰি আহিছে। এছিয়া মহাদেশত বিভিন্ন ভাষা পৰিয়ালৰ ভাষাৰ প্রচলন আছে। দক্ষিণ এছিয়াক উদাহৰণ হিচাপে ল'লেই এই কথাটোৰ সত্যতা প্রতিপন্ন হয়। দক্ষিণ এছিয়াত বিভিন্ন পৰিয়ালৰ ভাষাৰ প্রচলন আছে। সেই ভিন্ন পৰিয়ালৰ ভাষাৰ ভিতৰত তিব্বত-বর্মীয় পৰিয়ালৰ ভাষাৰ সংখ্যাই সর্বাধিক। সৰহ সংখ্যক ভাষা গৱেষক পণ্ডিতে ক'ব খোজে যে তিব্বত-বর্মীয় ভাষা বৃহত্তৰ চীন-তিব্বতীয় ভাষা পৰিয়ালৰে শাখা। এই দৃষ্টিভংগীৰ ফালৰ পৰা বিচাৰ কৰিলে তিব্বত-বর্মীয় ভাষাটো পশ্চিমে জম্মু আৰু কাশ্মীৰৰ পৰা অসম, ইণ্ডো-চীন আৰু পূবে চীনৰ কিছু অংশলৈকে বিস্তৃত। এই ভাষাটো যিসকল লোকৰ মাজত চলতি আছিল, তেওঁলোকৰ প্রাচীন বসতি বুলি ইয়াংচিকিয়াং আৰু হোৱাংহোৰ উৎপত্তিস্থল চিহ্নিত হৈছে। অনুমান কৰা হৈছে যে উত্তৰ-পশ্চিম চীনেই সেই অঞ্চল। পৰৱর্তী সময়ছোৱাত সেই ভাষাটো চীনদেশৰ মাজেদি মেকং, মৈনাম, ইৰাৱতী, ছিন্দুইন আৰু ব্রহ্মপুত্রৰ গতি অনুসৰণ কৰি থাইলেণ্ড, বার্মা আৰু ভাৰতত বিস্তাৰিত হৈ পৰে। মূল তিব্বত-বর্মীয় ভাষাটো ব্রহ্মপুত্রৰ উৎপত্তিস্থলত তিনিটামান শাখাত বিভক্ত হৈ যথাক্রমে তিব্বত, অসম আৰু ব্রহ্মদেশত বিয়পি পৰে।

বিভিন্ন ভৌগোলিক আৰু অন্যান্য আনুষংগিক কাৰণবশতঃ এই ভাষা-ভাষী লোকসকলৰ সৰহ সংখ্যকেই একাষৰীয়াকৈ আৰু দ্বীপসদৃশ অৱস্থান কৰি আছে বাবে এই ভাষাসমূহৰ কেৱল প্রাথমিক স্তৰৰ সমলহে লাভ কৰিব পৰা গৈছে। ছেফাৰ নামৰ পণ্ডিত গৰাকীয়ে এই ভাষা পৰিয়ালৰ অন্তর্গত তিনিশতকৈও অধিক ভাষা আছে বুলি কৈছে। সেইবাবে এই ভাষাসমূহৰ সম্পূর্ণ বা আংশিক সমল আহৰণ কৰি তাৰ তুলনামূলক বিশ্লেষণ কৰাতো কষ্টসাধ্য। এতিয়ালৈকে কেইটামান তিব্বত-বর্মীয় ভাষাৰ অন্তর্গত কিছুমান সমলৰ সন্ধান পোৱা গৈছে যদিও সেই উদ্ধাৰকৃত সমলখিনিৰ মাধ্যমেদি গোটেই ভাষা পৰিয়ালটোৰ এটা সামগ্রিক আলোচনা কৰাতো সম্ভৱপৰ হোৱা নাই। পণ্ডিত-গৱেষকসকলৰ অনুমান যে এতিয়াও তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ অন্তর্গত কিছুমান ভাষা হয় এতিয়াও সমূলি উদ্ধাৰ হোৱা নাই, নহয় সেইবিলাক অনা-চর্চিত হৈ আছে। সেই সকলোবোৰ ভাষাৰ উদ্ধাৰ আৰু চর্চাৰ মাজেদি সেই মহৎ প্রয়াস সার্থক হোৱাৰ অৱকাশ আছে। তেন্তে সম্ভৱপৰ হ'লে আমি এই বিশেষ ভাষাগোষ্ঠীটোৰ লগত জড়িত বর্ণাঢ্য দিশসমূহৰ অধিক বিজ্ঞানসন্মত আৰু বস্তুনিষ্ঠ আলোচনা আগবঢ়াব পাৰিম। অৱশ্যে এনে ধৰণৰ প্রতিবন্ধকতা থকা সত্ত্বেও জর্জ আব্রাহাম গ্রীয়াৰছনৰ নেতৃত্বত ভাৰতীয় ভাষাসমূহৰ জৰীপ কার্যত এই পৰিয়ালৰ

ভাষাসমূহো মর্যাদা সহকাৰে নথিভুক্ত হৈছে। পৰৱর্তী সময়ত বেনেডিক্ট, ছেফাৰ আদি আন্তঃৰাষ্ট্রীয় খ্যাতিসম্পন্ন ভাষাবিদৰ ভাষাবিষয়ক বহুমূলীয়া গ্রন্থত তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ অন্তর্গত ভাষাসমূহে গুৰুত্বপূর্ণ স্থান গ্রহণ কৰি আছে। তলত উল্লেখ কৰা চিত্র ১.ক-ত তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ চিত্র এখন উপস্থাপন কৰা হ'ল—



সুনীতি কুমাৰ চেটার্জী সমর্থিত আৰু বহুল চর্চিত গ্রীয়ৰ্ছনৰ বেখাচিত্র (কিৰাত-জন-কৃতি, ২২ পৃ. ২৪-২৫)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ এখন চিত্রৰ সহায়ত চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ চমু পৰিচয় আগবঢ়াওক। (২০০টা শব্দৰ ভিতৰত লিখক)

.....

১.৪ অসমত থকা বিভিন্ন তিব্বত-বর্মীয় ভাষাৰ চমু পৰিচয়

১.৪.১ বডো ভাষা

বৃহৎ চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ ভিতৰত বডো ভাষা অন্যতম। অসমৰ ভালেকেইখন জিলাত বডো ভাষা কোৱা জনসমষ্টিৰ অৱস্থিতি আছে। সেইকেইখন জিলা আৰু অঞ্চল হৈছে ক্রমে অসমৰ অবিভক্ত গোৱালপাৰা জিলা, কামৰূপ, দৰং, নগাঁও, শিৱসাগৰ, লক্ষীমপুৰ, কার্বি আংলং আৰু পশ্চিমবংগৰ কোচবিহাৰ আৰু জলপাইগুৰি, মেঘালয়ৰ গাৰো পাহাৰৰ কোনো কোনো অঞ্চলত বডো ভাষাগোষ্ঠীয় লোকৰ বসতি আছে। মন কৰিবলগীয়া যে, প্রধানতঃ ব্রহ্মপুত্রৰ উত্তৰ পাৰে আৰু অৰুণাচলৰ দক্ষিণাঞ্চলত বডো ভাষা-ভাষী লোকসকলে বসতি কৰি আছে। অসমত বাস কৰা সমতলবাসী বিভিন্ন ভাষা-ভাষী জনগোষ্ঠীসমূহৰ ভিতৰত বডোসকলেই সংখ্যাগৰিষ্ঠ। ১৯৯১ চনৰ লোকপিয়ল অনুযায়ী কেৱল অসমতে বডোভাষী লোকৰ সংখ্যা ১১,৮৪,৫৬৯ জন। ২০০১ চনৰ মতে— এই সংখ্যা বৃদ্ধি পোৱাতো স্বাভাৱিক। বিংশ শতিকাৰ প্রাৰম্ভিক সময়ৰ বডো ভাষা-সাহিত্য-সংস্কৃতিপ্রেমী সচেতন ব্যক্তি, শিল্পী আৰু ৰাজনীতিবিদৰ প্রচেষ্টাত বৰো ভাষা-সাহিত্যৰ জাগৰণ আৰম্ভ হয়। এই ক্ষেত্রত খ্রীষ্টিয়ান মিছনেৰীসকলে সহায়-সহযোগিতা আগবঢ়াইছিলে। এই সময়ছোৱাত বডো ভাষাৰ সাধুকথা, কিম্বদন্তী, প্রবাদ-পটন্তৰমালা সংগ্রহৰ লগে লগে লিখিত সাহিত্য সৃষ্টিৰ বাতাবৰণো গঢ়ি উঠে। বডো ভাষা-সাহিত্যৰ চর্চাৰ প্রথম চালুকীয়া পদক্ষেপ হিচাপে ১৯৫০ চনত ধুবুৰীত Bodo Literary Club গঠিত হৈছিল। ১৯৫২ চনৰ ১৬ নবেম্বৰ তাৰিখে বৰো সাহিত্য সভা প্রতিষ্ঠিত হৈছিল। অৱশ্যে বডো ভাষাৰ প্রকৃত চর্চা আৰম্ভ হয় ১৯৬৫ চনত। তাৰ এটা বিশেষ কাৰণ নথকা নহয়। সেই বছৰতে প্রমোদ চন্দ্র ভট্টাচার্যৰ A Descriptive Analysis of the Boro Language শীর্ষক গৱেষণা-পত্র গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা গৃহীত হয়। পৰৱর্তী সময়ছোৱাত ১৯৭৭ চনত এই গৱেষণা-পত্রখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই প্রকাশিত হৈছিল। প্রমোদ চন্দ্র ভট্টাচার্যই চিকুণাই থৈ যোৱা বাটেৰে পৰৱর্তী সময়ছোৱাত বডো ভাষা আগবাঢ়ি যায় আৰু সাম্প্রতিক সময়ত বডো ভাষাটো অসমৰ অন্যতম লেখৰ জনগোষ্ঠীয় শ্রেণীৰ ভাষা

ৰূপে স্বীকৃত হৈছে।

প্ৰাৰম্ভিক সময়ছোৱাত বডো লেখকসকলে অসমীয়া-বাংলা লিপিৰে লিখা-মেলা কৰিছিল যদিও ১৯৭৫ চনৰ পৰা বিদ্যালয়-মহাবিদ্যালয়ৰ পাঠ্যপুথিসমূহত দেবনাগৰী লিপিৰ ব্যৱহাৰ আৰম্ভ হয়। অৱশ্যে খ্ৰীষ্টধর্মৰ লগত জড়িত পুথিসমূহ এই ক্ষেত্ৰত কিছু ব্যতিক্ৰম। খ্ৰীষ্টধর্ম বিষয়ক পুথিসমূহ তেতিয়াৰ পৰা বর্তমানলৈকে ৰোমান লিপিতে লিখি অহা হৈছে। অসম চৰকাৰে ১৯৫৮ চনতে বডো ভাষাটোক স্বীকৃতি প্ৰদান কৰে। ১৯৬৩ চনৰ পৰা বৰো ভাষাটো অসমৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে প্ৰবর্তিত হয়। ১৯৬৮, ১৯৭২, ১৯৭৬ আৰু ১৯৯৬ চনত যথাক্ৰমে মাধ্যমিক, উচ্চ মাধ্যমিক, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পর্যায়লৈ বডো ভাষা উন্নীত হয়। ১৯৮৪ চনৰ পৰা বডো অধ্যুষিত অঞ্চলত অসমৰ সহযোগী ৰাজ্যিক ভাষা হিচাপে স্বীকৃতি লাভ কৰা বডো ভাষা ২০০৪ চনৰ সংশোধনী অনুযায়ী বর্তমান ভাৰতৰ অন্যতম প্ৰধান ভাষা হিচাপে সংবিধানৰ অষ্টম অনুসূচীত অন্তর্ভুক্ত হৈছে। তিব্বত-বর্মীয় ভাষাৰ বিশিষ্ট গৱেষক-ভাষাবিদ উপেন ৰাভা হাকাচামে বডো ভাষাৰ আলোচনাৰ প্ৰসংগত কৈছে যে বডো ভাষাৰ চাৰিটা প্ৰধান উপভাষাৰ ভিতৰত কোকৰাঝাৰ অঞ্চলৰ ভাষাই মান্য ভাষাৰ মর্যাদা লাভ কৰিছে। বডো ভাষাৰ উপভাষাসমূহৰ ভিতৰত এই উপভাষাটোক উত্তৰ-পশ্চিম উপভাষা হিচাপেও জনা যায়। গোৱালপাৰা, দক্ষিণ কামৰূপ আৰু গাৰো পাহাৰ অঞ্চলত প্ৰচলিত বডো ভাষাৰ ঔপভাষিক ৰূপটোক দক্ষিণ-পশ্চিম উপভাষা বোলে। দৰং, লক্ষীমপুৰ, অৰুণাচলৰ কিছুমান অঞ্চলত প্ৰচলিত থকা বডো ভাষাৰ ঔপভাষিক ৰূপটোক উত্তৰ-মধ্য অসম উপভাষা আৰু নগাঁও, উত্তৰ কাছাৰ আৰু কার্বি আংলঙৰ পার্শ্ববর্তী অঞ্চলত প্ৰচলিত বৰো ভাষাৰ ঔপভাষিক ৰূপটোক দক্ষিণ অসম উপভাষা বোলে। এইখিনিতে উল্লেখ কৰিব পাৰি যে কোনো কোনো পণ্ডিতে পশ্চিমবংগ আৰু নাগালেণ্ডত প্ৰচলিত মেছ ভাষাকো বডোৰ উপভাষা হিচাপে দেখুৱাব বিচাৰে। ভাষাবিদ ৰাভা হাকাচামে এই বিষয়ে তেওঁৰ আলোচনাত উল্লেখ কৰিছে। পুনৰ ভাষাবিদ উপেন ৰাভা হাকাচামে বিস্তাৰিতভাৱে কৰা আলোচনাৰ আঁত ধৰিয়েই যদি আমি বডো ভাষাৰ বিশিষ্ট লক্ষণসমূহৰ কথা আলোচনা কৰোঁ, তেতিয়া আমি ভালেমান কথা জানিব পাৰো। বডো ভাষাত বিশিষ্ট ধ্বনিৰ সংখ্যা অতি সীমিত। ৬টা স্বৰধ্বনি (ই, এ, আ, ও, উ, উ’), ১৪টা ব্যঞ্জনধ্বনি (ফ, থ, খ; ব, দ, গ; ম, ন, ঙ; ছ, জ, হ; ল, ৰ) আৰু দুটা অর্দ্ধস্বৰ (ৱ, য়)ৰ লগতে চাৰিটা সুৰৰ প্ৰয়োগ বডোত আছে। অৱশ্যে বৰোত উচ্চ আৰু নিম্ন সুৰ দুটাহে অতি প্ৰবল ৰূপত ধৰা দিয়ে।

বডো ভাষাৰ ৰূপতত্ত্ব প্ৰধানকৈ দুটা ভাগত ভগাই আলোচনা কৰিব পাৰি— (ক) সব্যয় আৰু (খ) অব্যয়।

সব্যয়ত অন্তর্ভুক্ত হয় নামশব্দ (বিশেষ্য, সর্বনাম আৰু সংখ্যাবাচক শব্দ) আৰু ক্ৰিয়া শব্দ (ক্ৰিয়া, বিশেষ্য আৰু ক্ৰিয়া বিশেষণ)

সেইদৰে অব্যয়ত অন্তর্ভুক্ত হয় কেতবোৰ বিশেষণীয় আৰু ক্রিয়া বিশেষণীয় শব্দাংশ, সংযোজক আৰু ভাববোধক অব্যয়।

মন কৰিবলগীয়া যে বডোত মৌলিক বিশেষ্য শব্দবিলাক একাক্ষৰিক আৰু সাধিতবিলাক দ্ব্যক্ষৰিক বা বহু অক্ষৰিক হয়। বৰোত সর্বনামীয় পূর্বসর্গ, সাধাৰণ পদ আৰু সংযুক্ত ৰূপ যোগে বিভিন্ন বিশেষ্য শব্দৰ সাধন কৰা হয়। সর্বনামীয় পূর্বসর্গ সাধাৰণতে সম্বন্ধবাচক শব্দৰ গঠনত প্রয়োগ হয়। ই তিনি প্রকাৰৰ। যেনে— প্রথম পুৰুষবাচক আ- (যেনে— আদা 'ককাই', আবো 'বাইদেউ'); দ্বিতীয় পুৰুষবাচক নু'ং- ~ নু'ম- (যেনে— নু'ংদা ককায়েৰ/ককায়েৰা, নু'মবো 'বায়েক/বায়েৰা') আৰু তৃতীয় পুৰুষবাচক বি- ~ ফি- (যেনে— বিদা 'ককায়েক', বিবো 'বায়েক')। কেতিয়াবা ভিন্ন সম্বন্ধবাচক শব্দৰ লগতো বি- ~ ফি- পূর্বসর্গৰ প্রয়োগ হয়। উদাহৰণ স্বৰূপে বিবাৰ 'ফুল', বিথায় 'ফল', ফিফাং 'গছ' ইত্যাদি। সেইদৰে শৰীৰৰ অংগ-প্রত্যংগ বুজোৱা শব্দত আ- আৰু অন্যান্য বিশেষ্য শব্দত ছি- পূর্বসর্গৰ প্রয়োগ বৰো ৰূপতত্ত্বৰ অন্যতম মন কৰিবলগীয়া বৈশিষ্ট্য। উদাহৰণ স্বৰূপে— আথিং 'ভৰি', আছি 'আঙুলি'; ছিখা 'দা', ছিখ্লা 'গাভৰু', ছিফুং 'বাঁহী' ইত্যাদি।

বডো ভাষাত উভয় ব্যক্তিবাচক আৰু অব্যক্তিবাচক (নির্দেশবাচক) সর্বনামৰ প্রয়োগ আছে। ব্যক্তিবাচক সর্বনামৰ মান্য-তুচ্ছৰ ধাৰণা আছে। যেনে— নু'ং 'তহ /তুমি', কিন্তু নু'ং থাং 'আপুনি'। অৱশ্যে শ্রোতা অন্তর্ভূত-শ্রোতা বহির্ভূতৰ বা লিংগৰ ধাৰণা নাই। নিকট আৰু দূৰ বুজোৱা একেটা সর্বনাম মূলৰ পৰাই বিভিন্ন শব্দাংশ যোগে ব্যক্তি, অব্যক্তি, লক্ষণ, কাল, স্থান আদি বুজোৱা সর্বনামীয় শব্দৰ গঠন হয়। উদাহৰণ স্বৰূপে— বি 'সি/তাই/তেওঁ' বিছু'ৰ 'সিহঁত/তেওঁলোক', বিফু'ৰ 'সেইবোৰ'; এ— এছেবাং 'ইমান', এছেদেদ 'ইমান (ডাঙৰ); ইখালি/বিখালি 'সিদিনা' ইত্যাদি। তদুপৰি বৰোত প্রশ্নবাচক (বে/বোৱ/মা/ছু'ৰ), সম্পর্কবাচক (জে/জাই) আদি সর্বনাম মূলৰো প্রয়োগ আছে।

বডো ভাষাত সংখ্যাবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রত অন্যান্য তিব্বত-বর্মীয় ভাষাৰ সৈতে কোনো ধৰণৰ পার্থক্য নাই। সর্বোচ্চ 'দহ' সংখ্যাৰ ভিত্তিত তদুর্ধ সংখ্যাবিলাক গঠন কৰা হয় আৰু এইবোৰ সদায় শ্রেণী নির্দেশক নতুবা পুৰণবাচক শব্দাংশৰ লগত একেলগে প্রয়োগ হয়। উদাহৰণ স্বৰূপে— ছে 'এক' ঃ মাছে 'এটা (জন্তু)', ছাছে 'এজন'; -নু'ই 'দুই'; ছুনু'ই 'দুজন'; -থাম 'তিনি' ঃ বাৰথাম 'তিনিপাহি', গাংথাম 'তিনিখিলা' ইত্যাদি।

উপেন ৰাভা হাকাচামে তেওঁৰ গ্রন্থত অসমৰ থলুৱা প্রধান (স্বতন্ত্র) ভাষাসমূহৰ আলোচনাৰ প্রসংগত বডো ভাষাৰ প্রত্যয়ৰ কথা আলোচনা কৰোঁতে যে বৰো ভাষাত গৌণ নামপদীয় প্রত্যয় হিচাপে লিংগবাচক আৰু বচনবাচক— এই দুবিধ প্রত্যয়ৰ প্রয়োগ আছে। সচৰাচৰ লিংগ নিৰপেক্ষ ৰূপত পুং-স্ত্রীবাচক শব্দযোগে (যেনে—

মাওজি বুন্দা 'বোন্দা— মাওজি, বুন্দি 'জাঁই', বু'ৰমা (ফান্থা 'ছাগলীটো— বু'ৰমা ফান্থি 'ছাগলীজনী') নতুবা প্রত্যয় যোগে (যেনে— দাওজা 'ম কুকুৰ'— দাওজু' 'মাইকী কুকুৰ' হোলোং 'বহল নকা'— হোংলি 'বহল নাকী') আৰু ভিন্ ভিন্ শব্দৰ দ্বাৰা (যেনে— হৌৰা 'মতা'— হিনজাও 'তিৰোতা', বিদা 'ককায়েক'— বিবো 'বায়েক') লিংগভেদ কৰা হয়।

বডোত মুখ্য নামপদীয় প্রত্যয় হিচাপে কাৰকবাচক প্রত্যয় বা পৰসর্গৰ প্রয়োগ অনস্বীকার্য। অৱশ্যে বডোত কোনো প্রত্যয় লগ নলগাকৈয়ো দুই-এটা কাৰকৰ বোধ জন্মে। এতিয়া আমি বডোত প্রয়োগ হোৱা কাৰকৰ ৰূপবোৰ প্রত্যক্ষ কৰোঁ আহক।

কর্তা ঃ – ϕ ~ -আ ~ -উ' (যেনে— মানছিয়া থাংবায় 'মানুহজন গৈছে' কিন্তু মানছি দং না গৈয়া '(কোনোবা) মানুহ আছেনে?'}

কর্ম ঃ – ϕ ~ -খৌ (যেনে— থাখাখৌ লাবু' 'টকাটো আনা' কিন্তু থাখা ইছে লাবু' 'কিছু টকা আনা')

কৰণ ঃ -জু'ং (যেনে— ৰুৱাজু'ং বংফাং দানদু'ং 'কুঠাৰেৰে গছ কাটিছে')

সম্প্রদান ঃ নু' (যেনে— আংনু' হু' 'মোক দিয়া')

অপাদান ঃ -নি + ফ্রাই (যেনে— নোনিফ্রাই লাবু'দে 'ঘৰৰ পৰা আনিবা দেই')

সম্বন্ধ ঃ -নি ~ -হা (যেনে— গামিনি মানছি 'গাঁৱৰ মানুহ', বিহা বিজাব গৈয়া 'তেওঁৰ কিতাপ নাই')

অধিকৰণ ঃ -আও ~ -নি + আও (যেনে— মানছিয়া নোৱাও দং 'মানুহজন ঘৰত আছে', আংনিয়াও ফাইছা গৈয়া 'মোৰ ওচৰত পইচা নাই')।

বডো ভাষাত বহুকেইটা ক্রিয়া, বিশেষণ আৰু ক্রিয়া-বিশেষণৰ মূল একেটাই। অৱশ্যে বিভিন্ন প্রত্যয় আৰু অনুপদযোগে পদান্তৰ কৰা ব্যৱস্থাও বৰোত আছে।

বডো ভাষাত {গি- ~গে- ~গো- ~গু- ~গু'-} পূর্বসর্গ যোগে বিশেষণ আৰু {-উ'ই} প্রত্যয় যোগে ক্রিয়া বিশেষণ শব্দলৈ ক্রিয়া বা ধাতুৰ পৰাই পদান্তৰ কৰা হয়। উদাহৰণ—

√ দুং 'গৰম হ' ঃ গুদুং 'গৰম' ঃ গুদুঙু'ই 'গৰমে গৰমে'।

√ হাম 'ভাল হ' ঃ গাহাম 'ভাল' ঃ গাহামু'ই 'ভালকৈ'।

√ দেৰ 'ডাঙৰ হ' ঃ গেদেৰ 'ডাঙৰ' ঃ গেদেৰু'ই 'ডাঙৰকৈ'।

পিছে কিছুমান বিশেষণ আৰু ক্রিয়া বিশেষণৰ মূল বিশ্লেষণ কৰিব নোৱাৰি। যেনে— গাজ্রি 'বেয়া', মু'জাং 'ভাল', গু'খু'ই 'খৰকৈ', ছ্রি ছ্রি 'মনে মনে' ইত্যাদি।

মন কৰিবলগীয়া যে বডো ভাষাত আংশিক বা ক্ষুদ্রার্থ, পূর্ণ বা বৃহদার্থক আৰু স্বার্থিক বা ভিন্নার্থক বাচক ভিন্ ভিন্ প্রত্যয় যোগে বিভিন্ন ক্রিয়া, বিশেষণ বা ক্রিয়া-বিশেষণ শব্দৰ সাধন হয়। উদাহৰণ স্বৰূপে— গেদেৰ 'ডাঙৰ' ঃ গেদেৰছিন 'কিছু ডাঙৰ/বৃহত্তৰ' ঃ গেদেৰছিন— থাৰ 'বেছি ডাঙৰ/বৃহত্তম'।

মু'জাং 'ভাল' ঃ মু'জাং-ছিন 'কিছু ভাল' ঃ মু'জাং-ছিন-ফাৰ 'উত্তম'।

গু'খা 'তিতা' ঃ খা-ব্রাং 'কিছু তিতা' ঃ খা-থাং 'বেছি তিতা'

ঃ খা-জু'ং/-থেৰ 'পনীয়া তিতা'।

গু'ৰান 'শুকান ঃ ৰান-খ্রেৰ 'শুকাবলৈ ধৰ' ঃ ৰান খ্রব 'শুকাই খৰখৰীয়া হ'।

কেতিয়াবা দুই বা ততোধিক প্রত্যয় বা যুগ্ম ধাতু একেলগে এটাৰ পিছত আনটো লগ লাগি সংযুক্ত ধাতু গঠন হয়। উদাহৰণ—

√ লা 'ল' + √ 'বু' 'টান' >√ লাবু' 'আন'

√ বিৰ 'উৰ' + √ লাং 'নি' >√ বিৰলাং 'উৰি গুচি যা।

সেইদৰে, √ লাবু'-ফি'ন 'লৈ উভতি আহ'

√ লাবু'-ফিন-গ্রু' 'আগে ভাগে পুনৰাই লৈ উভতি আহ'।

আকৌ, √ জা-খু'-মা-জু'ব-ফিন-গ্রু'-হু' 'আগে ভাগে পুনৰাই মনে মনে খুৱা'।

বডো ভাষাত পূর্বসর্গ আৰু সংযুক্ত ধাতু যোগে পাঁচনি ধাতু কৰা হয়। পূর্বসর্গবোৰ ঘাইকৈ তিনিবিধ ফস্ব- ~ বস্ব- ~ ছস্ব-; যি ধ্বনি সাপেক্ষে প্রয়োগ হয়। যেনে— √ ফি-ছি 'ফাল' তু. √ ছি 'ফাট্', ফে √ -দেৰ 'ডাঙৰ কৰ' তু. √ দেৰ 'ডাঙৰ হ', √ ফু-দুং 'গৰম কৰ' তু √ দুং 'গৰম হ', √ ফু'-থা 'জীয়া' তু. √ থাং 'জী', √ বো-খো' 'মোকলা' তু. √ খো 'মুকলি হ', বু'-খা 'বেলেগা' তু. √ গা 'বেলেগ হ'; √ ছি-গি 'ভয় খুৱা' তু. √ গি 'ভয় খা', √ ছি-ফায় 'ভাং' তু. √ বায় 'ভাগ'; √ মিনি হু' 'হুঁহুৱা' তু. √ মিনি 'হাঁহ', √ লু'ংহু' 'খুওৱা' তু. √ লু'ং 'পী' ইত্যাদি।

বডো ভাষাত ক্রিয়া-ৰূপ সৰল। সকলো পুৰুষ আৰু বচনত একেটা প্রত্যয় বা ক্রিয়া-বিভক্তিয়েই প্রয়োগ হয়। বডো ক্রিয়া-বিভক্তিসমূহ হ'ল—

-উ' ~ -ৱু' ~ য়ু' ঃ বর্তমান বা অতীত কালত ব্যৱহাৰ হোৱা স্বভাৱ, অভ্যাস, নিত্য-নৈমিত্তিক ভাব প্রকাশক (যেনে— আঙু' বিখৌ মু'জাং মু'নু' 'মই তেওঁক ভাল পাওঁ')

-দু'ং ঃ বর্তমান বা অতীত কালত ব্যৱহাৰ হোৱা চলি থকা বা অপূর্ণতা ভাব প্রকাশক (যেনে— বিয়ু' মু'ইয়া গামিয়াও থাং দু'ং মু'ন 'তেওঁ কালি গাঁৱলৈ গৈছিল')।

-বায় ঃ বর্তমান বা অতীত কালত ব্যৱহাৰ হোৱা পূর্ণতা ভাব প্রকাশক (যেনে— বিয়ু' হাবা খালামবায় 'সি বিয়া কৰালে')।

'গু'ন ঃ ভৱিষ্যৎ কালত ঘটিবলগীয়া আদি ভাব প্রকাশক (যেনে— আঙু' উনাও জাগু'ন 'মই পিছত খাম')।

সন্ধিগ্ধ অর্থতো {-বায়} আৰু {-দু'ং} প্রত্যয়ৰ লগত ইয়াৰ প্রয়োগ আছে. যেনে— থাংবায়/দু'ং গু'ন 'গ'ল/গৈছে ছাগে'

-গৌ ঃ দৃঢ়তা, নিশ্চয়তা আদি ভাব প্রকাশক (যেনে— আংনু' থাখা নাংগৌ 'মোক টকা লাগে')।

অতীত কালবাচক {-মু'ন} সহায়কাৰী ক্রিয়াৰ লগত একেলগে প্রয়োগ হ'লে অতীতত কোনো কার্য হ'বলগীয়া আছিল কিন্তু হৈ নুঠিল এনে ভাব সূচায়। যেনে— নু'ঙু' বুংখাল্লা আং বু' ফু'য়গৌমু'ন 'তুমি ক'লে (আগেয়ে) ময়ো আহিলোহেঁতেন'।

-নু' ঃ অদূৰ ভৱিষ্যতে বা ইতিমধ্যে সংঘটিত হ'বই এনে অর্থত { -ছু'য়} আৰু {-মু'ন}ৰ সৈতে একেলগে প্রয়োগ হয়। যেনে— 'আংনু' থাংনু'ছ'য় 'মই যাওঁহে'।

-মু'ন ঃ বডো ভাষাত অতীতত সংঘটিত হোৱা বা হ'বলগীয়া অর্থত দং 'আছ' ধাতুৰ সৈতে একেলগে বা অকলে সহায়কাৰী ক্রিয়াৰ দৰে {-মু'ন}ৰ প্রয়োগ হয়। যেনে— ছাছে ৰাজা দংমু'ন-বিনি মুঙা মু'ন বাণ 'এজন ৰজা আছিল— তেওঁৰ নাম আছিল বাণ'।

বডোত অনুজ্ঞা, ইচ্ছাবোধক আদি ভাব বুজোৱা সদর্থক আৰু নঞর্থক ৰূপ দুটা কিছু পৰিমাণে ভিন্ন। উদাহৰণ স্বৰূপে—

–ϕ (+দু') ঃ নু'ং থাং (-দু') 'তুমি যাবা দেই'

-দা- (+দে) ঃ (নু'ং) দা থাং-দে 'তুমি নাযাবা দেই'

-নি/-দু'নি ঃ জু'ং থাংনি/দু'নি 'ব'লা আমি যাওঁহক'

-থু'ং (+ছু'য়) ঃ বিয়ু' থাং থু'ং (-ছ'য়) 'তেওঁ যাওকচোন'।

–ϕ নাংগৌ ঃ আং থাং নাংগৌ 'মই যাব লাগে'।

-নু' + নাঙা ঃ বিয়ু' ফু'ইনু' নাঙা 'তেওঁ আহিব নালাগে'।

বডোত কিছুমান কাল বা দশাত নঞর্থক ৰূপ নাই বা থাকিলেও গঠন সুকীয়া হয়। উদাহৰণ স্বৰূপে—

আং জায়ু'} আং জায়া/জালিয়া (মই নাখাওঁ/নাখাম)
আং জাগু'ন

আং জাদু'ং} আং জায়াখু'ই/জায়খিছু'ই

আং জাবায়} (মই খোৱা নাই/মোৰ খোৱা নহ'ল)।

আং জাদু'ংমু'ন} আং জানায় নঙামু'ন/জায়াখু'ইমু'ন


আ জাবায়মু'ন} মই খোৱা নাছিলো/মোৰ খাবলগীয়া নহ'ল।

বডোত অসমাপিকা (-নু', -নানৈ), ছর্তবাচক (-ৱা), কৃদন্ত (-নায়, -গ্রা, -গু'ন, থাওগৌ) আদি ৰূপৰ দৰে আৰু বহুকেইটা পৰসর্গ বা অনুপদৰ (যেনে— জাছে, ছান্দি, গৌমানি, আল্লা, আলাবা, মু'নল্লা, আগৌমানি, ছি... ছি, উ'য়... উ'য়, গ্রং... গ্রং ইত্যাদি) প্রয়োগ আছে। বৰোতো কেতবোৰ ধাতুৰ পৰিপূৰক বা বিকল্প ৰূপ (যেনে— দং 'আছ' ঃ থা 'থাক', নু'ংগৌ 'শুদ্ধ হ' ঃ জা 'হ') আৰু অনিয়মিত ৰূপ (থু 'বল', গৈয়া 'নাই', নাঙা 'নালাগে', নঙা 'নহয়' আদি পোৱা যায়)। বডোত কর্তৃবাচ্য আৰু কর্মকর্তৃবাচ্যৰ প্রয়োগ সর্বাধিক যদিও জা 'হ' সংযুক্ত ধাতুৰ সহযোগত তেনে দুই-এটা বাক্য কর্ম বা ভাববাচ্যলৈ ৰূপান্তৰ কৰিব পৰা যায়।

তদুপৰি ভাষাবিদ উপেন ৰাভা হাকাচামে তেওঁৰ আলোচনাত বডো ভাষাৰ শব্দৰ বিভিন্ন শ্রেণীৰ বিষয়েও তথ্যসমৃদ্ধ আলোচনা আগবঢ়াইছে। বডো ভাষাত মৌলিক, সাধিত, সংযুক্ত আদি বিভিন্ন শ্রেণীৰ শব্দ পোৱা যায়। এই শব্দবোৰৰ কিছুমান স্বকীয়, অন্য কিছুমান সমমূলীয় আৰু অন্য কিছুমান বিষয়মূলীয় শব্দ হয়। যুৰীয়া শব্দৰ প্রাধান্য বৰো ভাষাৰ অন্যতম মন কৰিবলগীয়া বৈশিষ্ট্য। যুৰীয়া শব্দ কেইবা প্রকাৰৰ— পূর্ণ দ্বিৰুক্তি ঃ ব্রা ব্রা 'জোৰ-জুলুমকৈ', জুদা জুদা 'বেলেগ বেলেগ'; আংশিক দ্বিৰুক্তি ঃ হাকু-দাকু 'ততাতৈয়াকৈ', হা-হু- 'মাটি-বাৰী'; সমার্থক শব্দ যোগে ঃ ৰাং-ৰুফা 'ধন-সোণ', দৈমা-দৈছা 'নদ-নদী' ইত্যাদি।

বডো ভাষাটো সৰল, যৌগিক আৰু মিশ্র এই তিনি শ্রেণীৰ বাক্য বিভিন্ন পৰসর্গীয় অব্যয়েৰে (স্বার্থিক প্রত্যয়) সুশৃংখলিত। অৱশ্যে বডোত কথিত পর্যায়ত থকা বাক্য-গাঁথনি (গীত-মাত, উপভাষা) আৰু লিখিত পর্যায়ত থকা বাক্য-গাঁথনিৰ মাজত প্রভেদ সুস্পষ্ট।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ২ ঃ বডো ভাষাৰ চমু পৰিচয় আগবঢ়াওক। এই ভাষাৰ দুটামান ৰূপতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰক।

(১৫০-২০০টা শব্দৰ ভিতৰত)

.....

১.৪.২ ৰাভা ভাষা

তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ বডো বর্গীয় ভাষাৰ অন্য এটা ভাষা হৈছে ৰাভা ভাষা। অন্যান্য তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ ভাষাৰ তুলনাত ৰাভা ভাষাই অধিক বাহ্যিক প্রভাৱপুষ্ট ভাষা। এই ভাষাটো বিশেষভাৱে ব্রহ্মপুত্র উপত্যকাৰ নামনি ভাগত প্রচলিত। ৰাভা ভাষাৰ প্রধান উপভাষা তিনিটা। সেইকেইটা হৈছে ক্রমে ৰং দা বা ৰং দানি, ছোংগা বা কোচা আৰু মায়তা বা মায়তৰি উপভাষা। এই উপভাষাকেইটাৰ ভিতৰত ৰংদা বা ৰংদানি উপভাষা মান্য ভাষা হিচাপে স্বীকৃত হৈছে। গোৱালপাৰা আৰু গাৰো পাহাৰৰ সীমামূৰীয়া অঞ্চলত ৰাভাৰ এই উপভাষাটোৰ প্রচলন আছে। মন কৰিবলগীয়া যে ৰংদানি উপভাষাটো গাৰো ভাষাৰ দ্বাৰা প্রভাৱিত। জলপাইগুৰি, কোচবিহাৰ আৰু অবিভক্ত গোৱালপাৰাৰ উত্তৰ অঞ্চলত ছোংগা বা কোচা উপভাষা চলে। উল্লেখযোগ্য যে এই উপভাষাত প্রাচীন ৰাভা ভাষাৰ কেতবোৰ বৈশিষ্ট্য সংৰক্ষিত হৈ আছে। এই দুটা উপভাষাৰ মাজত অল্পসংখ্যক ৰাভা জনসমুদায়ে অসমীয়া-বাংলা আদি আর্য গোষ্ঠীয় ভাষাৰ দ্বাৰা গভীৰভাৱে প্রভাৱপুষ্ট মায়তা বা মায়তৰি উপভাষা কয়। ১৯৭১ চনৰ লোকপিয়ল মতে মুঠ

ৰাভা জনসংখ্যাৰ এক তৃতীয়াংশ লোকৰ মাজতহে ৰাভা ভাষাৰ প্ৰচলন আছিল (১,৫১,৯৩৭ জনৰ বিপৰীতে ৪৩,২৪১ জন)। পৰৱৰ্তী সময়ত ১৯৯১ চনৰ লোকপিয়লত এই সংখ্যা বৃদ্ধি হৈ ১,২১,৪২৪ জন হয়। ধাৰণা কৰা হয় যে ৰাভা ভাষী লোকসকলৰ মনত সৃষ্টি হোৱা জাগৰণৰ বাবে পাতি, দাহৰি, বিটলীয়া, টোটলা আৰু হানা— এই পাঁচোটা ৰাভা ঔপভাষিক গোটৰ তৰুণসকলে নিজৰ মাতৃভাষাৰ প্ৰতি সচেতন হৈ তাৰ চৰ্চাত মনোনিবেশ কৰাৰ বাবে এই সকাৰাত্মক পৰিস্থিতিৰ সৃষ্টি হৈছিল। ১৯৮৮ চনৰ পৰা অসমৰ প্ৰাথমিক বিদ্যালয়ত এটা বিষয় ভাষা হিচাপে অসমীয়া লিপিৰে ৰাভা ভাষা প্ৰৱৰ্তিত হৈ আহিছে। সম্প্ৰতি ৰাভা ভাষাৰ অভিধান, ব্যাকৰণ, গৱেষণা-পত্ৰ আদি প্ৰকাশিত হৈছে। ১৯৭৩ চনত জন্ম হোৱা বেবাক ৰাভা ক্ৰৌৰাং ৰুঞ্চুম অৰ্থাৎ ৰাভা সাহিত্য সভা আৰু ১৯৮২ চনত গঠিত হোৱা ৰাভা ভাষা পৰিষদে ৰাভা ভাষা-সাহিত্যৰ সৰ্বাংগীন বিকাশৰ বাবে নানান আঁচনি প্ৰস্তুত কৰিছে।

ৰাভা ভাষা সম্পৰ্কীয় আটাইতকৈ পুৰণি লিখিত নিদৰ্শন হ'ল ১৯০০ চনত Rev. A. F. Stephen-এ ৰংদানী উপভাষাত অনুবাদ কৰা *The Prodigal Son* নামৰ নীতিকথা। তেওঁৰ সেই অনূদিত লেখাটো ১৯০৩ চনত গ্ৰীয়েৰছনে তেওঁৰ বহুমূলীয়া কৃতি *Linguistic Survey of India*-ত অন্তৰ্ভুক্ত কৰি অইন সমমূলীয় ভাষাৰ সৈতে ৰাভা ভাষাৰ তুলনামূলক বিশ্লেষণসহ সাত পৃষ্ঠা জোৰা বিৱৰণ দি অন্যতম ভাষা হিচাপে ৰাভা ভাষাক স্বীকৃতি প্ৰদান কৰি গৈছে। এই ভাষাৰ ওপৰত ভিত্তি কৰি বৃটিছ এণ্ড ফৰেন্ বাইবেল ছ'চাইটিয়ে ১৯০৯ চনত বাংলা লিপিত *মার্কনি নিমা সাইকাই কাথা* নামৰ ধৰ্মপুস্তক এখন ৰচনা কৰিছিলে।

ভাষাবিদ উপেন ৰাভা হাকাচামে ৰাভা ভাষাৰ ধ্বনিতত্ত্বৰ আলোচনাৰ প্ৰসংগত কৈছে যে ৰাভা ভাষাত আঞ্চলিক আৰু ফৈদ ভেদে সামান্য পাৰ্থক্য থাকিলেও ৩টা সুৰসহ ৮টা স্ৱৰধ্বনি আৰু দুটা অৰ্ধস্ৱৰসহ ২২টা ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ আছে। ইয়াৰ উপৰি ৰাভাত কণ্ঠ্য স্পৰ্শ / ʔ/ ধ্বনিৰো দুটা অন্তঃস্থ ধ্বৰি (ৰ, য়) দৰে প্ৰয়োগ আছে। ৰাভা ভাষাৰ স্ৱৰ বৰ্ণৰ হ্ৰস্ব-দীৰ্ঘ আৰু অনুনাসিকতা নাই, কিন্তু অঘোষ-সঘোষ দুয়োবিধৰে মহাপ্ৰাণতা আছে। সেইদৰে ৰাভাৰ ছ /tsʰ/, জ /dz/-ৰ উপৰি দন্তমূলীয়-তালব্য স্পৃষ্ট চ /ts/ আৰু ঝ /dzʰ/ৰ প্ৰয়োগ আৰু পশ্চ-তালব্য উষ্ম স /x/-ৰ অপ্ৰয়োগ ইয়াৰ অন্যতম মন কৰিবলগীয়া দিশ।

ভাষা একোটাৰ স্বতন্ত্ৰতা ঘাইকৈ ইয়াৰ ৰূপতাত্ত্বিক গাঁথনি অৰ্থাৎ ৰূপ-ৰচনাৰ ওপৰত নিৰ্ভৰশীল। ৰাভা ভাষাও ইয়াৰ ব্যতিক্ৰম নহয়। ৰাভা ভাষাত ব্যুৎপত্তিমূলক সৰ্গৰ ভিতৰত— (১) শ্ৰেণীবাচক বিশেষ্য গঠন কৰা পূৰ্বসৰ্গ (শব্দৰ মূল আধাৰ), (২) ধাতুৰ পৰা বিশেষ্য, বিশেষণ আৰু ক্ৰিয়া বিশেষণ গঠন কৰা পৰসৰ্গ (কৃৎ প্ৰত্যয়), (৩) যুক্ত ক্ৰিয়া আৰু সমধৰ্মী ক্ৰিয়া গঠন কৰা পৰসৰ্গ, (৪) ভিন্ ভিন্ অৰ্থত প্ৰাতিপদিক

বা নাম শব্দত যুক্ত হোৱা সৰ্গ (তদ্ধিত প্ৰত্যয়); এই চাৰিটা প্ৰত্যয় বা সৰ্গই প্ৰধান।

মন কৰিবলগীয়া যে ৰাভা ভাষাত বিভক্তিমূলক প্ৰত্যয় সৰ্বাধিক। তেনে কেতবোৰ প্ৰত্যয় হ'ল— (১) বচনবাচক সৰ্গ, (২) লিংগবাচক সৰ্গ, (৩) নিৰ্দিষ্টতা-অনিৰ্দিষ্টতাবাচক সৰ্গ, (৪) সম্বন্ধ নিৰ্দিষ্টতাবাচক সৰ্গ, (৫) সম্বন্ধ উভয়বাচক সৰ্গ, (৬) কাৰকবাচক সৰ্গ (শব্দ বিভক্তি), (৭) কালবাচক সৰ্গ (ক্ৰিয়া বিভক্তি), (৮) পাঁচনি ধাতু গঠন কৰা পূৰ্বসৰ্গ, (৯) ধাৰ কৰা ধাতুত যোগ কৰা পৰপ্ৰত্যয় সৰ্গ, (১০) কৃদন্ত ৰূপ সাধনৰ সৰ্গ, (১১) অসমাপিকা ক্ৰিয়া ৰূপৰ সৰ্গ, (১২) ক্ৰিয়াৰ সাধাৰণ নাস্ত্যৰ্থকতা -চা পৰসৰ্গ আৰু অনুজ্ঞা নাস্ত্যৰ্থক তা- পূৰ্বসৰ্গ, (১৩) স্থানবাচক আৰু কালবাচক অন্তঃসৰ্গ, (১৪) দ্বিত্ববাচক ক্ৰিয়া বিশেষণৰ অন্তঃসৰ্গ, (১৫) ক্ৰিয়াবাচক অন্তঃসৰ্গ আৰু পৰসৰ্গ (স্বাৰ্থিক প্ৰত্যয়), (১৬) বিশেষ্যবাচক পৰসৰ্গ, (১৭) জোৰ বুজোৱা ৰূপৰ সৰ্গ ইত্যাদি।

বিশেষ্য শব্দৰ গঠন ঃ জাতিবাচক বা শ্ৰেণীবাচক বিশেষ্যৰ একোটাকৈ মূল আধাৰ (Word nucleus) থাকে, ইয়াৰ আগে-পিছে বিভিন্ন প্ৰত্যয় অৰ্থাৎ পূৰ্বসৰ্গ বা পৰসৰ্গ লগ লগাই বিভিন্ন শ্ৰেণীবাচক বিশেষ্য গঠন কৰা হয়। এইবোৰ মূল আধাৰে স্বতন্ত্ৰ ৰূপত অকলে অৰ্থ প্ৰকাশ কৰিব পাৰে যদিও কিছুমান মূল আধাৰ অইন সৰ্গ বা ৰূপৰ সহযোগতহে অৰ্থ প্ৰকাশ কৰিব পাৰে। এনে ৰূপকে মূলাভাস প্ৰাকৃতি বা উপপদ (sub-morpheme) বোলা হয়। ৰাভা ভাষাৰ মূল আধাৰ স্বাভাৰিকতে এক অক্ষৰীয়া (mono-syllabic)। এইখিনিতে কেইটামান উদাহৰণ আগবঢ়োৱা হ'ল—

জন্তুবাচক মা- উপপদ যোগে— মাবা (মতা জন্তু), মাজু (মাইকী জন্তু); মুছা (পুৰুষ), মিচা (নাৰী), মিচিক (স্ত্ৰী) ইত্যাদি।

চৰাইবাচক তো- উপপদ যোগে— তোখা (কাউৰী), তোৰে (হাইঠা), তোতা (মইনা), বাতো (ভাটৌ), তুখুৰ (কপৌ) ইত্যাদি।

মাছবাচক না- উপপদ যোগে— নাছান (পুঠি), নাজেক (বৰালি)।

গছবাচক পান- উপপদ যোগে— পানছান (শাল), পানচাক (ঔষধ), পামচু (শিমলু), পচো (আম) ইত্যাদি।

হা (মাটি) যুক্ত শব্দ— হাচু (পাহাৰ), হাকাপ (নদীৰ পাৰ), হাছাক (ৰঙা মাটি), হামজাৰ (ঝুমতলী), ইত্যাদি।

ৰাং (বিশ্ব ব্ৰহ্মাণ্ড) যুক্ত শব্দ— ৰাং চি (ৰস), ৰাং খোপ (মেঘ), ৰাং ছাং (সূৰ্য)।

চি < চিকা যুক্ত শব্দ (নদ-নদী আদি)— চিমান্দি (দুধনৈ), চিদ্ৰাম (কৃষ্ণাই), নুকচি (চকুলো), ফাচি (বৰষুণ), বামচি (পিঠালি), চুংচি (পোকৰ পলু), ইত্যাদি।

মেন (নোম) যুক্ত শব্দ— জিমেন (নেজ), কামেন (দাড়ি), নুমেন (চকুৰ নোম), ইত্যাদি।

ধাতুৰ পৰা -কায় পৰপ্ৰত্যয় যোগে ভাববাচক বিশেষ্য গঠন কৰা হয়। উদাহৰণ

স্বৰূপে— ছা— ছাকায় (খাৱন, খাদ্য), ৰু'ম— ৰু'মকায় (ৰন্ধন, ৰন্ধা), মিনি— মিনিকায় (হাঁহি), নাছি— নাছিকায় (মৰম), ইত্যাদি। সেইদৰে -কায় প্রত্যয় যোগ দি কেতবোৰ বিশেষণ শব্দক বিশেষ্যৰ দৰে জোৰ দিয়া বা নির্দিষ্টকৈ বুজোৱা অর্থত ব্যৱহাৰ কৰা হয়। ইও এক প্রকাৰৰ ভাববাচক বিশেষ্য। যেনে— পিদান (নতুন)— পিদানকায় (নতুনকৈ তৈয়াৰী), গাবুৰ (ডেকা)— গাবুৰকায় (যিজন ডেকা), ইত্যাদি।

ৰাভা ভাষাত পি- পূর্বসর্গ যোগেও কেতবোৰ ধাতু অথবা প্রাতিপদিকৰ পৰা বিশেষ্য শব্দ গঠন কৰা হয়। এইবোৰ বৰো ভাষাৰ ফি- ~বি- ~বে- আৰু গাৰো ভাষাৰ বি- পূর্বসর্গৰ সৈতে সাদৃশ্য আছে। উদাহৰণ স্বৰূপে— খা (তিতা হ)— পিখা (কলিজা), চি (কণী পাৰ)— পিচি (কণী), ছাক (ৰঙা হ)— পিছাক (ৰঙা কুকুৰা) ইত্যাদি।

সম্বন্ধবাচক (বিশেষ্য) শব্দৰ গঠন ঃ ৰাভাত সম্বন্ধবাচক শব্দ বিশেষ্যৰ শ্রেণীতে পৰে। ই দুবিধ— সম্বোধনত ব্যৱহৃত শব্দ (terms of address) আৰু উল্লেখত ব্যৱহৃত শব্দ (terms of reference)। সাধাৰণতে সম্বোধনত ব্যৱহৃত শব্দৰ লগত তৃতীয় পুৰুষবাচক -ব্রা প্রত্যয় যোগ দিলে উল্লেখত ব্যৱহৃত প্রকৃত সম্বন্ধবাচক শব্দ পোৱা যায়। অৱশ্যে কেতিয়াবা ইয়াৰ ব্যতিক্রমো হয়। ৰাভাত প্রথম পুৰুষ আৰু দ্বিতীয় পুৰুষৰ সম্বন্ধবাচক ৰূপৰ সৈতে পুৰুষবাচক পূর্বসর্গৰ দৰে যথাক্রমে চিং আৰু নাং সর্বনাম দুটাৰ প্রয়োগ বিশেষ মন কৰিবলগীয়া।

বিশেষণ শব্দৰ গঠন ঃ ৰাভা ভাষাত বিশেষণ শব্দবোৰ সাধিত শব্দৰ অন্তর্গত। সচৰাচৰ বিশেষণধর্মী অর্থাৎ বিশেষণীয় ধাতুৰ (Adjectival root) লগত -কায় পৰপ্রত্যয় যোগ দি বিশেষণ শব্দ গঠন কৰা হয়। অৱশ্যে এটা বিশেষণীয় ধাতু পোনপটীয়াকৈ বিশেষণ শব্দ হিচাপে ব্যৱহাৰ কৰিব পাৰি। উদাহৰণ স্বৰূপে— কেতবোৰ প্রত্যয়বিহীন বিশেষণ শব্দ— দৰায় (গাভৰু), গাবুৰ (ডেকা), ভেব্রা (ভোদা), বোক্কা (মূর্খ)।

-কায় পৰপ্রত্যয়যুক্ত বিশেষণ শব্দৰ উদাহৰণ— আক্কায় (ক'লা), বায়কায় (হালধীয়া), দংকায় (সত্য) ইত্যাদি ৰাভাত বচন দুটা। বচন নিৰপেক্ষ ৰূপত {-তাং~-ৰং~-বিজান} প্রত্যয়যোগে বহুবচন বুজোৱা হয়। তদুপৰি দ্বিৰুক্তি যোগেও বহুবচনৰ ধাৰণা দিয়া হয়। উদাহৰণ— বুদাছা (বিশেষ এজন বুঢ়া), ওৰং (সিহঁত), মাছু বিজান (গৰুবোৰ), ইত্যাদি।

ৰাভাত সর্বনামৰ পুং-স্ত্রী আৰু মান্য-তুচ্চৰ ধাৰণা নাই। কিন্তু প্রথম পুৰুষৰ বহুবচনত শ্রোতা অন্তর্ভূত (কাকায়) আৰু শ্রোতা বহির্ভূত (চিং) এই দুটা ৰূপ আছে। সর্বনামত একবচনৰ ৰূপৰ লগত {-ৰং} (ব্যক্তিবাচক) আৰু {-বিজান} (অব্যক্তিবাচক) প্রত্যয় যোগে বহুবচন সূচোৱা হয়। যেনে—নাৰং (তহঁত/তোমালোক/আপোনালোক), এবিজান (এইবিলাক)। সেইদৰে ৰাভাত নির্দেশবাচক সর্বনামৰ দৰে বিভিন্ন প্রশ্নবাচক, সম্পর্কবাচক, তুলনাবাচক আদি সর্বনাম-মূলৰ পৰাই বিভিন্ন আকৃতিসূচক, দৈর্ঘসূচক, পৰিমাণসূচক, লক্ষণসূচক, কালবাচক, দিশসূচক অনুপদ যোগে বিভিন্ন সর্বনামীয় বিশেষণ

আৰু ক্রিয়া-বিশেষণৰ গঠন কৰা হয়। উদাহৰণ স্বৰূপে— ইন্তুং 'ইমান (ডাঙৰ)', বেনদক 'কিমান (দীঘল)', বিদুং 'কোন ফালে', হোং ফালাং 'সিপিনে' ইত্যাদি। ৰাভাত {-ক} প্রত্যয় যোগে প্রশ্নবাচক সর্বনামৰ অনির্দিষ্টতা সূচায়। যেনে— চাংবা 'কোনোবা', বেদোৱাৰা 'কেতিয়াবা', চাঙিবা 'কাৰোবাৰ' ইত্যাদি।

ৰাভাত কাৰক ছটা, সম্বন্ধক লৈ সাতোটা। এইবোৰত প্রয়োগ হোৱা বিভক্তি বা অনুপদসমূহ হৈছে— ϕ (কর্তা), -অ/-ও/ϕ (কর্ম), পাকে/চাকি/তেকা (কৰণ), -না/-মা/-ঙা/-আ (সম্প্রদান), -নি + পাৰা (অপাদান), -নি/-মি/-ঙি/-ই (সম্বন্ধ), -আয়/-ই/-ছি-/-তি/-দিগি-/-দাগায/-খাতাং (অধিকৰণ)। ৰাভাত অধিকৰণৰ ৰূপত সম্বন্ধ কাৰকৰ -নি বিভক্তি প্রয়োগ হ'লে কেতিয়াবা সম্পর্কযুক্ত অর্থসূচক শব্দৰ সাধন হয়। উদাহৰণ স্বৰূপে— ৰাম-ই + নি = ৰামিনি (কায়) 'বাটত থকা মানুহ অর্থাৎ বাটৰুৱা, নোক-ই + নি = নুকিনি (তো) 'ঘৰত থকা চৰাই অর্থাৎ ঘৰচীয়া চৰাই আদি।

ক্রিয়া ঃ ৰাভা ভাষাত ক্রিয়াৰ প্রকাৰ আৰু শ্রেণী বহুমুখী। মূলতঃ মৌলিক আৰু সমমূলীয় ধাতুবিলাক একাক্ষৰিক আৰু অন্যান্য শ্রেণীৰ সাধিত বা ঋণকৃত ধাতুবিলাক দ্ব্যক্ষৰিক বা বহু আক্ষৰিক। ৰাভাত প্রত্যয় যোগ নোহোৱাকৈ ধ্বন্যাত্মক শব্দ, বিশেষণ শব্দ আৰু নামশব্দ ধ্বন্যাত্মক ধাতু বা নামধাতু হিচাপে প্রয়োগ হয়। ৰাভাত তিনি প্রকাৰে সাধিত ধাতু গঠন হয়। ৰাভাত দুই বা ততোধিক যুগ্ম ধাতুৰ একেলগে প্রয়োগ হ'ব পাৰে। উদাহৰণ স্বৰূপে—

নুকবাৰ-জি'ন-খি'তাক-থো-চা 'পৰস্পৰে ভাল পোৱা-পুই কৰাৰ ভাও জুৰিবলৈ নুশুৱা।'

ৰাভাত ক্রিয়া বিভক্তি অতি সীমিত। দুই বা ততোধিক ক্রিয়া বিভক্তিৰ একেলগে প্রয়োগ হ'লে বিভিন্ন কালত ভাব আদি সূচায়। উদাহৰণ স্বৰূপে— ৰাভাত পাঁচোটা দশাত প্রয়োগ হোৱা বর্তমান কালত ৰূপৰ লগত (নিত্য বর্তমান ঃ {-আ}, ঘটমান বর্তমান ঃ স্বৰূপ/পূর্ণ বর্তমান ঃ {-জো}, অপূর্ণ বর্তমান ঃ {-নাতা} আৰু তাৎকালিক/অদূৰ বর্তমান ঃ {-না} + {-মু'ন}/{-মামুন} ক্রিয়া-বিভক্তিৰ প্রয়োগ হ'লে সেই সেই দশাৰ অতীত কাল সূচায়। অৱশ্যে ভৱিষ্যৎ কালৰ ক্রিয়া বিভক্তি সুকীয়া। সাধাৰণ ভৱিষ্যৎ ঃ {-নো} আৰু অদূৰ ভৱিষ্যৎ ঃ {-নাজো}। সকলো পুৰষ আৰু বচনত একেটা ক্রিয়া বিভক্তিৰে প্রয়োগ হয়।

ৰাভাত ক্রিয়াৰ বিভিন্ন ভাবসূচক বিভক্তিসমূহ হৈছে ক্রমে—

বর্তমান/ভৱিষ্যৎ অনুজ্ঞা ঃ	ϕ (দ্বিতীয় পুৰুষত), -খান (তৃতীয় পুৰুষত);
সন্ধিগ্ধ অতীত/পূর্ণ বর্তমান ঃ	-জো + -নো (দ্বিতীয/তৃতীয় পুৰুষত);
সন্ধিগ্ধ অদূৰ ভৱিষ্যৎ ঃ	-না + -জো + -নো (দ্বিতীয়/তৃতীয় পুৰুষত);
সন্ধিগ্ধ তাৎকালিক বর্তমান ঃ	-না + মু'ন (সকলো পুৰুষত);
সম্ভাব্য অতীত/পূর্ণ বর্তমান ঃ	-জো + ফাং (সকলো পুৰুষত);

সম্ভাব্য সন্ধিগ্ধ বর্তমান ঃ -জো + নো + ফাং/মু'ন (সকলো পুৰুষত);

সম্ভাব্য সাধাৰণ ভৱিষ্যৎ ঃ -নো + ফাং/মু'ন (সকলো পুৰুষত);

সম্ভাব্য অদূৰ ভৱিষ্যৎ ঃ -না + -জো/+ মু'ন (সকলো পুৰুষত)।

ৰাভাত নঞৰ্থকসূচক ৰূপ ঘাইকৈ তিনিটা। অনুজ্ঞাত তা- পূর্বপ্রত্যয়, সাধাৰণ অর্থত -চা/-খুচা যুগ্ম ধাতু আৰু ভৱিষ্যৎ কালত -না + তংচা বাক্যাংশ যোগে ৰাভাত নঞৰ্থক ৰূপ কৰা হয়।

ৰাভাত কৃদন্ত {-বা, -কায়, -না লাগিকায়}, অসমাপিকা {-না, -এ}, চর্তবাচক {-দং} আদি ক্রিয়াৰ বিভিন্ন ৰূপৰ দৰে সমার্থক দ্বিত্ব ক্রিয়াৰো প্রয়োগ আছে। ৰাভাত কিছুমান ক্রিয়া ৰূপ নিয়মিত আৰু কিছুমান অনিয়মিত। পৰিপূৰক বা বিকল্প ধাতুৰো প্রয়োগ ৰাভাত আছে।

ৰাভা ভাষাৰ শব্দৰ প্রসংগলৈ আহিলে এইটো ক'ব পৰা যায় যে ৰাভা ভাষাত বিভিন্ন সমমূলীয় (দূৰৱর্তী আৰু নিকটৱর্তী), বিষমমূলীয় (দেশী আৰু বিদেশী) আৰু স্বকীয় শব্দৰ প্রচলন আছে। ৰাভা শব্দ-সম্ভাৰত ধ্বন্যাত্মক বা প্রতিধ্বন্যাত্মক শব্দৰ প্রাচুর্য অন্যতম মন কৰিবলগীয়া দিশ। অর্থযুক্ত আৰু অর্থহীন সাদৃশ্যাত্মক শব্দৰে প্রতিধ্বন্যাত্মক শব্দৰ গঠন কৰা হয়। উদাহৰণ স্বৰূপে— হা-নোক 'মাটি-ঘৰ' অর্থাৎ 'ঘৰ-বাৰী' কিন্তু হা-থা 'মাটি-চাটি' আদি।

ৰাভাত সকলো শ্রেণীৰ উক্তি, বাচ্য আৰু বিভিন্ন পদত প্রয়োগ হোৱা বাক্যাংশৰো কম-বেছি পৰিমাণে প্রয়োগ আছে। ৰাভা ভাষাতো ক্রিয়াৰ বাক্যৰ শেষস্থানত প্রয়োগ আছে, কিন্তু ক্রিয়া বাক্যৰ অত্যাৱশ্যকীয় অংশ নহয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৩ ঃ ৰাভা ভাষাত ক্রিয়াৰ ভাবসূচক বিভক্তিসমূহ কি কি? (১৫০টা শব্দৰ ভিতৰত)

.....

১.৪.৩ কার্বি ভাষা

কার্বি (মিকিৰ) ভাষাক চীন-তিব্বতীয় মূলৰ তিব্বত-বর্মীয় শাখাৰ অসম-বর্মীয় উপশাখাৰ অন্যতম প্রধান শ্রেণী তিনিটা— বডো, নগা অথবা কুকি-চীন-কোনোটোতে অন্তর্ভুক্ত কৰিব নোৱাৰি। দুই-এগৰাকী ভাষাবিদে কার্বি ভাষাক বৰো বর্গৰ অন্তর্ভুক্ত কৰিব খোজে যদিও এই ভাষাত নগা নতুবা কুকি-চীন বর্গীয় ভাষাৰ লক্ষণহে বেছিকৈ পোৱা যায়। কার্বি ভাষাৰ প্রধান উপভাষা তিনিটা— ভৈয়ামৰ ভুই, ৰংখাং আৰু আমৰি। সম্প্রতি ডিফু অঞ্চলত প্রচলিত কার্বি ভাষাৰ উপভাষাটোৰ

আধাৰত পাঠ্যপুথি আদি প্ৰণয়ন কৰি প্ৰাথমিক স্তৰত কার্বি ভাষাৰে শিক্ষাদানৰ ব্যৱস্থা লোৱা হৈছে। কার্বি ভাষাৰ নিজস্ব লিপি নাই। গতিকে ৰোমান আৰু অসমীয়া— উভয় লিপি পুথি-পাঁজি লিখা হৈ আহিছে। ২০০১ চনৰ লোকপিয়ল অনুযায়ী অসমৰ কার্বি আংলং জিলাত থূপ খাই থকা কার্বি ভাষা-ভাষী লোকৰ সংখ্যা আছিল ৩,৫৫০৩২ গৰাকী। অসমৰ নগাঁও, মৰিগাঁও, কামৰূপ, দৰং আদি ভৈয়ামৰ জিলাসমূহতো কিছু সংখ্যক কার্বি লোকৰ বসতি আছে। এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে জনজাতীয় ভাষাসমূহৰ ভিতৰত কার্বি ভাষাটোৱে তৃতীয় সর্বোচ্চ স্থান লাভ কৰি আছে।

কার্বি ভাষাৰ ধ্বনিতত্ত্ব বিচাৰ কৰিলে আমি দেখিবলৈ পাম যে কার্বি ভাষাত সাতটা স্বৰধ্বনি (দুটা সুৰসহ) আৰু ঊনৈশটা ব্যঞ্জন ধ্বনি পোৱা যায়। ভাষাবিদ V. Y. Jayapaul-ৰ মতে এই ভাষাত কেৱল পাঁচটা বিশিষ্ট স্বৰ (তিনিটা সুৰসহ), কিন্তু চৌবিশটা বিশিষ্ট ব্যঞ্জনৰ প্ৰয়োগ আছে। কার্বি ভাষাৰ ধ্বনি ৰীতিৰ বিশেষ মন কৰিবলগীয়া দিশটো হৈছে যে ইয়াত উচ্চ কেন্দ্ৰীয় স্বৰধ্বনি আৰু গ ব্যঞ্জন ধ্বনি অনুপস্থিত। স্বৰৰ দীর্ঘতা, অনুনাসিকতা আদি বিশিষ্ট ধ্বনি নহয় যদিও শ্বাসাঘাত বা বলাঘাতে কার্বি ভাষাত অর্থৰ বিৰোধ ঘটাব পাৰে। উদাহৰণ স্বৰূপে— জিভাৰ কেঁকুৰি ভঙা সাদৃশ্যধর্মী শব্দ পাঁচোটা একেটা বাক্যত প্ৰয়োগ হ'লে বলাঘাত অনুযায় অর্থৰ সলনি হয়। যেনে—

লাং = পানী বা চা
লাং লাং = চাওঁচোন
লাং লাং লাং = পানী চাওঁচোন
লাং লাং লাং লাং = পানী চাওঁ কি নাচাওঁ
লাং লাং লাং লাং লাং = নিজে আহি চোৱাচোন পানীক।

ভাষাবিদ উপেন ৰাভা হাকাচামে তেওঁৰ ভাষা সম্পর্কীয় আলোচনাত কার্বি ভাষাৰ ৰূপতত্ত্বকো সামৰিছে। সেই মনোজ্ঞ আলোচনাৰ পৰা আমাৰ এইটো ধাৰণা হয় যে ৰূপগতভাৱে কার্বি ভাষাত বহুতো স্বকীয় বৈশিষ্ট্যৰ লগতে তিব্বত-বর্মীয় বৈশিষ্ট্য ৰক্ষিত হৈ আছে।

{আ-}, {ইং-} পূর্ব প্ৰত্যয়যুক্ত সম্বন্ধবাচক বিশেষ্য; {ইং-} পূর্ব প্ৰত্যয়যুক্ত সাধাৰণ ধাতু; {পে-~পি-~পা-} পূর্ব প্ৰত্যয়যুক্ত পাচনি ধাতু আৰু {কে-~কি-~কা-} পূর্ব প্ৰত্যয়যুক্ত বিশেষণ শব্দৰ প্ৰাধান্য এই ভাষাৰ বিশেষ লক্ষণ। তদুপৰি {-লি} প্ৰত্যয় যোগে সর্বনামৰ মান্যার্থক ৰূপ, {-ইক} প্ৰত্যয় যোগে মান্যার্থকবাচক ক্ৰিয়াৰূপ, {-প'~-ল'/-আল'} আৰু {-পী/-আপী} প্ৰত্যয় যোগে পুং-স্ত্ৰীৰ লিংগভেদ, {-তুম~-মাৰ~-হ'ৰ~-হেইহুত} প্ৰত্যয় যোগে বহুবচনৰ ধাৰণা বুজোৱা হয়। সেই দৰে সংযুক্ত ধাতুযোগে ভিন্ ভিন্ ভাব বুজোৱাৰ ব্যৱস্থা আছে।

দ্বিৰুক্তি যোগে ক্রিয়াৰ নঞৰ্থক ৰূপ কৰা ব্যৱস্থা কার্বি ভাষাত বিশেষ বৈশিষ্ট্য। যেনে— মে 'ভাল হয়'; মে মে 'ভাল নহয় (বেয়া)'; মে মে মে 'ভাল নোহোৱা নহয়' অর্থাৎ 'বেয়া নহয়'। মে মে মে মে মে 'বেয়া নোহোৱা নহয়'।

সেইদৰে পুৰুষ আৰু বচন নিৰপেক্ষ ক্রিয়াৰূপ, সীমিত কাৰক বিভক্তি (কৰণ-অপাদান নতুবা কর্ম-সম্প্রদান অভিন্ন; আনকি সম্প্রদানৰ বিভক্তিয়ে কৃদন্ত হিচাপে অসমাপিকা অর্থত প্রয়োগ হয়) ইত্যাদিৰে ই বৈশিষ্ট্যময়। কার্বি ভাষাতো সংখ্যাবাচক শব্দৰ সৈতে বর্গ কর্তাৰ প্রয়োগ আছে আৰু তেতিয়া ই অনির্দিষ্টতা অর্থ সূচায়। সংখ্যাবাচক শব্দৰ মূল সর্বোচ্চ ৬, ইয়াৰ পিছত ৭ (৬+১), ৮ (১০-২), ৯ (১০-১) ইত্যাদিৰে তদুর্ধ সংখ্যা সাধিত হয়।

মন কৰিবলগীয়া যে কার্বি ভাষাত বিশেষণ বিশেষ্যৰ পিছত প্রয়োগ হয়। সেই বাবে বিশেষণৰ লগতহে কাৰক আৰু বহুবচনবাচক প্রত্যয় আদিৰ প্রয়োগ হয়। কার্বি ভাষাৰ সম্বন্ধবাচক শব্দৰ সাধন, প্রয়োগ আৰু ব্যৱহাৰ মন কৰিবলগীয়া। একেটা শব্দ মূলৰ পৰা পুংলিংগবাচক {-প'} আৰু স্ত্রীলিংগবাচক {-পী} প্রত্যয় যোগে ভিন্ ভিন্ সম্বন্ধবাচক শব্দৰ সাধন কৰা হয়। যেনে—

তে (জ্যেষ্ঠা ভগ্নী) ঃ তেপ' 'গিৰীয়েকৰ ককায়েক = বৰজনাক/বায়েকৰ গিৰীয়েক = ভিনিহীয়েক'।

তেপী 'ককায়েকৰ ঘৈণীয়েক = নবৌয়েক/গিৰীয়েকৰ ককায়েক।


ঘৈণীয়েক = জাক' ক'ৰ (কনিষ্ঠ ভাতৃ) ঃ ক'ৰ্পী 'খুলশালী' ছোৱালী/সৰুজনী জাক' ক'ৰ্প' 'দেৱৰ' তু. ক'ৰতে 'ভাই'

আকৌ ছাৰ (বৃদ্ধ) ঃ অ'ংছাৰ 'মোমায়েকৰ মানুহ = জেঠেৰী/খুলশালিটো'।

সেইদৰে প্রায়বিলাক সম্বন্ধবাচক শব্দৰে বক্তাৰ পুং-স্ত্রী ভেদে অর্থাৎ পুৰুষ বা তিৰোতা ভেদে ভিন্ন ৰূপৰ ব্যৱহাৰ আছে। যেনে— পুৰুষৰ ক্ষেত্রত ভনীয়েকক লোৱা সম্বোধন ঃ ইংজিৰ' কিন্তু তিৰোতাৰ ক্ষেত্রত ভনীয়েকক লোৱা সম্বোধন ঃ তেপৌ।

উভয়ৰ ক্ষেত্রত ভনীয়েকক লোৱা সম্বোধন ঃ ব'ং/মু।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৪ ঃ কার্বি ভাষাৰ সম্বন্ধবাচক শব্দৰ প্রয়োগৰ বিষয়ে কি জানে লিখক। (১৫০টা শব্দৰ ভিতৰত)

.....

.....াষাত পুৰুষভেদে সম্বন্ধবাচক নির্দিষ্টতাৰ প্রয়োগ ভিন্ন। যেনে— নে-ইংজিৰ্ > নেংজিৰ্ 'ভনী' তু. নে 'মই' নাং-ইংজিৰ্ > নাংজিৰ্ 'ভনীয়েৰ/ভনীয়েৰা' তু. নাং 'তই/তুমি' আলাং -ইংজিৰ্ > আংজিৰ্ 'ভনীয়েক' তু. আলাং 'তেওঁ'।

কার্বি ভাষাত কাল আৰু দশাবাচক পৰ প্রত্যয়ৰ যোগে ভিন্ ভিন্ ক্রিয়া ৰূপৰ

প্রয়োগ আছে। মনত ৰাখিবলগীয়া কথা এইটো যে কার্বিত সর্বনামৰ মান্যার্থত (তিনিওটা পুৰুষৰ) -ইক পৰ প্রত্যয় ধাতুৰ পিছত লগ লাগে। অর্থাৎ মান্যার্থবাচক প্রত্যয় যোগ হোৱাৰ পিছত দশাবাচক আৰু তাৰ পিচতহে কালবাচক প্রত্যয় যোগ হয়। আনহাতে কার্বিত প্রতিটো ক্রিয়াৰ কর্তৃবাচ্য আৰু কর্মবাচ্যৰ ৰূপ বেলেগ বেলেগ। কর্মবাচ্যৰ ক্ষেত্রত হ'লে মূল ধাতুটোৰ কৃদন্ত ৰূপে {কে-~কা-~কি-}ৰ পিছত তাং (শেষ কৰ) সহায়কাৰী ক্রিয়াৰ প্রয়োগ হয়। নঞর্থক ৰূপত হ'লে অনুজ্ঞাত {-ৰি} হয় আৰু সাধাৰণ অর্থত দ্বিৰুক্তি হয়।

	দশা	বর্তমান	অতীত	ভৱিষ্যৎ
১।	সাধাৰণ মান্য	ϕ -ইক	বর্তমান+লো বর্তমান+ইক+লো	বর্তমান+পো/জি* -ইক+পো/জি
২।	ঘটমান মান্য	-বোম -ইক -বোম	বর্তমান+লো	বর্তমান+পো/জি
৩।	স্বৰূপ/পূর্ণ মান্য	-এত (+এলাং) -ইক এত (+এলাং)	-এত+লো -ইক এত+লো	-এত+পো/জি -ইক এত+পো/জি
৪।	সম্ভাব্য/সন্ধিগ্ধ (Immediate future)	-জি	আছন্তে/ জি+আপত+লো	লো+হয়, তা+হয়

অনুজ্ঞা ঃ ব'লা আমি খাওঁ (Let us eat) : ইলিতুম চনাং/চ -ইক-নাং আহাচোন (Please come) : ৰাং- থা/তু।

আহা (Come, Command) ঃ ৰাং-নোই

নঞর্থক ঃ নাহিবা (Do not come) ঃ ৰাং-ৰি

নাহিবা দেই (Please do not come) ঃ ৰাং-ইক ৰি।

শব্দসম্ভাৰৰ দিশৰ পৰা কার্বি ভাষা অতি চহকী। কার্বি ভাষাত গীত-মাতত ব্যৱহৃত শব্দ আৰু দৈনন্দিন জীৱনত ব্যৱহৃত শব্দ সুকীয়া সুকীয়া। কার্বি সংস্কৃতিৰ লগত জড়িত শব্দৰ উৎস খাচী ভাষাৰ সৈতে মিল থকা। কম-বেছি পৰিমাণে অসমীয়া, হিন্দী আদি আর্যমূলীয় ভাৰতীয় ভাষা আৰু ইংৰাজী আদি বিদেশী ভাষাৰ শব্দৰ প্রয়োগো কার্বি ভাষাত আছে। অৱশ্যে সেই প্রয়োগ সৰহভাগ ক্ষেত্রতে কিছু বিকৃতভাৱে হৈছে। উদাহৰণ স্বৰূপে— ক > গ হোৱা ঃ কাংবুৰা (গাঁওবুঢ়া), ক্রামছা (গামোচা),

অন্ত্য ল > ই হোৱা ঃ নাঙই (নাঙল), পিতই (পিতল),

স > হ হোৱা ঃ হিকি (সিকি)। ইংৰাজী Arrack (আৰাক) শব্দটো কার্বি ভাষাত ফটিকা অর্থত অবিকলভাৱে প্রয়োগ হৈছে।

কার্বি ভাষাত দ্বিৰুক্তিবাচক শব্দৰ প্রাধান্য মন কৰিবলগীয়া বিশেষত্ব। উদাহৰণ স্বৰূপে— ৰেতৰেত-ৰতৰত 'ইফাল-সিফাল', ৰিৰ-ৰিৰ-ৰাৰ ৰাৰ 'তজবজীয়া' আদি।

সময় পাৰ হৈ যোৱাৰ লগে লগে কার্বি ভাষা শ্রীবৃদ্ধি লাভ কৰে। ভাষা-সাহিত্য-সংস্কৃতি সকলো দিশৰ পৰা কার্বি ভাষা এতিয়া এটা লেখৰ চীন-তিব্বতীয় মূলৰ ভাষা ৰূপে প্রতিষ্ঠিত হৈছে।

১.৪.৪ মিছিং (মিৰি) ভাষা

ব্রহ্মপুত্র উপত্যকাত প্রচলিত তিব্বত-বর্মীয় মূলৰ উত্তৰ অসম শাখাৰ একমাত্র ভাষা হ'ল মিছিং ভাষা যাক এসময়ত মিৰি ভাষা আখ্যা দিয়া হৈছিল। মনত ৰাখিবলগীয়া যে উত্তৰ অসম শাখাত অন্তর্ভুক্ত হোৱা অন্যান্য উল্লেখযোগ্য ভাষাসমূহ হৈছে ক্রমে— অকা (হ্রুছ'), আবৰ (আদি), ডফলা, মিছিমি, মিৰি (মিছিং) ইত্যাদি। সম্প্রতি অসমত মিছিং ভাষা প্রচলিত থকা অঞ্চলসমূহ হৈছে ক্রমে উজনি অসমৰ লখিমপুৰ, শিৱসাগৰ, যোৰহাট, দৰং, শোণিতপুৰ আদি। ১৯৯১ চনৰ লোকপিয়ল অনুযায়ী মুঠ মিছিং ভাষী লোকৰ সংখ্যা ৩,৮১,৫৬২ জন।

ভাষাবিদ উপেন ৰাভা হাকাচামে তেওঁৰ গ্রন্থত মিছিং ভাষাৰ আলোচনাৰ প্রসংগত লিখিছে যে মিছিং ভাষাতো অন্যান্য ভাষাৰ দৰে কেইবাটাও উপভাষা আৰু স্থানীয় উপভাষা আছে। মিছিং ভাষাৰ নিজস্ব লিপি নাই। এই ভাষাৰ লিখিত পৰম্পৰাও সিমান পুৰণি নহয়। প্রথম অৱস্থাত বৃটিছ বিষয়াসকলে ৰোমান লিপিৰ সহায়ত এই ভাষাৰ চর্চা কৰিছিল। পৰৱর্তী সময়ত অসমীয়া লিপিৰ সহায়ত এই ভাষাৰ চর্চা আৰু সৃষ্টি আৰম্ভ হয়। ১৯৮৫ চনৰ পৰা এই ভাষাটো অসমৰ প্রাথমিক বিদ্যালয়ত শিক্ষাৰ মাধ্যম হিচাপে প্রৱর্তিত হৈ আহিছে। মিছিং ভাষাত কেইবাখনো ব্যাকৰণ পুথি আৰু অভিধান প্রণয়ন কৰা হৈছে। বর্তমান এই ভাষাটো মান্যকৰণৰ পর্যায়লৈ উন্নীত হোৱাৰ পথত। এই ভাষাৰ দুটা উপভাষা ক্রমে ছাঃ য়াং (sa: yang) আৰু পাগ্ৰ-দু'লু-দাম্বুগ্ (Pagro-Delu-Dambug) এই দুটা উপভাষা গোষ্ঠীৰ মাজত ধ্বনি-ৰূপ-শব্দ সম্ভাৰৰ ক্ষেত্রত স্বকীয়তা দৃশ্যমান।

যদি আমি মিছিং ভাষাৰ ধ্বনিতত্ত্বৰ আলোচনালৈ আহোঁ, তেতিয়া আমি দেখিবলৈ পাম যে মিছিং ভাষাত সাতটা স্বৰধ্বনি আছে। প্রতিটো স্বৰধ্বনিৰ দুটাকৈ ৰূপ (হ্রুস্ব আৰু দীর্ঘ)। সেইবাবে চৈধ্য প্রকাৰৰ বিৰোধী প্রয়োগ পোৱা যায়। মিছিং ভাষাত সুৰ ৰক্ষিত হোৱা নাই। শ্বাসাঘাত, সুৰলহৰ আদি উপভাষা ভেদে ভিন্ ভিন্ ঠাইত ভিন্ ভিন্ প্রকাৰে অনুভূত হয়। মিছিং ভাষাৰ ব্যঞ্জন ধ্বনি অতি সীমিত। মহাপ্রাণতা মিছিং ভাষাত সম্পূর্ণৰূপে অনুপস্থিত। কিন্তু অনুনাসিকতা তুলনামূলকভাৱে প্রকট। মিছিং ভাষাত তলত দিয়া ধ্বনিকেইটাৰ প্রয়োগ পোৱা যায়।

হ্রুস্বস্বৰ ঃ ই /i/ এ /e আ /a/ অ~অ'/ə/ উ/u উ'~ঔ /ə/* ই'~ অৃ /t/*

দীর্ঘস্বৰ ঃ ইঃ /i:/ এঃ /e: আঃ /a:/ অঃ~অ'ঃ/ə:/ উঃ/u: উ'ঃ~ঔঃ /ə:/* ই'ঃ~ অৃ /t:/*

অঘোষ স্পর্শ ব্যঞ্জন ঃ প /p/ ত /t/ ক /k/

সঘোষ স্পর্শ ব্যঞ্জন ঃ ব /b/ দ /d/ গ /g/

নাসিক্য ব্যঞ্জন ঃ ম /m/ ন /n/ ঙ / ŋ / ঞ /ñ/

তৰল ব্যঞ্জন ঃ ল /l/ ৰ /r/

ঘৃষ্ট ব্যঞ্জন ঃ চ~ছ /s/ জ /z/ হ /h/**

অর্ধস্বৰ ঃ ৱ /w/ য় /y/

ৰূপতত্ত্বৰ কথা আলোচনা কৰিলে এইটো দেখা পোৱা যাব যে ৰূপতত্ত্বৰ বিভিন্ন প্রসংগত মিছিং ভাষাৰ ৰূপ-ৰচনাত অন্যান্য তিব্বত-বর্মীয় বৈশিষ্ট্য বহুল মাত্রাত ৰক্ষিত হৈছে। মিছিং ভাষাত একোটা সাধাৰণ শব্দাংশ (generic particle) যোগে বিশেষ বিশেষ শ্রেণী বা প্রকৃতিৰ বিশেষ্য সাধিত হয়। উদাহৰণ স্বৰূপে—

গছবাচক ছি ঃ /ছিং ঃ ছিংগি (শিমলু), ছিঃ পিয়াগ (কপাহ) ছি ঃ লুং (বন);

চৰাইবাচক পু' ঃ পু'ত্তাং (চৰাই), পু'কি' (কপৌ), পু'বে ঃ (ভাটৌ), পু'ৰগ্ (কুকুৰা)।

বিভিন্ন ক্রিয়া শব্দৰ লগত ভিন্ ভিন্ প্রত্যয় যোগে গুণবোধক বিশেষ্য, বিশেষণ আৰু ক্রিয়া বিশেষণ শব্দৰ সাধন হয়। উদাহৰণ স্বৰূপে—

-নাম ঃ দ-নাম (খাৱন, খাদ্য), য়ব্-নাম (উৰা, উৰণ)।

-নু' ঃ আই-নু' (ভাল), কাংকান-নু' (ধুনীয়া), য়াছি ঃ নু' (বগা)।

-পু' ঃ আই-পু' (ভালকৈ), গু-পু' (গৰমে গৰমে)।

মিছিং ভাষাত সংখ্যাবাচক শব্দ সাধনৰ সর্বোচ্চ অংক হ'ল দহ। দহৰ পিছত দহ আৰু এক = এঘাৰ, দহ আৰু দুই = বাৰ, দহ দুই = বিশ, এই ৰীতিৰে তলত দিয়াৰ দৰে সংখ্যাবাচক শব্দ সাধন কৰা হয়।

আক/-ক (এক) ঃ ই'য়িং কলাং আক (এঘাৰ), ই'য়িং আনঞি কলাং আক (একৈশ);

আন্ঞি/-ঞি (দুই) ঃ ই'য়িং কলাং আন্ঞি (বাৰ), ই' য়িং কনং কলাং আন্ঞি

আউম্/-উম (তিনি) ঃ ই'য়িং কলাং আউম (তেৰ), ই'য়িং আউম (ঞি) (বিৰানৰ্বে)

মিছিং ভাষাত সংখ্যাবাচক শব্দৰ লগত শ্রেণী নির্দেশক প্রত্যয়ৰ একত্রে প্রয়োগ হয়।

মিছিং ভাষাত সম্বন্ধবাচক শব্দৰ লগত পুৰুষ সূচোৱা কোনো প্রত্যয়ৰ প্রয়োগ নাই। অৱশ্যে {আ-} পূর্বসর্গযুক্ত সম্বন্ধবাচক শব্দৰ সম্বোধনত (প্রথম পুৰুষত) দ্বিৰুক্তি হোৱাটো মিছিং ভাষাৰ মন কৰিবলগীয়া দিশ। উদাহৰণ স্বৰূপে—

প্রসংগৰ সম্বন্ধ শব্দ (terms of reference) সম্বোধন শব্দ (terms of address)

আত (ককাক)	তা ঃ ত/ত ঃ ত (ককাদেউতা)
আনু' (মাক)	না ঃ নু'/না ঃ ন্ (মা)

আঞি (মামীয়েক, পেহীয়েক) ঞি ঃ ঞি/ঞা ঃ ঞি (মামী, পেহী)।

মিছিং ভাষাত বচন দুটা যদিও সর্বনামত তিনিটা বচন পোৱা গৈছে। সাধাৰণতে দুই (আন্ঞি) বুজোৱা সংখ্যাবাচক শব্দই একবচনৰ ৰূপৰ লগত একত্রে প্রয়োগ হ'ল দ্বিবচনৰ ধাৰণা দিয়ে। যেনে— ঙ (মই)— ঙঞি (আমি দুয়ো) কিন্তু ঙলু (আমি)।

বি' (সি)— বি' ঞি (সিহঁত দুয়ো) কিন্তু বি'লু/বুলু (সিহঁত)।

মিছিং ভাষাত লিংগ ভেদ দুই ধৰণে কৰা হয়। স্বতন্ত্র শব্দযোগে আৰু স্ত্রী-পুৰুষ বুজোৱা শব্দাংশ যোগে। ব্যক্তি বা মানুহ বুজোৱা শব্দৰ ক্ষেত্রৰ সাধাৰণতে পুংলিংগত মিল ঃ/মিলং/মিল্বং আৰু স্ত্রীলিংগত নু'ঃং/মিমু'/মেনু'পৰ প্রত্যয়ৰ দৰে মূল শব্দৰ পিছত লগ লাগে। কিন্তু অন্যান্য প্রাণীবাচক শব্দৰ ক্ষেত্রত পুংলিংগবাচক আব/-ব আৰু আনু'/-নু' সংক্ষিপ্ত ৰূপত মূল শব্দৰ লগত সম্পৃক্তভাৱে প্রয়োগ হয়। উদাহৰণ স্বৰূপে—

উ'কি ঃ + আব > কি ঃ ব — উ'কি ঃ কি ঃ ব (মতা কুকুৰ)

উ'কি ঃ + আনু' > কি ঃ নু' — উ'কি ঃ কি ঃ নু' (মাইকী কুকুৰ)

পু'ৰগ্ + আব > ৰগ্ব — পু'ৰগ্ ৰগ্ব (মতা কুকুৰা)

পু'ৰগ্ ঃ + আনু' > ৰগ্নু' — পু'ৰগ্ ৰগ্নু' (মাইকী কুকুৰা) ইত্যাদি।

মিছিং ভাষাত ক্রিয়াৰ তিনিওটা কালত কেবাটাকৈ দশাবাচক প্রত্যয়ৰ প্রয়োগ আছে। মিছিং ভাষাৰ প্রায়বিলাক ক্রিয়া বিভক্তি সংযুক্ত ৰূপ আৰু সঘোষীভৱন-অঘোষীভৱন হৈ সম্পৃক্ত হৈ থাকে। তলত মিছিং ভাষাত কাল আৰু দশাভেদে প্রয়োগ হোৱা ক্রিয়াবিভক্তিবিলাকৰ তালিকা দিয়া হ'ল।

		বর্তমান	অতীত	ভৱিষ্যৎ
ক) অপূর্ণ ঃ	i)	নিত্য ঃ -দ~-দু	-দু+আই	—
	ii)	সাধাৰণ ঃ -দাগ্	-দাগ্+আই	
	iii)	স্বৰূপ/নিশ্চিতঃ -দু	-দুং+আই	-পু'
খ) অনিশ্চিত/ঘটমান ঃ		-লা+দুং /তিলা+দুং	-লা/দুং+আই /তিলা+দুং+আই	— -য়ে
গ) পূর্ণ ঃ	i)	নিত্য ঃ -ত~-তু	-তু+আই/আবো	—
	ii)	সাধাৰণ ঃ -তাগ্	-তাগ্+আই/আবো	
	iii)	স্বৰূপ/নিশ্চিতঃ -তুং	-তুং+আই/আবো	—

ৰাভা হাকাচামে তেওঁৰ আলোচনাত মিছিং ভাষাৰ অনুজ্ঞাৰ বিষয়ে কওঁতে উল্লেখ কৰিছে যে মিছিং ভাষাত সাধাৰণ অনুজ্ঞা আৰু নঞৰ্থক অনুজ্ঞা— এই দুই প্রকাৰৰ অনুজ্ঞা বর্তমান আৰু ভৱিষ্যৎ কালত দ্বিতীয় পুৰুষত প্রয়োগ আছে। বর্তমান আৰু ভৱিষ্যৎ কালৰ অনুজ্ঞা সূচোৱা প্রত্যয় হ'ল যথাক্রমে—

-ত (সাধাৰণ)/-য় (নঞৰ্থক) আৰু -লাংকা/-লাং (সাধাৰণ)।

-য়কা (নঞৰ্থক)। এইকেইটা ৰূপৰ লগত -ই স্বাৰ্থিক প্রত্যয়ৰ সংযোগ হ'লে অনুৰোধ বা আহ্বান সূচায়। যেনে—

আদেশ	অনুৰোধ
ন লা ঃ ত (তুমি লোৱা)	ন লা ঃ তই (তুমি লোৱাচোন)
ন লা ঃ য় (তুমি নল'বা)	ন লা ঃ য়ই (তুমি নল'বাদেই)
ন লা ঃ লাং (তুমি ল'বা)	—
ন লা ঃ য়কা (তুমি নল'বা)	—

মিছিং ভাষাত বিভিন্ন ভাব আৰু অর্থবাচক যুগ্মধাতু বা প্রত্যয় একোটা লগ লগাৰ পিচতহে অন্যান্য ক্রিয়া বিভক্তি লগ লাগে। ধাতুৰ লগত লগ লগা এনে ৰূপৰ ভিতৰত পাঁচনীবাচক {-ম-} স্বসম্পাদনবাচক {-ছু-}, নাস্ত্যর্থক {-মা-}, বাৰংবাৰতা অর্থত {-কু-}, শীঘ্রতা অর্থত {-গৰ্-}, তুলনাবাচক {-মুম্-~-অউ্-~-আউ-~-গাম-~-বান্-~-য়াং-~য়া-~-বান্পাগ্-~-পাগ্য়া-}, বিশেষভাৱে উল্লেখযোগ্য।

মিছিং ভাষাৰ অন্যতম বৈশিষ্ট্য হ'ল বাক্যত নির্দেশবাচক সর্বনামৰ দ্বিত্ব প্রয়োগ।

উদাহৰণ— ছি ছিতু'— ছি ছিয়েলাং (এই হাতীটো মৰিব জানো?)।

দ্বিতীয় স্থানৰ নির্দেশবাচক সর্বনামে নির্দিষ্টতাবাচক প্রত্যয়ৰ কাম কৰিছে। সেইদৰে এক বুজোৱা সংখ্যা {-ক}, পোনে পোনে বিশেষ্য শব্দত প্রয়োগ হ'লে নির্দিষ্টতাবাচক সূচায়। যেনে— ক ঃ নু'ং-ক (ছোৱালীজনী), তানিঃ-ক (মানুহজন) ইত্যাদি।

মিছিং ভাষাতো দ্বিৰুক্তিবাচক শব্দ আৰু ধ্বন্যাত্মক শব্দৰ প্রাধান্য আছে। অর্থযুক্ত সমার্থক শব্দযোগে নতুবা অর্থহীন সাদৃশ্যধর্মী শব্দযোগে দ্বিৰুক্তি শব্দ গঠন হয়। উদাহৰণ—

গালুক্ (চোলা) + গাছৰ্ (কাপোৰ) = গালুক্-গাছৰ্ (সাজ-পাৰ)

আত (আইতা) + আয় (ককা) = আত-আয় (ককা-আইতা)

আপিন্ (ভাত) + তাপিন্ (সাদৃশ্যধর্মী) = আপিন্-তাপিন (ভাত-চাত)

মিছিং ভাষাৰ কেইটামান ধ্বন্যাত্মক শব্দ হৈছে—

গেৰ্-গেৰ্ (গাড়ীৰ ঘৰ্ঘৰনি)

কুৰ্-কুৰ্ (কুকুৰক খেদোতে উচ্চাৰিত শব্দ)

ছা-ছা-ছা (সন্তুষ্টিজনক শব্দ)

মিছিং ভাষাত সমমূলীয় বিভিন্ন মৌলিক শব্দৰ উপৰি বিষমমূলীয় বিশেষকৈ অসমীয়া আদি আর্য ভাষাৰ অনুপ্রৱেশ ঘটিছে। অৱশ্যে এইবোৰ ঋণকৃত শব্দৰ প্রায়বিলাকৰে জতুৱাকৃত মিছিং শব্দৰ দৰে প্রয়োগ হয় আৰু কেতিয়াবা

ই বিলাকৰ অর্থগতভাৱে আমূল পৰিৱর্তন ঘটে। বাক্যতত্ত্বৰ দিশতো এনে বহিঃপ্রভাৱ অনুভূত হয়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ৫ ঃ মিছিং ভাষাত লিংগভেদ কেইপ্রকাৰৰ আৰু কি কি? (১৫০টা শব্দৰ ভিতৰত)

.....

১.৪.৫ ডিমাছা ভাষা

তিব্বত-বর্মীয় মূলৰ বড়ো শাখাৰ অন্য এটা উল্লেখযোগ্য ভাষা হৈছে ডিমাছা ভাষা। অসমৰ ভৌগোলিক পৰিমণ্ডলৰ প্রতি দৃষ্টি আৰোপ কৰি এইটো বোধগম্য হ'ব যে অসমৰ উত্তৰ কাছাৰ (ডিমা হাছাও), কাছাৰ, কার্বি আংলং আৰু নগাঁৰৰ বিভিন্ন স্থানত ডিমাছা ভাষী লোকসকলৰ বসতি আছে। অসমৰ চুবুৰীয়া ৰাজ্য নাগালেণ্ড আৰু মণিপুৰৰ সীমামূৰীয়া অঞ্চলতো ডিমাছাবাসী লোকৰ অৱস্থিতি আছে। অতীতত ডিমাছা ভাষীসকলে নিজকে মহাভাৰত খ্যাত হিড়িম্বাৰ বংশধৰ হিচাপে এনে নাম হোৱা বুলি ভাবে। ভাষাবিদ উপেন ৰাভা হাকাচামে তেওঁৰ আলোচনাত উল্লেখ কৰিছে যে ডিমাছা ভাষাটো প্রধানতঃ চাৰিটা শাখাত বিভক্ত। সেইৰূপে সেই সেই উপভাষা কোৱা লোকসকলক এইদৰে চিহ্নিত কৰিব পাৰি—

হাছাওছা (উত্তৰ কাছাৰৰ মান্য ভাষা-ভাষী), হাৱাৰছা (কাছাৰৰ দেৱান উপভাষা-ভাষী), দেমৰাছা (নগাঁৰৰ হোজাই লংকা অঞ্চলৰ উপভাষা-ভাষী) আৰু দিজুৱাছা (কার্বি আংলঙৰ ধনশিৰি অঞ্চলৰ উপভাষা-ভাষী)। ২০০১ চনৰ লোকপিয়লমতে এই ভাষা-ভাষী লোকৰ সংখ্যা ৮৪,৬৫৪ জন। এই ভাষাটো ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচিতৰ বহির্ভূত ভাষা। এই ভাষাটোৰ উপযুক্ত বিকাশ সাধন হোৱা নাই। অৱশ্যে সুখৰ বিষয় যে ডিমাছা ভাষাত সাহিত্য চর্চাৰ পৰিবেশ সৃষ্টি হৈছে। দুই-এখন ব্যাকৰণ, শব্দপুথি প্রকাশ আৰু অন্যান্য সাহিত্যসুলভ ৰচনাৰ সৃষ্টিয়ে তেনে এক সকাৰাত্মক পৰিবেশ সৃষ্টি কৰিছে। উপেন ৰাভা হাকাচামে তেওঁৰ আলোচনাত ডিমাছা ভাষাৰ প্রসংগত কৈছে যে এই ভাষাটো এসময়ত অযোগাত্মক আৰু সুৰপ্রধান আছিল যদিও সংস্কৃত বা ইংৰাজী ব্যাকৰণৰ আর্হিত যুগুতোৱা ভাষা বিষয়ক পুথিত সেই বৈশিষ্ট্য সম্বন্ধে বিশদ বিৱৰণ পোৱা নাযায়। তাৰ পৰিৱর্তে প্রত্যয়ান্ত যোগাত্মক ভাষাৰ দৰে এই ভাষাতো বিভক্তি-প্রত্যয়যোগে বচন, লিংগ, কাৰক, ক্রিয়া আৰু পদৰ সাধন হয়। ডিমাছা ভাষাত ১৭টা ব্যঞ্জন, ৬টা স্বৰ আৰু ২টা অর্ধস্বৰৰ প্রয়োগ আছে। ঋণকৃত শব্দত কাচিৎ অন্যান্য বর্ণৰো প্রয়োগ পোৱা যায়। সুৰৰ পৰিৱর্তে ডিমাছাত স্বৰৰ মাত্রাহে (হ্রস্ব-দীর্ঘ) বিশিষ্ট ধ্বনিৰ মর্যাদা লাভ কৰিছে।

ডিমাচা ভাষাৰ অন্য এগৰাকী বিশিষ্ট গৱেষক ফুকন চন্দ্র বসুমতাৰীয়ে ডিমাছা ভাষাত প্রধানকৈ ছটা বিশিষ্ট স্বৰধ্বনি আৰু ষোল্লটা বিশিষ্ট ব্যঞ্জন ধ্বনি অৱস্থিতিৰ কথা কৈছে। তেওঁৰ মতে ছটা বিশিষ্ট স্বৰধ্বনিৰ ভিতৰত /ই/ আৰু /এ/ স্বৰধ্বনি দুটা সমুখ স্বৰধ্বনি, /আ/ হ'ল কেন্দ্রীয় নিম্ন অসংবৃতৌষ্ঠ স্বৰধ্বনি, /ঔ/ কেন্দ্রীয় মধ্য অসংবৃতৌষ্ঠ, /উ/ উচ্চ পশ্চ সংবৃতৌষ্ঠ স্বৰধ্বনি। আনহাতে /অ/ হ'ল মধ্য পশ্চ সংবৃতৌষ্ঠ স্বৰধ্বনি। গৱেষক বসুমতাৰীয়ে উল্লেখ কৰিছে যে ডিমাছা ভাষাত স্বৰৰ হ্রস্ব-দীর্ঘতাই অর্থ পৰিৱর্তন নঘটায়। আটাইবোৰ বিশিষ্ট স্বৰধ্বনিয়েই উচ্চাৰণৰ ফালৰ পৰা সঘোষ /ই/ আৰু /ঔ/ৰ বাহিৰে আটাইবোৰ বিশিষ্ট স্বৰধ্বনিয়েই শব্দৰ সকলো স্থানত প্রয়োগ হয়। /ই/ শব্দৰ আদ্যস্থানত আৰু /ঔ/ অন্ত্যস্থলত প্রয়োগ নহয়। আক্ষৰিক সুৰৰ প্রয়োগ ডিমাছা ভাষাৰ এটা মন কৰিবলগীয়া দিশ। ইয়াত সুৰৰ পৰিৱর্তন ঘটাব পাৰে। এই ভাষাত মূলতঃ দুই প্রকাৰৰ আক্ষৰিক সুৰৰ প্রয়োগ পৰিলক্ষিত হয়। এটা হ'ল উচ্চ সুৰ আৰু আনটো হ'ল নিম্ন সুৰ। যেনে—

i) র্চং — থিয় হ
   চং — ৰান্ধ্
ii) র্বি — দে
   ৰি — কাপোৰ
iii) র্হা — মাটি
   হা — পৰ্
iv) র্কাম — বাহ্
   কাম — পোৰ্

ৰূপতাত্ত্বিক বিচাৰত ডিমাছা ভাষাৰ মৌলিক শব্দবোৰ মূলতঃ একাক্ষৰীয় আৰু মুক্ত প্রাকৃতিৰ (free morpheme) বা বদ্ধ প্রাকৃতিৰ (bound morpheme)। এই ধৰণৰ মৌলিক শব্দৰ লগত পূর্বসর্গ বা পৰসর্গ যোগ কৰি নতুন নতুন গাঁথনিৰ, নতুন অর্থসূচক বা নতুন শ্রেণীৰ শব্দ কৰিব পৰা যায়। /তি/ -ক, /চং/ -ৰান্ধ, /ন/ -ঘৰ আদি শব্দবোৰ একাক্ষৰীয় আৰু মৌলিক শব্দ। ক্রিয়া মূল বা নামপদীয় মূলৰ লগত বিভিন্ন ধৰণৰ সর্গ যোগ কৰি নতুন নতুন শব্দ সাধন কৰিব পৰা যায়। যেনে— মি-চি > মিচি (বাঘ), গু-পু > গুপু (বগা), চে-বায় > চেবায় (ভাং) ইত্যাদি গাঁথনিত প্রথমটো অংশক সর্গ আৰু দ্বিতীয়টো অংশক ধাতু বুলি ধৰা হয়। এনে গঠন প্রক্রিয়াৰ উপৰিও দুটা বা ততোধিক মুক্ত বা বদ্ধমূল (bound base) যোগ কৰি সংযুক্ত শব্দ গঠন কৰা প্রক্রিয়া ডিমাছা ভাষাত আছে। যেনে—

লা-বু > লাবু (আন, লৈ আহ)
গা-খু > গাখু (ওপৰলৈ উঠ) ইত্যাদি।

বহুবচনৰ ধাৰণা প্রকাশ কৰিবলৈ নামপদীয় শব্দৰ লগত বহুবচনবাচক সর্গ যোগ কৰা হয়। ব্যক্তিবাচক সর্বনামৰ লগত {-নিচি} সর্গৰ প্রয়োগ হয়। যেনে—

নিং (তুমি/তই)

নিঃ নিংচি > নিচি (তোমালোক/তহঁত)

নামবাচক শব্দৰ লগত {-বুথু} সর্গৰ প্রয়োগ আছে। যেনে— ৰাম-বুথু > ৰামবুথু (ৰামহঁত)

জীৱ-জন্তু, গছ-গছনি আদিৰ লগত জড়িত বিশেষ্য শব্দৰ পিছত {-বুথু}

বংফাং (গছ)

বংফাং-বুথু > বংফাং বুথু (গছবোৰ)।

নির্দিষ্টতাবাচক ৰূপৰ প্রয়োগ ডিমাছা ভাষাত আছে। বডো-গাৰো আদি অন্যান্য তিব্বত-বর্মীয় ভাষাৰ দৰে ডিমাছা ভাষাতো সংখ্যাবাচক শব্দৰ আগত নির্দিষ্টতাবাচক ৰূপক যোগ কৰি নির্দিষ্টতাৰ ধাৰণা দিয়া হয়।

মানুহৰ ক্ষেত্রত {চাও-} নির্দিষ্টতাবাচক ৰূপৰ প্রয়োগ আছে। যেনে ঃ চাও-চি চুবুং (এজন মানুহ)।

ইয়াত এক সংখ্যাবাচক শব্দ 'চি'ৰ আগত নির্দিষ্টতাবাচক ৰূপ {চাও-}ৰ প্রয়োগ হৈছে। সেইদৰে জীৱ-জন্তুৰ ক্ষেত্রত {মা-} ৰূপ প্রয়োগ হয়। যেনে—

মা-চি না (এটা মাছ)

মুচুমা-গিনি (দুটা গৰু)

ইয়াত {মা-} হ'ল নির্দিষ্টতাবাচক ৰূপ আৰু 'চি' আৰু 'গিনি' হ'ল ক্রমে এক আৰু দুই সংখ্যাবাচক শব্দ। সামগ্রী বা অন্যান্য বস্তুৰ ক্ষেত্রত {গং-} প্রয়োগ হয়। যেনে—

গদা গং-চি (লাঠি এটা), ৰ-আ গং-চি (কুঠাৰ এটা)

ফলৰ ক্ষেত্রত {থ-} ব্যৱহাৰ হয়, যেনে—

থ-চি থাইলু (এটা কল)

থ-চি থাইজু (এটা আম)।

মাছ বা মঙহৰ ডোখৰৰ ক্ষেত্রত {দৰ-} ব্যৱহাৰ কৰা দা দৰ-চি (এডোখৰ মাছ) পানী বা আন জুলীয়া পদার্থৰ টোপালৰ ক্ষেত্রৰ {থুব-} ব্যৱহাৰ কৰা হয়। যেনে— দি থুব-চি (পানী এটোপাল)।

মুঠতে ডিমাছা ভাষাত নির্দিষ্টতাবাচক ৰূপবোৰ সংখ্যাবাচক শব্দৰ আগত প্রয়োগ হয়।

ডিমাছা ভাষাত শব্দ বিভক্তিৰ প্রয়োগ এটা অপৰিহার্য দিশ। শব্দ বিভক্তিৰ প্রয়োগে কাৰক আৰু ক্রিয়াৰ মাজত থকা সম্পর্কক সুদৃঢ় কৰে। অর্থাৎ ইয়াৰ প্রয়োগ অবিহনে বাক্যৰ অর্থ স্পষ্ট ৰূপত প্রকাশ নাপায়। কেতিয়াবা কোনো কোনো প্রকাশভংগীত শব্দ বিভক্তিৰ প্রয়োগ উহ্য হৈ থাকে। প্রয়োগৰ কথাটো লক্ষ্য ৰাখিলে এইটো মন কৰিবলগীয়া যে ডিমাছা ভাষাত সাত প্রকাৰৰ শব্দ বিভক্তিৰ প্রয়োগ হয়। এই শব্দ বিভক্তিবোৰ ভিন্ন ভিন্ন কাৰকৰ লগত প্রয়োগ হয়। কর্তা কাৰকত প্রথমা

বিভক্তিৰ চিন উহ্য থাকে। কিন্তু কর্ম কাৰকত {-খ/-খে} শব্দ বিভক্তিৰ প্রয়োগ হয়। যেনে—

চুবুং-খ (মানুহ)

কৰণ কাৰকৰ ক্ষেত্রত {-জাং} বিভক্তিৰ প্রয়োগ হয়। যেনে— চুবুং-জাং (মানুহৰ দ্বাৰা/মানুহৰ সহযোগত) {-নে} শব্দ বিভক্তিক সম্প্রদান কাৰকৰ ক্ষেত্রত ব্যৱহাৰ কৰা হয়। যেনে— চুবুং-নে (মানুহলৈ)।

সম্বন্ধ কাৰকৰ ক্ষেত্রত {-নি} বিভক্তিৰ যোগ হয়। যেনে— চুবুং-নি (মানুহৰ)

অধিকৰণ কাৰকৰ ক্ষেত্রত {-হা} বিভক্তিৰ প্রয়োগ আছে। যেনে— বুফাং-হা (গছত); চুবুং-হা (মানুহত) ইত্যাদি।

অপাদান কাৰকৰ ধাৰণা সূচাবলৈ সম্বন্ধ পদৰ বিভক্তিৰ চিন {-নি}ৰ পিছত {-ফ্রাং} পৰসর্গ যোগ কৰা হয়। যেনে— চুবুং-নি-ফ্রাং (মানুহৰ পৰা)।

ডিমাছা ভাষাত লিংগ নির্ণয়ৰ পদ্ধতি তেনেই সৰল। ইয়াত কেৱল মানুহ আৰু অন্যান্য প্রাণীবাচক শব্দৰহে লিংগ নির্ণয় কৰা হয়। মানুহৰ ক্ষেত্রৰ স্ত্রীলিংগ বুজাবলৈ স্ত্রীবাচক শব্দ 'জু' ব্যৱহাৰ কৰা হয়। যেনে—

পুংলিংগ/খুনাং/ 'গাঁৱৰ মুৰব্বী মানুহ'

স্ত্রীলিংগ /খুনাং -জু/ 'গাঁৱৰ মুৰব্বী মানুহজনৰ ঘৈণীয়েক।

জীৱ-জন্তুৰ ক্ষেত্রত স্ত্রীবাচক জু' শব্দৰ প্রয়োগেৰে স্ত্রীলিংগৰ ধাৰণা প্রকাশ কৰা হয়। যেনে— পুংলিংগ ঃ দাউ 'চৰাই'; স্ত্রীলিংগ ঃ দাউ -জু 'মাইকী চৰাই'।

কিছুমান বিশেষ জন্তুবাচক শব্দৰ লগত 'জলা' শব্দ প্রয়োগ কৰি পুংলিংগ কৰা হয়। সেইদৰে 'মা' শব্দ প্রয়োগ কৰি স্ত্রীলিংগ কৰা হয়। যেনে—

বুৰুণ-জেনা (মতা ছাগলী)

বুৰুণ-মা (মাইকী ছাগলী)

কেতিয়াবা আকৌ মতা-মাইকী বুজোৱা শব্দ বেলেগে বেলেগে প্রয়োগ কৰিও পুংলিংগ আৰু স্ত্রীলিংগ কৰা হয়। যেনে—

পুংলিংগ	স্ত্রীলিংগ
নাগা (ডেকা ল'ৰা)	মাথ্লা (গাভৰু ছোৱালী)
চেংৰা (ডেকা ল'ৰা)	চিখ্লা (গাভৰু)

নঞৰ্থকতা বুজাবলৈ ডিমাছা ভাষাত কিছুমান পদ্ধতি আছে। ক্রিয়াৰ নঞৰ্থকতাৰ ধাৰণা প্রকাশ কৰিবলৈ পূর্বসর্গ {দা-} আৰু পৰসর্গ {-আ}ৰ প্রয়োগ আছে। যেনে— জি (খা); দা-জি (নাখাবা); থাং (যা); থাং-আ (নাযাওঁ) ইত্যাদি।

ডিমাছা ভাষাত বাক্য গাঁথনি কর্তা-কর্ম-ক্রিয়া এইৰূপে গঠিত হয়। উদাহৰণ স্বৰূপে—

আং নহা থাং মা (মই ঘৰলৈ যাম)

নিংনি লাইচিখে লাবু (তোমাৰ কিতাপখন আনা)।

এই ৰূপে আলোচনা কৰি আমি ডিমাছা ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, শব্দ আৰু বাক্যতত্ত্বৰ বিষয়ে থূলমূল ধাৰণা লাভ কৰিলোঁ। তিব্বত-বর্মীয় গোষ্ঠীৰ অন্তর্গত ভাষা সমূহৰ বর্ণাঢ্যতাৰ বিষয়ে উল্লেখ কৰি শেষ কৰিব নোৱাৰা বিধৰ, কাৰণ ভাষাৰ ভিন্নতাৰ লগতে তাৰ ৰূপতাত্ত্বিক আৰু ধ্বনিতাত্ত্বিক দিশত ভালেমান বিশিষ্টতা পৰিলক্ষিত হয়। এই আলোচনাত আমি মাথোন কেইটামান বিশেষ তিব্বত-বর্মীয় ভাষাকহে সাঙুৰিছো।



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আমাক তিব্বত-বর্মীয় সাধাৰণ পৰিচয় লাভ কৰাত সহায় কৰিলে। এই ভাষা বৃহত্তৰ চীন-তিব্বতীয় ভাষা পৰিয়ালৰে শাখা। চীন-তিব্বতীয় ভাষা যিসকল লোকৰ মাজত চলতি আছিল, তেওঁলোকৰ প্ৰাচীন বসতিস্থল বুলি ইয়াংচিকিয়াং আৰু হোৱাংহোৰ উৎপত্তিস্থলৰ মাজভাগ চিহ্নিত হৈছে। অনুমান কৰা হৈছে যে উত্তৰ-পশ্চিম চীনেই সেই অঞ্চল। পৰৱর্তী সময়ছোৱাত সেই ভাষাটো চীন দেশৰ মাজেদি কেমং, মৈনাম, ইৰাৱতী, ছিন্দুইন আৰু ব্রহ্মপুত্রৰ গতি অনুসৰণ কৰি থাইলেণ্ড, বার্মা আৰু ভাৰতত বিস্তাৰিত হৈ পৰে।
  - জর্জ আব্রাহাম গ্রীয়াৰছনৰ নেতৃত্বত ভাৰতীয় ভাষাসমূহৰ জৰীপ কার্যত তিব্বত-বর্মীয় পৰিয়ালৰ ভাষাসমূহে মর্যাদা সহকাৰে স্থান লাভ কৰিছে। তাৰ যথাযথ নথিভুক্তকৰণো হৈছে। পৰৱর্তী সময়ৰ বেনেডিক্ট, ছেফাৰ আদি আন্তঃৰাষ্ট্রীয় খ্যাতিসম্পন্ন ভাষাবিদেও ভাষাবিষয়ক নিজ নিজ বহুমূলীয়া গ্রন্থত তিব্বত-বর্মীয় ভাষা-পৰিয়ালৰ অন্তর্গত ভাষাসমূহৰ আলোচনা কৰিছে।
  - মূল চীন-তিব্বতীয়ৰ অন্তর্গত তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ অন্তর্গত কেইটামান বিশেষ ভাষা যেনে— বডো, ৰাভা, কার্বি, মিছিং, ডিমাছা আদিৰ আলোচনাৰ মাজেদি শিক্ষার্থীক এই ভাষাগোষ্ঠীৰ অন্তর্গত ভাষাৰ বিবিধ বৈশিষ্ট্যৰ লগত পৰিচিত হোৱাত সহায় কৰিছে।



১.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) তেৰাং ৰংবং (১৯৭৪); *কাৰ্‌বি লামতাছান;* ডিফু, জিলা স্বায়ত্ত পৰিষদ।

২) দাস, বিশ্বজিৎ আৰু বসুমতাৰী, ফুকন চন্দ্র (সম্পা.) (২০১০); *অসমীয়া আৰু অসমৰ*

ভাষা; গুৱাহাটী ঃ আঁক-বাক।

৩) ৰাভা হাকাচাম. উপেন (২০০৩); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৪) ৰাভা হাকাচাম, উপেন (২০০৯); *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫) ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা, হাকাচাম কাওচাদাম।

ইংৰাজী গ্রন্থ ঃ

1. Barman, R. R. (ed.) (2006); *Anglo-Dimasa Grammar and Dictionary;* Garadima Janadaorine Hashom, Silchar (Assam)
2. Bhattacharya, P. C. ( ); *A Descriptive Analysis of Baro language;* G. U. Publication.
3. Goswami, S. N. (1988); *Studies in Sino-Tibetan Language;* Guwahati.
4. Jeypal, V. K. (1987); *Karbi Grammar;* CIIL, Mysore.
5. Konwar, Arpana (2003); *Karbi : The People and the Language;* Department of Assamese, Dibrugarh University.
6. Lyall r Stack (1908); *The Mikirs;* Guwahati : United Publishers.
7. Singh, Dhiren Kh (2007); *An Introduction to Dimasa Phonology;* Guwahati : DVS Publishers.

১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ পাঠত অন্তর্ভুক্ত কৰা ৰেখাচিত্রৰ সহায়ত চীন-তিব্বতীয় ভাষাটোৰ বিস্তৃতি আৰু মূলৰ পৰা ভাষাসমূহ কিদৰে শাখা-উপাশাখাত বিভক্ত হৈ প্রসাৰিত হৈছে তাৰ উল্লেখ।

২নং প্রশ্নৰ উত্তৰ ঃ উপশাখাটোৰ আৰম্ভণিতে আলোচিত হোৱা বডো ভাষাৰ পৰিচয়টি টোকা হিচাপে প্রস্তুত কৰিব .... বডো ভাষাৰ দুটামান ৰূপতাত্ত্বিক দিশৰ উদাহৰণ চমুকৈ উল্লেখ কৰিব।

৩নং প্রশ্নৰ উত্তৰ ঃ ৰাভা ভাষাৰ চমু পৰিচয় আগবঢ়াওক .... ৰাভাত পোৱা ক্রিয়াৰ বিভিন্ন ভাবসূচক বিভক্তিসমূহ উদাহৰণসহ উল্লেখ কৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ কার্বি ভাষাৰ সম্বন্ধবাচক শব্দৰ সাধন, প্রয়োগ আৰু ব্যৱহাৰ মন কৰিবলগীয়া। একেটা শব্দমূলৰ পৰা পুংলিংগবাচক {-প'} আৰু স্ত্রীলিংগবাচক {-পী} প্রত্যয় যোগে ভিন্ ভিন্ সম্বন্ধবাচক শব্দৰ সাধন কৰা হয়। উদাহৰণসহ দিশসমূহ

আলোচনা কৰিব।

৫নং প্রশ্নৰ উত্তৰ ঃ মিছিং ভাষাত লিংগ ভেদ দুই ধৰণে কৰা হয়— স্বতন্ত্র শব্দ যোগে আৰু স্ত্রী-পুৰুষ বুজোৱা শব্দাংশ যোগে .... উদাহৰণসহ উল্লেখ কৰিব।



১.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ তিব্বত-বর্মীয় ভাষাসমূহৰ মূল কি? এই বিশেষ ভাষাগোষ্ঠীটোৰ চমু পৰিচয় আগবঢ়াওক।

প্রশ্ন ২ ঃ বডো ভাষাৰ চমু পৰিচয় দি এই ভাষাৰ ৰূপতত্ত্বৰ সাধাৰণ আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ ৰাভা ভাষাৰ চমু পৰিচয় দি এই ভাষাৰ কাৰক আৰু ক্রিয়া বিভক্তিৰ বিভিন্ন দিশ সামৰি এটি আলোচনা যুগুত কৰক।

প্রশ্ন ৪ ঃ তিব্বত-বর্মীয় ভাষাত সম্বন্ধবাচক পদৰ নির্মিতি কিদৰে হয়? উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ৫ ঃ তিব্বত-বর্মীয় ভাষাৰ সর্বনাম আৰু সর্বনামীয় বিশেষণ বা ক্রিয়া বিশেষণৰ আলোচনা কৰক।

প্রশ্ন ৬ ঃ তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দ আৰু সর্বনামীয় সম্বন্ধবাচক পূর্বসর্গৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৭ ঃ কার্বি ভাষাৰ ক্রিয়া— এই বিষয়ে চমুকৈ লিখক।

প্রশ্ন ৮ ঃ মিছিং ভাষাৰ সংখ্যাবাচক শব্দৰ বিষয়ে চমু আলোচনা আগবঢ়াওক।

প্রশ্ন ৯ ঃ ডিমাছা ভাষাৰ সকলো দিশ সাঙুৰি সামগ্রিক আলোচনা এটা যুগুত কৰক।

*** ***** ***

অধ্যায় ২ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ অসমৰ তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.৫ অধিক জানিবলৈ

২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

২.৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ অন্তর্গত ভালেকেইটা ভাষাৰ ধ্বনিতত্ত্বৰ লগত পৰিচিত হ'ব
- তিব্বত-বর্মীয় ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ লগত পৰিচিত হ'ব
- তিব্বত-বর্মীয় ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ লগত পৰিচিত হ'ব
- তিব্বত-বর্মীয় ভাষাসমূহৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনিসমূহৰ উচ্চাৰণ স্থান সম্বন্ধে জানিব পাৰিব
- তিব্বত-বর্মীয় ভাষাসমূহৰ বিশিষ্ট স্বৰ আৰু ব্যঞ্জনধ্বনিসমূহৰ উচ্চাৰণৰ ধৰণ সম্বন্ধে জানিব পাৰিব
- তিব্বত-বর্মীয় ভাষাসমূহৰ ধ্বনিতত্ত্বৰ লগত জড়িত অন্যান্য উল্লেখযোগ্য দিশৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুর্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'ৰ অন্তর্গত এইটো দ্বিতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমৰ তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য'। ইয়াৰ আগৰ অধ্যায়টোত তিব্বত-বর্মীয় ভাষাসমূহৰ মূল উৎস আৰু অসমত প্রচলিত থকা কেইটামান তিব্বত-বর্মীয় ভাষাৰ বিষয়ে পৰিচয় লাভ কৰিলে। এইটো অধ্যায়ত আমি সামগ্রিকভাৱে তিব্বত-বর্মীয় ভাষাৰ সাধাৰণ ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিবলৈ লৈছো। এই প্রসংগত আমি অসমত প্রচলিত প্রধান প্রধান তিব্বত-বর্মীয় মূলৰ ভাষা, যেনে— বডো, ৰাভা, কার্বি, মিছিং,

ডিমাছা আদিৰ সহায় লৈছো।


২.৩ অসমৰ তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

ইয়াৰ পূর্বৱর্তী অধ্যায়টোত আমি থূলমূলভাৱে অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাৰ সাধাৰণ পৰিচয় লাভ কৰিলো। সেই আলোচনাৰ প্রসংগত আমি তিব্বত-বর্মীয় ভাষাসমূহৰ চমু অথচ সামগ্রিক পৰিচয় লাভ কৰিলো। এই বিশেষ অধ্যায়টোত আমি সেই ভাষাসমূহত পৰিলক্ষিত হোৱা ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰিবলৈ প্রয়াস কৰিছো—

মূল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত ভাষা হিচাপে সৰহ সংখ্যক তিব্বত-বর্মীয় মূলৰ ভাষাতে দুটাৰ পৰা চাৰি-পাঁচটালৈকে সুৰ পোৱা যায়— বিশেষকৈ একাক্ষৰিক শব্দমূল আৰু শ্বাসাঘাতহীন অক্ষৰত। সেই হেতুকে চীন-তিব্বতীয় বা তিব্বত-বর্মীয় মূলৰ ভাষাক সুৰীয়া (tonal) ভাষা বোলা হয়। সেয়েহে এইসমূহ ভাষাত সুৰ অনুযায়ী ইয়াৰ বিৰোধী প্রয়োগ হয় বুলি কোৱা হয়। অৱশ্যে চীনা বা টাইমূলীয় ভাষাৰ সাত-আঠটা সুৰৰ বিপৰীতে তিব্বত-বর্মীয় ভাষাত কিছু সীমিত সংখ্যক সুৰহে পোৱা যায়। উদাহৰণ স্বৰূপে—

বড়ো ভাষাত প্রধানকৈ দুটা আক্ষৰিক সুৰৰ প্রয়োগ স্পষ্টভাৱে পোৱা যায়। এটা হ'ল উচ্চ সুৰ আৰু আনটো হ'ল সম বা নিম্ন সুৰ। উচ্চ সুৰৰ প্রয়োগ দেখুৱাবলৈ স্বৰধ্বনিৰ ওপৰত এটা ৰেফ কাৰৰ দৰে বেঁকা চিহ্ন স্থাপন কৰা হয়। সম সুৰৰ প্রয়োগ দেখুৱাবলৈ কোনো চিহ্নৰ নির্দেশ নাথাকে। যেনে— (i) র্বায় (ভাং), বায় (কিন্) (ii) র্বাৰ (জাঁপ্ মাৰ্), বাৰ (বতাহ), (iii) র্দান (কাট্), দান (মাহ), (iv) র্গাব (কান্দ্), গাব (ৰং) ইত্যাদি।

ৰাভা ভাষাৰ ক্ষেত্রত ক'বলৈ গ'লে, মূলতঃ ৰাভা ভাষাও অন্যান্য চীন-তিব্বতীয় ভাষাৰ দৰে সুৰীয়া ভাষা আছিল যদিও ইয়াৰ বর্ণগত মূল্য (phonemic value) বর্তমান ৰাভা ভাষাত নোহোৱা হৈছে। ৰাভা ভাষাত প্রধানতঃ উদাত্ত (high), স্বৰিত (mid or level) আৰু অনুদাত্ত (low)– এই তিনিটা লয়ৰ সমতুল্য যথাক্রমে উচ্চ, সম বা নিৰপেক্ষ আৰু নিম্ন সুৰ পোৱা গৈছে। স্বৰতন্ত্রীৰ স্পন্দন তীব্র হৈ গৈ থাকিলে উদাত্ত (´), ক্রমে কমি গৈ থাকিলে অনুদাত্ত (`) আৰু দুয়োটাৰ মাজত হ'লে স্বৰিত (·) লয় বোলা হয়।



ৰাভাৰ স্বৰবর্ণৰ ৰেখা-চিত্র

(মহীশূৰস্থিত কেন্দ্রীয় ভাষা প্রতিষ্ঠানৰ ধ্বনি বিশেষজ্ঞা ড° জয় ৰোড্ডৰ সৌজন্যত)

যেনে— i) উচ্চ/উদাত্ত— ছোঁ/tso᷄/ 'পোৱা দি', ছাৰ্ম/tsa᷄m/ 'উৰাল', ছিঁ/tsi᷄/ 'মৰ্'।

ii) সম/স্বৰিত— ছ°/ts°n/ 'মহ', ছা°ম'/tsa°m/ 'ঘাঁহ', ছি°/tsi°/ 'তেজ'।

iii) নিম্ন/অনুদাত্ত— ছো᷅/tso᷅/ 'পচ', ছা᷅ম /tsa᷅m/ 'ৰখ', ছি᷅/tsi᷅/ 'চাঁচ'।

কার্বি ভাষাৰ প্রসংগত ক'বলৈ গ'লে ইয়াত স্বৰৰ দীর্ঘতা, অনুনাসিকতা আদি বিশিষ্ট ধ্বনি নহয় যদিও শ্বাসাঘাত বা বলাঘাতে কার্বি ভাষাত অর্থৰ বিৰোধ ঘটাব পাৰে। উদাহৰণ স্বৰূপে— জিভাৰ কেঁকুৰি ভঙা সাদৃশ্যধর্মী শব্দ পাঁচোটা একেটা বাক্যত প্রয়োগ হ'লে বলাঘাত অনুযায়ী অর্থৰ পৰিৱর্তন হয়।

যেনে— i) লাং — পানী বা চা

ii) লাং লাং — চাওঁচোন

iii) লাং লাং লাং — পানী চাওঁচোন

iv) লাং লাং লাং লাং — পানী চাওঁ কি নাচাওঁ

v) লাং লাং লাং লাং লাং — নিজে আহি চোৱাচোন পানীক।

তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ অন্তর্গত ভাষাসমূহতো স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰো সুৰ, শ্বাসাঘাত আদিত উপাহিত ধ্বনি বিদ্যমান। বডো ভাষাৰ কথা ক'বলৈ গ'লে আমি এইটো ক'ব পাৰো যে বডো ভাষাত প্রধানকৈ ছটা বিশিষ্ট স্বৰধ্বনি আৰু ১৬টা বিশিষ্ট ব্যঞ্জনধ্বনিৰ প্রয়োগ আছে। বডো ভাষাৰ বিশিষ্ট স্বৰধ্বনিকেইটা হৈছে ক্রমে— /ই, ঔ, উ, এ, অ, আ/ উচ্চাৰণৰ স্থানৰ ফালৰ ব্যঞ্জনধ্বনিসমূহ ঔষ্ঠ্য, দন্তমূলীয়, তালব্য, পশ্চতালব্য আৰু কণ্ঠনালীয়। আনহাতে উচ্চাৰণৰ ধৰণৰ ফালৰ পৰা ইহঁত ক্রমে— স্পর্শ, নাসিক্য, উষ্ম, কম্পিত, পার্শ্বিক আৰু অন্তস্থধ্বনি।

তালিকা ২.২

	দ্বৌষ্ঠ্য		দন্তমূলীয়-তালব্য		পশ্চতালব্য		কণ্ঠ্য
১. স্পর্শ ধ্বনি Stop	আঘোষ	সঘোষ	অঘোষ	সঘোষ	অঘোষ	সঘোষ	অঘোষ
অল্পপ্রাণ	প /p/	ব /b/	ত /t/	দ /d/	ক /k/	গ /g/	
মহাপ্রাণ	ফ /ph/	ভ /bh/	থ /th/	ধ /dh/	খ /kh/	ঘ /gh/	
২. স্পৃষ্টধ্বনি Affricate							
অল্পপ্রাণ			চ /tc/	জ /dz/			
মহাপ্রাণ			ছ /ts/	ঝ /dzh/			
৩. নাসিক্যধ্বনি Nasal		ম /m/		ন /n/		ঙ /ŋ/	
৪. উষ্মধ্বনি Fricative							হ /h/
৫. পার্শ্বিক Lateral				ল /l/			
৬. কম্পিত Trilled				ৰ /r/			

ৰাভা ভাষাত আঠটা বিশিষ্ট স্বৰধ্বনিৰ উপস্থিতি মন কৰিবলগীয়া। সেইকেইটা হৈছে ক্ৰমে— /ই, এ, আ, অ, ও, উ, উ', ই'/। সেইদৰে ৰাভা ভাষাত বাইশটা বিশিষ্ট ব্যঞ্জনধ্বনিৰ প্ৰয়োগ আছে। উচ্চাৰণৰ দিশৰ পৰা বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহক স্পৰ্শ ধ্বনি, স্পৃষ্টধ্বনি, নাসিক্যধ্বনি, উষ্মধ্বনি, পার্শ্বিক আৰু কম্পিত এইদৰে ভাগ কৰিব পাৰি।

কার্বি ভাষাত সাতোটা স্বৰধ্বনি পোৱা যায়। সেইকেইটা হৈছে ক্ৰমে— /ই, এ, এ', আ, অ, অ', উ/। কার্বি ভাষাত ঊনৈশটা ব্যঞ্জনবর্ণ পোৱা যায়। সেই কেইটাৰ উচ্চাৰণৰ দিশৰ পৰা ওষ্ঠ্য, দন্তমূলীয়, তালব্য, পশ্চতালব্য আৰু কণ্ঠ্য— এইদৰে ভাগ কৰিব পাৰি।

তালিকা ২.৩

জিভাৰ উচ্চতা অনুসৰি	বিবৃতৌষ্ঠ্য		সংবৃতৌষ্ঠ্য
	সম্মুখ	কেন্দ্রীয়	পশ্চাৎ
উচ্চ	ই (i)		উ (u)
উচ্চ-মধ্য	এ (e)		
উচ্চ-মধ্য-নিম্ন	এ' (ɛ)		অ' (ɔ)
নিম্ন-মধ্য			অ (ɒ)
নিম্ন		আ (a)	

তিব্বত-বর্মীয় ভাষাৰ বিশিষ্ট গৱেষক উপেন ৰাভা হাকাচামে মিছিং ভাষাত সুৰ ৰক্ষিত হোৱা নাই বুলি কৈছে। ইয়াত শ্বাসাঘাত, সুৰ লহৰ আদি উপভাষা ভেদে ভিন্ ভিন্ প্ৰকাৰে অনুভূত হয়।

তিৱা ভাষাত অন্যান্য সমমূলীয় ভাষাৰ দৰে সুৰৰ বিশিষ্টতা ৰক্ষিত হোৱা নাই; ইয়াৰ পৰিবর্তে সুৰলহৰৰহে বিশেষ প্ৰাধান্য দেখা যায়।

ডিমাছা ভাষাত আক্ষৰিক সুৰৰ প্ৰয়োগ এটা বিশিষ্ট দিশ। সুৰৰ পৰিৱর্তনে অর্থৰো পৰিৱর্তন ঘটাব পাৰে। এই ভাষাত প্ৰধানতঃ দুই প্ৰকাৰৰ আক্ষৰিক সুৰৰ প্ৰয়োগ আছে। এটা হ'ল উচ্চ সুৰ আৰু আনটো হ'ল নিম্ন সুৰ। যেনে—

তালিকা ২.৪

i)	র্চং — থিয় হ,	চং — ৰান্ধ্
ii)	র্বি — দে,	ৰি — কাপোৰ
iii)	র্হা — মাটি,	হা — পৰ্
iv)	র্কাম — বাহ্,	কাম — পোৰ্

ভাষাবিদসকলে সুৰ দেউৰী ভাষীসকলৰ কথোপকথনৰ অন্যতম বিশেষত্ব বুলি চিহ্নিত কৰিছে। দেউৰী ভাষাত তিনিটা সুৰ পৰিলক্ষিত হয়। অর্থাৎ সুৰ ভেদে একোটা শব্দৰ তিনিটা অর্থ দেউৰী ভাষাত দেখা যায়। যেনে—

তালিকা ২.৫

i)	উচ্চ সুৰ	— পপঁ কা (গছত উঠ, গছ বগা)
	সম সুৰ	— হাবেম কা (খালে দেখোন)
	নিম্ন সুৰ	— অ' কা! (অ' ভাই)
ii)	সম সুৰ	— আঁয় কিং (মোৰ চুলি)
	নিম্ন সুৰ	— আঁয় কিং (মোৰ নিচিনা)
iii)	উচ্চ সুৰ	— দেঁ দুৱুম (ডাঙৰ ঢোল)
	সম সুৰ	— দুৱুম দেঁ (ঢোল বজা)
iv)	উচ্চ সুৰ	— ন বল চা (তই বল খেল)
	সম সুৰ	— ন আঁয়পি চা (তই মোৰ ফালে হ)
	নিম্ন সুৰ	— ন চা? (তুমি/তই/আপুনি কোন?)
v)	উচ্চ সুৰ	— ন অতুঁ নিমে (তই হাতত ধৰ)
	সম সুৰ	— ন নিমে (তই গান গা)
	নিম্ন সুৰ	— ন চুজেঁ নিমে (তই চুজেঁ পি খা)

সেইদৰে ককবৰক ভাষাতো দুটা সুৰ পোৱা যায়।

ডিমাছা ভাষাত প্রধানতঃ ছটা বিশিষ্ট স্বৰধ্বনি আৰু ষোল্লটা বিশিষ্ট ব্যঞ্জনধ্বনি আছে। বিশিষ্ট স্বৰধ্বনিকেইটা হৈছে ক্রমে— /ই, এ, আ, ঔ, উ, অ/। উচ্চাৰণৰ স্থানৰ ফালৰ পৰা ব্যঞ্জনধ্বনিসমূহ ঔষ্ঠ্য, দন্তমূলীয়, পশ্চ-দন্তমূলীয়, পশ্চ-তালব্য আৰু কণ্ঠ্যধ্বনি— এইদৰে ভাগ কৰিব পাৰি। উচ্চাৰণৰ ধৰণ অনুসৰি ব্যঞ্জন ধ্বনিসমূহক স্ফোট, নাসিক্য, উষ্ম, পার্শ্বিক আৰু কম্পিত এইদৰে ভাগ কৰিব পাৰি।

তালিকা ২.৬

	সন্মুখ	কেন্দ্রীয়	পশ্চ
উচ্চ	ই		উ
উচ্চ-মধ্য	এ		ও
নিম্ন-মধ্য			অ
নিম্ন		আ	

তিৱা ভাষাত ছটা স্বৰধ্বনি পোৱা যায়। সেইকেইটা হৈছে ক্রম— /ই, উ, এ, ও, অ, আ/ মন কৰিবলগীয়া যে তিৱা ভাষাত কেইটামান দ্বিস্বৰৰ প্রয়োগ আছে। সেইকেইটা হৈছে ক্রমে— অই, কই, অউ, ইউবে, আই, চিলাই, ইউ, থ্রিউ, উই, ফুইচা, অও আৰু থাও। তিৱা ভাষাত বিশটা ব্যঞ্জনধ্বনি পোৱা যায়। উচ্চাৰণৰ স্থান অনুসৰি ব্যঞ্জন ধ্বনিসমূহ ঔষ্ঠ্য, দন্তমূলীয়, কণ্ঠ্য আৰু কণ্ঠ্যনালীয়— এইদৰে ভাগ কৰিব পাৰি। উচ্চাৰণৰ ধৰণ অনুসৰি সেইসমূহক নাসিক্য, পার্শ্বিক, কম্পিত, অল্পপ্রাণ আৰু শ্রুতি— এইদৰে ভাগ কৰিব পাৰি।

তালিকা ২.৭

		ওষ্ঠ্য	দন্তমূলীয়	কণ্ঠ্য	কণ্ঠ্যনালীয়
স্পৃষ্ট	অল্পপ্রাণ	প ব	ত দ	ক গ	
	মহাপ্রাণ	ফ	থ	খ	
নাসিক্য		ম	ন	ঙ	
পার্শ্বিক			ল		
কম্পিত			ৰ		
অল্পপ্রাণ			চ জ	স	হ
শ্রুতি		ৱ	য়		

দেউৰী ভাষাত সাতটা বিশিষ্ট স্বৰধ্বনি আৰু সোতৰটা ব্যঞ্জনধ্বনিৰ উচ্চাৰণ আছে। মন কৰিবলগীয়া যে দেউৰী ভাষাত স্বৰ আৰু ব্যঞ্জনধ্বনিৰ উপৰি সুৰ আৰু অনুনাসিকতাই বিশিষ্ট ধ্বনিৰ স্থান লাভ কৰিছে। দেউৰী ভাষাৰ সাতটা স্বৰধ্বনি হৈছে ক্ৰমে— /ই, উ, এ', অ', এ, আ, অ/

তালিকা ২.৮

	সন্মুখ	কেন্দ্রীয়	পশ্চ
উচ্চ	ই	—	উ
মধ্য	এ'	—	অ'
নিম্ন	এ	আ	অ

উচ্চাৰণৰ স্থান অনুসৰি ব্যঞ্জনধ্বনিসমূহ দ্বৌষ্ঠ্য, দন্তমূলীয়, তালব্য, পশ্চ-তালব্য আৰু কণ্ঠ্য— এইদৰে ভাগ কৰিব পাৰি। উচ্চাৰণৰ ধৰণ অনুযায়ী ব্যঞ্জন ধ্বনিসমূহক স্পর্শ, নাসিক্য, উষ্ম, স্পৃষ্ট, তাড়িত বা লুঠিত, পার্শ্বিক আৰু অর্ধ-স্বৰ— এইদৰে ভাগ কৰিব পাৰি।

তালিকা ২.৯

	দ্বৌষ্ঠ্য	দন্তমূলীয়	তালব্য	পশ্চ-তালব্য	কণ্ঠ্য
স্পর্শ	প ব	ত দ		ক গ	
নাসিক্য	ম	ন		ঙ	
উষ্ম		চ জ			হ
স্পৃষ্ট			চ্চ		
তাড়িত বা লুঠিত		ৰ			
পার্শ্বিক		ল			
অর্ধ-স্বৰ	ৱ		য়		

দেউৰী ভাষাত দ্বি-স্বৰধ্বনি আৰু ত্রি-স্বৰধ্বনিৰো প্রয়োগ আছে। দ্বি-স্বৰধ্বনিসমূহৰ প্রয়োগ শব্দৰ শেষত আৰু /ঙ/ ধ্বনিৰ আগত হয়। যেনে—

অ'ই ঃ দান'ই (কেলৈ), দুক'ই (ভাটৌ), হ'ই (সখী)।

অ'উ ঃ ব'উ (সিহঁত), জ'উ (আমি), ন'উ/ল'উ (তোমালোক)।

আই ঃ বহমাই (ক'লৈ), কাই (ককাই)।

অএ ঃ গয়েং (জিলী) ইত্যাদি।

সেইদৰে ত্রি-স্বৰধ্বনিৰ প্রয়োগ—

আইঅ ঃ বাইঅ (তাইৰ/তাৰ), কাইঅ (ককাইদেউৰ)।

ইঅ'উ ঃ মিয়'উ (হাতী)।

ইউআ ঃ য়ুৱা (বাঁহ)।

উইআ ঃ কুয়া (চিকাৰী)।

ককবৰক ভাষা সাতটা স্বৰধ্বনি আৰু একৈশটা ব্যঞ্জনধ্বনিৰ প্রয়োগ আছে।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ বৰো ভাষাত কেইটা আক্ষৰিক সুৰৰ প্রয়োগ আছে? উল্লেখ কৰক। (৫০টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ২ ঃ কার্বি ভাষাত উপাহিত ধ্বনি কি কি? উদাহৰণ দিয়ক।

(১০০টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ৩ ঃ ৰাভা ভাষাত কেইটা বিশিষ্ট স্বৰধ্বনি পোৱা যায়?

(৫০টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ৪ ঃ তিৱা ভাষাত কেইটা দ্বি-স্বৰৰ প্রয়োগ আছে?

(৫০টা শব্দৰ ভিতৰত লিখক)

.....



চিন্তা-চর্চা কৰক ২.১

আপোনাৰ চুবুৰি বা আপুনি বাস কৰা অঞ্চলত বসবাস কৰি থকা তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ অন্তর্গত ভাষা কোৱা লোকসকলে বিভিন্ন ধ্বনিৰ উচ্চাৰণ কিদৰে কৰে তাক পর্যবেক্ষণ কৰি নিজৰ পর্যবেক্ষণক এটা টোকা হিচাপে প্রস্তুত কৰক।



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি আমি এইটো ধাৰণা কৰিব পৰা হ'লো যে অসমত প্ৰচলিত থকা তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ ভাষাসমূহৰ ভিতৰত বৰো, ৰাভা, কার্বি, মিছিং, ডিমাছা, তিৰা, দেউৰী আদি প্ৰধান।
- এই আলোচনাৰ পৰা এইটো গম পোৱা গ'ল যে মূল চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ অন্তর্গত ভাষা হিচাপে সৰহ সংখ্যক তিব্বত-বর্মীয় মূলৰ ভাষাতে দুটাৰ পৰা চাৰি-পাঁচটালৈকে সুৰ পোৱা যায়— বিশেষকৈ একাক্ষৰিক শব্দমূলীয় আৰু শ্বাসাঘাতহীন অক্ষৰত। সেই হেতুকে চীন-তিব্বতীয় বা তিব্বত-বর্মীয় মূলৰ ভাষাক সুৰীয়া (tonal) ভাষা আৰু সুৰ অনুযায়ী ইয়াৰ বিৰোধী প্ৰয়োগ হয় বুলি কোৱা হয়।
- এই অধ্যায়ৰ আলোচনাৰ পৰা এইটো স্পষ্ট হয় যে বডো ভাষাত ক্ৰমে ৬টা স্বৰ আৰু ১৬টা ব্যঞ্জনধ্বনি, ৰাভা ভাষাত ক্ৰমে ৮টা স্বৰ আৰু ২২টা ব্যঞ্জনধ্বনি, কার্বি ভাষাত ক্ৰমে ৭টা স্বৰ আৰু ১৯টা ব্যঞ্জনধ্বনি, ডিমাছা ভাষাত ৬টা স্বৰ আৰু ১৬টা ব্যঞ্জনধ্বনি, তিৰা ভাষাত ৬টা স্বৰ আৰু ২০টা ব্যঞ্জনধ্বনি, দেউৰী ভাষাত ৭টা স্বৰ আৰু ১৭টা ব্যঞ্জনধ্বনি, ইত্যাদি।
- তিৰা ভাষাত দ্বিস্বৰৰ প্ৰয়োগ আছে। তাৰ উদাহৰণ কেইটামান হৈছে ক্ৰমে— অই, কই, অউ, ইউবে, আই, চিলাই, ইউ, থ্ৰিউ, উই, ফুইচা, অও আৰু থাও।
- সেইদৰে দেউৰী ভাষাত উভয় দ্বি-স্বৰ আৰু ত্ৰি-স্বৰৰ প্ৰয়োগ আছে। দ্বি-স্বৰৰ উদাহৰণ— অ'ই, অ'উ, আই, অএ ইত্যাদি। ত্ৰি-স্বৰৰ উদাহৰণ— আইঅ, ইঅ'উ, ইউআ, উইআ ইত্যাদি।



২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) তেৰাং ৰংবং (১৯৭৪); *কাৰ্‌বি লামতাছান;* ডিফু, জিলা স্বায়ত্ত পৰিষদ।

২) দাস, বিশ্বজিৎ আৰু বসুমতাৰী, ফুকন চন্দ্ৰ (সম্পা.) (২০১০); *অসমীয়া আৰু অসমৰ ভাষা;* গুৱাহাটী ঃ আঁক-বাক।

৩) ৰাভা হাকাচাম. উপেন (২০০৩); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪) ৰাভা হাকাচাম, উপেন (২০০৯); *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৫) ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা, হাকাচাম কাওচাদাম।

ইংৰাজী গ্ৰন্থ ঃ

1. Barman, R. R. (ed.) (2006); *Anglo-Dimasa Grammar and Dictionary;* Garadima Janadaorine Hashom, Silchar (Assam)
2. Bhattacharya, P. C. ( ); *A Descriptive Analysis of Baro language;* G. U. Publication.
3. Goswami, S. N. (1988); *Studies in Sino-Tibetan Language;* Guwahati.
4. Jeypal, V. K. (1987); *Karbi Grammar;* CIIL, Mysore.
5. Konwar, Arpana (2003); *Karbi : The People and the Language;* Department of Assamese, Dibrugarh University.
6. Lyall r Stack (1908); *The Mikirs;* Guwahati : United Publishers.
7. Singh, Dhiren Kh (2007); *An Introduction to Dimasa Phonology;* Guwahati : DVS Publishers.

২.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ বৰো ভাষাটোৰ চমু পৰিচয় ....কেইটা সুৰৰ প্ৰয়োগ আছে তাৰ উল্লেখ .... আৰু বিৱৰণ।

২নং প্ৰশ্নৰ উত্তৰ ঃ কাৰ্বি ভাষাত অকল বলাঘাত বা শ্বাসাঘাতৰহে উপাহিত ধ্বনিৰ মর্যাদা আছে। কাৰ্বি ভাষাত সুৰ নাই।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ৰাভা ভাষাৰ চমু পৰিচয় ....তাৰ আঠটা বিশিষ্ট স্বৰধ্বনি ....সেইকেইটাৰ বিৱৰণ।

৪নং প্ৰশ্নৰ উত্তৰ ঃ তিৱা ভাষাৰ চমু পৰিচয় ....তাত পোৱা দ্বি-স্বৰকেইটা ....সেইকেইটাৰ বিৱৰণ।

২.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ মূল ভাষাসমূহ কি কি? পৰিচয়মূলক আলোচনা আগবঢ়াওক।

প্রশ্ন ২ ঃ তিব্বত-বর্মীয় ভাষাসমূহৰ ধ্বনিতত্ত্বৰ সাধাৰণ দিশসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ বডো আৰু মিছিং ভাষাৰ ব্যঞ্জনধ্বনিৰ সাদৃশ্য-বৈসাদৃশ্যসমূহৰ বিচাৰ কৰক।

প্রশ্ন ৪ ঃ ৰাভা ভাষাৰ ধ্বনিতত্ত্বৰ বিশিষ্ট দিশসমূহ বিচাৰ কৰক।

প্রশ্ন ৫ ঃ তিৱা আৰু দেউৰী ভাষাৰ উল্লেখ কৰি দুয়োটা ভাষাৰ উমৈহতীয়া বৈশিষ্ট্যটো উল্লেখ কৰক।

*** ***** ***

অধ্যায় ৩ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অসমৰ তিব্বত-বর্মীয় ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৫ অধিক জানিবলৈ

৩.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৩.৭ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ বিভিন্ন প্রান্তত প্রচলিত থকা তিব্বত-বর্মীয় ভাষাসমূহৰ লগত পৰিচিত হ'ব
- সেই সেই তিব্বত-বর্মীয় ভাষাৰ ৰূপতত্ত্বৰ গাঁথনিক দিশৰ বিষয়ে চমু ধাৰণা লাভ কৰিব
- একেটা শ্রেণীৰ বস্তুৰ বাবে একোটা গাইগুটীয়া শব্দৰ ঠাইত উমৈহতীয়া শব্দৰ ব্যৱহাৰ তিব্বত-বর্মীয় ভাষাৰ অন্যতম বৈশিষ্ট্য
- ৰাভা, বডো, মিছিং আদি ভাষাত লিংগ ব্যাকৰণগত নহয়। স্ত্রী-পুৰুষ বুজোৱা ভিন্ ভিন্ শব্দেৰে আৰু স্ত্রী-পুৰুষ বোধক ভিন্ ভিন্ শব্দাংশ যোগে। সেই ভাষাসমূহত লিংগবোধ কৰাৰ ব্যৱস্থা আছে
- তিব্বত-বর্মীয় ভাষাত সংখ্যাবাচক বা সমষ্টিবাচক শব্দ বা শব্দাংশ যোগে বচনৰ ধাৰণা জন্মে। কিন্তু বচনৰ ব্যাকৰণগত দিশত কোনো ভূমিকা নাথাকে। এই বিষয়ে অধ্যায়টোৰ মাধ্যমেদি আলোচনা কৰিব পাৰিব
- তিব্বত-বর্মীয় ভাষাসমূহত যে সাধাৰণতে বিশেষ্য আৰু বিশেষণৰ মাজত পার্থক্য নাথাকে, তাৰ উদাহৰণসহ ব্যাখ্যা আগবঢ়াব পাৰিব
- তিব্বত-বর্মীয় ভাষাসমূহৰ শব্দ গাঁথনি আৰু বাক্য গঠনৰ বিষয়েও চমু ধাৰণা আগবঢ়াব পাৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া, চতুর্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'ৰ অন্তর্গত এইটো তৃতীয় অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমৰ তিব্বত-বর্মীয় ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য'। ইয়াৰ আগৰ অধ্যায়টোৰ

অধ্যয়নৰ মাজেদি শিক্ষার্থীয়ে তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ লগত জড়িত কেইটামান গুৰুত্বপূর্ণ দিশৰ বিষয়ে কিছু ধাৰণা লাভ কৰিলে। এই অধ্যায়টোত শিক্ষার্থীক তিব্বত-বর্মীয় ভাষাৰ ৰূপতত্ত্বৰ লগত জড়িত দিশসমূহৰ লগত পৰিচিত কৰাবলৈ প্রয়াস কৰা হৈছে। এতিয়া আমি মূল আলোচনা ভাগলৈ আগবাঢ়ো আহক।

৩.৩ অসমৰ তিব্বত-বর্মীয় ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্য

উত্তৰ-পূর্বাঞ্চলৰ তিব্বত-বর্মীয় ভাষাৰ গৱেষণা আৰু অধ্যয়নৰ লগত জড়িত অন্যতম গৱেষক-পণ্ডিত উপেন ৰাভা হাকাচামে তেওঁৰ আলোচনাত তিব্বত-বর্মীয় ভাষাসমূহৰ ৰূপতত্ত্বৰ বিষয়ে বিস্তাৰিতভাৱে বর্ণনা কৰিছে। তেওঁৰ মতে মূল চীন-তিব্বতীয় ভাষাৰ দৰে তিব্বত-বর্মীয় ভাষাসমূহৰো প্রণালীবদ্ধ ব্যাকৰণ পাবলৈ সহজসাধ্য নহয়। সেই অভাৱৰ বাবে প্রত্যয় বিভক্তিৰ দ্বাৰা সম্পৃক্ত শব্দ বা ক্রিয়া ৰূপৰ পৰিবর্তে অসম্পৃক্তভাৱেহে লগ লাগে; মূলতঃ এইবোৰ ৰূপ, নির্দেশবাচক সর্বনাম বা অইন উৎসৰ পৰা আহৰণ কৰা। উদাহৰণস্বৰূপে ব্রহ্মপুত্র উপত্যকাত প্রচলিত তিব্বত-বর্মীয় মূলৰ সৰহ সংখ্যক ভাষাত প্রচলিত সম্বন্ধ কাৰকৰ {-নি} (ৰাভা, গাৰো, বডো, তিৱা, ডিমাছা) বা {-যি} (দেউৰী) বিভক্তি; যি বর্মীয় {-ই}, তিব্বতীয় {-kyi} আৰু চীনা {-chi}-ৰ সজাতীয় আৰু ই এটা নির্দেশবাচক সর্বনামহে। এতিয়া আমি তিব্বত-বর্মীয় ভাষাৰ ৰূপতত্ত্বৰ লগত জড়িত সাধাৰণ দিশসমূহত চকু ফুৰাও আহক—

⇒ একেটা শ্রেণী বা মূর্তবাচক বস্তুৰ বাবে একোটা গাইগুটীয়া শব্দৰ ঠাইত উমৈহতীয়া শব্দৰ ব্যৱহাৰ তিব্বত-বর্মীয় ভাষাৰ অন্যতম বৈশিষ্ট্য। অমূর্তবাচক বস্তু বুজাবলৈ তেনে শব্দৰ অভাৱ ইয়াৰ আন এটা মন কৰিবলগীয়া দিশ। উদাহৰণ স্বৰূপে—

ক) ৰাভা ভাষা ঃ চৰাইবাচক তো-

খ) দেউৰী ভাষা ঃ চৰাইবাচক দু-

গ) মিছিং ভাষা ঃ পু'-

⇒ আকৃতি আৰু প্রকৃতিভেদে ভিন্ ভিন্ শ্রেণীৰ বাবে একোটা শ্রেণী নির্দেশক অনুপদৰ প্রয়োগ (সংখ্যাবচক শব্দৰ লগত) তিব্বত-বর্মীয় ভাষাৰ অন্যতম বৈশিষ্ট্য। উদাহৰণ স্বৰূপে—

ক) ৰাভা ভাষা ঃ মাংছা অর্থাৎ এটা (জন্তু), খনিং অর্থাৎ দুখন।

খ) বডো ভাষা ঃ ছাছে অর্থাৎ এজন, বাৰথাম অর্থাৎ তিনি পাহি, গাং থাম অর্থাৎ তিনিখন।

⇒ তিব্বত-বর্মীয় ভাষাত লিংগ ব্যাকৰণগত নহয়। স্ত্রী-পুৰুষ বুজোৱা ভিন্ ভিন্ শব্দবে আৰু স্ত্রী-পুৰুষবোধক ভিন্ ভিন্ শব্দাংশ যোগে লিংগবোধ কৰাৰ ব্যৱস্থা আছে যদিও ইবিলাকে ৰূপতাত্ত্বিক গাঁথনিত কোনো প্রভাৱ নেপেলায়।

ক) ৰাভা ভাষা ঃ ৰাভা ভাষাত লিংগ প্রকৰণ তিনি প্রকাৰৰ— পুং-স্ত্রীসূচক স্বতন্ত্র শব্দৰ দ্বাৰা, লিংগ নিৰপেক্ষ শব্দৰ পুং-স্ত্রীবাচক শব্দ যোগত আৰু লিংগ নির্দেশক

প্রত্যয়ৰ যোগত হয়। যেনে— উ'স্বা (গিৰীয়েক) -মেচিক (ঘৈণীয়েক), কি মাবা/ভোন্তা (মতা কুকুৰ) -কি মাজু/জুব্রা (মাইকী কুকুৰ), বান্দ্রা/লাৰা (বৰলা) - বান্দ্রী/লাৰী (বিধৰা)।

খ) **বডো ভাষা ঃ** বৰো ভাষাত গৌণ নামপদীয় প্রত্যয় হিচাপে লিংগবাচক প্রত্যয়ৰ প্রয়োগ হয়। সাধাৰণতে লিংগ নিৰপেক্ষ ৰূপত পুং-স্ত্রীবাচক শব্দ যোগ হয়। যেনে— মাওজি বুন্দা (বোন্দা), -মাওজি বুন্দি (জাঁই), বু'ৰমা ফান্থা (ছাগলীটো) -বু'ৰমা ফান্থি (ছাগলীজনী), হৌৱা (মতা) -হিনজাও (তিৰোতা)।

গ) **মিছিং ভাষা ঃ** মিছিং ভাষাত লিংগভেদ দুই ধৰণে কৰা হয়। স্বতন্ত্র শব্দ যোগে আৰু পুং-স্ত্রী বুজোৱা শব্দাংশ যোগে। ব্যক্তি বা মানুহ বুজোৱা শব্দৰ ক্ষেত্রত সাধাৰণতে পুংলিংগত মিলঃ/মিলং/মিল্বং আৰু স্ত্রীলিংগত নু'ঃং/মিমু'/মেনু'পৰ প্রত্যয়ৰ দৰে মূল শব্দৰ পিচত লগ লাগে। কিন্তু অন্যান্য প্রাণীবাচক শব্দৰ ক্ষেত্রত পুংলিংগবাচক আব/-ব আৰু আনু'/-নু' সংক্ষিপ্ত ৰূপত মূল শব্দৰ লগত সম্পৃক্তভাৱে প্রয়োগ হয়। যেনে— উ' কিঃ কিঃব (মতা কুকুৰ) -উ' কিঃ কিঃ নু' (মাইকী কুকুৰ) ছিতু' তু'ব (মখলা) -ছিতু' তু'নু' (মাখুন্দী), পু'ৰগ্ ৰগ্ব (মতা কুকুৰা) -পু'ৰগ্ ৰগ্নু' (মাইকী কুকুৰা)।

ঘ) **দেউৰী ভাষা ঃ** দেউৰী ভাষাত লিংগ ব্যাকৰণগত নহয়। পুংলিংগবাচক বা লিংগ নিৰপেক্ষ ৰূপৰ লগত ভিন্ন উপায় অৱলম্বন কৰি লিংগভেদ কৰা হয় যেনে— স্ত্রীলিংগবাচক {-চি} প্রত্যয় যোগে— মুকাগু (পুৰুষ) -মিচিগু ভিন্ ভিন্ শব্দযোগে -গিৰা (বুঢ়া) -গিৰাচি (বুঢ়ী) (তিৰোতা) বাং (দেউতা) -য়ং (মা), মুকা (গিৰীয়েক) -মিচি (ঘৈণীয়েক)।

⇒ তিব্বত-বর্মীয় ভাষাত সংখ্যাবাচক বা সমষ্টিবাচক শব্দ বা শব্দাংশ যোগে বচনৰ ধাৰণা জন্মে; কিন্তু বচনৰ ব্যাকৰণগত দিশত কোনো ভূমিকা নাই।

ক) **ৰাভা ভাষা ঃ** ৰাভা ভাষাত বচন দুটা। বচন নিৰপেক্ষ ৰূপত {-ছা ~ -বাকায় } আদি প্রত্যয় যোগে একবচন আৰু {-তাং ~ -ৰং ~ -বিজান} প্রত্যয় যোগে বহুবচন বুজোৱা হয়। তদুপৰি দ্বিৰুক্তি যোগেও বহুবচনৰ ধাৰণা দিয়া হয়। যেনে— বুদাছা (বিশেষ এজন বুঢ়া), মাছুবিজান (গৰুবোৰ) ইত্যাদি।

খ) **বডো ভাষা ঃ** বডো ভাষাত বচন নিৰপেক্ষ ৰূপৰ বহুবচনবাচক প্রত্যয় যোগে, সমষ্টিবাচক শব্দ যোগে আৰু দ্বিৰুক্তিৰ দ্বাৰা বহুবচন সাধন কৰা হয়। যেনে— মানছি-মানছি ফু'ৰ (মানুহবিলাক), আদা-আদা মু'ন (ককাইহঁত); গু'ৰাং নখৰ (সমূহ পৰিয়াল), বুর্জা থাখা (বহুত টকা) আৰু ছ'ৰ ছু'ৰ (কোন কোন), মা মা (কি কি)।

গ) **মিছিং ভাষা ঃ** মিছিং ভাষাত বচন দুটা যদিও সর্বনামত তিনিটা বচন পোৱা যায়। সাধাৰণতে দুই (আন্ ঞি) বুজোৱা সংখ্যাবাচক শব্দই একবচনৰ ৰূপত লগত একত্রে প্রয়োগ হ'লে দ্বিবচনৰ ধাৰণা দিয়ে। যেনে— ঙ (মই) -ঙঞি (আমি

দুয়ো), কিন্তু ভলু (আমি)।

⇒ তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াত পুৰুষ, বচন আৰু লিংগবাচক প্রত্যয়ৰ প্রয়োগ নাই। ক্রিয়াবাচক বিশেষ্যৰ ক্রিয়া বিশেষণৰ দৰে প্রয়োগ আৰু কালৰ শিথিলতা ইয়াৰ অন্যতম বৈশিষ্ট্য। নঞৰ্থক বুজোৱা দুটা ৰূপৰ উপস্থিতি (অনুজ্ঞাত পূর্ব প্রত্যয় আৰু সাধাৰণ অর্থত পৰপ্রত্যয় যোগে), শব্দাংশ বা অনুপদ যোগে ক্রিয়াৰ কাল আৰু দশাৰ ধাৰণা আৰু সেইদৰে ভিন্ ভিন্ অনুপদ বা পৰসর্গ যোগে ক্রিয়াৰ সম্ভাব্য, সন্দিগ্ধ আদি ভাব বুজোৱা ব্যৱস্থা আছে। ইবোৰৰ সৰহ সংখ্যকে মূলগতঃ বা সজাতীয় আৰু প্রয়োগৰ দিশৰ পৰা ই মূলৰ পৰিপন্থী নহয়। উদাহৰণ স্বৰূপে ৰাভা আৰু বৰো ভাষাত মু'ন (mwn) সহায়কাৰী ক্রিয়া যোগে বর্তমান কালৰ ৰূপত অতীত কালৰ ধাৰণা আৰু ভৱিষ্যৎ কালৰ ৰূপত সম্ভাব্য ভূতকালৰ ধাৰণা জন্মে।

⇒ তিব্বত-বর্মীয় ভাষাসমূহত সাধাৰণতে বিশেষ্য আৰু বিশেষণৰ মাজত পার্থক্য নাই। শব্দৰ আগত বা পিছত প্রয়োগ ভেদে ইহঁতৰ বোধ জন্মে। সেইদৰে বিশেষণৰ তুলনা বুজোৱা ৰূপ বা প্রত্যয়বো ইবিলাকত অভাৱ; যাক ব্যাকৰণগতভাৱেহে বুজোৱা হয়। উদাহৰণ স্বৰূপে—

ক) বৰো ভাষা ঃ বৰো ভাষাত { গি- ~ গে- ~গা- ~গু- ~গু'-} পূর্বসর্গ যোগে বিশেষণ আৰু {-উ' ই } প্রত্যয় যোগে ক্রিয়া বিশেষণ শব্দলৈ ক্রিয়া বা ধাতুৰ পৰাই পদান্তৰ কৰা হয়। যেনে— √দুং (গৰম হ) ঃ গুদুং (গৰম) ঃ গুদুঙু'ই (গৰমে গৰমে)।

খ) দেউৰী ভাষা ঃ দেউৰী ভাষাত { আ ~ -বা ~ -মা } প্রত্যয় যোগে ক্রিয়াৰ পৰা বিশেষণ আৰু যিয়ে কৰে এনে অর্থত (কর্তা-বিশেষ্য অর্থত) প্রয়োগ আছে। যেনে— √কাঃ কাৱা/কাবা (তিতা), √কাঁ ঃ কাঁন'মা (গৰম)।

গ) মিছিং ভাষা ঃ মিছিং ভাষাত বিভিন্ন ক্রিয়া শব্দৰ লগত ভিন্ ভিন্ প্রত্যয় যোগে গুণবোধক বিশেষ্য, বিশেষণ আৰু ক্রিয়া বিশেষণ শব্দৰ সাধন হয়। যেনে—
-নাম ঃ দ-নাম (খাৱন, খাদ্য), য়ব্-নাম (উৰা, উৰণ)
-পু' ঃ আই-পু' (ভালকৈ), কাংকান-পু' (ধুনীয়াকৈ)।

⇒ চীন-তিব্বতীয় ভাষাৰ দৰে তিব্বত-বর্মীয় ভাষাসমূহতো সংখ্যাবাচক শব্দৰ গাঁথনিক সংগতিটো দশমিক অর্থাৎ দহ সংখ্যাৰ আধাৰত নির্মিত। অৱশ্যে ডাঙৰ অংকৰ সংখ্যাবাচক শব্দ গঠনৰ নিয়মৰ পদ্ধতিটো দুই তৰপীয়া। কিছুমান ভাষাত গুণিতকবিলাক পূর্বসর্গৰ দৰে আৰু কিছুমান ভাষাত পৰসর্গৰ দৰে লগ লাগে। সাধাৰণতে একৰ পৰা দহলৈকে সংখ্যাবাচক শব্দকেইটা মৌলিক আৰু ইহঁত সজাতীয় বা মূলগতঃ। উদাহৰণ স্বৰূপে—

ক) ৰাভা ভাষা ঃ ৰাভাত সংখ্যাবাচক শব্দৰ দুই প্রকাৰৰ প্রয়োগ আছে। গছা/ছা/(এক) আনিং/নিং (দুই), আনথাম/থাম (তিনি) আদি গণনাত ব্যৱহৃত শব্দবিলাক অংক বা গণনা সংখ্যা (cardinals) আৰু নিংছিনি (double) আনিং বা (দ্বিতীয়া),

থামছিনি (triple)/আনথামবা (তৃতীয়) আদি ক্রমত ব্যৱহৃত শব্দবিলাক ক্রম সংখ্যা (ordinals)। ৰাভাত একৰ পৰা ন লৈকেহে মৌলিক সংখ্যাবাচক শব্দ, বাকীবিলাক সাধিত। ৰাভাত এককৰ ঘৰৰ অংকৰ লগত সোঁফালে থা (শূন্য) বহুৰালে দহকৰ ঘৰৰ অংক পোৱা যায়। সেইদৰে হাজাৰ বুজাবলৈ এক বুজোৱা শব্দৰ লগত শূন্য বুজোৱা শব্দৰ পৌনঃপৌনিক প্রয়োগ কৰা হয়। যেনে—

ছা (এক) ঃ ছাথা (দহ) ঃ ছাথাথা (ছাথ্থা(শ) ঃ ছাথ্থা থা (হাজাৰ) আদি।

খ) **মিছিং ভাষা ঃ** মিছিং ভাষাৰ গণনা পদ্ধতিত ১০ সংখ্যাক ভিত্তি হিচাপে লোৱা হয়। উদাহৰণ স্বৰূপে— ১৫ ক'বলগীয়া হ'লে 'দহ আৰু পাঁচ' বুলিহে কোৱা হয়। একাদিক্রমে একৰ পৰা দহলৈকে গণিব পাৰি আৰু ১০০ সংখ্যাৰ বাবে শব্দ আছে। এই শব্দবোৰৰ ভিতৰত ১ৰ পৰা ৬ লৈকে a-পূর্বপ্রত্যয় ৰূপে ব্যৱহৃত হয় যাক উপৰূপগ্রাম বুলি কোৱা হৈছে। যেনে—

আক' — এক, আনঞি — দুই, ইয়িং — দহ, লিংক' — এশ।

⇒ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগ তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ অন্তর্গত ভাষাসমূহৰ অন্য এটা মন কৰিবলগীয়া দিশ। এই বিষয়ে কৰা আলোচনাৰ প্রসংগত তিব্বত-বর্মীয় ভাষা বিশেষজ্ঞ উপেন ৰাভা হাকাচামে কৈছে যে তিব্বত-বর্মীয় মূলৰ বৃহৎ বৰো ভাষাসমষ্টিৰ ভাষাসমূহৰ অন্যতম বৈশিষ্ট্য হ'ল এয়ে যে প্রায়বোৰ সম্বন্ধবাচক শব্দ কেৱল উল্লেখৰ (reference) ক্ষেত্রতহে প্রয়োগ হয়। সম্বোধন কৰোঁতে অন্য এটা জনপ্রিয় উমৈহতীয়া সম্বোধনবোধক শব্দ প্রয়োগ কৰা হয়। ৰাভা ভাষাত সাধাৰণতে সম্বোধনত ব্যৱহৃত শব্দৰ লগত তৃতীয় পুৰুষবাচক -ব্রা প্রত্যয় যোগ দিলে উল্লেখত ব্যৱহৃত প্রকৃত সম্বন্ধবাচক শব্দ পোৱা যায়। অৱশ্যে কেতিয়াবা ইয়াৰ ব্যতিক্রমো হয়। ৰাভাত প্রথম পুৰুষ আৰু দ্বিতীয় পুৰুষৰ সম্বন্ধবাচক ৰূপৰ সৈতে পুৰুষবাচক পূর্বসর্গৰ দৰে যথাক্রমে দিং আৰু নাং সর্বনাম দুটাৰ প্রয়োগ বিশেষ মন কৰিবলগীয়া। উদাহৰণ স্বৰূপে—

প্রথম পুৰুষৰ ৰূপ	**দ্বিতীয় পুৰুষৰ ৰূপ**	**তৃতীয় পুৰুষ ৰূপ**
বাবা (পিতা) ঃ চিং-বাবা	নাং-বাবা	(উনি) বাব্রা
আয়া (আই) ঃ চিং-আয়া	নাং-আয়া	(উনি) জুব্রা*
বিবি (বাই) ঃ চিং-বিধি	নাং-বিধি	(উনি) বিবিব্রা/বিব্রা
ছাব্রা (পুত্র/কন্যা) ঃ (আঙি) ছাব্রা*	(নাঙি) ছাব্রা*	(উনি) ছাব্রা
ফজংব্রা (ভায়েক) ঃ (আঙি) ফজংব্রা*	(নাঙি) ফজংব্রা*	(উনি) ফজংব্রা
মমো (ভাতৃস্থানীয়)/ভগ্নীস্থানীয় ঃ চিং-মমো	নাং-মমো	(উনি) মমোব্রা/মমব্রা
জানাব্রা (ভনীয়েক, পুৰুষৰ ক্ষেত্রত) ঃ (আঙি) জানং	(নাঙি) জানং	(উনি) জানাব্রা
জিনিব্রা (ভনীয়েক, মহিলাৰ ক্ষেত্রত) ঃ		

(আঙি) জিনং	(নাঙি) জিনং	(উনি) জিনিব্রা
বিয়াই (বিয়ে) ঃ চিং-বিয়াই	নাং-বিয়াই	(উনি) বিয়াইব্রা
উ'স্বা (স্বামী) ঃ (আঙি) উ'স্বা/	(নাঙি) উ'স্বা/	(উনি) উ'স্বাব্রা
বান্দায়/গিৰিকায়	নাং-জাক	
মিচিক (পত্নী) ঃ (আঙি) মিচিক/	(নাঙি) মিচিক/	(উনি) মিচিকব্রা
মান্দায়/নাছিকায়	না-জাক	
নেব্রামুছা (শহুৰেক) ঃ (আঙি)		
নেব্রা মুছা*/নেব্রাতাং	(নাঙি) নেব্রামুছা*	(উনি) নেব্রামুছা
জাংব্রা (জোঁৱায়েক) ঃ		
(আঙি) জাংব্রা*/জাংব্রাতাং	(নাঙি) জাংব্রা*	(উনি) জাব্রাং

[** তাৰকা চিহ্নিত ৰূপবিলাক সদায় তৃতীয় পুৰুষৰ ৰূপ হিচাপে প্ৰয়োগ হয়।]

ই কেৱল উল্লেখতহে প্ৰয়োগ হয়। এনে ব্যক্তিক সম্বোধন কৰিব লাগিলে পিতৃ-মাতৃস্থানীয় হ'লে 'বাবা' (পিতা) বা 'আয়া' (আই) বুলি আৰু ভাতৃ-ভগ্নীস্থানীয় হ'লে 'মমো' বুলি সম্বন্ধ ল'ব লাগে। কেতিয়াবা -তাং বহুবচনবাচক প্ৰত্যয় যোগ দি দূৰ সম্পৰ্কীয় জোঁৱায়েক, শহুৰেক আদিক পৰোক্ষভাৱে সম্বন্ধ লোৱা হয়।

সেইদৰে বডো ভাষাত 'আগু'ই/আগৈ' সম্বোধনে যথাক্ৰমে ভায়েক-ভনীয়েক, খুলশালী (ল'ৰা-ছোৱালী), ননন্দেক-দেওৰেক আটাইকে সাঙুৰি লয়।

কেতবোৰ সম্বন্ধবাচক শব্দৰ লগত বহুবচনবাচক প্ৰত্যয় নতুবা নিৰ্দিষ্টতাবাচক প্ৰত্যয় সংযোগ কৰি সম্বোধনত পৰোক্ষভাৱে প্ৰয়োগ কৰা হয়। উদাহৰণ স্বৰূপে— ৰাভা ভাষাত জাংব্রাতাং (জোঁৱাইহঁত), বুৰীব্রাতাং (কেৱাৰীহঁত), নুছিব্রাতাং (খুলশালীহঁত) ইত্যাদি।

বডো ভাষাত বুৰী ফু'ৰ (বুঢ়ীহঁত অথবা শাহুআই), বেওৱায়ফু'ৰ (বৈনাই/ভাইবোৱাৰীহঁত), হু'নজাও— ফ্রা (ঘৈণীজনী) ইত্যাদি। গাৰো ভাষাত হ'লে এনে প্ৰত্যয়ে আপোন ভাব প্ৰকাশ কৰে। যেনে— মামাথাক (মোৰ নিজৰ মোমাই), আম্‌বিথাং— মোৰ নিজৰ আইতা) ইত্যাদি।

⇒ ব্যক্তিবাচক সর্বনামৰ শ্ৰোতা অন্তর্ভুক্ত আৰু শ্ৰোতা-বহির্ভূতৰ ধাৰণা, লিংগ নিৰপেক্ষতা, নির্দেশবাচক সর্বনামৰ দূৰ-নিকট, ব্যক্তি-অব্যক্তিৰ ধাৰণা, কালবাচক সর্বনামৰ উপস্থিতি, সম্পর্কবাচক সর্বনামৰ অনুপস্থিতি আদি তিব্বত-বর্মীয় ভাষাৰ বিশেষ বৈশিষ্ট্য।

ক) ৰাভা ভাষা ঃ ৰাভা ভাষাত কালবাচক সর্বনামৰ উপস্থিতি আছে। যেনে— বেদোৱা (কেতিয়া), ই'ছি মাং (ইতিমধ্যে)।

খ) দেউৰী ভাষা ঃ দেউৰী ভাষাত কালবাচক সর্বনামৰ প্ৰয়োগ এনে ধৰণৰ— দেই (এতিয়া), দিপুৰ (কাইলৈ), দিচঁই (পৰহি) ইত্যাদি।

⇒ ক্রিয়া পাচনী, নিজত্ববাচক, সকর্মককৰণ বা অকর্মককৰণ বুজোৱা বিভিন্ন প্রত্যয়ৰ দৰে সম্বন্ধবাচক আৰু সংখ্যাবাচক শব্দৰ লগত প্রয়োগ হোৱা সর্বনামীয় পূর্বসর্গও তিব্বত-বর্মীয় ভাষাৰ অন্যতম ৰূপগত উপাদান।

এইদৰে ৰূপতত্ত্বগত নানা বৈশিষ্ট্যৰে সমৃদ্ধ তিব্বত-বর্মীয় ভাষাসমূহে সাম্প্রতিক সময়ত সেই সেই ভাষা চর্চাৰ লগত জড়িত গৱেষক-ভাষাবিদসকলক বিভিন্ন প্রকাৰে তথ্যৰ যোগান ধৰাৰ লগতে ভাষাৰ তুলনামূলক অধ্যয়নৰ বাট কাটি দিছে। ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ আলোচনা যিকোনো ভাষা বা ভাষাগোষ্ঠীৰ অতীব প্রয়োজনীয় বিষয় যদিও আমি ভাষাৰ শব্দগত আৰু বাক্যগত দিশ দুটা আওকাণ কৰিব নোৱাৰো। তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ ক্ষেত্রতো একে কথা প্রযোজ্য। তিব্বত-বর্মীয় ভাষা বিশেষজ্ঞ উপেন ৰাভা হাকাচামে তেওঁৰ তথ্যসমৃদ্ধ আলোচনাত তিব্বত-বর্মীয় ভাষাৰ শব্দ গঠন আৰু বাক্য গঠন দিশৰ বিষয়ে আলোচনা কৰি কৈছে যে চীন-তিব্বতীয়ৰ অন্তর্গত চীনা ভাষাৰ দৰে তিব্বত-বর্মীয় ভাষাসমূহৰ শব্দ একাক্ষৰিক আৰু অর্থবোধৰ সুস্পষ্টতাৰ হেতুকে সমার্থক যুৰীয়া শব্দৰ সৈতে একত্রে প্রয়োগ কৰা হয়। চীনা ভাষাৰ Coupling of words in pairৰ আর্হিত সৱহ সংখ্যক তিব্বত-বর্মীয় ভাষাতে পূর্বসর্গীয় আৰু পৰসর্গীয় সাধাৰণ অনুপদৰ (Generic terms) জৰিয়তে যুৰীয়া শব্দৰ সাধন হয়। শব্দ-সাধনত বিভিন্ন শ্রেণীবাচক সাধাৰণ অনুপদৰ প্রয়োগ তিব্বত-বর্মীয় ভাষাসমূহৰ আন এটা উল্লেখযোগ্য স্বকীয় বৈশিষ্ট্য। বাক্য গঠনৰ প্রসংগত বিচাৰ কৰিলে তিব্বত-বর্মীয় ভাষাৰ বাক্যসজ্জা কর্তা-কর্ম-ক্রিয়া (SOV) আর্হি আৰু বিশেষণ বা সংখ্যাবাচক শব্দ সূচোৱা বাক্যাংশ বিশেষ্যৰ পাছতহে প্রয়োগ হয়। বাক্যত ক্রিয়াৰ প্রয়োগ বাধ্যতামূলক নহয় আৰু ইহঁত ক্রিয়াপদন্তিধর্মী (verb-final language)। সাম্প্রতিক সময়ত বিপুল পৰিমাণৰ বিভিন্ন অর্থসূচক বা স্বার্থিক প্রত্যয় আৰু সংযোজক বা বিয়োজক অব্যয়ৰ দ্বাৰা ভাৰাক্রান্ত জটিল বাক্য গাঁথনিৰ উপস্থিতি প্রায়বোৰ তিব্বত-বর্মীয় ভাষাতে পোৱা যায় যদিও সেইবিলাক ভাষাৰ প্রাচীন বাক্য-গাঁথনি অতি সৰল আছিল আৰু এইবোৰ ঘাইকৈ দুই ধৰণৰ বাক্যাংশৰে সংৰচিত আছিল।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ তিব্বত-বর্মীয় ভাষাত লিংগ ব্যাকৰণগত বিষয় হয় নে নহয়? (১৫০টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ২ ঃ তিব্বত-বর্মীয় ভাষাসমূহত বিশেষ্য আৰু বিশেষণৰ মাজত পার্থক্য আছে নে নাই? উদাহৰণ দিব। (২৫০টা শব্দৰ ভিতৰত লিখক)

.....

প্রশ্ন নং ৩ ঃ তিব্বত-বর্মীয় ভাষাসমূহৰ সংখ্যাবাচক শব্দৰ গাঁথনি কেনেকুৱা?
(২৫০টা শব্দৰ ভিতৰত লিখক)

.....



৩.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ অন্তত আমি তিব্বত-বর্মীয় ভাষাৰ ৰূপতত্ত্বৰ লগত জড়িত ভালেমান দিশৰ লগত পৰিচিত হ'লো।
- তিব্বত-বর্মীয় ভাষাত লিংগ ব্যাকৰণগত নহয়। এই ভাষাগোষ্ঠীৰ অন্তর্গত ৰাভা ভাষাত লিংগ প্রকৰণ তিনি প্রকাৰে কৰা হয়। পুং-স্ত্রীসূচক স্বতন্ত্র শব্দৰ দ্বাৰা, লিংগ নিৰপেক্ষ শব্দত পুং-স্ত্রীবাচক শব্দ যোগত আৰু লিংগ নির্দেশক প্রত্যয়ৰ যোগত। সেইদৰে মিছিং ভাষাত স্বতন্ত্র শব্দ যোগে আৰু পুং-স্ত্রী বুজোৱা শব্দাংশ যোগে লিংগ ভেদ কৰা হয়।
- তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াত পুৰুষ বচন আৰু লিংগবাচক প্রত্যয়ৰ প্রয়োগ নাই। ক্রিয়াবাচক বিশেষ্যৰ ক্রিয়া বিশেষণৰ দৰে প্রয়োগ আৰু কালৰ শিথিলতা ইয়াৰ অন্যতম বৈশিষ্ট্য।
- তিব্বত-বর্মীয় ভাষাসমূহত সাধাৰণতে বিশেষ্য আৰু বিশেষণৰ মাজত পার্থক্য নাই। শব্দৰ আগত বা পিছত প্রয়োগ ভেদে ইহঁতৰ বোধ জন্মে। সেইদৰে বিশেষণৰ তুলনা বুজোৱা ৰূপ বা প্রত্যয়বো ইবিলাকত অভাৱ; যাক ব্যাকৰণগত ভাবেহে বুজোৱা হয়।



৩.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) তেৰাং ৰংবং (১৯৭৪); *কাৰ্‌বি লামতাছান;* ডিফু, জিলা স্বায়ত্ত পৰিষদ।

২) দাস, বিশ্বজিৎ আৰু বসুমতাৰী, ফুকন চন্দ্র (সম্পা.) (২০১০); *অসমীয়া আৰু অসমৰ ভাষা;* গুৱাহাটী ঃ আঁক-বাক।

৩) ৰাভা হাকাচাম. উপেন (২০০৩); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৪) ৰাভা হাকাচাম, উপেন (২০০৯); *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৫) ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা, হাকাচাম কাওচাদাম।

ইংৰাজী গ্রন্থ ঃ

1. Barman, R. R. (ed.) (2006); *Anglo-Dimasa Grammar and Dictionary;* Garadima Janadaorine Hashom, Silchar (Assam)

2. Bhattacharya, P. C. ( ); *A Descriptive Analysis of Baro language;* G. U. Publication.
3. Goswami, S. N. (1988); *Studies in Sino-Tibetan Language;* Guwahati.
4. Jeypal, V. K. (1987); *Karbi Grammar;* CIIL, Mysore.
5. Konwar, Arpana (2003); *Karbi : The People and the Language;* Department of Assamese, Dibrugarh University.
6. Lyall r Stack (1908); *The Mikirs;* Guwahati : United Publishers.
7. Singh, Dhiren Kh (2007); *An Introduction to Dimasa Phonology;* Guwahati : DVS Publishers.



৩.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ তিব্বত-বর্মীয় ভাষাত লিংগ ব্যাকৰণগত বিষয় নহয় .... স্ত্রী-পুৰুষ বুজোৱা ভিন্ ভিন্ শব্দ আৰু স্ত্রী-পুৰুষবোধক ভিন্ ভিন্ শব্দাংশ যোগে লিংগবোধ কৰা হয় .... উদাহৰণ দিব ৰাভা ভাষা, বৰো ভাষা মিছিং আৰু দেউৰী ভাষাৰ পৰা।

২নং প্রশ্নৰ উত্তৰ ঃ তিব্বত-বর্মীয় ভাষাসমূহত বিশেষ্য আৰু বিশেষণৰ মাজত পার্থক্য নাই। শব্দৰ আগত বা পিছত প্রয়োগ ভেদে ইহঁতৰ বোধ জন্মে .... বৰো ভাষা, দেউৰী ভাষা আৰু মিছিং ভাষাৰ পৰা উদাহৰণ দি উত্তৰটো লিখক।

৩নং প্রশ্নৰ উত্তৰ ঃ এই প্রশ্নটোৰ উত্তৰ লিখোঁতে পাঠৰ আলোচনাত দিয়া ৰাভা ভাষা আৰু মিছিং ভাষাৰ সংখ্যাবাচক শব্দৰ গাঁথনিক উদাহৰণ হিচাপে লৈ আলোচনা কৰিব।



৩.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমত প্রচলিত থকা তিব্বত-বর্মীয় ভাষাসমূহৰ সাধাৰণ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ২ ঃ তিব্বত-বর্মীয় ভাষাত লিংগ আৰু বচন কিদৰে নিৰূপণ কৰা হয়, পাঠত দিয়া উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ তিব্বত-বর্মীয় ভাষাত কিদৰে সংখ্যাবাচক শব্দ গঠন কৰা হয়, উদাহৰণসহ বুজাই লিখক।

প্রশ্ন ৪ ঃ তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ লগত বচন, লিংগ আৰু পুৰুষবাচক প্রত্যয়ৰ প্রয়োগ আছে নে নাই? উদাহৰণসহ ব্যাখ্যা কৰক।

প্রশ্ন ৫ ঃ তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগ দেখুৱাওক।

*** ***** ***

অধ্যায় ৪ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰ ঃ চমু পৰিচয়
৪.৩.১ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰৰ শ্রেণী বিভাজন
৪.৩.২ তিব্বত-বর্মীয় ভাষাৰ বিভিন্ন শব্দৰ আলোচনা
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰৰ সাধাৰণ পৰিচয় লাভ কৰিব
- তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰৰ শব্দসমূহৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- তিব্বত-বর্মীয় ভাষাৰ শব্দসমূহৰ সঠিক প্রয়োগ সম্পর্কে বিৱৰণ আগবঢ়াব পাৰিব
- তিব্বত-বর্মীয় ভাষাৰ শব্দ আৰু অন্য ভাষাৰ শব্দৰ পাৰস্পৰিক প্রভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব
- তিব্বত-বর্মীয় ভাষাৰ শব্দৰ বিচিত্রতাৰ বিষয়ে জানিবলৈ সক্ষম হ'ব
- অন্য ভাষাৰ সৈতে ইয়াৰ তুলনামূলক আলোচনা আগবঢ়াব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'ৰ অন্তর্গত এইটো চতুর্থ অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমৰ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰ'। তিব্বত-বর্মীয় ভাষা হৈছে পৃথিৱীৰ দ্বিতীয় বৃহৎ ভাষাগোষ্ঠী চীন তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তর্গত এটি প্রধান শাখা। জাতিগত দৃষ্টিকোণৰ পৰা এই ভাষা কোৱা লোকসকল মংগোলীয় গোষ্ঠীৰ অন্তর্গত। ড° সুনীতি কুমাৰ চেটার্জী, গ্রীয়ার্চন আদি ভাষাতাত্ত্বিক পণ্ডিতসকলে তিব্বত-বর্মীয় শাখাটোক চাৰিটা উপশাখাত ভাগ কৰিছে— হিমালয়ী, উত্তৰ অসম, অসম-বর্মী আৰু তিব্বতী। অসম তথা অসমৰ দাঁতিকাষৰীয়া ঠাইসমূহত তিব্বত-বর্মীয় শাখাৰ অন্তর্গত ভাষাসমূহ বিয়পি আছে। অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ

ভিতৰত বডো, ৰাভা, তিৰা, গাৰো, ডিমাছা, দেউৰী (চুটিয়া), কক্‌বৰক্‌ (ত্রিপুৰী), কার্বি, মিছিং ইত্যাদিয়ে প্রধান।

তিব্বত-বর্মীয় শাখাৰ অন্তর্গত প্রতিটো ভাষাৰেই নিজস্ব বিশেষত্ব আছে। প্রতিটো ভাষাতেই ধ্বনি, ৰূপ, বাক্য, শব্দ আটাইকেইটা দিশতে বিচিত্রতা আছে। এই অধ্যায়ত তিব্বত-বর্মীয় ভাষাৰ শব্দসম্ভাৰৰ বিষয়ে আলোচনা কৰা হ'ব। তিব্বত-বর্মীয় ভাষাৰ শব্দসমূহে ভাষা সাপেক্ষে কেতিয়াবা সুকীয়া বৈশিষ্ট্য আৰু কেতিয়াবা উমৈহতীয়া বৈশিষ্ট্য বহন কৰে। তদুপৰি চুবুৰী ভাষাবোৰৰ মাজত সাংস্কৃতিক সৰবৰাহৰ ফলস্বৰূপে তিব্বত-বর্মীয় ভাষাত আর্যমূলীয় ভাষা তথা অন্য ভাষাৰ শব্দৰ প্রচুৰ প্রয়োগ ঘটিছে। এই আলোচনাত তিব্বত-বর্মীয় ভাষাৰ থলুৱা শব্দৰ লগতে অন্য ভাষাৰ শব্দৰ প্রভাৱ আদি সামৰি লোৱা হ'ব। লগতে তিব্বত-বর্মীয় ভাষাৰ বিভিন্ন শাখাৰ শব্দৰ পৰিচয় দাঙি ধৰা হ'ব।

৪.৩ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰ ঃ চমু পৰিচয়

শব্দ হৈছে ভাষা একোটাৰ প্রধান অংগ। শব্দই ভাষাৰ ঐতিহ্য বহন কৰাৰ লগতে ভাষাৰ স্বকীয় বৈশিষ্ট্য ফুটাই তোলে। তিব্বত-বর্মীয় ভাষাৰ শব্দভাণ্ডাৰ বৈচিত্র্যময়। উল্লেখযোগ্য যে তিব্বত-বর্মীয় ভাষা কেৱল এটা স্বতন্ত্র ভাষা নহয়। ই হৈছে বহুকেইটা ভাষাৰ সমষ্টি। অসমৰ প্রেক্ষাপটত চাবলৈ গ'লে বডো, ৰাভা, কার্বি, তিৰা, গাৰো, মিছিং, দেউৰী, কোচ, কক্‌বৰক্‌, ডিমাছা ইত্যাদি ভাষাক সামগ্রিকভাৱে তিব্বত-বর্মীয় ভাষাত সামৰি লোৱা হৈছে। গতিকে প্রত্যেক ভাষাৰেই নিজস্ব ধ্বনি, সুৰ, বাক্যগঠন প্রণালী ভিন্‌ ভিন্‌ হোৱা হেতুকে শব্দৰ ক্ষেত্রতো বিচিত্রতা দেখা যায়। কিন্তু প্রত্যেক ভাষাৰেই মূল যিহেতু চীন-তিব্বতীয় ভাষা পৰিয়াল, সেয়েহে বৈচিত্র্যৰ মাজতো ঐক্য পৰিলক্ষিত হয়। অর্থাৎ তিব্বত-বর্মীয় শাখাৰ অন্তর্গত ভাষাসমূহত সুকীয়া তথা উমৈহতীয়া দুয়োবিধ বৈশিষ্ট্য ৰক্ষিত হৈছে।

তিব্বত-বর্মীয় ভাষাত নিজস্ব থলুৱা শব্দৰ লগতে দেশী-বিদেশী অন্য ভাষাৰ শব্দৰো ব্যাপক প্রয়োগ আছে। থলুৱা শব্দবোৰ মূল চীন-তিব্বতীয় শব্দৰ ওচৰ চপা। বহু শব্দত মূল ৰক্ষিত হৈছে আৰু কোনো কোনো শব্দ সৰলীকৃত হৈ ব্যৱহাৰ হৈ আছে। মূলোদ্ভৱ শব্দৰ লগতে বিভিন্ন দেশী-বিদেশী শব্দৰ পয়োভৰে তিব্বত-বর্মীয় ভাষাৰ শব্দভাণ্ডাৰ চহকী কৰিছে। গঠনৰ ফালৰ পৰা তিব্বত-বর্মীয় ভাষাৰ শব্দসমূহক থলুৱা, দেশী-বিদেশী প্রভাবান্বিত আদি ভাগ-উপভাগেৰে শ্রেণীবিভাজন কৰাৰ লগতে এই ভাষাত ব্যৱহৃত বিভিন্ন প্রাণীবাচক শব্দ, বস্তুবাচক শব্দ, দৈনন্দিন ব্যৱহার্য সঁজুলি, গছ-লতা, সম্বন্ধবাচক শব্দ, ক্রিয়া শব্দ, বিশেষ্য শব্দ, সর্বনাম শব্দ, সংখ্যাবাচক শব্দ আদিত বিচিত্রতা দেখা যায়। তদুপৰি জতু�ৰা শব্দ, ধ্বন্যাত্মক শব্দ আদিৰ প্রয়োগে ভাষাটোৰ সৌন্দর্য্য বৃদ্ধি কৰিছে।

৪.৩.১ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰৰ শ্রেণী বিভাজন

তিব্বত-বর্মীয় ভাষাৰ শব্দৰ উৎস প্রধানতে দুটা- মূলোদ্ভৱ বা সমমূলীয়

শব্দ আৰু বিষমমূলীয় বা ঋণ শব্দ। মূলোদ্ভৱ শব্দবোৰ মূল অর্থাৎ চীন তিব্বতীয় ভাষাৰ পৰা আহৰিত। আনহাতে ঋণ শব্দবোৰ চুবুৰীয়া আর্যমূলীয় ভাষা তথা বিদেশী ভাষাৰ পৰা আহৰণ কৰা। এই শব্দসমূহক সামগ্রিকভাৱে আমি এনেদৰে শ্রেণীবিভাজন কৰিব পাৰোঁ—

(১) থলুৱা বা মূলোদ্ভৱ বা তিব্বত-বর্মীয় ভাষাৰ নিজা শব্দ

(২) আর্যমূলীয় অসমীয়া ভাষাৰ শব্দ

(৩) বিদেশী ভাষাৰ শব্দ

(১) থলুৱা বা মূলোদ্ভৱ বা তিব্বত-বর্মীয় ভাষাৰ নিজা শব্দ ঃ তিব্বত-বর্মীয় ভাষাৰ থলুৱা শব্দ বুলি ক'লে মূল চীন তিব্বতীয় ভাষাৰ পৰা আহৰণ কৰা শব্দকে বুজায়। এইবোৰ শব্দৰ ভিতৰত প্রকৃতি, দৈনন্দিন ব্যৱহার্য সঁজুলি, প্রাণী-অপ্রাণী, শৰীৰৰ অংগ, খাদ্য আদিৰ পৰা আৰম্ভ কৰি বিশেষ্য, বিশেষণ, সর্বনাম, সম্বোধনবাচক, সংখ্যাবাচক ক্রিয়ালৈকে হ'ব পাৰে। তিব্বত-বর্মীয় ভাষাৰ থলুৱা শব্দবোৰ মূল চীন তিব্বতীয় ভাষাৰ পৰা কিছুমান অবিকৃতভাৱে, কিছুমান অর্দ্ধবিকৃতভাৱে আৰু আন কিছুমান বিকৃতভাৱে ব্যৱহাৰ হৈ আছে।

উদাহৰণ ঃ

(ক) অবিকৃত থলুৱা শব্দ ঃ হা (মাটি), মায় (ধান), আং (মই), মিনি (হাঁহ), ছু' ছীং (সোধ, বা (বোকোচাত লোৱা) ইত্যাদি।

(খ) অর্দ্ধবিকৃত থলুৱা শব্দ ঃ

অসমীয়া অর্থ	**ৰাভা**	**গাৰো**	**তিৰা**	**ডিমাছা**
চাউল	মায়ৰুং	মিৰং	ৰং	মাইৰং
ফল	থায়/থে	থে	থি	থায়
তামোল	কুই	গুই	কই	গুৱাই
মাছ	না	নাথক	ঙা	না
ঘৰ	নোক	নোক	নো	ন

(গ) বিকৃত শব্দ ঃ

অসমীয়া অর্থ	**ৰাভা**	**গাৰো**	**তিৰা**	**বডো**
দিন	ছান	ছাল	তিন	ছান
বতাহ	ৰাম্পাৰ	বালৱা	বাৰ	বাৰ
পানী	চিকা	চি	তি	দৈ
চৰাই	তৌ/তো	দো	তু	দাও
দেউতা	বাবা	ফা	আফা	আফা
ভনী	মমো	আনো	নানাও	বিনানাও

(২) আর্যমূলীয় অসমীয়া ভাষাৰ শব্দ ঃ তিব্বত-বর্মীয় ভাষাগোষ্ঠী আৰু আর্যভাষী

লোকসকল অতীজৰে পৰা একেলগে বসবাস কৰি থকা হেতুকে দুয়োটা ভাষাৰ মাজত বহু উমৈহতীয়া বিশেষত্ব দেখা যায়। ভাষা যিহেতু নৈৰ দৰে প্ৰবাহমান, সেই বাবে বিভিন্ন আৰ্যমূলীয় শব্দ তিব্বত-বর্মীয় ভাষাত সোমাই পৰিছে, তেনেদৰে আৰ্যমূলীয় অসমীয়া ভাষাতো বহু তিব্বত-বর্মীয় মূলৰ শব্দ ব্যৱহাৰ হৈ আছে। অসমীয়া ভাষাৰ থলুৱা শব্দসমূহক যিদৰে তৎসম, অৰ্দ্ধতৎসম আৰু তদ্ভৱ এইদৰে শ্ৰেণী বিভাজন কৰা হয়, তেনেদৰেই তিব্বত-বর্মীয় ভাষাতো এই ধৰণেই শব্দসমূহৰ প্ৰভাৱ পৰিছে।

উদাহৰণ ঃ

(ক) তৎসম শব্দ ঃ যিবোৰ শব্দ পোনপটীয়াকৈ সংস্কৃত ভাষাৰ পৰা অসমীয়া ভাষাত ব্যৱহাৰ হৈ আছে তেনে শব্দক তৎসম শব্দ বোলা হয়। তিব্বত-বর্মীয় ভাষাত ব্যৱহৃত তেনে কিছু তৎসম শব্দ হ'ল ঃ বৰ, কন্যা, ক্ষমা, ধর্ম, সংসাৰ, মন্ত্ৰ, সেৱা, মূৰ্তি, দহা শ্ৰাদ্ধ, হাংছু (হাঁহ), অন্যায়) ফিৰথিমি (পৃথিৱী), সংসাৰ ইত্যাদি।

(খ) অৰ্দ্ধ তৎসম শব্দ ঃ যিবোৰ সংস্কৃত তৎসম শব্দ সৰলীকৃত হৈ অসমীয়া ভাষাত ব্যৱহাৰ হৈ আছে, তাকেই অৰ্দ্ধ তৎসম শব্দ বোলা হয়। তিব্বত-বর্মীয় ভাষাত ব্যৱহাৰ হোৱা অৰ্দ্ধ তৎসম শব্দসমূহ—

ককবৰক ঃ বুঢ়া (বৃদ্ধ), ছিয়াল (শৃগাল), দখিন (দক্ষিণ)

তিৱা ঃ নিহোৰ (নিয়ৰ/নিহাৰ), মাহাদি (মহাদেৱী), ছুনজুলি (সঁজুলি) ইত্যাদি।

ৰাভা ঃ দিপৰ (দ্বিপ্ৰহৰ), কামি (কর্ম), চাতালা (চত্বল), কাপাল (কপাল) ইত্যাদি।

(গ) তদ্ভৱ শব্দ ঃ তদ্ভৱ শব্দ হৈছে অসমীয়া ভাষাৰ নিজস্ব শব্দসমূহ। তিব্বতীয়-বর্মীয় ভাষাত প্ৰয়োগ হোৱা অসমীয়া তদ্ভৱ শব্দসমূহ হ'ল—

ৰাভা ঃ লুব/লুপ (লোভ, মাংসি (মাংস), ছবা (সভা), দূপি (ধূপ)

গাৰো ঃ খিত (গীত), খুআ (কুৱা), ফান (পাণ), খাৰি (নিমখ/ক্ষাৰ), খাথা (কথা) ইত্যাদি।

ডিমাছা ঃ আৰ (আৰু), ইগৱ্ (ইকৰা), খিৰি (খেৰ), গামচা (গামোচা), দালেম (দালিম), দুখিচা (দুখীয়া)।

বডো ঃ আখয় (আখৈ), বাদা (বাধা), বিজি (বেজী), বীৰ্চি (বৰশী), হাৰা (হাড়), ইথা (ইটা) ইত্যাদি।

এই শব্দবোৰৰ উপৰিও তিব্বত-বর্মীয় ভাষাত অসমীয়া ভাষাৰ উপভাষা কামৰূপী, গোৱালপৰীয়া আদি ভাষাৰ শব্দৰো প্ৰয়োগ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে—

ছাথা (ছাতা/ছাতি), আৰ (আৰু), লাথা (লাংতা), মুদুফল (মোইদফল/মধুফল), লাব্রা (পাচলিৰ ভাজি), চাতি (চাকি), কু'ৰমা (কুৰ্মা/আলহী, লাৰি/লাৰায় (স্পর্শ কৰা), গুলি (গোলি/গোহালি), আলোৱা (আৰৈ চাউল) ইত্যাদি।

(৩) বিদেশী ভাষাৰ শব্দ ঃ তিব্বত-বর্মীয় ভাষাত মূল বহির্ভূত শব্দ হিচাপে আর্যমূলীয় ভাষাৰ লগতে বিদেশী ভাষাৰ শব্দও বহু পৰিমাণে ব্যৱহাৰ হৈ আছে। বিদেশী শব্দ বুলিলে ইংৰাজী, তুর্কী, পর্তুগীজ, আৰৱী-ফার্চী, চীনা আদি শব্দৰ প্রভাৰ সম্পর্কে বুজা যায়। বিদেশী শব্দবোৰৰ কিছুমান অবিকল ৰূপত আৰু কিছুমান অর্দ্ধবিকৃত ৰূপত তিব্বত-বর্মীয় ভাষাত থিতাপি লৈছে। উল্লেখযোগ্য যে ইংৰাজী ভাষাৰ সুদূৰপ্রসাৰী প্রভাৱৰ ফলত আমাৰ প্রতিটো ভাষাতেই ইংৰাজী শব্দৰ পয়োভৰ দেখা যায়। বর্তমানে ইংৰাজী শব্দ কিছুমানে আমাৰ ভাষাসমূহত নিগাজীকৈ থিতাপি লৈছে। তিব্বত-বর্মীয় ভাষাত বিদেশী শব্দৰ প্রয়োগ সম্পর্কে উদাহৰণসহ উল্লেখ কৰা হ'ল—

ইংৰাজী শব্দ ঃ বাছ, ডাক্তৰ, মাষ্টৰ, স্কুল, পুলিচ, টিকেট, মিলিটেৰী, মেম্বৰ, লবৰ (ৰবৰ), পকেট, গিলাচ (গ্লাচ), পেন, কুকাৰ, ফিল্টাৰ, টেবুল ইত্যাদি।

অন্যান্য শব্দ (পর্টুগীজ, তুর্কী, আৰবী, ফার্চী ইত্যাদি) ঃ বয়াম, গামলা, বাল্টিং, উকিল, পর্দা, দর্জি, ব্লাউজ, তাবিছ (তাবিজ/কবচ), খৰচ, চাহাব, বায়নান (বনিয়ন), ছছমা, ফাটেক, কয়দী, আদালত, বদনাম ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তিব্বত-বর্মীয় ভাষাৰ শব্দসমূহক কেনেদৰে শ্রেণী বিভাজন কৰা হয়, চমুকৈ লিখক। (৫০টা শব্দৰ ভিতৰত)

.....

৪.৩.২ তিব্বত-বর্মীয় ভাষাৰ বিভিন্ন শব্দৰ আলোচনা

তিব্বত-বর্মীয় ভাষাৰ মূলোদ্ভৱ শব্দ আৰু ঋণ শব্দৰ শ্রেণী বিভাজনৰ উপৰিও সম্বন্ধবাচক শব্দ, বিশেষণ শব্দ, সর্বনাম শব্দ, সংখ্যাবাচক শব্দ, জতুৱা শব্দ, ধ্বন্যাত্মক শব্দ আদিৰ প্রয়োগ তথা বৈচিত্র্য মন কৰিবলগীয়া। তলত তাৰ এটি সংক্ষিপ্ত আলোচনা দাঙি ধৰা হ'ল—

(ক) সম্বন্ধবাচক শব্দ ঃ

- তিব্বত-বর্মীয় ভাষাত সম্বন্ধবাচক শব্দত 'সম্বোধন' শব্দটো প্রায়েই নামবাচক শব্দৰ আগত বহে। উদাহৰণ—

ৰডো ঃ গুমৈ মনবাৰী (মনবাৰী ভিনদেউ), বাজৈ বিবাৰী (বিবাৰী নবৌ), আবু জমাই (জমাই বাইদেউ) ইত্যাদি।

ৰাভা ঃ আয়া চাম্পায় (আই চম্পায়), বাবা দদান (দদান দেউতা)।

তিৰা ঃ ফা মহাদেউ (পিতৃ মহাদেউ) ইত্যাদি।

- তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দসমূহৰ ভিতৰত কিছুমান স্ত্রী পুৰুষ বুজোৱা আৰু বয়সৰ সৰু ডাঙৰ বুজোৱা উমৈহতীয়া শব্দ আছে। অৱশ্যে প্রয়োজন অনুসৰি স্ত্রী লিংগ, পুং লিংগ বুজাবলৈ সেই উমৈহতীয়া শব্দবোৰৰ আদ্যাৱস্থানত বা অন্ত্যাৱস্থানত বিভিন্ন প্রত্যয় সংযোগ কৰা হয়।

  উদাহৰণ ঃ বডো ঃ গথ (সন্তান), হুৱা গথ (পুত্র সন্তান), ফিছাজু (ছোৱালী)।

  ৰাভা ঃ ছাব্রা (সন্তান), ছাব্রা মিছা (কন্যা সন্তান)।

  গাৰো ঃ ফা-জং (বৰদেউতা), মা-জং (বৰমা) ইত্যাদি।

- তিব্বত-বর্মীয় ভাষাত কিছুমান সম্বন্ধবাচক শব্দৰ সৈতে বহুবচনবাচক প্রত্যয় নতুবা নির্দিষ্টতাবাচক প্রত্যয় সংযোগ কৰি সম্বোধন পৰোক্ষভাৱে কৰা হয়। যেনে—

  বডো ঃ বুৰী ফু'ৰ (বুঢ়ীহত অর্থাৎ শাহুআই) বিহামজু'ফুৰ (বোৱাৰীহঁত অর্থাৎ মৰমৰ বোৱাৰী)

  ৰাভা ঃ জাং ব্রাতাং (জোৱাইহঁত) নুছ্ব্রাতাং (খুলশালীহঁত)

  গাৰো ঃ মামাথাং (নিজা মোমাই) আম্‌বিথাং (নিজা আইতা) ইত্যাদি।

- তিব্বত-বর্মীয় ভাষাৰ উত্তৰ অসম শাখাৰ অন্তর্গত আপাটানি, গালং, নিচি আদি ভাষাত অসমীয়া ভাষাৰ দৰে সম্বন্ধ বুজোৱা শব্দবোৰৰ বিভিন্ন পুৰুষ অনুযায়ী পৰিবর্তন হোৱা দেখা নাযায়। সম্বন্ধবাচক শব্দই স্বতন্ত্রভাৱে কোনো সর্বনামীয় সর্গৰ সহায় নোলোৱাকৈ প্রয়োগ হয়। উদাহৰণ—

  গালং ভাষাত— ঙকে আব (মোৰ দেউতা)

  নকে আব (তোমাৰ দেউতাৰা)

  মেইকে আব (তাৰ দেউতাক)।

(খ) সংখ্যাবাচক শব্দ ঃ

- তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক পদ্ধতিটো স্পষ্টভাৱে দশমিক, অর্থাৎ দহ সংখ্যাৰ গাত ভেজা দি গঠন হোৱা। অন্য ভাষাৰ দৰে তিব্বত-বর্মীয় ভাষাতো দহৰ সৈতে এক, দুই আদি সংখ্যা পূর্বসর্গৰ দৰে যোগ হৈ ডাঙৰ অংকৰ সংখ্যাবাচক শব্দ গঠিত হয়। অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহৰ সংখ্যাবাচক শব্দসমূহ প্রায়েই পাৰস্পৰিকভাৱে সামঞ্জস্য থকা। তলত তিব্বত-বর্মীয় মৌলিক সংখ্যাবাচক শব্দৰ তালিকা এখন উল্লেখ কৰা হ'ল—

ক্রমিক নং	দেউৰী	ডিমাছা	বডো	গাৰো	ৰাভা
১	মু-জা	-ছে/-ছি	-ছে	-গি-ছা	-গ-ছা
২	মু-হুনি	-গ্নি	-নে	-গ্রি	-আ-নিং
৩	মু-ন্দা	-গা-থাম	-থাম	-গিথাম্‌	আনথাম

৪	মু-চ্চি	ব্রি/বিৰি	-ব্রৈ	-ব্রি	-আৰি
৫	মু-মুৱা	-বৱা	-বা	-বঙা	-ছাম্পা
৬	মু-চু	-দঃ	-দো	-দক	-হেছ
৭	মু-চিং	-ছনি/ছিনি	-স্নি	-স্নি	-ছৰতা
৮	মু-চে	-জাই/ঝাই	-দাইন	-চেদ্	-পাৰতা
৯	মু-দুগু	-ছুগু	-গু	-স্কু	পিংধাছ
১০	মু-দুগা	-জি/-ঝি	-জি	-চি	গোধাছি

- তিব্বত-বর্মীয় ভাষাৰ দহকসমূহৰ ক্ষেত্রত দহৰ লগত এক দুই আদি সংখ্যা পূর্বসর্গৰ দৰে যোগ দি বিশ, ত্রিশ আদি সংখ্যাবোৰ গঠন কৰা হয়। যেনে- বৰো ঃ নৈ-জি (২০), গু-জি (৯০) আদি। কিন্তু মিছিং আৰু গাৰো ভাষাত ইয়াৰ সম্পূর্ণ ওলোটা হয়। অর্থাৎ ইয়াত দহৰ পাছতহে এক দুই আদি সংখ্যা বহে। উদাহৰণ—

  মিছিং ঃ ই'য়িং আনঞি (২০), ই'য়িং কনুং (৯০)

  গাৰো ঃ ছোত ব্রি (৪০), ছোত স্নি (৭০) ইত্যাদি।

  আনহাতে, ৰাভা তথা আন আন তিব্বত-বর্মীয় ভাষাত বিশ, ত্রিশ বুজোৱা কিছুমান মৌলিক শব্দৰহে প্রয়োগ হয়। যেনে— **ৰাভা**-ৰিখা (২০), **ডিমাছা**-খন (২০) **ককৰৰক**-খোলপে (২০) ইত্যাদি।

- অনির্দিষ্ট আৰু নির্দিষ্ট অর্থত ব্যৱহাৰ কৰিবলৈ তিব্বত-বর্মীয় ভাষাত সংখ্যাবাচক শব্দৰ সৈতে কিছুমান প্রত্যয় বা শব্দাংশ যোগ দিয়া হয়।

  উদাহৰণ ঃ

  ৰাভা ঃ কায় ৰি'খা (প্রতিজন/গাইপতি), কামকায় (উভয়)

  বডো ঃ ছা ফ্রু'মবু' (গাইপতি), ছাফা-ছাফা (জনে জনে)

  গাৰো ঃ ছাক-প্রাক (প্রতিজন), মাং-আন্তি (প্রতিটো) ইত্যাদি।

  (গ) সর্বনাম শব্দ ঃ

- তিব্বত-বর্মীয় ভাষাত সর্বনাম আৰু সর্বনাম মূলেৰে নির্মিত সর্বনামীয় শব্দৰ বিশিষ্ট প্রয়োগ হয়। সর্বনামীয় শব্দসমূহৰ নামপদ আৰু ক্রিয়াপদত প্রয়োগ হোৱা দেখা যায়। সর্বনাম শব্দসমূহ প্রায়বোৰেই মূল ভাষাৰ পৰা বিকশিত হোৱা আৰু ইহঁতৰ স্বতন্ত্রভাৱে প্রয়োগ হয়। বৰো ভাষাৰ প্রথম আৰু দ্বিতীয় পুৰুষৰ ব্যক্তিবাচক সর্বনামকেইটা তিব্বত-বর্মীয় মূলৰ পৰা বিকশিত হোৱা। যাৰ মূল দুটা যথাক্রমে ঙা আৰু নাং।
- তিব্বত-বর্মীয় ভাষাৰ সর্বনামৰ মান্য-তুচ্ছৰ ধাৰণা বয়সৰ জ্যেষ্ঠতা-কনিষ্ঠতা নহয়, সামাজিক জ্যেষ্ঠতা বা কনিষ্ঠতাহে। বডো আৰু কার্বি ভাষাত যথাক্রমে থাং আৰু লি প্রত্যয় যোগে দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনাম মান্যার্থত প্রকাশ কৰা হয়।
- তিব্বত-বর্মীয় ভাষাৰ কিছুমান সর্বনাম শব্দৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল—

  ব্যক্তিবাচক সর্বনাম ঃ নামবাচক বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা সর্বনামেই হৈছে

ব্যক্তিবাচক সর্বনাম। পুৰুষ অনুযায়ী ব্যক্তিবাচক সর্বনাম তিনিপ্রকাৰৰ ঃ প্রথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। তিনিওবিধ পুৰুষৰ বচনৰ দুটা ৰূপ- একবচন আৰু বহুবচন। তিব্বত-বর্মীয় ভাষাৰ ব্যক্তিবাচক সর্বনামৰ উদাহৰণ ঃ

	প্রথম পুৰুষ		দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ	
দেউৰী	এ.ব	ব.ব	এ.ব.	ব.ব	এ.ব.	ব.ব
বডো	আঁ	জৌ/জাউ	ন	নৌ/লাউ	বা	বাউ
	আং	জু'ং	নুং	নুং-ছু'ৰ	বি	বি-ছু'ৰ
গাৰো	আং	চিং	নাং	না-ছং	বি	বি-ছং

নির্দেশক সর্বনাম ঃ যি সর্বনামে ওচৰত বা দূৰত থকা কোনো প্রাণী বা বস্তুক নির্দেশ কৰে, তাকেই নির্দেশক সর্বনাম বোলে। উদাহৰণ—

	অতি নিকট	নিকট	দূৰ	অতি দূৰ
দেউৰী	হে লাহা/হেলানি	ই/এ>ই-লা	বা/বাবা	বৌ>বৌবা
কার্বি	হেত>দাকহেত	লা/লা বংছ	হা> হা-লা	হেত
ৰাভা	হেকায়	একায়	ওকায়	হোকায়

প্রশ্নবাচক সর্বনাম ঃ যিবোৰ সর্বনাম প্রশ্ন সুধিবৰ বাবে ব্যৱহাৰ কৰা হয়, তাকেই প্রশ্নবাচক সর্বনাম বোলে। যেনে—

	ব্যক্তিবাচক	অব্যক্তিবাচক (সাধাৰণ)	অব্যক্তিবাচক (নির্দেশক)
বডো	ছু'ৰ/ছু'ৰ-খৌ	মা/মাফু'ৰ/মা-নু	বো/বোবে
গাৰো	ছা/ছা-খো/ছা-নি	মা/মা-ইনা/মা-ইখো	বা দিয়া/বা

কালবাচক সর্বনাম ঃ সময় বা কাল বুজাবলৈ যিবোৰ সর্বনাম ব্যৱহাৰ কৰা হয়, তাকেই কালবাচক সর্বনাম বোলে। যেনে—

বডো ঃ দা-নিয়া (এতিয়া), দা-খিল (সিদিনা)

মিছিং ঃ দ-ল (তেতিয়া), ছিঃ-ল (আজি), ছুঃ (এতিয়া)

কার্বি ঃ পি-নি (আজি), পি-নিং (এইবেলি), পে-দা-প (আজি পুৱা)

(ঘ) বিশেষণ শব্দ ঃ

- তিব্বত-বর্মীয় ভাষাত বিশেষণসমূহ বিশেষ্য বা ক্রিয়াৰ পিছত বহে। তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ এটা অন্যতম বিশেষত্ব হ'ল ইয়াত একেটা শব্দই উদ্দেশ্য প্রয়োগত বিশেষণ পদ আৰু বিধেয় প্রয়োগত ক্রিয়া পদৰ কাম কৰে।

উদাহৰণ ঃ

	উদ্দেশ্য প্রয়োগ	বিধেয় প্রয়োগ
মিছিং	আইনু' আমি	আমি-উ' আইদাক
	মাইমাঃনু আমি	আমি-উ'-আইমা
দেউৰী	চ্চু/চচুবা মুচি	মুচিয়া চুই

	চ্চুহায়াবা মুচি	মুচিয়া চ্চুহায়া
বডো	গাহাম মানছি	মানছিয়া গাহাম
	হামি/হামু'ই মানছি	মানছিয়া গাহাম লঙা

গুণবাচক বিশেষণ ঃ প্রাণী বা অপ্রাণীবাচক শব্দৰ গুণ/দোষ আদি বুজোৱা বিশেষ শব্দবোৰক গুণবাচক বিশেষণ বোলে। উদাহৰণ—

মিছিং ঃ √য়ালিঃ/লিঃ (ৰঙা), √লিঃ জিগ (অতি ৰঙা), √লিঃ তেঃ, তেৰেঃ (তিকতিকিয়া ৰঙা)।

কার্বি ঃ √ইক (ক'লা), √ইক্‌কই (অলপ কলা), √থিৰ (টেঙা) √থৰচিৰ (উগ্র টেঙা)

বডো ঃ √ফুৰ (বগা), √ফুৰ-ছ্লাং (কিছু বগা), √ফুৰ-গেও (বেছি বগা), √খা (তিতা), √খাব্রাং (তিতিকি)।

অৱস্থানবাচক বিশেষণ ঃ কোনো প্রাণী বা বস্তুবাচক শব্দৰ অৱস্থান বুজাবলৈ ব্যৱহাৰ হোৱা বিশেষণক অৱস্থানবাচক বিশেষণ বোলে। যেনে—

বডো ঃ গেজেৰ (মাজ), ছিগাং (সন্মুখ), ছায়াও (ওপৰত), ছিঙাও (ভিতৰত), গুজৌ (ওখ) ইত্যাদি।

ৰাভা ঃ তাৰি (বাম), দহা (দ'), আভাক (আহল-বহল), কাফা (কাষ), চুকায় (ওখ) ইত্যাদি।

পৰিমাণবাচক বিশেষণ ঃ কোনো বস্তুৰ কম-বেছি ইত্যাদি পৰিমাণ, জোখ আদি বুজাবলৈ যি বিশেষণ শব্দৰ প্রয়োগ হয় তাকেই পৰিমাণবাচক বিশেষণ বোলে। যেনে—

মিছিং ঃ মলেমা (উদ্ভেনদী), বজেনু (সৰহীয়া),

কার্বি ঃ জেৰ (অলপ), মেনাং (প্রচুৰ), পেনাং (কিছু)

ৰাভা ঃ চুঁপান (অলপ), মেল্লা (বহুত), কেছা (কিছু) ইত্যাদি।

উষ্ণতাবাচক বিশেষণ ঃ কোনো বস্তুৰ উষ্ণতা বুজাবলৈ এইবিধ বিশেষণ শব্দৰ প্রয়োগ হয়। যেনে—

বডো ঃ গুলু'ম (গৰম), গুছু (চেঁচা), গু'জাং (ঠাণ্ডা)

ককবৰক ঃ কুচাং (শীতল), কুতুং (গৰম)

গাৰো ঃ কাচিন (জাৰ), চিকা (চেঁচা), দিঙা (গৰম) ইত্যাদি।

কালবাচক বিশেষণ ঃ কাল বা সময়ৰ নির্দেশ কৰা বিশেষণ শব্দবোৰক কালবাচক বিশেষণ বোলা হয়। যেনে—

কার্বি ঃ ছেৰাক (সোনকালে), কেদেৰ (পলম), ইংলেন (লেহেম)

ৰাভা ঃ মায়চাম (পুৰণি), চেংকায় (সোনকালে), ভনকায় (পলম/লেহেম) ইত্যাদি।

তিব্বত-বর্মীয় ভাষাৰ জতুৱা ঠাঁচ-খণ্ডবাক্য ঃ

জতুৱা ঠাঁচ, খণ্ডবাক্যসমূহ হৈছে একোটা ভাষাৰ আপুৰুগীয়া সম্পদ। জতুৱা ঠাঁচ, খণ্ডবাক্য শব্দৰ ক্ষেত্রত ভাষাটোক সমৃদ্ধিশালী কৰি ৰাখে। তিব্বত-বর্মীয় ভাষাতো

তেনে বহু শব্দ আছে। উল্লেখযোগ্য যে অসমীয়া ভাষাৰ জতুৱা ঠাঁচৰ অর্থৰ সৈতে তিব্বত-বর্মীয় জতুৱা ঠাঁচৰ অর্থৰ প্রায় ক্ষেত্রতে মিল দেখা যায়। উদাহৰণ—

বডো ঃ আখাই গু'লাও (হাত দীঘল)
জানানৈ লাই বিছিগ্রা (খাই পাত ফলা)

ৰাভা ঃ বক ৰেং (পেট চলা)
তাছি ৰোৱা (ক্ষমতাশালী)
চিকা চাং (পানী কৰ) ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ মূল বৈশিষ্ট্যসমূহ উদাহৰণসহ বুজাই লিখক। (৫০টা শব্দৰ ভিতৰত)

.....



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা আমি জানিব পাৰিলো যে তিব্বত-বর্মীয় ভাষাগোষ্ঠী চীন তিব্বতীয় ভাষা পৰিয়ালৰ এটা অন্যতম শাখা। তিব্বত-বর্মীয় ভাষাৰ অন্তর্গত বডো, ৰাভা, তিৰা, মিছিং, কার্বি, দেউৰী, ডিমাচা, হাজং আদি ভাষা অসমত প্রচলন আছে।
- সামগ্রিকভাৱে তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ ভিতৰত বহুকেইটা ভাষা আছে যদিও প্রত্যেক ভাষাৰেই সুকীয়া সুকীয়া বৈশিষ্ট্য তথা নিজস্বতা আছে।
- তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰৰ মূল হৈছে চীন তিব্বতীয় ভাষা। তিব্বত-বর্মীয় ভাষাৰ থলুৱা শব্দবোৰ মূল চীন তিব্বতীয় ভাষাৰ পৰা অবিকলভাৱে, অর্দ্ধ বিকৃতভাৱে আৰু বিকৃতভাৱে প্রচলিত হৈ আছে।
- তিব্বত-বর্মীয় ভাষাত থলুৱা শব্দৰ লগতে অন্য ভাষাৰো সংমিশ্রণ ঘটিছে। তাৰ ভিতৰত আর্যমূলীয় অসমীয়া ভাষা আৰু বিদেশী ভাষা হিচাপে ইংৰাজী, তুর্কী, ফার্চী, আৰবী, পর্তুগীজ আদিয়ে প্রধান।
- তিব্বত-বর্মীয় ভাষাৰ অন্তর্গত বিভিন্ন ভাষাসমূহৰ মাজত শব্দগত বৈচিত্র্য দেখা যায়। কিন্তু প্রত্যেক ভাষাৰেই মূল একেই হোৱা হেতুকে বহুক্ষেত্রত শব্দগত সাদৃশ্যও ৰক্ষিত হৈছে।



৪.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) পাঠক, ৰমেশ (২০১৪); *ভাষা বিজ্ঞানৰ ভূমিকা,* গুৱাহাটী ঃ অশোক বুক ষ্টল।

২) বৰুৱা, ভীমকান্ত (২০১৫); *অসমৰ ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

৩) ৰাভা হাকাচাম, উপেন ঃ *আধুনিক ভাষা দ্বাৰা আৰু ব্যাকৰণ, ২০১৮,* বনলতা।

৪) ৰাভা হাকাচাম, উপেন (২০১১); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* ধূপধৰা ঃ হাকাচম কাওছদেমে।

৬) দেৰী প্ৰণীতা (২০১৬); *তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দ,* গুৱাহাটী ঃ প্ৰতিশ্ৰুতি প্ৰকাশন।

৭) ৰাভা হাকাচাম, উপেন আৰু দেৰী প্ৰণীতা (সম্পা.) (২০১৬); *ভাষাবৈজ্ঞানিক আলোচনাত তুলনা প্ৰসঙ্গ, জ্যোতি প্ৰকাশন।*

ইংৰাজী গ্ৰন্থ ঃ

৯) Kakati, B (1941); Assamese Its Formation and Development, Ghy, LBS



৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ শব্দসমূহক সামগ্ৰিকভাৱে.....বিভাজন কৰিব পাৰি। থলুৱা শব্দ.....অসমীয়া শব্দ.....বিদেশী শব্দ। উদাহৰণ.....।

২নং প্ৰশ্নৰ উত্তৰ ঃ তিব্বত-বর্মীয়.....সম্বোধন শব্দটো.....বহে। .....উমৈহতীয়া শব্দ.....প্ৰত্যয় সংযোগ কৰা হয়। উত্তৰ অসম শাখাৰ.....দেখা নাযায়। উদাহৰণ.....।



৪.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ তিব্বত-বর্মীয় ভাষাৰ শ্ৰেণী বিভাজন সম্পৰ্কে এটা টোকা যুগুত কৰক।

প্ৰশ্ন ২ ঃ তিব্বত-বর্মীয় ভাষাৰ বিকৃত, অৰ্দ্ধবিকৃত আৰু অবিকৃত শব্দৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ তিব্বত-বর্মীয় ভাষাৰ বিভিন্ন প্ৰকাৰৰ শব্দৰ বিষয়ে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৪ ঃ তিব্বত-বর্মীয় শব্দ ভাণ্ডাৰত বিদেশী ভাষাৰ প্ৰভাৱ সম্পৰ্কে এটি টোকা যুগুত কৰক।

প্ৰশ্ন ৫ ঃ তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক আৰু বিশেষণ শব্দৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া ভাষাৰ সৈতে তুলনামূলক আলোচনা দাঙি ধৰক।

প্ৰশ্ন ৬ ঃ তিব্বত-বর্মীয় ভাষাৰ অন্তর্গত ভাষাসমূহত শব্দ বৈচিত্র্য কেনেদৰে ফুটি উঠিছে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰত আর্যমূলীয় অসমীয়া শব্দ কেনেদৰে প্ৰয়োগ হৈছে তাৰ এটি বিশ্লেষণাত্মক আলোচনা যুগুত কৰক।

প্ৰশ্ন ৮ ঃ চমুটোকা লিখক ঃ

(ক) তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দ

(খ) তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দ

(গ) তিব্বত-বর্মীয় ভাষাৰ জতুৱা ঠাঁচখণ্ডবাক্য

(ঘ) তিব্বত-বর্মীয় ভাষাৰ থলুৱা শব্দ

(ঙ) তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দ আৰু অসমীয়া সম্বন্ধবাচক শব্দৰ পার্থক্য

(চ) তিব্বত-বর্মীয় ভাষাৰ শব্দ ভাণ্ডাৰত কামৰূপী/গোৱালপৰীয়া উপভাষাৰ শব্দৰ প্ৰয়োগ।

*** ***** ***

অধ্যায় ৫ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা

৫.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ পাৰস্পৰিক প্ৰভাৱ

৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৬ অধিক জানিবলৈ

৫.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৫.৮ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ভাষাৰ অন্যতম উপাদান ধ্বনিৰ বিষয়ে জানিব পাৰিব।
- অসমীয়া ভাষাৰ স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ লগত পৰিচিত হৈ সিবোৰৰ প্রয়োগ বিশ্লেষণ কৰিব পাৰিব
- তিব্বত-বর্মীয় ভাষাৰ ধ্বনিসমূহৰ লগত পৰিচিত হৈ সিবোৰৰ প্রয়োগ বিশ্লেষণ কৰিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ স্বৰধ্বনিৰ মাজত থকা সাদৃশ্য আৰু বৈশাদৃশ্যৰ লগত পৰিচিত হ'ব পাৰিব।

৫.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন চতুর্থ পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা' পাঠ্যবিষয়ৰ এইটো পঞ্চম অধ্যায়। ইয়াৰ শীর্ষক 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা।'

ভাষাৰ মৌলিক একক হ'ল ধ্বনি। পৃথিৱীৰ প্রত্যেক ভাষাতে কিছুমান ধ্বনি থাকে। ভাষা বিশেষে থকা নির্দিষ্ট ধ্বনি, ধ্বনি-সংযোগত সৃষ্টি হোৱা ৰূপ আৰু ৰূপ-সংযোগে বহন কৰা অর্থৰ সহায়েৰে মনৰ ভাব প্রকাশিত হৈ আহিছে। মানুহৰ শৰীৰত থকা বিভিন্ন অংগৰ সঞ্চালনাৰ জৰিয়তে ধ্বনিৰ সৃষ্টি হয়; যাক বাকযন্ত্র বুলি কোৱা হয়। সেয়ে বাক্‌যন্ত্র বা ধ্বনি-যন্ত্র বুলিলে মানুহৰ শৰীৰত থকা এটা বিশেষ যন্ত্রক বুজা নাযায়। পৃথিৱীৰ প্রত্যেক ভাষা বিশেষে উচ্চাৰিত ধ্বনি, ধ্বনিৰ সংযোগ, ধ্বনিৰ শ্রেণী বিভাজন, ধ্বনি বিশ্লেষণ আদিৰ য'ত বিচাৰ-বিশ্লেষণ কৰা হয় তাকে ধ্বনিতত্ত্ব বোলে।

ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত বিশেষকৈ অসমত প্ৰচলিত অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক দিশসমূহৰ বিষয়ে য'ত পুংখানুপুংখভাৱে আলোচনা কৰা হয় তাকে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব বোলে। সেইদৰে অসমৰ তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত ভাষাসমূহবোৰ প্ৰতিটো স্বকীয় ধ্বনিতাত্ত্বিক বিশেষত্ব আছে। এই অধ্যায়ত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক দিশসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

৫.৩ অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা

অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব ঃ ভাষাবৈজ্ঞানিক দৃষ্টিভঙ্গীৰে ধ্বনিতত্ত্বই ভাষা বিশেষৰ ধ্বনিতাত্ত্বিক বিশেষত্বসমূহ পুংখানুপুংখভাৱে বিশ্লেষণ কৰে। অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ বিষয়ে বিশ্লেষণ কৰিলে নিম্নোক্ত ধ্বনিতাত্ত্বিক দিশসমূহ পোৱা যায়। অসমীয়া ভাষাৰ কেইটামান ধ্বনিতাত্ত্বিক দিশৰ চমু আলোচনা আগবঢ়োৱা হ'ল ঃ

১। অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনিৰ সংখ্যা আঠটা আৰু বিশিষ্ট ব্যঞ্জন ধ্বনিৰ সংখ্যা একৈশটা। তলত বিশিষ্ট স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিসমূহ দেখুওৱা হ'ল ঃ

স্বৰধ্বনি ঃ অ, আ, ই, উ, এ, এ', অ', ও।

ব্যঞ্জনধ্বনি ঃ ক, খ, গ, ঘ, ঙ, চ, জ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, স, হ।

বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহৰ 'ঙ'ৰ বাহিৰে আটাইকেইটা ব্যঞ্জনধ্বনিৰ শব্দৰ আৰম্ভনি, মাজত আৰু শেষত ব্যৱহাৰ হ'ব পাৰে। 'ঙ' বর্ণ কেতিয়াও শব্দৰ আৰম্ভণিতে ব্যৱহৃত নহয়।

২। অসমীয়া ভাষাত স্বৰৰ অনুনাসিকতা বিশিষ্ট ধ্বনি; কাৰণ স্বৰৰ অনুনাসিকতাৰ বাবেও শব্দৰ অর্থৰ পৰিৱর্তন হয়। অনুনাসিকতা বহন কৰা ধ্বনিটোৰ ওপৰত চন্দ্ৰবিন্দু (ঁ) দি অনুনাসিকতা ধ্বনিগুণ বুজোৱা হয়। যেনে —

গাত (শাৰীৰ) ঃ গাঁত (মাটিৰে খন্দা দ ঠাই)

কাহ (মানুহৰ কাহ) ঃ কাঁহ (পাত্ৰ বিশেষ)

বাহ (চৰাইৰ ঘৰ) ঃ বাঁহ (বাঁহ গছ)

৩। অসমীয়া ভাষাত একেটা শব্দতে ওচৰা-ওচৰিকৈ 'আ' ধ্বনি একেলগে নাথাকে। পৰৱর্তী অক্ষৰত থকা দীর্ঘস্বৰ 'আ'ৰ প্ৰভাৱত পূর্বৱর্তী অক্ষৰৰ 'আ' ধ্বনি 'অ' বা 'এ' লৈ ৰূপান্তৰিত হয়। যেনে ঃ বতৰা (বাত্ৰা), টকা, ৰজা (ৰাষ্ট্ৰ), এন্ধাৰ (আন্ধাৰ) আদি।

৪। আনহাতে সুৰ-লহৰ অসমীয়া ভাষাৰ বিশিষ্ট ধ্বনিগুণ নহয়। সুৰ-লহৰৰ প্ৰয়োগে অসমীয়া ভাষাত শব্দৰ অর্থৰ পৰিৱর্তন ঘটাব নোৱাৰে।

৫। মূল সংস্কৃত ভাষাৰ দন্ত্য আৰু মুর্ধন্য ধ্বনিৰ ঠাইত অসমীয়া ভাষাত কেৱল দন্তমূলীয় ধ্বনিৰহে প্ৰয়োগ আছে। অসমীয়া ভাষাৰ দন্তমূলীয় ধ্বনিসমূহ হ'ল— ত, থ, দ, ধ, ন, ল, ৰ, চ আৰু জ।

৬। অসমীয়া ভাষাত য় আৰু ৱ শ্ৰুতিধ্বনিৰ প্ৰয়োগ আছে। ওচৰা-ওচৰিকৈ থকা দুটা ধ্বনিৰ উচ্চাৰণ কৰি এটাৰ পৰা আনটোলৈ যাওঁতে মাজতে হঠাৎ এটা নতুন ধ্বনি উচ্চাৰণ হয়।

ইয়াকে শ্রুতিধ্বনি বোলে। অসমীয়া ভাষাত য় আৰু ৱ শ্রুতিধ্বনিৰ বহুল প্রয়োগ আছে যদিও শব্দৰ আদ্যস্থানত ইয়াৰ প্রয়োগ নাই। য় আৰু ৱ অসমীয়া ভাষাত অর্দ্ধ স্বৰ হিচাপে জনা যায়।

৭। অসমীয়া ভাষাত শ্বাসাঘাত আপেক্ষিকভাৱে বলবান বা গুৰু ৰূপত পোৱা যায়। মান্য অসমীয়া ভাষাৰ শ্বাসাঘাত শব্দৰ শেষৰ আগৰ অক্ষৰত বা উপধা অক্ষৰত পৰে। যেনে ঃ কম'লা, কোমো'ৰা, কেঁকো'ৰা, অম'ৰা আদি। অৱশ্যে অসমীয়া ভাষাৰ কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত শ্বাসাঘাত শব্দৰ আদি অক্ষৰত পৰে। যেনে ঃ ক'ম্‌লা, মা'ক্‌ৰা, কা'ক্‌ৰা, আ'ম্‌ৰা আদি।

৮। ধ্বনি পৰিৱর্তন ৰীতি যেনে, সমীভৱন, বিষমীভৱন, স্বৰভক্তি, স্বৰ-সংগতি, লোপ, অপিনিহিতি, ঘোষীভৱন আদিৰে অসমীয়া ভাষাত কিছুমান ধ্বনি আন ধ্বনিলৈ ৰূপান্তৰ হয়। যেনে ঃ কুলি < কোকিল (স্বৰ-সংগতি), শৰীল < শৰীৰ (বিষমীভৱন), অইন < অন্য (অপিনিহিতি), বৰণ < বর্ণ (স্বৰভক্তি), ফেঁচা < পেচক (ঘোষীভৱন) আদি।

তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্ব ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহ মূলত চীন-তিব্বতীয় ভাষাৰ পৰা পৰিয়ালৰ বিকাশ লাভ কৰা। তথাপি মূল চীনা প্রভৃতি ভাষাৰ ধ্বনিতত্ত্ব আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ মাজত যথেষ্ট পার্থক্য আছে। এনে পার্থক্যই একে মূলৰপৰা বিকাশ লাভ কৰা হ'লেও অসমৰ তিব্বত বর্মীয় ভাষাসমূহৰ যে স্বকীয় ধ্বনিতাত্ত্বিক বিশেষত্ব আছে সেয়া প্রতিপন্ন কৰে। অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ ধ্বনিতাত্ত্বিক দিশসমূহৰ বিষয়ে তলত আলোচনা আগবঢ়োৱা হ'ল—

১। অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ মূল চীনা প্রভৃতি ভাষা হ'লেও মূলতকৈ ইয়াৰ স্বৰ আৰু ব্যঞ্জনধ্বনিৰ সংখ্যা বহুগুণে কম আৰু সেইবোৰ প্রায়ে নব্য মূল্যাংকিত কৰা। চীনা প্রভৃতি ভাষাৰ ১০ টা স্বৰ আৰু ৫০ টা ব্যঞ্জন ধ্বনি আছে যদিও অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ সৰহভাগতে মাত্র ৫ টা স্বৰ আৰু ১৬ টা ব্যঞ্জনৰহে প্রয়োগ পোৱা যায়।

২। অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ দ্বিস্বৰ আৰু যুক্তাক্ষৰৰ সংখ্যা তুলনামূলকভাৱে বেছি। দ্বিস্বৰ আৰু একক স্বৰৰ ক্ষেত্রত কোনো কোনো ভাষাত গুণ, বৃদ্ধি আৰু সম্প্রসাৰণ ঘটি আংশিক পৰিৱর্তন হয়। মূল চীনা প্রভৃতি ভাষাত সীমিত সংখ্যক স্বৰ আৰু দ্বিস্বৰৰ পৰিৱর্তে তিব্বত-বর্মীয় ভাষাসমূহত ১০ টা পর্যন্ত দ্বিস্বৰৰ প্রয়োগ পোৱা গৈছে। সেইদৰে মূলত/ৰ ল ৱ য়/-ৰ বাহিৰে অইন বর্ণৰ যুক্তাক্ষৰ নাই যদিও তিব্বত-বর্মীয় ভাষাসমূহত এই সীমাবদ্ধতা চেৰাই প্রায় এশ-ডেৰশ পর্যন্ত ভিন্‌ ভিন্‌ বর্ণৰ যুক্তাক্ষৰৰ প্রয়োগ পোৱা যায়।


৩। অসমৰ তিব্বত-বর্মীয় সৰহ সংখ্যক ভাষাতে দুটাৰ পৰা চাৰি-পাঁচটালৈকে সুৰ পোৱা গৈছে— বিশেষকৈ একাক্ষৰিক শব্দমূলীয় আৰু শ্বাসাঘাতহীন অক্ষৰত। সেয়ে চীন-তিব্বতীয় বা তিব্বত-বর্মীয় ভাষাসমূহক সুৰীয়া ভাষা আৰু সুৰ অনুযায়ী বিৰোধী প্রয়োগ হয় বুলি কোৱা হয়। উদাহৰণ স্বৰূপে বডো ভাষাত দুই/চাৰিটা, ৰাভা ভাষাত দুই/তিনিটা, দেউৰী ভাষাত তিনিটা সুৰৰ বিশিষ্টতা ৰক্ষিত হৈ আছে।

৪। নাসিক্য ধ্বনিৰ প্রাধান্য তিব্বত-বর্মীয় ভাষাৰ বিশেষ বৈশিষ্ট্য। মূল চীনা প্রভৃতি ভাষাৰ দৰে মিছিং আদি ভাষাতো ঘৃষ্ট অনুনাসিক্য ঞ/ ñ /আৰু পশ্চ তালব্য/কণ্ঠ্য নাসিক্য

ঙ/ /-ৰ আদ্য প্রয়োগ পোৱা যায়।

৫। তালব্য আৰু দন্তমূলীয় তালব্য (স্পৃষ্ট ধ্বনি) চ/ts/বৰো, মিছিং আদি তিব্বত-বর্মীয় ভাষাত কোনো স্থানতে প্রয়োগ নহয়।

৬। তিব্বত-বর্মীয় ভাষাত কণ্ঠ্য স্পর্শধ্বনি আৰু কণ্ঠ্য স্পর্শীভূত ব্যঞ্জনৰ বহুল প্রয়োগ আছে। অসমৰ গাৰো, ৰাভা আৰু তিব্বত-বর্মীয় ভাষাত এই বৈশিষ্ট্য ৰক্ষিত হৈছে যদিও বেছিভাগ তিব্বত-বর্মীয় ভাষাতে এই পশ্চতালব্য আঘোষ হ/h/আৰু মহাপ্রাণীভূত ব্যঞ্জনৰহে প্রয়োগ পোৱা যায়। অসমৰ মিছিং, দেউৰী আদি ভাষাতো মহাপ্রাণ ধ্বনি অতি বিৰল। কিন্তু এইবিলাক ভাষাত কণ্ঠ্যস্পর্শ ধ্বনি আৰু কণ্ঠ্যস্পর্শীভূত ব্যঞ্জনৰ উপস্থিতি লক্ষণীয় নহয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ দুটা বৈশিষ্ট্য লিখক। (৫০টা শব্দৰ ভিতৰত)

.....

৫.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ পাৰস্পৰিক প্রভাৱ

অসমৰ ভাষাগত ক্ষেত্রখনত আর্যমূলীয় অসমীয়া আৰু অনার্যমূলীয় চীন-তিব্বতীয় ভাষা-পৰিয়ালৰ অন্তর্গত তিব্বত-বর্মীয় ঠালৰ ভাষাসমূহৰ দুই ভিন্নমুখী সোঁত নিৰৱচ্ছিন্নভাৱে প্রবাহিত হৈ আছে। সাধাৰণতে একেখন ভাষাগত ক্ষেত্রত বিকশিত হোৱা অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাসমূহৰ ক্ষেত্রতো এই 'দিয়া লোৱা' কার্য পূৰামাত্রাই দেখা যায়। ভাষাতাত্ত্বিক ক্ষেত্রতো অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাতেই 'দিয়া লোৱা' সম্ভৱ হৈছিল। ভাষাবৈজ্ঞানিক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে দেখা যায় যে ভাষাৰ অন্যতম উপাদান ধ্বনিৰ ক্ষেত্রতো এই পাৰস্পৰিক প্রভাৱ দেখা যায়। এনে প্রভাৱ দুই ধৰণৰ—

১। তিব্বত-বর্মীয় ভাষাত অসমীয়া আদি আর্য উপাদান

২। অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ উপাদান

১। তিব্বত-বর্মীয় ভাষাত আর্য বা অসমীয়া ভাষাৰ উপাদান ঃ তিব্বত-বর্মীয় আৰু ভাষা-সাহিত্য-সংস্কৃতিৰ জনজাতীয় গৱেষক উপেন ৰাভা হাকাচামে *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা* শীর্ষক গ্রন্থত তিব্বত-বর্মীয় ভাষাত আর্য উপাদান সম্পর্কে বিস্তৃতভাৱে আলোচনা কৰিছে। সেই আলোচনাৰ ভিত্তিত তিব্বত-বর্মীয় ভাষাত আর্য উপাদানৰ বিষয়ে তলত আলোচনা কৰা হ'ল—

ক) তিব্বত-বর্মীয় ভাষাৰ অন্যতম লক্ষণ হ'ল ইয়াৰ সুৰ। মূল চীনা প্রভৃতি ভাষাত তিনিটাৰ পৰা সাতটা পর্যন্ত সুৰ ৰক্ষিত হৈছিল যদিও অসমৰ বডো, ৰাভা আদি ভাষাত দুটাৰ পৰা তিনিটামান সুৰ ৰক্ষিত হ'লেও মিছিং, কার্বি, গাৰো আদি বেছিভাগ ভাষাতে এই সুৰ ৰক্ষিত

হোৱা নাই। ইয়াৰ বিপৰীতে আর্য ভাৰতীয় ভাষাৰ দৰে গাৰো আৰু মিছিং ভাষাত স্বৰৰ মাত্রাই ধ্বনিৰীতিত বিশেষ প্রভাৱ বিস্তাৰ কৰিছে। মিছিং ভাষাৰ সাতোটা স্বৰধ্বনিৰ দুই প্রকাৰে অর্থাৎ প্রত্যেকৰে হ্রস্ব আৰু দীর্ঘ মাত্রাই শব্দৰ বিৰোধ ঘটাব পাৰে। তিব্বত-বর্মীয় সুৰপ্রধান ভাষা হ'লেও গাৰো আৰু মিছিং ভাষালৈ দুটা নতুন ধ্বনিৰীতিৰ আগম হৈছে; যিটো সুৰৰ বিকল্পে প্রয়োগ হৈছে। তিব্বত-বর্মীয় ভাষাত সুৰৰ ক্ষেত্রত অহা এই শিথিলতা বা বিলুপ্তি খুব সম্ভৱ সংস্কৃত নতুবা সংস্কৃতমূলীয় হিন্দী আদি ভাষাৰ দ্বাৰা প্রভাৱিত হোৱা।

খ) চীনা আদি চীন-তিব্বতীয় ভাষাত কণ্ঠ্য স্পর্শধ্বনি আৰু কণ্ঠ্য স্পর্শীভূত ব্যঞ্জনৰ বহুল প্রয়োগ মন কৰিবলগীয়া। বেছিভাগ তিব্বত-বর্মীয় ভাষাতে এই বৈশিষ্ট্য ৰক্ষিত হোৱা নাই। এইবিলাক ভাষাত ইয়াৰ বিকল্পে পশ্চতালব্য অঘোষ হ/h/ আৰু মহাপ্রাণীভূত ব্যঞ্জনৰহে প্রয়োগ হোৱা যায়। মিছিং, দেউৰী আদি ভাষাতো মহাপ্রাণ ধ্বনি অতি বিৰল। কিন্তু এইবিলাক ভাষাত কণ্ঠ্যস্পর্শ ধ্বনি বা কণ্ঠ্য স্পর্শীভূত ব্যঞ্জনৰ উপস্থিতি লক্ষণীয় নহয়। কণ্ঠ্যস্পর্শীভূত ধ্বনিৰ বিকল্প মহাপ্রাণ ধ্বনিৰ প্রয়োগ অসমৰ তিব্বত-বর্মীয় ভাষালৈ আর্য ভাষাৰ বিশেষ অৱদান।

৩। অসমৰ প্রায়বিলাক তিব্বত-বর্মীয় ভাষাৰে ধ্বনিৰীতি ক্রমান্বয়ে মূল চীনা বা তিব্বত-বর্মীয় বৈশিষ্ট্যৰ পৰা ফালৰি কাটি প্রতিবেশী আর্য ভাৰতীয় ভাষাৰ বৈশিষ্ট্যৰ প্রতি ঢাল খোৱা পৰিলক্ষিত হৈছে। উদাহৰণ স্বৰূপে, কাৰবি, দেউৰী, তিৰা আদি ভাষাত কেন্দ্রীয় সংবৃতৌষ্ঠ্য স্বৰধ্বনিৰ প্রয়োগ নোহোৱা হৈছে— যিটো চীন-তিব্বতীয় ভাষাৰ বিশেষ বৈশিষ্ট্য আছিল। এনে বৈশিষ্ট্য কিছুমান তলত উল্লেখ কৰা হ'ল—

(i) বডো, ৰাভা, গাৰো আদি ভাষাত তালব্য অনুনাসিক্য ঞ/ /ধ্বনিৰ প্রয়োগ উঠি গৈছে।

(ii) সৰহসংখ্যক ভাষাতে আদ্যস্থানত ঙ/ /, ঞ/ /, ৱ/ /, য়/y/ আদি ধ্বনিৰ প্রয়োগ নাই।

(iii) তালব্য আৰু দন্তমূলীয় তালব্য (স্পৃষ্ট ধ্বনি) চ/ts/ বৰো, মিছিং আদি ভাষাত সকলো স্থানতে প্রয়োগ নোহোৱা হৈছে।

ঘ) সজাতীয় শব্দসমূহৰ ধ্বনি পৰিবর্তনৰ ৰীতিলৈ লক্ষ্য কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে তিব্বত-বর্মীয় ভাষাসমূহতো সংস্কৃত তৎসম, তদ্ভৱ বা অর্দ্ধতৎসম শব্দমালাৰ বিকাশৰ লেখিয়াকৈ সমবর্গীয় ধ্বনিসমূহৰ মাজত প্রায়েই বিকল্পভাৱে প্রয়োগ হয়। এয়া নিঃসন্দেহে নিকটৱর্তী অসমীয়া ভাষাৰ পৰা লাভ কৰা।

ঙ) অসমীয়া ভাষাত সমীভৱন, বিষমীভৱন, অপিনিহিতি, স্বৰভক্তি, অল্পপ্রাণীভৱন, বর্ণ বিপর্যয়, লোপ আদি ধ্বনি পৰিৱর্তনৰ ৰীতি প্রবল ৰূপত পোৱা যায়। অসমীয়া ভাষাৰ এই ধ্বনি পৰিৱর্তনৰ ৰীতি কম-বেছি পৰিমাণে অসমৰ তিব্বত-বর্মীয় ভাষাসমূহতো পোৱা যায়।

২। অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ উপাদান ঃ অসমীয়া ভাষাৰ ধ্বনিৰীতিত থকা কিন্তু মূল ভাৰতীয় আর্য ভাষাত নথকা বহুতো ধ্বনিতাত্ত্বিক বৈশিষ্ট্য আছে; যিবোৰ ভাষাতাত্ত্বিকসকলে আর্য ভিন্ন ভাষাৰ পৰা অহা বুলি বিশেষকৈ তিব্বত-বর্মীয় ভাষাৰ প্রভাৱত

গঢ় লোৱা বুলি মত পোষণ কৰিছে। ভাষাতাত্ত্বিকসকলে উল্লেখ কৰা এনে উপাদানসমূহ হ'ল—

ক) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ মুৰ্দ্ধণ্য আৰু দন্ত্য ধ্বনিসমূহ অসমীয়াত চীন-তিব্বতীয় (বড়ো) ভাষাৰ প্ৰভাৱত দন্তমূলীয় ধ্বনিলৈ হোৱা পৰিৱৰ্তন।

খ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ তালব্য ধ্বনিসমূহৰ অসমীয়াত দন্তমূলীয় হিচাপে হোৱা উচ্চাৰণ।

গ) তিব্বত-বর্মীয় প্ৰভৃতি আৰ্য ভিন্ন ভাষাৰ প্ৰভাৱত অসমীয়াতো স্বৰ-সংগতি আৰু অভিশ্ৰুতি— এই দুটা ধ্বনিতাত্ত্বিক পৰিঘটনা বিশেষভাৱে পৰিলক্ষিত হোৱা।


ঘ) অসমীয়া, বাংলা, উড়িয়া, মৈথিলী প্ৰভৃতি ভাষাত ঘটা স্বতঃ অনুনাসিকীভৱনত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ।

ঙ) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ স্পৰ্শ ধ্বনিসমূহৰ (আদ্য আৰু মধ্য অক্ষৰত) মহাপ্ৰাণীভৱন হোৱা পৰিঘটনা অন্যান্য আৰ্য-ভিন্ন ভাষাৰ সৈতে মিল থকা।

চ) ধ্বনিতাত্ত্বিক দিশত অসমীয়াত উচ্চাৰিত সংস্কৃত/বাংলাৰ চ>ছ হোৱা ৰীতিটো বৰো, মিছিং আদি ভাষাৰ প্ৰভাৱ যেন অনুমেয় হয়।

ছ) অসমীয়াত সংস্কৃত উষ্ম ধ্বনি তিনিটা অর্থাৎ শ, ষ, স>ছ হোৱা ৰীতিটো বিশেষকৈ কামৰূপী উপভাষাত খ হোৱা ৰীতিটো বড়ো ভাষাৰ প্ৰভাৱ বুলি সহজে অনুমেয়।

অৱশ্যে তিব্বত-বর্মীয় ভাষাৰ পৰা অসমীয়া ভাষালৈ অহা বুলি ভাষাতাত্ত্বিসকলে স্বীকাৰ কৰা এই ধ্বনিতাত্ত্বিক বৈশিষ্ট্যসমূহৰ কেতবোৰক অবিতর্কিতভাৱে মানি ল'ব পাৰিলেও কিছুমান এনে বৈশিষ্ট্য আছে যিবিলাক তিব্বত-বর্মীয় ভাষাৰ পৰা অহা হয় নে নহয় এতিয়াও নিশ্চিত হোৱা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ উপাদান সম্পৰ্কে চমুকৈ লিখক। (১০০টা শব্দৰ ভিতৰত)

.....



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ মৌলিক উপাদান ধ্বনি। পৃথিৱীৰ প্ৰত্যেক ভাষাতে উচ্চাৰিত ধ্বনি, ধ্বনিৰ সংযোগ, ধ্বনিৰ শ্ৰেণী বিভাজন, ধ্বনি বিশ্লেষণ আদিৰ য'ত বিচাৰ বিশ্লেষণ কৰা হয় তাকে ধ্বনিতত্ত্ব বোলে।
- অসমীয়া ভাষাৰ ধ্বনিৰ বিষয়ে য'ত পুংখানুপুংখভাৱে আলোচনা কৰা হয় তাকে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব বোলে। সেইদৰে তিব্বত-বর্মীয় ভাষাৰো স্বকীয় ধ্বনিতাত্ত্বিক

বিশেষত্ব আছে। এই অধ্যায়ত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে।

- ভাষাবৈজ্ঞানিত দৃষ্টিভংগীৰে বিশ্লেষণ কৰিলে দেখা যায় যে অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক দিশত ভালেমান বিশেষত্ব বা বৈশিষ্ট্য আছে। অধ্যায়টিত এই বৈশিষ্ট্যসমূহ আলোচনা কৰা হৈছে।
- মূল চীনা প্রভৃতি ভাষাৰ পৰা বিকাশ লাভ কৰা হ'লেও তিব্বত-বর্মীয় ভাষাৰ স্বকীয় ধ্বনিতাত্ত্বিক বিশেষত্ব লক্ষ্য কৰা যায়। অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ এই স্বকীয় ধ্বনিতাত্ত্বিক দিশ বা বিশেষত্বসমূহৰ বিষয়ে অধ্যায়টিত আলোচনা কৰা হৈছে।
- একেখন ভাষাগত ক্ষেত্রত বিকশিত হোৱা বাবে অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাই 'দিয়া-লোৱা'ৰ জৰিয়তে সমৃদ্ধ হৈছিল। ভাষাতাত্ত্বিক দৃষ্টিভংগীৰে লক্ষ্য কৰিলে দেখা যায় যে ভাষাৰ অন্যতম উপাদান ধ্বনিৰ ক্ষেত্রতো এই পাৰস্পৰিক প্রভাৱ বিদ্যমান। এনে প্রভাৱ দুই ধৰণৰ— ক) তিব্বত-বর্মীয় ভাষাত অসমীয়া আদি আর্য উপাদান আৰু খ) অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ উপাদান। অধ্যায়টিত এই দুই ধৰণৰ পাৰস্পৰিক প্রভাৱৰ ক্ষেত্রত দেখা পোৱা ধ্বনিতাত্ত্বিক বিশেষত্বসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।



৫.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, গোলোক চন্দ্র; *অসমীয়া ধ্বনিতত্ত্বৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

২) গোস্বামী, উপেন্দ্রনাথ (২০১৩); *অসমীয়া ভাষাৰ উদ্ভৱ সমৃদ্ধি আৰু বিকাশ,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) ৰাভা হাকাচাম, উপেন (২০১১); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৪) ৰাভা হাকাচাম, উপেন; *অসমীয়া আৰু অসমৰ তিব্বতী-বর্মীয় ভাষা,* ধূপধৰা হাকাচাম কাওছাদাম।

ইংৰাজী গ্রন্থ ঃ

৫) Bhattacharya, P.C. : A Descriptive Analysis of the Baro language; Guwahati.



৫.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ তিব্বত-বর্মীয়.....দুটাৰ পৰা.....পোৱা যায়। নাসিক্য..... প্রধান.....বৈশিষ্ট্য.....প্রভৃতি.....ঘৃষ্ট অনুনাসিক্য.....কণ্ঠ নাসিক্য.....আদ্য.....।

২নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া.....মৈথিলী প্রভৃতি.....স্বত অনুনাসিকীভৱনত.....প্রভাৱ। প্রাচীন.....স্পর্শ.....পৰিঘটনা.....দৰে.....।



৫.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বাক্‌যন্ত্র কাক বোলে?

প্রশ্ন ২ ঃ অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব বুলিলে কি বুজে?

প্রশ্ন ৩ ঃ অসমীয়া ভাষাৰ ধ্বনিতাত্ত্বিক বিশেষত্বসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতাত্ত্বিক বিশেষত্বসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৫ ঃ অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ উপাদান সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৬ ঃ তিব্বত-বর্মীয় ভাষাত অসমীয়া ভাষাৰ উপাদান সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৭ ঃ চমুটোকা লিখক ঃ

ক) অনুনাসিকতা

খ) সুৰ বা সুৰলহৰ

গ) শ্বাসাঘাত

ঘ) ধ্বনি পৰিৱর্তনৰ ৰীতি

*** ***** ***

অধ্যায় ৬ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগ

৬.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনা

৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৬ অধিক জানিবলৈ

৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৬.৮ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগ সম্পৰ্কে জানিব পাৰিব
- সম্বন্ধবাচক শব্দ সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব
- ভাষাত সম্বন্ধবাচক শব্দৰ ভূমিকাৰ বিষয়ে জানিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ বিষয়ে তুলনামূলক ধাৰণা লাভ কৰিব পাৰিব।

৬.২ পৰিচয়

'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা' শীৰ্ষক পাঠ্যবিষয়ৰ এইটো ষষ্ঠ অধ্যায়। ইয়াৰ শিৰোনাম 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনা।' তিব্বত-বর্মীয় ভাষা বুলিলে এটা গাইগুটীয়া ভাষাক বুজা নাযায়; চীন-তিব্বতীয় বৃহৎ ভাষা পৰিয়ালৰ অন্তৰ্গত কেতবোৰ ভাষাৰ সমূহীয়া থূলক বুজা যায়। তিব্বত-বর্মীয় ঠালৰ অন্তৰ্গত ভাষাসমূহৰ কিছুমান উমৈহতীয়া বৈশিষ্ট্য আছে। তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক পদবোৰো বিশেষ বৈশিষ্ট্যসূচক। তিব্বত-বর্মীয় ভাষাৰ দৰে আৰ্যমূলীয় অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দবোৰেও এটি স্বকীয়তা বহন কৰে।

নৃতত্ত্বৰ ভূস্বৰ্গ অসম প্ৰদেশত তিব্বত-বর্মীয় ঠালৰ ভাষাসমূহৰ লগতে আৰ্যমূলীয় অসমীয়া ভাষাই সহাৱস্থান কৰি আছে। একেখন ভাষাগত ক্ষেত্ৰত সহাৱস্থান কৰি থকাৰ বাবেই

হয়তো পৰস্পৰে পৰস্পৰৰ ভাষিক উপাদানৰ দ্বাৰা সমৃদ্ধ হৈছে। উভয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রতো পাৰস্পৰিক প্রভাৱ বিদ্যমান। এই অধ্যায়ত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগ সম্পর্কে আপুনি ধাৰণা লাভ কৰিব পাৰিব। ইয়াৰোপৰি উভয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রত থকা পাৰস্পৰিক প্রভাৱৰ বিষয়ে জানিব পাৰিব।

৬.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগ

একোখন সমাজত মানুহ বিভিন্ন সম্বন্ধৰে বান্ধ খাই থাকে। এজন ব্যক্তিয়ে এখন সমাজত বিভিন্ন সম্বন্ধ বহন কৰি থাকে। ব্যক্তিৰ এই সম্বন্ধ বুজাবলৈ প্রত্যেক ভাষাতে কিছুমান শব্দ আছে; এইবোৰ শব্দকে সম্বন্ধবাচক শব্দ বুলি কোৱা হয়।

অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দ ঃ অসমীয়া ভাষাত বেলেগ বেলেগ সম্বন্ধ আৰু বয়স অনুযায়ী ডাঙৰ-সৰু বুজাবলৈ বেলেগ বেলেগ সম্বন্ধবাচক শব্দৰ ব্যৱহাৰ কৰা হয়। অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দবোৰ তিনিটা সম্বন্ধৰ জৰিয়তে গঢ় লৈ উঠিছে— জন্মগত, বৈবাহিক আৰু সখিত্ব বা বন্ধুত্ব। এই তিনিটা সম্বন্ধৰ জৰিয়তে গঢ় লৈ উঠা প্রায় চাৰিকুৰি মান সম্বন্ধবাচক শব্দ অসমীয়া ভাষাত পোৱা যায়। অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দসমূহৰ মূল বা উৎসলৈ লক্ষ্য কৰিলে দেখা যায় যে এইবোৰৰ অধিকাংশ মূল সংস্কৃত ভাষাৰ পৰা অহা। অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দসমূহৰ প্রায় পোন্ধৰ-ষোল্লটামান সংস্কৃত তৎসম সম্বন্ধবাচক শব্দ অর্থাৎ মূল ভাষাটোৰ অবিকৃত ৰূপত ব্যৱহাৰ হয়। ইয়াৰ বাহিৰে বাকীবোৰ তদ্ভৱ ৰূপৰ সম্বন্ধবাচক শব্দ। তদ্ভৱ সম্বন্ধবাচক শব্দবোৰ অসমীয়া ভাষাত ধ্বনিগত পৰিৱর্তন হৈ ব্যৱহাৰ হোৱাৰ উপৰিও ইয়াত আর্যভিন্ন ভাষাৰ প্রভাবো কিছু ক্ষেত্রত দেখা যায়।

তলত পুংলিংগ আৰু স্ত্রীলিংগ অনুযায়ী মান্য অসমীয়া ভাষাত ব্যৱহাৰ হোৱা সম্বন্ধবাচক শব্দসমূহৰ এখন তালিকা দাঙি ধৰা হ'ল—

পুংলিংগ	স্ত্রীলিংগ
আজো ককা	আজো আইতা
ককা	আইতা
পিতা/পিতাই/পিতাদেউ/দেউতা/বোপাই	আই/মা/বৌ (টি)
পো	জী/জীয়াৰী
পো	বোৱাৰী
ককাই/ককাইদেউ/দাদা	বাই/বাইদেউ
ককাই/ককাইদেউ/দাদা	বৌ/ বৌদেউ/নবৌ
ভাই	ভনী
ভাই	ভাইবোৱাৰী
বৰ পিতাই/বৰ দেউতা	বৰমা

খুৰা/খুৰাদেউ/দদাই/দদাইদেউ	খুৰী/খুৰীদেউ
ভতিজা (টো)	ভতিজা (জনী)
নাতি	নাতিনী
জেঠু/জেঠ্পা/জেঠপেহা	জেঠাই/জেঠাইদেউ
পেহা/পেহাদেউ	পেহী/পেহীদেউ
মামা/মোমাই/মোমাইদেউ	মামী/মামীদেউ
ভাগিন (টো)	ভাগিন (জনী)
মহা/মহাদেউ	মাহী/মাহীদেউ
জেঠেৰী	—
বৈনাই	—
জোঁৱাই	জী
জেঠাল/বৰজনা	জা
দেওৰ	ননদ
(দেওৰ)	জা
খুলশালী (টো)	খুলশালী (জনী)
শালপতি	—
ভিনিহি/ভিনদেউ	বাই/বাইদেউ
শহুৰ	শাহু, শাহু আই
—	জেশাহু
বিয়ৈ	বিয়নী
পৈ	ঘৈনী
—	সতিনী
—	মাহীমা/মাহীআই
সখা/সখি (জন)	সখী (জনী)
তাৰৈ	আমৈ
বন্ধু (টো)	বন্ধু (জনী), বান্ধৱী
বান্ধৱ/বান্ধ	বান্ধৱী
মিতা	মিতিনী
লগৰীয়া (টো)	লগৰীয়া (জনী) আদি।

মান্য অসমীয়া ভাষাত ব্যৱহাৰ হোৱা এই সম্বন্ধবাচক শব্দসমূহ কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত ভিন্ ভিন্ ৰূপ লোৱা দেখা যায়। কামৰূপী উপভাষাত প্রচলিত কেইটামান সম্বন্ধবাচক শব্দ তলৰ তালিকাত উল্লেখ কৰা হ'ল ঃ

পুংলিংগ	স্ত্রীলিংগ
আতা	আবু
আপা (ছলি)	আপী (ছলি)
বেটা	বেটী
কাকা	বাই
তাৱে	আমৈ
ভাতাৰ	তিৰী
মঠে	মাউহে/মাইহে
লালেক	মাইহেনাক

উল্লিখিত শব্দবোৰ কামৰূপী উপভাষাৰ বিশেষকৈ নলবাৰী অঞ্চলৰ কথিত ভাষাত প্রচলিত। অকল নলবাৰী অঞ্চলতে নহয় গোৱালপাৰা, ধুবুৰী, দুধনৈ আদিতো একেখিনি ব্যৱহাৰ হয় যদিও কেতিয়াবা দুই-এটা শব্দই ধ্বনিগতভাৱে পৃথক ৰূপ লোৱা দেখা যায়। মান্য অসমীয়াত থকা সংস্কৃত তৎসম আৰু তদ্ভৱ সম্বন্ধবাচক শব্দৰ উপৰিও কামৰূপী আৰু গোৱালপৰীয়া-উপভাষাত এনে কিছুমান সম্বন্ধবাচক শব্দ আছে যিবোৰৰ মূল সংস্কৃত যদিও ধ্বনিগত পৰিৱর্তন হোৱাৰ ফলত আর্যভিন্ন দুই-এটা ভাষাৰ সম্বন্ধবাচক শব্দৰ লগতো সাদৃশ্য দেখা যায়। এনেকুৱা কিছুমান শব্দ হ'ল— আতা, আবু, কাকা, ছাৱা, আপা-আপী, ছংগ্রা-ছংগ্রী, দাদা আদি।

অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দসমূহক গাঁঠনিক দিশৰপৰা লীলাৱতী শইকীয়া বৰাই এনেদৰে ভাগ কৰিছে— (ক) স্বৰান্ত আৰু ব্যঞ্জনান্ত আৰু (খ) মৌলিক আৰু যৌগিক। পুংলিংগবাচক স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দবোৰক চাৰিটাকৈ ভাগত ভাগ কৰা হয়। পুংলিংগবাচক স্বৰান্ত শব্দৰ চাৰিটা ভাগ হ'ল— আ-কাৰান্ত, ই-কাৰান্ত, ও-কাৰান্ত আৰু ঐ-কাৰান্ত আৰু ব্যঞ্জনান্ত শব্দবোৰক চাৰিটা ভাগ হ'ল— ন-ব্যঞ্জনান্ত (ভাগিন), ৰ-ব্যঞ্জনান্ত (শহুৰ), ল- ব্যঞ্জনান্ত (জেঠাল) আৰু ব/ৱ-ব্যঞ্জনান্ত (বান্ধৱ)। স্ত্রীলিংগবাচক স্বৰান্ত শব্দবোৰক পাঁচটা ভাগত ভাগ কৰা হয়— আ-কাৰান্ত, ই-কাৰান্ত, ঈ-কাৰান্ত, ঔ-কাৰান্ত আৰু উ-কাৰান্ত। স্ত্রীলিংগবাচক ব্যঞ্জনান্ত শব্দ মাত্র এটাহে আছে— ননদ। কিছুমান সম্বন্ধবাচক শব্দক আকৌ লিংগ নিৰপেক্ষ ৰূপৰ বুলি ক'ব পাৰি। শব্দসমূহ হ'ল— ভতিজা, ভাগিন, সখি আৰু বন্ধু। এই লিংগ নিৰপেক্ষ ৰূপৰ সম্বন্ধবাচক শব্দৰ পিছত জন/টো আৰু স্ত্রী লিংগবাচক 'জনী' নির্দিষ্টতাবাচক শব্দ যোগ দি ক্রমে পুংলিংগ আৰু স্ত্রীলিংগবাচক কৰা হয়।

যিবোৰ সম্বন্ধবাচক শব্দ ভাঙি খণ্ড খণ্ডকৈ বিশ্লেষণ কৰিব নোৱাৰি সেইবোৰ হ'ল মৌলিক সম্বন্ধবাচক শব্দ। মৌলিক সম্বন্ধবাচক শব্দবোৰ হ'ল— ককা, ভাই, পিতা, পো, ভতিজা, খুৰা, নাতি, ভনী, মহা, আই, খুৰী, মামী, পেহী, ভাগিন, শহুৰ, শাহু, ননদ আদি। যৌগিক সম্বন্ধবাচক শব্দবোৰ ঘাইকৈ তিনি ধৰণে গঠিত হৈছে— ১। -ই, -আই, -আৰী, -আল, -তা আদি প্রত্যয় যোগ হৈ গঠন হোৱা সম্বন্ধবাচক শব্দ, যেনে ঃ জেঠেৰি, ককাই, বাপ>বোপাই, জেঠাল, জীয়াৰী, আইতা, দেউতা আদি।

২। মূল শব্দৰ পিছত মান্যতাসূচক 'দেউ' শব্দ যোগ হৈ গঠন হোৱা সম্বন্ধবাচক শব্দ যেনে— বাইদেউ, খুৰীদেউ, মহাদেউ আদি। কেতিয়াবা মূল সম্বন্ধবাচক শব্দটোৰ পাছত 'ই' যোগ কৰি তাৰ পিছতহে মান্যতাসূচক 'দেউ' শব্দ লগ লগাই সম্বন্ধবাচক বিশেষ্য শব্দ গঠন কৰা হয়। যেনে ঃ ককাইদেউ, জেঠাইদেউ, দদাইদেউ ইত্যাদি।

৩। মূল সম্বন্ধবাচক শব্দটোৰ আগত মান্যতা বা জ্যেষ্ঠতা অনুযায়ী বৰ, আজো, আজু, জে আদি যোগ হৈ হোৱা হোৱা সম্বন্ধবাচক শব্দ, যেনে ঃ বৰমা, বৰদেউতা, আজুককা, জেশাহু আদি।

অসমীয়া ভাষাৰ কিছুমান সম্বন্ধবাচক শব্দ সম্বোধনত ব্যৱহাৰ কৰিলে ভিন্ন ৰূপ পৰিগ্রহণ কৰে। সম্বোধনত ব্যৱহাৰ নোহোৱা অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দসমূহ হ'ল— দেওৰ, ননদ, শাহু, শহুৰ, জেশাহু, জেঠাল, ঘৈনী, পৈ, পো। সম্বোধন কৰি মাতিব লাগিলে শহুৰ-শাহুক 'মা-দেউতা', পৈক সম্বোধনবোধক হেৰি/হেৰা বুলি, পো, ঘৈনী, দেওৰ আৰু ননদক নিজৰ নিজৰ নামেৰে, জেঠালক 'দাদা' আৰু জেশাহুক 'বাইদেউ' বুলি মতা হয়। সেইদৰে নাতি, নাতিনী, ভাগিন, ভতিজা, খুলশালী এই সম্বন্ধবাচক শব্দও সাধাৰণতে সম্বোধনত ব্যৱহাৰ কৰা নহয়। সম্বোধনত এওঁলোকক সাধাৰণতে নাম কাঢ়িয়ে মতা হয়। 'ভাই' আৰু 'ভনী' শব্দ দুটা সম্বোধনত ব্যৱহাৰ কৰা হয় যাতে সম্বন্ধ ধৰি মাতিব লাগিলে স্নেহ আৰু ক্ষুদ্রার্থবোধক 'টি' যোগ কৰা হয়। যেনে ঃ ভাইটি, ভন্‌টি ইত্যাদি।

অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দবোৰক দুই ধৰণে ভাগ কৰা হয়— (ক) পুৰুষ অনুযায়ী আৰু (খ) কাৰক অনুযায়ী। অসমীয়া ভাষাৰ সম্বন্ধবাচক বিশেষ্য পদতে পুৰুষবাচক বিভক্তি যোগ হৈ যিটো মূল শব্দ গঠিত হয় সেই শব্দটোত কাৰক অনুযায়ী আৰু (খ) কাৰক অনুযায়ী বিভিন্ন বিভক্তি লগ লাগে অর্থাৎ পুৰুষ অনুযায়ী ৰূপ হোৱাৰ পিছতহে কাৰক বিভক্তি লগ লাগে। মন কৰিবলগীয়া যে প্রয়োজন অনুযায়ী শব্দটোত নির্দিষ্টতাবাচক বহুবচনাত্মক প্রত্যয় লগ লগাৰ পিছতহে কাৰক বিভক্তি লগ লাগে (সর্বশেষত)। সম্বন্ধবাচক শব্দটোৰ গাঁঠনিক ৰূপ কৰিলে এনে ধৰণৰ হয় ঃ

সম্বন্ধবাচক বিশেষ্য + পুৰুষবাচক বিভক্তি + কাৰক বিভক্তি; (যেনে ঃ ভায়েক)

সম্বন্ধবাচক বিশেষ্য + পুৰুষবাচক বিভক্তি + নির্দিষ্টবাচক প্রত্যয় + বহুবচনৰ প্রত্যয় + কাৰক বিভক্তি (যেনে ঃ ভায়েকজন/ভায়েকজনৰ; ভায়েকহঁত/ভায়েকহঁতৰ)

অসমীয়া ভাষাত কিছুমান পুৰুষবাচক ৰূপ আছে যিবোৰ নলগালে অসমীয়া বাক্যবোৰ শুদ্ধ নহয়। উদাহৰণ স্বৰূপে তোৰ, তোমাৰ আৰু তাৰ 'দেউতা' বুজাবলৈ ক্রমে -এৰ/-ৰ, -এৰা/-ৰা আৰু এক/-ক পুৰুষবাচক বিভক্তি যোগ দি বাক্য অনুযায়ী 'দেউতাৰ', 'দেউতাৰা', 'দেউতাক' শব্দ ব্যৱহাৰ কৰা হয় নহ'লে বাক্য শুদ্ধ নহয়। অসমীয়া ভাষাত দ্বিতীয় আৰু তৃতীয় পুৰুষত পুৰুষ অনুযায়ী ৰূপ হোৱা সম্বন্ধবাচক শব্দ কিছুমান লীলাৱতী শইকীয়া বৰাই দেখুওৱা ধৰণে তলত উল্লেখ কৰা হ'ল—

পুৰুষ	প্রথম	দ্বিতীয়	তৃতীয়

	মোৰ	তোৰ	তোমাৰ	তাৰ
পুৰুষৰ	-০	-এৰ	-এৰা	-এক
বিভক্তি		-ৰ	-ৰা	-ক

সম্বন্ধবাচক শব্দ ঃ

দেউতা	দেউতা	দেউতাৰ	দেউতাৰা	দেউতাক
ভনী	ভনী	ভনীয়েৰ	ভনীয়েৰা	ভনীয়েক

ভাৰতীয় আর্য ভাষাসমূহৰ ভিতৰত অসমীয়া ভাষাতেই সম্বন্ধবাচক শব্দৰ সংখ্যা আটাইতকৈ বেছি। অসমীয়া ভাষাৰ মূল সংস্কৃত ভাষাত ডাঙৰ-সৰু বুজাবলৈ ভাতৃ ভগ্নীৰ আগত জ্যেষ্ঠ, কনিষ্ঠ শব্দ ব্যৱহাৰ কৰা হয়। ইয়াৰোপৰি পূর্ব সম্বন্ধৰ লগত সম্পর্ক ৰাখি পৃথক সম্বন্ধ গঠন কৰা হয়। যেনে ঃ জ্যেষ্ঠ পিতষ্বসা (জেঠাই), জ্যেষ্ঠ পিতৃষ্বমৃসাপতি (জেঠ পেহা বা জেঠু), পিতৃষ্বসা (পেহী), পিতৃষ্বসা পতি (পেহা)। ডাঙৰ-সৰু বুজোৱা এনে ভিন্ ভিন্ সম্বন্ধবাচক শব্দ গঢ় লৈ উঠা কাৰণে অসমীয়া ভাষাত সম্বন্ধবাচক শব্দৰ সংখ্যা বেছি আৰু এইটোৱে নব্য ভাৰতীয় আর্য ভাষাৰ ভিতৰত অসমীয়া ভাষাক স্বকীয়তা প্রদান কৰিছে। অসমীয়া ভাষাত এনে হোৱাৰ ফলতে অসমৰ থলুৱা আর্যভিন্ন বডো, ৰাভা, দেউৰী, গাৰো আদি ভাষাত বয়স অনুযায়ী ডাঙৰ-সৰু বুজাবলৈ ব্যৱহাৰ কৰা ভিন্ ভিন্ সম্বন্ধবাচক শব্দৰ প্রভাৱৰ কথা উল্লেখ কৰিব পাৰিব। অৱশ্যে আর্যভিন্ন ভাষাৰ সম্বন্ধবাচক শব্দৰ আদর্শত গঢ় লোৱা হ'লেও অসমীয়াত নিজস্ব ধৰণে এই ভাষিক বৈশিষ্ট্যটো গঢ় লৈ উঠিছে।

তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দ ঃ চীনা প্রভৃতি তিব্বত-বর্মীয় ভাষাসমূহত অযোগাত্মক উপাদান বিৰাজমান যদিও ইয়াত যোগাত্মক উপাদান নথকা নহয়। যোগাত্মক ভাষাসমূহত সঘনাই চকুত পৰা ভাষিক বৈশিষ্ট্যৰাজিৰ ভিতৰত সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ দিশটো মনকৰিবলগীয়া। তিব্বত-বর্মীয় ভাষাত সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ দিশটো মনকৰিবলগীয়া। তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগ সম্পর্কে তলত আলোচনা কৰা হ'ল—

১। তিব্বত-বর্মীয় ভাষাসমূহত সম্বন্ধবাচক শব্দৰ প্রথম, দ্বিতীয়, তৃতীয়, পুৰুষ অনুযায়ী সম্বন্ধ কাৰকৰ লগত একেলগে দেখুৱাব লাগিলে মূল ৰূপটোৰ লগত পুৰুষবাচক সর্গ যোগ দি বাক্যত ব্যৱহাৰ কৰিব লাগে। এই সংক্রান্তত কুকি-চীন উপশাখাৰ অন্তর্গত মেইতেই (মণিপুৰী) ভাষাৰ সামগ্রীখিনিৰ ভিত্তিত উপেন ৰাভা হাকাচামে কৰা তালিকাখন তলত দিয়া হ'ল—

সম্বন্ধবাচক	**১ম পুৰুষ**	**২য় পুৰুষ**	**৩য় পুৰুষ**
বদ্ধ প্রাকৃতি			
চে/ce/	ইচে/i-ce/	নু'চে/n -ce/	মু'চে/mee-/
'বাই'	বাইদেউ	'বায়েৰ বায়েৰা'	'বায়েক'
মা/ma/	ইমা/i-ma/	নু'মা/n -ma/	মু'মা/m -ma/
কু/ku/	ইকু/i-ku/	নু'কু/n -ku/	মু'কু/m -ku/

ইয়াত- ই/i/, নু'/n /, মু'/m / পুৰুষবাচক প্রত্যয় সম্বন্ধবাচক বদ্ধ প্রাকৃতিৰ লগত লগ লাগি পুৰুষ অনুযায়ী ৰূপ কৰা হৈছে।

সেইদৰে কাচিনলোলো উপঠালৰ চিংফৌ ভাষাতো মণিপুৰী বা মেইতেই ভাষাৰ দৰে অবিভাজ্য সম্বন্ধ পদৰ প্রয়োগ আছে 'কুকি-চীন উপ-ঠালৰ হ্মাৰ ভাষাতো সম্বন্ধবাচক শব্দৰ পুৰুষভেদে ভিন্ ভিন্ ৰূপ পোৱা যায়। মণিপুৰী ভাষাৰ সম্বন্ধবাচক প্রাকৃতিসমূহ বদ্ধ ৰূপৰ অর্থাৎ বাক্যত ই স্বতন্ত্রভাৱে ব্যৱহাৰ নহয়। কিন্তু কাচিন ভাষাত এনে সম্বন্ধবাচক পদৰ স্বতন্ত্র প্রয়োগ থকাৰ লগতে মণিপুৰী ভাষাৰ দৰে সর্বনামীয় সর্গৰ লগতো ব্যৱহাৰ হ'ব পাৰে।

তিব্বত-বর্মীয় ভাষা-ঠালৰ অন্যতম প্রধান উপঠাল অসম-বর্মীয় শাখাৰ অন্তর্গত ভাষাসমূহতো এই বৈশিষ্ট্য দেখা যায়। এই ভাষাসমূহতো অন্য তিব্বত-বর্মীয় ভাষাসমূহৰ দৰে সম্বন্ধবাচক শব্দ আৰু সম্বোধনবোধক শব্দৰ দ্বাৰা সম্বন্ধ শব্দ সাধন কৰা হয়। অসম-বর্মীয় উপ-ঠালৰ বড়ো-নগা-ভাষা-সমষ্টিৰ অন্তর্গত ভাষাসমূহৰ প্রায়বোৰ ভাষাতে মূলৰ দৰে আ-পূর্বসর্গযুক্ত সম্বন্ধবাচক সজাতীয় শব্দ পোৱা যায় আৰু এইবোৰ নিৰপেক্ষভাৱে সম্বোধন পদত ব্যৱহাৰ হয়। দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনাম শব্দৰ লগত সম্বন্ধ কাৰকত এইসমূহ প্রাকৃতিৰ মুকলিমূৰীয়াকৈ প্রয়োগ নহয়। প্রাকৃতিটোৰ তির্যক ৰূপৰ লগত প্রত্যক্ষভাৱে সর্বনাম শব্দ সংযুক্ত হৈ সর্বনামীয় পূর্বসর্গৰ নিচিনাকৈ বাক্যত প্রয়োগ হয়। একেদৰে দেউৰী, ডিমাছা আৰু বডো ভাষাতো এনে সম্বন্ধবাচক বদ্ধ প্রাকৃতিৰ লগত বিভিন্ন পুৰুষবাচক সর্বনাম পূর্বাৱস্থানত পোনপটীয়াকৈ বহি বিভিন্ন সম্বন্ধবাচক শব্দৰ সাধন হয়।

ভাষা আৰু সর্বনামীয় সর্গ	**সম্বন্ধবাচক শব্দ**	**১ম পুৰুষ**	**২য় পুৰুষ**	**৩য় পুৰুষ/সাধাৰণ**
ক) দেউৰী ঃ	-কাই 'ককাই	জা-কাই	নৈ-কাই	বাই-কাই
জৌ 'আমি'>জা	-বে 'বাই'	জা-বে	নৈ-বে	বাই-বে
নে 'তুমি'>নৈ	-বা 'দেউতা'	জা-বা	নৈ-বা	বাই-বা
বা 'তেওঁ/তাই'>বাই	-য়ো 'আই'	জা-য়ো	নৈ-য়ো	বাই-য়ো
খ) দিমাছা ভষা ঃ				
আং 'মই'>আ	-দা 'ককাই'	আ-দা	না-দা	বো-দা
নুং/নিং 'তুমি'>না	-বি 'বাই'	আ-বি	না-বি	বো-বি
বো 'তেওঁ'>বো	-ফা 'দেউতা'	আ-ফা	না-ফা	বো-ফা
	-মাই 'আই'	আ-মাই	না-মাই	বো-মাই
গ) বডো ভাষা ঃ				
আং 'মই'>আ	-দা 'ককাই'	আ-দা	নু'ং-দা	বি -দা
নু'ং 'তুমি'>নু'ং	-বো 'বাই	আ-বো	নু'ম্ -বো	বি-বো
নু'ম নু'	-ফা 'দেউতা'	আ-ফা	নু'ম-ফা	বি-ফা/ফি-ফা
বি 'তেওঁ'>বি	-মা 'আই'	(আবো)	নু'-মা	বি -মা

অৱশ্যে সকলোবোৰ সম্বন্ধবাচক শব্দৰ তালিকাত দেখুওৱা ধৰণে ৰূপ নহয়; বিশেষকৈ সজাতীয় সম্বন্ধবাচক শব্দবোৰ অর্থান্তৰিত হৈ সাধিত হোৱা যোগৰুঢ়ি শব্দবোৰ সকলো পুৰুষতে ৰূপ নহয়। সম্বোধন শব্দবোৰ সাধাৰণতে দুই ধৰণে ৰূপ লয় বুলি ভাষাবিদ উপেন ৰাভা হাকাচামে দেখুৱাইছে (ক) সম্বোধনবাচক শব্দ হিচাপে উল্লেখৰ সময়ত ব্যক্তিবাচক সর্বনাম বা বিশেষ্যৰ সম্বন্ধ কাৰকৰ ৰূপৰ লগত, (খ) সম্বন্ধবাচক সর্বনাম বা বিশেষ্যৰ সম্বন্ধ কাৰকৰ ৰূপৰ লগত। কেতিয়াবা কেতিয়াবা আকৌ সম্পূর্ণ সুকীয়া উৎসৰ পৰস্পৰ সম্পর্কান্বিত শব্দ পোৱা যায়। যেনে ঃ কাই (ককাই-সম্বোধন), আজি (জোৱাই-সম্বোধন), গুমি (ভিনিহি)। এই লক্ষণ বৰো ভাষা-সমষ্টিৰ আটাইবোৰ ভাষাতে পোৱা যায়। সজাতীয় সম্বন্ধবাচক শব্দসমূহৰ ক্ষেত্রত সম্বোধন আৰু উল্লেখ উভয় অর্থকে একোটা ৰূপে প্রয়োগ হয়। যেনে ঃ গুমে (গাৰো), গুমৈ (বডো), গিমি (ৰাভা), পিছা (দেউৰী)

তিব্বত-বর্মীয় ভাষাৰ কেতবোৰ সম্বন্ধবাচক শব্দৰ লগত নির্দিষ্টবাচক সর্গ বা প্রত্যয় নতুবা বহুবচনবাচক প্রত্যয় সংযোগ কৰি সম্বোধনত পৰোক্ষভাৱে ব্যৱহাৰ কৰা হয়। উদাহৰণ— ৰাভা ভাষাৰ জাংব্রাতাং (জোৱাইহঁত), বুৰীব্রাতাং (বোৱাৰীহঁত), বৰো ভাষাৰ বুৰীফু'ৰ (বুঢ়ীহঁত-অর্থাৎ শাহুআই), হু'নজাও-ফ্রা (ঘৈনীজনী)। অৱশ্যে কিছুমান তিব্বত-বর্মীয় ভাষাত এই ক্ষেত্রত কিছু হেৰ-ফেৰ দেখা যায়। যেনে ঃ গাৰো ভাষাত এনে প্রত্যয়ে আপোন ভাব প্রকাশ কৰে। যেনে ঃ মামাথাং (মোৰ নিজা মোমাই), আমবিথাং (মোৰ নিজা আইতা) ইত্যাদি।

তিব্বত-বর্মীয় ভাষাত লিংগ নিৰপেক্ষ ৰূপাই সম্বন্ধবাচক শব্দ পোৱা যায়; যিবিলাকে মতা-মাইকী তথা ডাঙৰ-সৰু উভয় বয়সৰ লোককে সামৰি লয়। এই সম্বন্ধবাচক শব্দবোৰৰ আগত বা পাছত লিংগবাচক প্রত্যয় যোগ দি মতা-মাইকী বুজোৱা হয়। উদাহৰণ স্বৰূপে—

লিংগ নিৰপেক্ষ সম্বন্ধবাচক শব্দ	**লিংগ নিদের্শক সম্বন্ধবাচক শব্দ**
ক) বডো ভাষা ঃ	
গথ (সন্তান)	হুৰা গথ (পুত্র সন্তান)
	হুনজাও গথ (কন্যা সন্তান)
খ) ৰাভা ভাষা ঃ	
নেব্রা (শহুৰ/শাহু)	নেব্রা মুছা (শহুৰ),
	নেব্রা মিচা (শাহু)
গ) গাৰো ভাষা ঃ	
জং (মা/দেউতা)	ফা-জং (বৰদেউতা/জেঠা)
	মাজং (বৰমা)

লিংগ নির্ণয় কৰাৰ দৰে বয়সৰ জ্যেষ্ঠতা বা কনিষ্ঠতা বুজাবলৈ ডাঙৰ-সৰু বুজোৱা মুক্ত প্রাকৃতি বা বদ্ধ প্রাকৃতি শব্দৰ আগত বা পাছত ব্যৱহাৰ কৰা হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সম্বন্ধবাচক শব্দ বুলিলে কি বুজে? অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাত ব্যৱহাৰ হোৱা কেইটামান সম্বন্ধবাচক শব্দ লিখক। (৫০টা শব্দৰ ভিতৰত)

.....

৬.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনা

মূল ইন্দো-ইৰোপীয় ভাষা পৰিয়ালৰ ভাৰতীয় আর্য শাখাৰ অন্তর্গত অসমীয়া ভাষাটো ভাৰতৰ উত্তৰ-পূব প্রান্তত বিকশিত সংস্কৃতমূলীয় ভাষা। নৃতত্ত্বৰ ভূস্বর্গ হিচাপে পৰিচিত উত্তৰ-পূর্বাঞ্চলত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত শতাধিক ভাষাৰ মাজত এটা দ্বীপৰ দৰে অসমীয়া ভাষাটো সহাৱস্থান কৰি আছে। অসমীয়া ভাষাটো যোগাত্মক আনহাতে চীন-তিব্বতীয় ভাষাসমূহ অযোগাত্মক ভাষা বুলি কোৱা হয়। তথাপি অসমীয়া ভাষাটোত অযোগাত্মক উপাদান নথকা নহয় আৰু তিব্বত-বর্মীয় ভাষাসমূহতো যোগাত্মক উপাদান নথকা নহয়। একেখন ভাষাগত ক্ষেত্রত সহাৱস্থানৰ ফলস্বৰূপে পৰস্পৰে পৰস্পৰৰ দ্বাৰা প্রভাৱিত হৈছে। অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রতো এই পাৰস্পৰিক প্রভাৱ বিদ্যমান। তলত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনামূলক আলোচনা দাঙি ধৰা হ'ল।

১। অসমীয়া ভাষাত ডাঙৰ-সৰু বুজোৱা ভিন্ ভিন্ মৌলিক সম্বন্ধবাচক শব্দ আছে। ঠিক তেনেদৰে অসমৰ থলুৱা আর্যভিন্ন বডো, গাৰো, ৰাভা, দেউৰী আদি ভাষাটো বয়স অনুযায়ী ভিন্ ভিন্ সম্বন্ধবাচক শব্দ ব্যৱহাৰ কৰা হয়। যেনে ঃ বৰো ভাষাৰ 'বিদা' (ককাই), ফোংবয়ে (ভাইটি), বিবো (বাইদেউ), বিনানাও (ভনী) ইত্যাদি।

২। অসমীয়া ভাষাত লিংগ নিৰপেক্ষ সম্বন্ধবাচক শব্দৰ আগত বা পাছত মতা বা মাইকী বুজোৱা বা ডাঙৰ-সৰু বুজোৱা শব্দ লগ লগাই সম্বন্ধবাচক শব্দ গঠন কৰা হয়। যেনে ঃ ডাঙৰ ল'ৰা, বৰদেউতা, বৰমা, ভতিজা ল'ৰা (ভতিজা), ভতিজা ছোৱালী (ভতিজী), ভাগিন ল'ৰা-ভাগিন ছোৱালী (ভাগিনী) ইত্যাদি। অসমৰ তিব্বত-বর্মীয় ভাষাসমূহতো অসমীয়া ভাষাৰ এই বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। যেনে ঃ বডো ভাষাৰ গথ (সন্তান) ঃ হু'ৰা গথ (পুত্র সন্তান), হু'নজাও গথ (কন্যা সন্তান), গাৰো ভাষাৰ ফা-জং (বৰদেউতা, জেঠা), মা-জং (বৰমা, জেঠাই) আদি।

৩। অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দসমূহ সম্বোধনত কেতিয়াবা পৰিপূৰক শব্দেৰে অথবা সম্বন্ধবাচক প্রাকৃতিৰ লগত টি/জনী, সম্ভ্রমসূচক দেউ/দেউতা, মৰমজ্ঞাপক -ই> -আই, ক্ষুদ্রতাবোধ -কণ/কণি আৰু পুতৌজনক -উ আদি পৰসর্গৰ প্রয়োগ হয়। উদাহৰণ স্বৰূপে, জ্যেষ্ঠজনক— ককাদেউতা, শহুৰদেউতা, ককাইদেউ, আইদেউ

(মহিলাসকলৰ সম্ভ্রমত মাতিলে); ভায়েকক— ভাইটি, ভনীয়েকক— ভনীটি, মোমাই, দদাই ইত্যাদি। অসমীয়া ভাষাৰ এনে সম্বন্ধবাচক শব্দৰ সমতুল্য সম্বন্ধবাচক শব্দ বৰো প্রভৃতি তিব্বত-বর্মীয় ভাষাতো পোৱা যায়।

৪। অসমীয়া ভাষাৰ কামৰূপী আৰু গোৱালপৰীয়া উপভাষাত ব্যৱহাৰ হোৱা বহুতো সম্বন্ধবাচক শব্দ আৰু সম্বোধনবোধক শব্দৰ গঠনত তিব্বত-বর্মীয় ভাষাৰ সাদৃশ্য দেখা যায়। নামনি অসমত ৰাভাসকলৰ মাজত প্রচলিত ৰাভামিজ উযাত- মূল ৰাভা ভাষাৰ -ব্রা/-বাৰা পৰপ্রত্যয়ৰ প্রয়োগ আছে। যেনে ঃ ভাইবাৰো (ভায়েক), মামাবাৰা (মোমায়েক), বোহাৰীবাৰা (বোৱাৰীয়েক) ইত্যাদি। ইয়াৰ বাহিৰে অইন কোনো সম্বন্ধবাচক সর্বনামীয় পৰসর্গ বা পূর্বসর্গৰ ব্যৱহাৰ গোৱালপৰীয়া উপভাষাত পোৱা নাযায়। এইদৰে মান্য অসমীয়া ভাষাত দ্বিতীয় পুৰুষৰ সাধাৰণ অর্থত প্রয়োগ হোৱা '-এৰা/-ৰা' আৰু কামৰূপী উপভাষাৰ দ্বিতীয় পুৰুষৰ নির্দিষ্টতাবাচক 'অ্যাৰা' পৰ প্রত্যয়ৰ সৈতে ৰাভামিজত প্রয়োগ হোৱা -ব্রা/-বাৰা ৰাভা মায়তৰি উপশাখাৰ -ওৰা/-ৰা পৰপ্রত্যয়ৰ সাদৃশ্য দেখা যায়।

৫। অসমৰ তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ দুটা প্রধান বৈশিষ্ট্য হ'ল— মূলোদ্ভৱ তৎসম শব্দৰ প্রাচুর্য আৰু মূলোদ্ভৱ নোহোৱা অথচ নিজ ভাষাৰে বিশ্লেষণ কৰিব পৰা যোগৰুঢ়ি শব্দৰ প্রাচুর্য। যেনে ঃ গুমি (দেউৰী), গুমৈ (বডো), গিমি (ৰাভা), বিগিমি (ডিমাছা), নোছাৰি (গানে ঃ ভগ্নী প্রতীম ননদ, খুলশালী ছোৱালী), নেছেক (নেও অর্থাৎ শাহুতুল্য-জেশাহু) ইত্যাদি। তিব্বত-বর্মীয় ভাষাৰ এই বৈশিষ্ট্য অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দটো বিদ্যমান। যেনে ঃ ভাই-বোৱাৰী (ভাইৰ পিনৰ বোৱাৰী), মাহী আই/মাহীমাক (আই অথচ মাহী), বুঢ়ী আই/মোক (আই অথচ বুঢ়ী) ইত্যাদি।

৬। সাধাৰণতে অসমীয়া ভাষাত নামসহ কাৰোবাক সম্বোধন কৰিলে সম্বোধনবোধক শব্দটো নামৰ পিছত বহে আৰু কেতিয়াবা ইয়াৰ সংকোচন হয়। উদাহৰণ স্বৰূপে— অজলা ককাই, আজলী নবৌ, বৰুৱা মামা, শীতলা আই, বড়ো ভাষাৰ গুমৈ মনবাৰী (মনবাৰী ভিনদেউ), ৰাভা ভাষাৰ বাবা দাদান (হে প্রভু দদান), তিৰা ভাষাৰ ফা মহাদেউ (প্রভু; পিতৃ মহাদেৱ) ইত্যাদিৰ সমতুল্যভাৱে অসমীয়া লোকভাষাতো দাদা বলাই, আই সৰস্বতী, আই পাৰ্ৱতী ইত্যাদি। কিন্তু অসমীয়া লোক ভাষাত (আইনাম, বিয়ানাম, বিহুগীত আদিত) আৰু কামৰূপী, গোৱালপৰীয়া উপভাষাত বিশেষকৈ গীত-মাত আদিত সম্বোধনবোধক শব্দটো তিব্বত-বর্মীয় ভাষাৰ নিচিনাকৈ নামৰ আগত বহে।

৭। অসমীয়া ভাষাৰ মূল বহির্ভূত প্রায়বোৰ সম্বন্ধবাচক শব্দৰ উৎস তিব্বত-বর্মীয় ভাষাত পোৱা যায়। প্রতিবেশী বৰো-ৰাভা, তিৰা, দেউৰী আদি ভাষাত থকা এনে কিছুমান শব্দৰ উদাহৰণ উপেন ৰাভা হাকাচামে উল্লেখ কৰা ধৰণে দিয়া হ'ল—


অসমীয়া সম্বন্ধবাচক শব্দ— সমান্তৰাল ৰূপত অইন তিব্বত-বর্মীয় শব্দ

ককাই তু. কাকা (কামৰূপী) ঃ ক' (কার্বি), কাই (দেউৰী), খাই (তিৰা)

বাই তু. বইনী (গোৱালপৰীয়া) ঃ পাই (তিৱা), বু'ই (কোচ); বেবে (দেউৰী), বিবি (ৰাভা), আবো (বড়ো)

আই তু. মাই (কামৰূপী) ঃ আয় (বডো), আয়া (ৰাভা, আমা (গাৰো), ময় (দেউৰী)

আমৈ তু. মাৱাই (গোৱালপৰীয়া) ঃ আমায় 'মা' (কোচ); আনৈ 'মামী/পেহী' (বৰো)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগত পাৰস্পৰিক প্রভাৱ কি কাৰণে দেখা যায়? (৫০টামান শব্দৰ ভিতৰত লিখক)

.....



৬.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজ এখনত বসবাস কৰা মানুহবিলাক বিভিন্ন ধৰণে সম্পর্কিত হৈ থাকে। এই সম্পর্কৰ ভিত্তিতে প্রত্যেক সমাজতে সম্বন্ধবাচক শব্দ গঢ় লৈ উঠিছে। অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাটো এনে সম্বন্ধবাচক শব্দ পোৱা যায়।
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রত স্বকীয়তা বিদ্যমান। ভিন্নমূলীয় ভাষা হোৱা বাবে উভয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রত স্বকীয়তা আছে। পাঠটিত উভয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগ সম্পর্কে আলোচনা কৰা হ'ল।
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রত পাৰস্পৰিক প্রভাৱ দেখা যায়। একেখন ভাষাগত ক্ষেত্রত বসবাস কৰাৰ ফলস্বৰূপে প্রতিবেশী ভাষাৰ দ্বাৰা পৰস্পৰে প্রভাৱিত হৈছে। পাঠটিত এই পাৰস্পৰিক প্রভাৱ সম্পর্কে তুলনামূলক আলোচনা আগবঢ়োৱা হ'ল।
- সম্বন্ধবাচক শব্দৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ পাৰস্পৰিক প্রভাৱৰ দ্বাৰা উভয় ভাষা সমৃদ্ধ হৈছে। অধ্যায়টিৰ পৰা জানিব পৰা গ'ল যে অসমৰ ভাষাগত ক্ষেত্রখনত বিভিন্ন ভাষাসমূহে কেনেধৰণৰ সম্বন্ধবাচক শব্দৰ ব্যৱহাৰ কৰে আৰু ভাষা বিশেষে থকা স্বকীয়তাই উভয় ভাষাকে স্বকীয় ভাষা হিচাপে মূৰ তুলি থাকিবলৈ দিছে।



৬.৬ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) বৰা, লীলাৱতী শইকীয়া (২০১১); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

২) হাকাচাম, উপেন ৰাভা (২০১১); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৩) হাকাচাম, উপেন ৰাভা (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গুৱাহাটী ঃ নর্থ-ইষ্ট প্ৰিণ্টার্চ।

৪) দেৱী, প্ৰণীতা (২০১৬); *তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দ;* গুৱাহাটী ঃ প্ৰতিশ্ৰুতি প্ৰকাশন।



৬.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ এখন সমাজত.....হৈ.....। মানুহৰ এই সম্পর্কৰ.....। .....সম্বন্ধবাচক শব্দ বোলে। ..... শব্দ হ'ল.....। ঠিক তেনেদৰে.....।.....।

২নং প্ৰশ্নৰ উত্তৰ ঃ অসমীয়া.....ভিন্নমূলীয়.....যোগাত্মক ভাষাটো.....পৰিছে।.....।



৬.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ মূল কি?

প্ৰশ্ন ২ ঃ অসমীয়া ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগ সম্পর্কে উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৩ ঃ তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ গঠন আৰু প্ৰয়োগ সম্পর্কে উদাহৰণসহ বুজাই লিখক।

প্ৰশ্ন ৪ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ তুলনামূলক আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ চমুটোকা লিখক ঃ

(ক) সম্বন্ধবাচক শব্দৰ লগত প্ৰয়োগ হোৱা পুৰুষবাচক নির্দিষ্টতা প্ৰত্যয়

(খ) তিব্বত-বর্মীয় ভাষাৰ সর্বনাকীয় পূর্বসর্গ।

*** ***** ***

অধ্যায় ৭ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দ

৭.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনা

৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.৬ অধিক জানিবলৈ

৭.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ প্রয়োগ সম্পর্কে বিতংকৈ জানিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ প্রয়োগৰ ক্ষেত্রত থকা ভিন্নতা বা পার্থক্যসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দসমূহৰ লগত পৰিচিত হৈ ব্যৱহাৰিক ক্ষেত্রত তাৰ প্রয়োগ কৰিবলৈ সমর্থ হ'ব।

৭.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'ৰ এইটো সপ্তম অধ্যায়। ইয়াত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনা আগবঢ়োৱা হৈছে। মানুহৰ দৈনন্দিন জীৱনত সংখ্যাৰ ভূমিকা অপৰিসীম। সংখ্যা অবিহনে যিকোনো সামগ্রীৰ গণনা অসম্ভৱ। পৃথিৱীৰ প্রতিটো ভাষাতে সংখ্যা বুজাবলৈ অনেক শব্দ ব্যৱহাৰ কৰা হয়। সংখ্যা বুজোৱা এই সংখ্যাবোৰক সংখ্যাবাচক শব্দ বোলে। আর্যমূলীয় অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দ মাত্রেই নিঃসন্দেহে সংস্কৃত ভাষাৰ পৰা অহা। সংস্কৃতৰ পৰা অহা হ'লেও অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দবোৰ তৎসম ৰূপৰ নহয়, অর্ধতৎসম আৰু তদ্ভৱ ৰূপৰহে। মূল সংস্কৃত শব্দৰ অবিকল উচ্চাৰণ থকা দুই-এক সংখ্যাবাচক শব্দৰ বাহিৰে অসমীয়া ভাষাৰ আটাইবোৰ অর্ধতৎসম আৰু তদ্ভৱ সংখ্যাবাচক শব্দ

এক নির্দিষ্ট ধ্বনি পৰিৱর্তনৰ নিয়মৰ মাজেৰে সাধিত হোৱা নহয়। সেয়ে অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দ ভিন্ ভিন্ কাৰক আৰু বাহকৰ দ্বাৰা প্রভাৱিত বিশৃংখলিত ৰূপৰ পৰিণতি বুলি কোৱা হয়।

ভাষিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ৰূপতাত্ত্বিক গঠন আৰু প্রয়োগৰ ক্ষেত্রত ভিন্নমূলীয় হোৱাৰ বাবে যদিও নিজস্বতা আছে, তথাপি গঠন আৰু প্রয়োগৰ ক্ষেত্রত দুয়োটা ভাষাতে পাৰস্পৰিক প্রভাৱ পৰা পৰিলক্ষিত হয়। সংখ্যাবাচক শব্দসমূহৰ ক্ষেত্রতো এই স্বকীয়তা স্পষ্ট ৰূপত প্রতিফলিত হৈছে।

এই অধ্যায়টিত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ প্রয়োগ আৰু তাৰ বৈচিত্র্যৰ বিষয়ে বিতংকৈ আলোচনা কৰা হ'ব।

৭.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দ

অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দ ঃ

অন্যান্য ভাৰতীয় আর্য ভাষাৰ দৰে অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দসমূহো এক নির্দিষ্ট পৰিক্রমাৰে গঢ় লৈ উঠা বুলি ক'ব পাৰি যদিওবা অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দৰ বিকাশত এক নির্দিষ্ট প্রতিক্রিয়াৰ অভাৱ বুলি বহু পণ্ডিতে একেমুখে স্বীকাৰ কৰিছে। তলত অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দৰ গঠন পদ্ধতি সম্পর্কে আলোচনা কৰা হ'ল—

অসমীয়া ভাষাত সংখ্যাবাচক শব্দসমূহ দশমিক পদ্ধতিৰে নির্মিত হৈছে। সেয়ে অসমীয়া ভাষাত একৰ পৰা দহলৈকেহে ভিন্ন ভিন্ন একক প্রাকৃতিৰ সংখ্যাবাচক শব্দ পোৱা যায় আৰু এইবোৰ মূলতঃ সংস্কৃত ভাষাৰ পৰা অহা। যেনে ঃ একঃ>এক, নৱ>ন, দশ>দহ ইত্যাদি।

দহতকৈ ডাঙৰ সংখ্যাবোৰ সাধাৰণতে দুই প্রকাৰে সাধিত হোৱা দেখা যায়। দুয়োটা সাধন প্রণালীতে সংখ্যাবোৰ অভিন্নভাৱে সম্পৃক্ত হৈ থকাৰ বাবে ইহঁতক সহজে দ্বি বা ত্রি প্রাকৃতিক শব্দ হিচাপে ধৰিব নোৱাৰি। দুই প্রকাৰৰ বৃহৎ সংখ্যাৰ সাধন প্রণালী তলত উদাহৰণসহ উল্লেখ কৰা হ'ল—

(ক) দহকৰ সংখ্যাবোৰ কোনো এটা বিশেষ সংখ্যাৰ (দুইৰ পৰা নৰ ভিতৰত) লগত পৰপ্রত্যয় যোগে সাধিত হোৱা দ্বি-প্রাকৃতিক শব্দ, যাৰ গাঠনিক সংগতি হ'ল দহক। দহৰ ঠাইত বেলেগ বেলেগ পৰপ্রত্যয়ৰ দ্বাৰা মূলতঃ সংস্কৃত ভাষাতে এই সংখ্যাবাচক শব্দবোৰ গঠিত হৈছিল আৰু এইবোৰেই পালি-প্রাকৃত-অপভ্রংশৰ মাজেৰে বিকৃতি ঘটি পিছলৈ অসমীয়া ৰূপ লৈছিল। সেয়ে বহু ক্ষেত্রত মূলৰ প্রত্যয়টো লগত অসমীয়া সংখ্যাবাচক প্রত্যয়ৰ সমতা ৰক্ষিত হোৱা দেখা নাযায়। যেনে—

-শ পৰপ্রত্যয়ৰ দৰে পোৱা যায়— বিশ<বিংশতি, ত্রিশ<ত্রিংশতি, চল্লিশ<চত্বাৰিংশৎ, পঞ্চাশ<পঞ্চাশৎ ইত্যাদি।

তেনেদৰে -ই/-ঈ পৰপ্রত্যয়ৰ দৰে পোৱা যায়— ষাঠি<ষষ্ঠি, আশী<অশীতি, নৱৈ/নব্বৈ<নৱতি আদি। আকৌ সত্তৰ<সপ্ততি আদি শব্দত ব্যতিক্রম হোৱা দেখা যায়। কেতিয়াবা

গুণিতক দহ বা তাৰ ওপৰৰ সংখ্যাৰ বিকল্প হিচাপে কিছুমান শব্দৰ ব্যৱহাৰ অসমীয়া ভাষাত হয় যাৰ মূল সংস্কৃত আৰু অন্যায় বিদেশী ভাষা। উদাহৰণ স্বৰূপে— শ< শত (সংস্কৃত), হেজাৰ<হাজাৰ (পার্চী), লাখ (ইংৰাজী), লক্ষ (সংস্কৃত) ইত্যাদি।

(খ) দুটা দহকৰ মাজৰ ক্রমিক সংখ্যাবোৰ পুনৰ কোনো এটা দহকৰ আগত পূর্বসর্গৰ দৰে ইয়াক (একক + দহক) = { একক + (গুণিতক × ১০)} এনে ধৰণে দেখুৱাব পৰা যায়। উল্লেখযোগ্য যে প্রয়োগৰ সময়ত দুয়োটা অংকবাচক শব্দৰ পাৰস্পৰিক প্রভাৱৰ ফলত দুয়োটাৰ ভিন্ ভিন্ ৰূপলৈ পৰিৱর্তন হয় আৰু অৱশিষ্ট স্বৰূপে কোনোবাটোৰ সামান্য এটা অংশহে ৰৈ যায়। কেতিয়াবা দুয়োটাৰ মাজত অক্ষৰ লোপ আৰু কেতিয়াবা এটা বর্ণ বা অক্ষৰৰ আগম হোৱাও পৰিলক্ষিত হয়। সাদৃশ্যও সংখ্যাবাচক শব্দ সাধনৰ অন্যতম কাৰক হ'ব পাৰে। আকৌ পূর্বৱর্তী স্থানত প্রয়োগ হোৱা 'ন' সংখ্যাৰ বিকল্প হিচাপে ঊন্~ঊন~ঊনা~ঊনু প্রভৃতি পূর্বসর্গৰ প্রয়োগ অসমীয়া ভাষাৰ অন্যতম মনকৰিবলগীয়া বৈশিষ্ট্য যি সংশ্লিষ্ট দহকতকৈ এক কম অর্থত প্রয়োগ হয়। যেনে— ঊন আশী (৭৯) আশীতকৈ (৮০) এক কম। এই বৈশিষ্ট্যটোও মূল সংস্কৃত ভাষাৰ পৰা অসমীয়া ভাষাই লাভ কৰিছে।

অসমীয়া ভাষাৰ ক্ষেত্রত বৃহৎ সংখ্যাবাচক শব্দৰ সাধন এনেদৰে দেখুৱাব পাৰি যে— ১১ৰ পৰা ১৮ লৈ ক্রমিক সংখ্যাবিলাক আৰু ২০ৰ পৰা ৯০ লৈ দহকবিলাক দ্বি-প্রাকৃতিক আৰু বাকী সংখ্যাবিলাক ত্রি-প্রাকৃতিক যদিও এইবোৰৰ মূল সংস্কৃত আৰু শব্দ সাধনৰ ফালৰ পৰা ইয়াৰ দুটা প্রধান উপাদান চকুত পৰে— পূর্বৱর্তী স্থানত বহা এককৰ সংখ্যাসমূহৰ কিছুমান উপাকৃতি আৰু পৰৱর্তী স্থানত বহা মূল দহকৰ কিছুমান উপাকৃতি; যাৰ প্রয়োগ সংযুক্ত অৱস্থাত মূলাভাষ প্রাকৃতিৰ দৰে হয়। উদাহৰণ স্বৰূপে, এ~এক~একা~এঘা আদি পূর্বসর্গীয় একক উপাকৃতি— এ ষষ্ঠি, এক চল্লিশ, একানব্বৈ, এঘাৰ ইত্যাদি। আকৌ দহকৰ পৰসর্গীয় উপাকৃতি হিচাপে পাওঁ ~ইছ~অ'ইছ~আইছ ~বিছ, বাইছ, একৈছ, সাতাইশ, ছাবিশ ইত্যাদি শব্দ।

উপৰোক্ত সংখ্যাবাচক শব্দসমূহৰ উপৰিও ব্যৱহাৰিক জীৱনত প্রয়োগ হোৱা অসমীয়া ভাষাৰ আৰু কিছুমান বৈকল্পিক সংখ্যাবাচক শব্দ দেখা পোৱা যায়। এইবোৰে বিশেষ বিশেষ সংখ্যাৰ গোট নির্দেশ কৰে আৰু এইবোৰ পৰিমাণ নির্দেশকৰ দৰে প্রয়োগ হয়। যেনে- যোৰ/যুৰি (=২), হাল/হালি (=২), গণ্ডা/অঁৰা (=৪), বিহা/বুৰি/কুৰি (=২০), পোণ (=৮০), কাওণ (ষোল্ল পোণ = ১২৮০) ইত্যাদি। অসমীয়া ভাষাত এইবোৰ দুই ধৰণে প্রয়োগ হোৱা দেখা যায়। এক ধৰণৰ প্রয়োগ হয় সংখ্যাবাচক শব্দৰ সম্পূর্ণ বিকল্প হিচাপে; যেনে- যোৰহাত/হাতযোৰ তু, দুইহাত, কুৰি আঙুল কপাল তু, বিশ আঙুল দৈর্ঘ্যৰ কপাল ইত্যাদি। আন এক ধৰণৰ প্রয়োগ হয় পৰিমাণ নির্দেশকৰ দৰে— সংখ্যাবাচক শব্দৰ গুণিতকেৰে। এই গুণিতকসমূহ অর্থাৎ এক, দুই আদি সংখ্যা পূর্বসর্গৰ দৰে বহে। যেনে- এযুৰি চকু, সাতহাল গৰু, বিশ পোণ তামোল ইত্যাদি। এই একেটা নিয়মেৰে শ, হাজাৰ, অযুত/নিযুত, লাখ, কোটি, অর্বুদ, কল্প আদি বৃহত্তৰ সংখ্যাবাচক শব্দসমূহো ব্যৱহাৰ হয়। আনকি বিদেশীমূলীয় ডজন, দিস্তা, ৰিম্ আদি শব্দবোৰৰ ব্যৱহাৰো এনে ধৰণেই হয়।

সংস্কৃত ভাষাৰ পৰা অহা আংশিক সংখ্যাবাচক শব্দৰ প্ৰয়োগো অসমীয়া ভাষাত মন কৰিবলগীয়া। কিছুমান আংশিক শব্দই সংখ্যাবাচক শব্দৰ সৈতে লগ লগাব পিছতহে পৰিমাণ নির্দেশকৰ লগত পূর্বসর্গৰ দৰে প্ৰয়োগ হয়, পোনপটীয়াকৈ এইবোৰ লগ নালাগে। যেনে- দেৰ টকা, আঢ়ৈ বজা, আধা মোন, চাৰে তিনি ঘণ্টা, চোৱা এক ঘণ্টা আদি। ইয়াৰে দেৰ, আঢ়ৈ, আধা আদিয়ে কেৱল পৰিমাণ নির্দেশকৰ লগত পূর্বসর্গৰ দৰে প্ৰয়োগ হয় কিন্তু চোৱা, চাৰে আদি আংশিক শব্দই সংখ্যাবাচক শব্দৰ সৈতে লগ লগাৰ পিছত পৰিমাণ নির্দেশকৰ লগত পূর্বসর্গৰ দৰে প্ৰয়োগ হয়।

সংখ্যাবাচক শব্দসমূহে অসমীয়াত সদায় বর্গকর্তা অর্থাৎ নির্দেশক প্ৰত্যয়ৰ লগত পূর্বৱর্তী স্থানত প্ৰয়োগ হয় আৰু অনির্দিষ্টতা সূচায়। এইবোৰ বিশেষণ শব্দৰ দৰে কেতিয়াবা বিশেষ্য শব্দৰ আগত নতুবা পিছত প্ৰয়োগ হওঁতে দুই-এটা সংখ্যাবাচক শব্দৰ আকৃতি ভিন্ ভিন্ হয়। ইয়াক পূর্বসর্গীয় সংখ্যাবাচক শব্দৰ উপাকৃতি হিচাপে দেখুৱাব পৰা যায়। উদাহৰণ স্বৰূপে একাষাৰ (এক-), এখন (এ-); দুইইঞ্চীয়া (দুই-), দুদিনীয়া (দু-), ছমহীয়া (ছয়-) ছয় আখি ইত্যাদি। কেতিয়াবা ভিন্ ভিন্ সর্গৰ সৈতে (যেনে- জোৰ বুজোৱা-ও, স্বার্থিক-এ আদি) অভিন্নভাৱে লগ লাগি অন্য অর্থত পূর্বসর্গৰ দৰে সংখ্যাবাচক শব্দৰ ব্যৱহাৰ হয়। সাধাৰণতে বর্গকর্তা আৰু সংখ্যাবাচক শব্দৰ সংযুক্ত ৰূপৰ মধ্যৱর্তী স্থানত -ও- বহিলে অন্তর্ভুক্তি (inclusive) আৰু -এ- বহিলে নির্দেশক অর্থ বুজোৱা হয়। যেনে- একোজন, একোবাৰ, দোমাহী, দোভাগ (দুয়োটাৰ মাজত), দোভাষী (অন্তৱর্তী অর্থত), বাৰেমিহলি, বাৰেকুৰি (ভিন্নতা অর্থত) ইত্যাদি।

অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দৰ অন্য এক বিশেষ বৈশিষ্ট্য হ'ল সংখ্যাবাচক শব্দৰ লগত ভিন্ ভিন্ বিশেষ্য শব্দ, বিশেষণ শব্দ আৰু ক্ৰিয়াবিশেষণ শব্দ গঠন হয়। তলত তাৰ কেতবোৰ উদাহৰণ দিয়া হ'ল—

এ/এক ঃ একক, একলম, এককালীন, এফেৰি, এঘৰীয়া, একেৰাহে আদি।

দু/দুই ঃ দুনলীয়া, দুপৰীয়া, দোতোৰা, দোমোজা, দোমাহী আদি।

তে/তিন/তিনি ঃ তিনদিনীয়া, তিনি পুৰুষ, তিনিমহীয়া আদি।

চাৰি (চতুৰ) ঃ চাৰিআলি, চাৰিওফালে, চতুর্থ, চতুর্ভূজ, চৌকাঠ আদি।

পাঁচ (পঞ্চ) ঃ পঞ্চামৃত, পঞ্চানন, পাঁচতী, পাঁচালী আদি।

ছ/ছয় (ষড়) ঃ ছমহীয়া, ছয়গাঁও, ষষ্ঠি, ষাণ্মাসিক আদি।

ইয়াৰোপৰি সাদিন, সাতবিহু, সাতামপুৰুষীয়া, সাতসৰী, সাতশতৰু, আঠমঙলা, অষ্টাংগ, নৱগ্রহ, নগাঁও, নৱমী, দহোকুৰি, দশাৱতাৰ, দশোদিশ, দশমিক, বাৰমাহী, বাৰভূঞা, বাৰবণিতা, বাৰোৱাৰী আদি অলেখ শব্দই অসমীয়া ভাষাৰ শব্দভাণ্ডাৰ যথেষ্ট চহকী কৰিছে।

অসমীয়া ভাষাত আকৌ একো, একে, অকল, দুয়ো, দোছোৰা আদি সর্বনামৰ দৰে প্ৰয়োগ হোৱা ৰূপৰ দৰে দুনাই (ক্ৰিয়া বিশেষণ), √দোহাৰ, √দোৱচ্ আদি ক্ৰিয়াৰ দৰে প্ৰয়োগ হোৱা ৰূপো পোৱা যায়।

কেতিয়াবা আকৌ একেটা সংখ্যাবাচক শব্দৰ দ্বিৰুক্তিযোগে বৈভাগিক সংখ্যাবাচক

শব্দ হিচাপে প্রয়োগ হয়। আকৌ ওচৰা-উচৰিকৈ থকা দুটা সংখ্যাবাচক শব্দৰ একেলগে প্রয়োগ হ'লে নতুবা সংখ্যাবাচক শব্দৰ একেলগে প্রয়োগ হ'লে নতুবা সংখ্যাবাচক শব্দৰ লগত মান পৰসর্গ যোগ হ'লে অনির্দিষ্টতা ভাৱ সূচোৱা হয়। কেতিয়াবা আকৌ দুটা ভিন্ন সংখ্যাবাচক শব্দৰ সমাসৰ দ্বাৰাও বেলেগ অর্থ ওলাই পৰে। যেনে- এজন এজন, চাৰিজন মান, সাতে-পাঁচে, ঊনৈশ-বিশ ইত্যাদি।

নব্য ভাৰতীয় আর্যভাষাৰ অন্তর্গত ভাষাসমূহৰ তুলনাত অসমীয়া সংখ্যাবাচক শব্দসমূহে কিছু নিজা বৈশিষ্ট্য ৰক্ষা কৰি চলা দেখা যায়। আগতেই উল্লেখ কৰা হৈছে যে সংস্কৃত ভাষাৰ পৰা বিকাশ লাভ কৰা অসমীয়া অর্ধতৎসম আৰু তদ্ভৱ সংখ্যাবাচক শব্দবোৰ নির্দিষ্ট ধ্বনিৰীতিৰে বিকাশ লাভ কৰা নাই। উদাহৰণ স্বৰূপে, সংস্কৃত ভাষাৰ '৬' অংকৰ সৈতে জড়িত ষষ√ষট্, ষোড়শ, ষড়বিংশতি, ষষ্ঠি, ষন্নৱতি আদি সংখ্যাবাচক শব্দবোৰ অসমীয়া ভাষাত যথাক্রমে ছয়, ষোল্ল, ছাবিশ, ষাঠি, ছিয়ানব্বৈ আদি ৰূপত পোৱা যায়। ইয়াত দেখা গৈছে যে, সংস্কৃতৰ 'ষ' অসমীয়াত কেতিয়াবা পশ্চতালব্য উষ্ম ষ /X/আৰু কেতিয়াবা দন্তমূলীয় ছ /S/হৈছে। সেইদৰে অন্যান্য সংখ্যাবাচক শব্দসমূহো ভিন্ ভিন্ ধ্বনিৰীতিৰে সাধিত হোৱা। অসমীয়া সংখ্যাবাচক শব্দৰ এনে সাধন বা বিকাশত এক নির্দিষ্ট প্রক্রিয়াৰ অভাৱ ঘটিছে আৰু ই ভিন্ ভিন্ ভাষা কাৰক আৰু ভাষা-ভাষীৰ দ্বাৰা প্রভাৱিত হৈছে।

তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দ ঃ

ভাষাবিজ্ঞানৰ বিভিন্ন গ্রন্থত চীন-তিব্বতীয় ভাষাৰ সংখ্যাবাচক শব্দসমূহৰ আলোচনাই স্থান পাইছে। চীন-তিব্বতীয় পৰিয়ালৰে অন্তর্গত অসমৰ তিব্বত-বর্মীয় ভাষাসমূহতো মূলৰ কিছু বৈশিষ্ট্য ৰক্ষিত হোৱা দেখা যায়। তলত এই সম্পর্কে তিব্বত-বর্মীয় ভাষা বিশেষজ্ঞ ড° উপেন ৰাভা হাকাচামে আগবঢ়োৱা আলোচনাৰ ভিত্তিত উল্লেখ কৰা হ'ল—

তিব্বত-বর্মীয় ভাষাত দহকতকৈ ডাঙৰ সংখ্যাবিলাকৰ গাঁথনি দুই প্রকাৰৰ—

ক) দহকসমূহৰ ক্ষেত্রত সাধাৰণতে দহৰ গুণিতকবোৰ পূর্বসর্গৰ দৰে আগত বহে। অর্থাৎ দহৰ লগত এক, দুই আদি সংখ্যা পূর্বসর্গৰ দৰে যোগ দি বিশ, ত্রিশ আদি সংখ্যাবিলাক গঠন কৰা হয়। যেনে- নৈ-জি '২০', গু-জি '৯০' (বডো); থোম্-কেপ্ '৩০', ফ্লি-কেপ্ '৪০' (কার্বি) আদি। মিছিং আৰু গাৰো ভাষাত ইয়াৰ সম্পূর্ণ ওলোটা হোৱা দেখা যায়। অর্থাৎ এইবোৰত এক, দুই আদি সংখ্যা দহৰ পিছতহে বহে। অৱশ্যে গাৰো ভাষাত চি 'দহ' শব্দৰ পৰিপূৰক হিচাপে ছোত্ শব্দৰ প্রয়োগ হয়। যেনে- ই'য়িং আন্ঞি '২০', ই'য়িং কনু'ং '৯০' (মিচিং), ছোত্ ব্রি '৪০', ছোত্ স্নি '৭০' (গাৰো) আদি। আনহাতে ৰাভা প্রভৃতি দুই-এক ভাষাত বিশ, ত্রিশ আদি বুজোৱা ভিন্ ভিন্ মৌলিক সংখ্যাবাচক শব্দৰহে প্রয়োগ হয়; যাৰ লগত দহ সংখ্যাটোৰ কোনো সম্পর্ক নাথাকে। উদাহৰণ ঃ ৰাভা— ৰিখা '২০' (তু. দিমাছা ঃ খন্, গাৰো ঃ খোল গ্রিক্, ককবৰক ঃ খোলপে, কার্বি ঃ ইংকয়, দেউৰী ঃ কোৱা), চিৰি '৩০' (তু. গাৰো ঃ খোলাচি), ফালা '৫০' (তু. ডিমাছা ঃ দান) ইত্যাদি। উল্লেখযোগ্য যে সকলো ভাষাতে 'এশ' বুজোৱা সংখ্যাটো মৌলিকহে যাৰ লগত গুণিতক দহৰ কোনো সম্পর্ক নাই। উদাহৰণ— দিমাছা ঃ

ৰাজা (-ছি), বডো ঃ জৌ (-ছে), ককবৰক ঃ ৰা (ছা), গাৰো ঃ ৰিৎচা (-ছা), ৰাভা ঃ গোতা (-ছা), কার্বি ঃ ফাৰো, মিছিং ঃ লি'ং (-ক') ইত্যাদি।

(খ) দুটা দহকৰ মাজৰ ক্রমিক সংখ্যাবোৰ সংশ্লিষ্ট দহকৰ পিছত পৰসর্গৰ দৰে i) পোনপটীয়াকৈ বহে নহ'লেবা ii) দুয়োটাৰ মাজত 'আৰু' বুজোৱা একোটা অব্যয়ৰ সহযোগত বহে। কেতিয়াবা আকৌ iii) দুই-এক ভাষাত প্রতিটো দহকৰ লগত 'এক' গুণিতক পৰসর্গৰ দৰে লগ লগাৰ পিছতহে একাদিক্রমে সংখ্যাবোৰ বহে।

i) প্রথম লানিৰ উদাহৰণ— দেউৰী, বডো, ককবৰক আৰু গাৰো ভাষাত আছে। যেনে- মুদুগা মুজা '১১', কোঁৱা কিন মুদুগু '৪৯' (দেউৰী); জি ছে '১১', নৈ-জি গু '২৯' (বৰো); চিথাম '৩০' (ককবৰক); চি গ্নি '১২', খোলগ্রিক বঙা '২৫' (গাৰো) ইত্যাদি।

ii) দ্বিতীয় লানিৰ উদাহৰণ— কার্বি আৰু মিছিং ভাষাত পোৱা যায়। যেনে- ইংকয় ৰা কেথম্ '২৩', থম-কেপ্ ৰা ফ্লি '৩৪' (কার্বি); ইয়িং কোলাং আউম '১৩', ই'য়িং-কি'নি'দ কোলাং আঙ' '৭৫' (মিছিং) ইত্যাদি।

iii) তৃতীয় লানিৰ উদাহৰণ— ৰাভা ভাষাত পোৱা যায়। অনিয়মিতভাৱে বৰো আৰু দেউৰী ভাষাতো পোৱা যায় সাধাৰণতে দহকৰ বিকল্প শব্দৰ লগত। যেনে- গোধাছি ছা আনিং '১২' (ৰাভা), ৰিখা-ছা ছাম্পা '২৫' ইত্যাদি।

অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ প্রায়বোৰতে কিছুমান বিশেষ বিশেষ সংখ্যাৰ পৰিপূৰক হিচাপে একো একোটা গোট বা সমষ্টিবাচক শব্দৰ প্রয়োগ পোৱা যায়। ব্যৱহাৰিক জীৱনত সেইবোৰ শব্দৰ গুণিতক অধিকভাৱে প্রয়োগ হৈ আহিছে আৰু কেতিয়াবা মূল সংখ্যাবাচক শব্দৰ বিকল্প হিচাপেও ইয়াৰ ব্যৱহাৰ হয়। গুণিতকবোৰ সাধাৰণতে পৰসর্গৰ দৰে গোট নির্দেশক শব্দৰ পিছত প্রয়োগ হয়। যেনে- দেউৰী ঃ কোঁৱা '২০'>কোঁৱা -কিন '২০×২=৪০', কোঁৱা -মুৱা '২০×৫=১০০', দিমাচা ঃ বিচা '২০' >বিচা-ব্রি-ঝি '২০×৪+১০=৯০'; ককবৰক ঃ খোল-নু'ই '২০×২=৪০' খোল-বা '২০×৫=১০০'; বৰো ঃ জোখাই '৪'>জোখাই -ছে মুন- নৈ '৪×১+২=৬' ইত্যাদি।

তিব্বত-বর্মীয় ভাষাৰ সাধাৰণ বৈশিষ্ট্যৰ ভিতৰত সাধাৰণ শব্দাংশ অর্থাৎ বর্গকর্তাৰ লগত একেলগে সংখ্যাবাচক শব্দৰ প্রয়োগ এটা মন কৰিবলগীয়া দিশ। প্রয়োগৰ বেলিকা সংখ্যাবাচক শব্দ সদায় অনির্দিষ্টতাবাচক অর্থত পৰসর্গৰ দৰে বর্গকর্তাৰ পিছত লগ লাগে। সাধাৰণতে সংখ্যাবাচক শব্দৰ মূল ৰূপটোহে বর্গকর্তাৰ লগত সংকোচন ঘটি সংযুক্ত হয়। যেনে ঃ কায়-ছা 'এজন', লায়ছা 'এখিলা', বাৰ-ছা 'এপাহি' (ককবৰক); মু-চা '১'>তি-চা 'এটা', হা-চা 'এখিলা', মছা 'এসিকি' (দেউৰী); মু'ন্-বা 'পাঁচটা', মা-বা 'পাঁচজন' (বৰো); আন্-ঞি '২'>মি'ঃ-ঞি 'দুজোপা' (মিছিং) ইত্যাদি।


এজন, দুজন বা ততোধিক সংখ্যাৰ দ্বাৰা নির্দিষ্ট কৰা বর্গকর্তাযুক্ত সংখ্যাবাচক বিশেষণৰ সহায়ত কেতিয়াবা কোনো কোনো তিব্বত-বর্মীয় ভাষাত নির্দিষ্ট একোটা বচনত প্রয়োগ হয়। বিশেষকৈ দ্বিবচনত উভয় অর্থত প্রায়বোৰ ভাষাতে 'দুই' সংখ্যা পৰসর্গৰ দৰে লগ লাগে। হমাৰ,

মিছিং আদি ভাষাত 'দুই' সংখ্যা পোনপটীয়াকৈ সর্বনামৰ লগত লগ লাগি দ্বিবচনত প্রয়োগ হয়। উদাহৰণ ঃ মিছিং ঃ ঙো-ঞি 'আমি দুয়ো', হমাৰ ঃ কু'ই নি 'আমি দুয়ো' আদি।

বর্গকর্তাৰ নিচিনাকৈ পৰিমাণ নির্দেশক, পূৰণবাচক, আংশিক বা সমষ্টিবাচক শব্দাংশৰ লগত সংখ্যাবাচক শব্দই পৰসর্গৰ দৰে লগ লাগি বিভিন্ন সংখ্যাবাচক বিশেষণ শব্দ গঠন কৰে। আনকি কালবাচক, দিশবাচক, দৈর্ঘ্যবাচক, আধাৰবাচক ইত্যাদি বর্গকর্তাৰ সমতুল্য শব্দাংশৰ লগতো ইহঁতৰ প্রয়োগ হয়। কোনো কার্যৰ ক্রম বা কার্যৰ লগত সম্পর্ক থকা ঘটনাৰ সংখ্যা প্রকাশ কৰিবলৈ পোনে পোনে একোটা ক্রিয়াৰ লগতো সংখ্যাবাচক শব্দসমূহৰ প্রয়োগ তিব্বত-বর্মীয় ভাষাত পৰসর্গৰ দৰে হয়। যেনে- পুৰ-হিনি 'দুবাৰ', পুৰ-থম 'তিনিবাৰ' (কার্বি; খাও-ছি 'এফাল', ছাই-ছি 'এদিন' (দিমাছা); তাকৰ-ছা 'এবেগেত', কোব-ছা 'একোব' (ৰাভা) ইত্যাদি।

এই সকলোবিধৰ সংখ্যাবাচক বিশেষণেই কেতিয়াবা আকৌ পৌনঃপৌনিক (Reduplicative) আৰু বৈভাগিক শব্দ (Distributive) প্রয়োগ হোৱা দেখা যায়। সেইদৰে অনির্দিষ্ট আৰু নির্দিষ্ট অর্থত ব্যৱহাৰ কৰিবলৈ ইহঁতৰ লগত কেতবোৰ প্রত্যয় বা শব্দাংশ যোগ দিয়া হয়। কেতিয়াবা এনে অর্থ বুজাবলৈ সংখ্যাবাচক শব্দৰ বিকল্প শব্দৰো সহায় ল'বলগীয়া হয়। যেনে— ৰাভা ঃ কায়ৰি'খা 'প্রতিজন/গাইপতি', কামকায় 'উভয়, দুয়ো'; বডো ঃ ছা-ফ্রু'মবু' 'গাইপতি', ছাফা-ছাফা 'জনে জনে' ইত্যাদি।

অন্য কিছুমান ভাষাৰ দৰে তিব্বত-বর্মীয় ভাষাসমূহতো সংখ্যাবাচক শব্দই সীমিত পৰিমাণৰ হ'লেও ভিন্ ভিন্ বিশেষণ আৰু ক্রিয়া বিশেষণ শব্দৰ গঠন কৰিব পাৰে। সর্বনামৰ বিকল্প হিচাপে প্রয়োগ হোৱাৰ উদাহৰণ থাকিলেও সংখ্যাবাচক শব্দই বিশেষ্য (নামবাচক, স্থানবাচক, বস্তুবাচক) আৰু ক্রিয়া হিচাপে কেতিয়াও প্রয়োগ নহয় আৰু তেনে জাতীয় শব্দৰো সাধন নকৰে। উদাহৰণ— দিমাছা ঃ খু-ছি 'একগোট', মাছিমামাং 'একমাত্র'; বডো ঃ ছে-থি 'প্রথম', নৈ-জি-বা-থি '২৫তম অর্থাৎ পঁচিশ সংখ্যক'; কার্বি ঃ বাতাই কেথম্ 'তৃতীয়', বাতাই নেৰকেপ্ 'অষ্টম' ইত্যাদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়াৰ ভাষাৰ সংখ্যাবাচক শব্দৰ বিষয়ে এটা টোকা প্রস্তুত কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ বিষয়ে এটা টোকা প্রস্তুত কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

৭.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনা

একেখন ভাষাগত ক্ষেত্রৰ অন্তর্ভুক্ত হোৱা বাবে অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ

মাজত ভাষাগত মিল থকাটো স্বাভাৱিক। দুয়োটা ভাষাতে পাৰস্পৰিক প্ৰভাৱ স্পষ্টভাৱে লক্ষ্য কৰা যায়। অসমীয়া ভাষাৰ শব্দ সম্ভাৱতো তিব্বত-বর্মীয় সংখ্যাবাচক শব্দৰ উপাদান পোৱা যায়। অসমীয়া আৰু তিব্বত-বর্মীয় এই দুই ভিন্নমূলীয় ভাষাৰ সংখ্যাবাচক শব্দৰ গাঠনিক সংগতি আৰু প্ৰায়োগিক বিচাৰ-বিশ্লেষণলৈ লক্ষ্য ৰাখি উপেন ৰাভা হাকাচামে আগবঢ়োৱা আলোচনাৰ ভিত্তিত তুলনামূলক আলোচনা আগবঢ়োৱা হ'ল—

(ক) প্ৰয়োগৰ ফালৰ পৰা সমগোত্ৰীয় অন্য ভাষাসমূহতকৈ তিব্বত-বর্মীয় ভাষাসমূহৰ সৈতেহে অসমীয়া ভাষাৰ অধিক মিল লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে— বডো, মিছিং, কার্বি আদি অন্যান্য তিব্বত-বর্মীয় ভাষাৰ নিচিনাকৈ অসমীয়া ভাষাতো বাংলা, হিন্দী প্ৰভৃতি ভাৰতীয় আর্য ভাষাৰ বিপৰীতে সাধাৰণতে সংখ্যাবাচক শব্দৰ অকলশৰীয়াকৈ প্ৰয়োগ নহৈ সদায় এটা বর্গকর্তা, পৰিমাণকর্তা নতুবা গুণকর্তা (পূৰণবাচক)ৰ লগত লগ লাগিহে প্ৰয়োগ হয়। গ্ৰীয়েৰচনে সংখ্যাবাচক শব্দৰ এনেদৰে সাধাৰণ শব্দাংশ এটাৰ সৈতে প্ৰয়োগ হোৱাটো তিব্বত-বর্মীয় ভাষাৰ সাধাৰণ বৈশিষ্ট্য বুলি দেখুৱাইছে। অৱশ্যে অসমীয়াত সাধাৰণ শব্দাংশ পৰসর্গৰ দৰে পিছত বহে আৰু তিব্বত-বর্মীয় ভাষাসমূহত পূর্বসর্গৰ দৰে আগত বহে।

(খ) দুয়োটা ভাষাতে কালবাচক, দৈর্ঘ্যবাচক, পৰিমাণবাচক, আধাৰবাচক আৰু দিশবাচক বা স্থানবাচক শব্দ বা শব্দাংশৰ লগত সংখ্যাবাচক শব্দৰ প্ৰয়োগ হয়। যেনে- এগণ্ডা, ছকুৰি, একলহ, তিনিবাতি, এডৰা আদি। আনকি কোনো কার্য বুজোৱা ক্ৰিয়া শব্দ নতুবা কার্যৰ লগত জড়িত শব্দৰ লগতো তিব্বত-বর্মীয় ভাষাৰ দৰে অসমীয়াতো সংখ্যাবাচক শব্দৰ প্ৰয়োগ হয় যদিও অসমীয়া ভাষাত কোনো পৰসর্গৰ সহায় নোলোৱাকৈয়ো নিৰপেক্ষভাৱে সংখ্যাবাচক শব্দ এটাৰ গণনা কার্যত প্ৰয়োগ হ'ব পাৰে।

(গ) দুয়োটা ভাষাতে সংখ্যাবাচক শব্দৰ সর্বোচ্চ মূল অংক দহলৈকে আছে আৰু এইবোৰ মূল ভাষাৰ পৰা ধ্বনি বিকৃতিৰ মাজেদি একোটা ৰূপ লাভ কৰিছে। যেনে- কিনি (দেউৰী), গিনি (দিমাছা), নৈ (বডো), গ্নি (গাৰো), আনিং (ৰাভা), আন্-ঞি (মিছিং), হিনি (কার্বি) < তিব্বত-বর্মীয় গ্-নিছ '২' তু. < অসমীয়া দুই '২' < সংস্কৃত 'দ্বে'। দুয়োটা ভাষাৰে দহৰ পিছৰ সংখ্যাবাচক শব্দসমূহ দহৰ গুণিতক আৰু ক্ৰমিক সংখ্যাৰ দ্বাৰা দ্বি বা তদুর্দ্ধ প্ৰাকৃতিৰে সাধিত হোৱা। অৱশ্যে দুয়োটা ভাষাতে অনিয়মিতভাৱে হ'লেও দহতকৈ ডাঙৰ দুই-এটা শব্দ মৌলিক ৰূপৰ হ'ব পাৰে। যেনে- ৰাজা (দিমাছা), জৌ (বডো), ৰিৎচা (গাৰো), গোতা (ৰাভা), ফাৰো (কার্বি), লি'ং (মিছিং) তু. শ (অসমীয়া) ইত্যাদি।

(ঘ) প্ৰায়বোৰ সংখ্যাবাচক শব্দৰ ক্ষেত্ৰত দেখা যায় যে একোটা অংকবাচক শব্দৰ বাবে একোটা সংশ্লিষ্ট পূৰণবাচক শব্দৰ অভাৱ। (উদাহৰণ স্বৰূপে ঃ অসমীয়া এক কিন্তু প্ৰথম, পহিলা আৰু এখন্তেক কিন্তু দুখন্তেক নহয়।) বৈকল্পিক শব্দৰ দ্বাৰা প্ৰায় সমান্তৰালভাৱে ভিন্ ভিন্ শব্দ অংকবাচক শব্দৰ সমার্থকভাৱে দুয়োটা ভাষাতে প্ৰয়োগ হোৱা দেখা যায়।


(ঙ) সংখ্যাবাচক শব্দই দুয়োটা ভাষাতে সদায় বর্গকর্তা, পূৰণবাচক, সমষ্টিবাচক, পৰিমাণ নির্দেশক, দৈর্ঘ্যবাচক, দিশবাচক, কালবাচক ইত্যাদি শব্দাংশৰ লগত একত্ৰে প্ৰয়োগ

হৈ বিশেষণৰ দৰে প্রয়োগ হয়। তেনেদৰে সংখ্যাবাচক শব্দৰ সহযোগত দ্বি বা তদুর্দ্ধ বচনত প্রয়োগ হোৱা বাক্যাংশ ৰীতি বডোবর্গীয় আৰু অসমীয়া উভয় ভাষাৰ অন্যতম উমৈহতীয়া বৈশিষ্ট্য।

(চ) সংখ্যাবাচক শব্দসমূহ মৌলিক শব্দসম্ভাৰৰ অন্তর্ভুক্ত হ'লেও সাধাৰণতে লোক-ভাষা স্তৰত অতি সীমিত মাত্রাৰ সংখ্যাহে সর্বসাধাৰণে সঘনাই ব্যৱহাৰ কৰে। তিব্বত-বর্মীয় ভাষাসমূহৰ ক্ষেত্রত এই কথা প্রযোজ্য। যেনে- তিৱা আদি ভাষাত দুই পর্যন্তহে নিজ ভাষাৰ শব্দ পোৱা গৈছে। তাৰ পিছৰ পৰাই সার্বজনীন অসমীয়া শব্দ যেনে- থিন (৩), চাৰ (৪), ফাচ (৫), ছুই (৬) আদিহে প্রয়োগ হয়। ৰাভা আদি ভাষাতো সর্বাধিক তিনি সংখ্যালৈকেহে বর্গকর্তাসমূহৰ সৈতে একত্রে প্রয়োগ হয়। বডো, কার্বি আদি ভাষাতো অসমীয়া সংখ্যাবাচক শব্দৰ প্রচলন আছে। যেনে- এহো 'এশ', এ-জন 'এটা' (কার্বি); থিনিছ 'তিনিশ' (বডো); বিছাচি 'বিশ' (দিমাছা) ইত্যাদি। অসমীয়া ভাষাৰ ক্ষেত্রতো এইবোৰৰ শব্দ সাধনত বাৰ/তেৰলৈকেহে বহুলভাৱে ব্যৱহৃত হয়। ইয়াৰ ভিতৰত 'এক'ৰ ব্যৱহাৰ সর্বাধিক। যেনে- এখন্তেক, এবুৰি, এধানি, এঘৰীয়া, এপলক, এপৰ আদি।

(ছ) দুয়োটা ভাষাতে কিছুমান উমৈহতীয়া সংখ্যাবাচক শব্দৰ প্রয়োগ আছে যাৰ মূল নির্ণয় কৰাটো কঠিন। গণ্ডা, পোণ, কাওন, কুৰি আদি এই জাতীয় শব্দ। অকৌ পহিলা, দোছোৰা, দেৰ, ছোৱা, পৌনে, সপ্তাহ, লাখ, কৌটি আদি সংস্কৃতমূলীয় অসমীয়া শব্দৰ প্রয়োগো তিব্বত-বর্মীয় ভাষাসমূহত পোৱা যায়। হাজাৰ, ডজন, দিস্তা, ৰিম্ আদি বিদেশীমূলীয় শব্দও অসমীয়াৰ মাজেদিয়েই এই ভাষাই গ্রহণ কৰিছে।

(জ) মূলৰ ফালৰ পৰা ভিন্নধর্মী দুয়োটা ভাষাই গাঠনিক সংগতিৰ ফালৰ পৰাও পৰস্পৰ বিপৰীতধর্মী। যেনে- দহক আৰু গুণিতকৰ অৱস্থান অসমীয়াত 'গুণিতক × ১০' কিন্তু তিব্বত-বর্মীয় '১০ × গুণিতক' আৰু দুটা দহকৰ মাজৰ ক্রমিক সংখ্যাৰ অৱস্থান অসমীয়াত 'একক + দহক' কিন্তু তিব্বত-বর্মীয় 'দহক + একক'। বর্গকর্তা আৰু তদ্জাতীয় সর্গ বা শব্দাংশৰ লগত সংযোগ হোৱা নিয়মৰো সাদৃশ্য গুণিতকসমূহৰ সৈতেহে তুলনীয় অর্থাৎ অসমীয়াত 'সংখ্যা × বর্গকর্তা' কিন্তু তিব্বত-বর্মীয়ত 'বর্গকর্তা × সংখ্যা'। ইয়াৰোপৰি অসমীয়াত আংশিক সংখ্যাবাচক শব্দ মূল সংখ্যাৰ আগত বহে যদিও কেতিয়াবা কম (বিয়োগাত্মক) আৰু কেতিয়াবা বেছি (যোগাত্মক) অর্থতহে প্রয়োগ হয়। কার্বি প্রভৃতি ভাষাত কিন্তু আংশিক বা তেনেজাতীয় শব্দ বেছি অর্থত মূল শব্দৰ পিছত আৰু কম অর্থত মূল শব্দৰ আগত বহে। প্রয়োগৰ পিনৰ পৰা চালে সেয়ে অসমীয়াৰ তুলনাত তিব্বত-বর্মীয় ভাষাসমূহৰ সংখ্যাবাচক শব্দ বেছি নিয়াৰি লগা আৰু অধিক ব্যাকৰণসিদ্ধ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক

শব্দৰ তুলনামূলক বিশ্লেষণ আগবঢ়াওক।

(১০০টা শব্দৰ ভিতৰত)

.....



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টি অধ্যয়ন কৰি আমি গম পালোঁ যে অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ গঠন প্রণালী বেলেগ বেলেগ।
- গঠনৰ ভিন্নতাৰ উপৰিও প্রয়োগৰ ক্ষেত্রতো দুইটা ভাষাতে পার্থক্য পৰিলক্ষিত হয়।
- যদিও উভয় ভাষাতে গঠন আৰু প্রয়োগৰ ক্ষেত্রত ভিন্নতা আছে, তথাপি দুয়োটা ভাষাতে কিছুমান উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। এই বৈশিষ্ট্যবোৰ হ'ল— সাধন-পদ্ধতিৰ সাদৃশ্য, অংকবাচক আৰু পূৰণবাচক শব্দৰ মাজত অসমতা স্থাপন, সংখ্যাবাচক শব্দৰ প্রয়োগৰ সাদৃশ্য, বৃহৎ সংখ্যাবাচক শব্দৰ সাধাৰণ লোকৰ মাজত অজনপ্রিয়তা অর্থাৎ লোকভাষা স্তৰত বৃহৎ সংখ্যাবাচক শব্দসমূহৰ সীমিত প্রয়োগ, উমৈতীয়া বিকল্প শব্দৰ ব্যাপক প্রচলন।
- উভয় ভাষাতে কিছুমান শব্দ পাৰস্পৰিকভাৱে একে ৰূপত প্রচলন হৈ আহিছে।



৭.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ


১) গোস্বামী, উপেন্দ্রনাথ; (২০১৩), *অসমীয়া ভাষাৰ ব্যাকৰণ,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) গোস্বামী, উপেন্দ্রনাথ; (২০১২); *ভাষা-বিজ্ঞান,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) ভৰালী, দেবানন্দ; (২০১১); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৪। ৰাভা হাকাচাম, উপেন, (২০১৩), *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা,* ধূপধৰা, হাকাচাম কাওছাদাম।

৫। ৰাভা হাকাচাম, উপেন, (২০১৬), *অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ অসম পাবলিছিং কোম্পানী।



৭.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অন্যান্য ভাৰতীয় অসমীয়া ভাষাত সংখ্যাবাচক শব্দসমূহ দশমিক পদ্ধতিৰে...।

২নং প্রশ্নৰ উত্তৰ ঃ তিব্বত-বর্মীয় ভাষাত দহকতকৈ ডাঙৰ...।

৩নং প্রশ্নৰ উত্তৰ ঃ দুয়োটা ভাষাৰে উমৈহতীয়া বৈশিষ্ট্য হ'ল...।



৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দৰ প্রয়োগৰ বৈশিষ্ট্যসমূহ লিখক।

প্রশ্ন ২ ঃ তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ প্রয়োগৰ বৈশিষ্ট্যসমূহ লিখক।

প্রশ্ন ৩ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ বিষয়ে এটা চমু অৱলোকন আগবঢ়াওক।

প্রশ্ন ৪ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ পাৰস্পৰিক সাদৃশ্যৰ বিষয়ে লিখক।

প্রশ্ন ৫ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনাত্মক আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ চমুটোকা লিখক ঃ

ক) অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দ

খ) তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দ

*** ***** ***

অধ্যায় ৮ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনামৰ তুলনা

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ অসমীয়া আৰু তিব্বত-বর্মীয় সর্বনাম শব্দৰ গঠন আৰু প্রয়োগ
৮.৪ অসমীয়া আৰু তিব্বত-বর্মীয় সর্বনাম শব্দৰ তুলনা
৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৬ অধিক জানিবলৈ
৮.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৮ আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সর্বনাম শব্দ সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ গঠন আৰু প্রয়োগ সম্পর্কে জানিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ৰূপতত্ত্বত সর্বনাম শব্দৰ ভূমিকা সম্পর্কে জানিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ তুলনামূলক ধাৰণা লাভ কৰিব পাৰিব।

৮.২ পৰিচয়

ইয়াৰ পূর্বৰ অধ্যায়টোত আপুনি অসমীয়া আৰু তিব্বত-বর্মীয় সংখ্যাবাচক শব্দৰ তুলনাৰ বিষয়ে পঢ়িলে। এই অধ্যায়টোত অসমীয়া আৰু তিব্বত-বর্মীয় সর্বনাম শব্দৰ তুলনাৰ বিষয়ে পঢ়িবলৈ পাব। সর্ব অর্থাৎ সকলো নাম পদৰ বা বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদক সর্বনাম পদ বোলা হয়। বাক্যত পূর্বে ব্যৱহৃত নামপদ বা বিশেষ্য পদৰ সলনি অথবা অজ্ঞাত কোনো বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা পদবোৰেই হ'ল সর্বনাম। যেনে ঃ "নগেনৰ ঘৰলৈ গৈছিলোঁ। তেওঁক লগ নাপালো। তেওঁৰ দেউতাকে আমাক কাইলৈ যাবলৈ কৈছে।" এই বাক্যকেইটাত 'নগেন' বিশেষ্য পদৰ সলনি 'তেওঁক' আৰু 'তেওঁৰ' সর্বনাম পদৰ প্রয়োগ হোৱাত বিশেষ্য পদটো বাৰে বাৰে প্রয়োগ কৰিবলগীয়া হোৱা নাই আৰু বাক্যকেইটা শুনিবলৈ শুৱলা হৈছে।

অসমৰ তিব্বত-বর্মীয় ভাষাসমূহত সর্বনাম শব্দ আৰু সর্বনাম মূলেৰে গঠিত সর্বনামীয়

শব্দৰ বহুল প্রয়োগ মনকৰিবলগীয়া। তিব্বত-বর্মীয় ভাষাসমূহত ক্রিয়াৰ বাহিৰে সকলো ধৰণৰ নামপদ আৰু ক্রিয়া বিশেষণ পদত সর্বনামীয় শব্দৰ প্রয়োগ হয়। এই অধ্যায়ত ৰূপতত্ত্বৰ এই বিশেষ অংগ সর্বনাম শব্দৰ গঠন আৰু প্রয়োগৰ লগতে ইয়াৰ তুলনামূলক আলোচনা কৰা হ'ব।

৮.৩ অসমীয়া আৰু তিব্বত-বর্মীয় সর্বনাম শব্দৰ গঠন আৰু প্রয়োগ

অসমীয়া ভাষাৰ সর্বনাম শব্দৰ গঠন আৰু প্রয়োগ ঃ

অসমীয়া ভাষা ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তর্গত যোগাত্মক ভাষা। আর্যমূলীয় অসমীয়া ভাষাৰ সর্বনাম শব্দবোৰ নাম পদৰ সলনি বা বিশেষ্য সলনি ব্যৱহাৰ কৰা হয়। বাক্যত কোনোবা অজ্ঞাত ব্যক্তি বা নাম নজনা ব্যক্তিক বুজাবলৈ আৰু পূর্বে উল্লিখিত নামপদৰ সলনি সর্বনাম পদ ব্যৱহাৰ কৰা হয়। যেনে—

মানুহজন আহিছিল। তেওঁ আপোনাক মাতি গৈছে। তেওঁৰ লগত ঘৈণীয়েকো আহিছিল।

এই বাক্যটিত 'মানুহজন' অজ্ঞাত বিশেষ্য পদটিৰ বিষয়ে বক্তাই নাজানে। হ'লেও বক্তাই নাম নজনা অজ্ঞাত বিশেষ্যৰ সলনি সর্বনাম পদ ব্যৱহাৰ কৰি সুন্দৰভাৱে মনৰ ভাব ব্যক্ত কৰিছে।

অসমীয়া ভাষাৰ সর্বনাম শব্দত প্রত্যয়-বিভক্তি লগ লাগে। বিশেষ্য আৰু সর্বনাম ভিন্ন পদ হ'লেও সর্বনাম শব্দত বচনবাচক প্রত্যয়, লিংগবাচক প্রত্যয়, কাৰক বিভক্তি আৰু পৰসর্গ যোগৰ ক্ষেত্রত বিশেষ্য আৰু সর্বনাম পদৰ মাজত ভালেমান সাদৃশ্য আছে। যেনে—

বচন ঃ তেওঁলোক, সিহঁত, কোনবিলাক আদি।

লিংগ ঃ সিজনী, যিজনী, যিজন আদি।

নির্দিষ্টতাবাচক প্রত্যয় ঃ যিখন, সেইপাট, সৌডাল আদি।

বিভক্তি আৰু পৰসর্গ ঃ তোমালৈ, তেওঁৰ দ্বাৰা, তোক আদি কাৰক বুজোৱা ৰূপৰ দৰে জোৰ বুজোৱা প্রত্যয়ে বিশেষ্য পদৰ পাছত ব্যৱহাৰ হোৱাৰ দৰে সর্বনাম পদৰ পাছতো লগ লাগে। যেনে— ময়ো, সিতো, সিও আদি।

অসমীয়া ভাষাৰ সর্বনাম পদবোৰক অর্থৰ ওপৰত ভিত্তি কৰি সাতটা ভাগত ভাগ কৰা হৈছে। ভাগবোৰ হ'ল—

১। ব্যক্তিবাচক সর্বনাম

২। নির্দেশবাচক সর্বনাম

৩। সাকল্যবাচক সর্বনাম

৪। সঙ্গতিসূচক বা সম্বন্ধবাচক সর্বনাম

৫। অনিশ্চয়তা বা অনির্দিষ্টতাবাচক সর্বনাম

৬। প্রশ্নবোধক সর্বনাম

৭। আত্মবাচক সর্বনাম

১। ব্যক্তিবাচক সর্বনাম ঃ অসমীয়া ভাষাৰ সর্বনাম পদবোৰ তিনিটা পুৰুষত পোৱা যায়। তিনিটা পুৰুষ অনুযায়ী সর্বনাম পদ তিনি প্রকাৰৰ ঃ

প্রথম পুৰুষ (মই, আমি)

দ্বিতীয় পুৰুষ (তই, তুমি, আপুনি)

তৃতীয় পুৰুষ (সি, তাই, তেওঁ, তেখেত)

প্রথম পুৰুষৰ বাহিৰে দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনামৰ তুচ্চ, মান্য আৰু অধিক মান্য ৰূপ আছে। অর্থগত দিশৰ পৰা দ্বিতীয় পুৰুষৰ অধিক মান্যার্থৰ ৰূপ 'আপুনি' সর্বনামটো নিঃসন্দেহে দ্বিতীয় পুৰুষৰে সর্বনাম। কিন্তু আপুনি সর্বনামৰ ক্রিয়াপদত তৃতীয় পুৰুষৰ ক্রিয়া-বিভক্তি -এ যুক্ত হয় কাৰণে বাক্য বিন্যাসগত দিশৰপৰা ই তৃতীয় পুৰুষতহে পৰে। যেনে ঃ

সি পঢ়িছে

আপুনি পঢ়িছে।

২। নির্দেশবোধক সর্বনাম ঃ কোনো বস্তু বা প্রাণীৰ দূৰত্ব নির্দেশ কৰা সর্বনামবোৰেই হ'ল নির্দেশবোধক সর্বনাম। দূৰত্ব অনুযায়ী এই সর্বনাম দুইবিধ ঃ (ক) নিকটস্থ নির্দেশক আৰু (খ) দূৰস্থ নির্দেশক।

ক) নিকটস্থ নির্দেশবোধক সর্বনাম ওচৰত থকা কোনো প্রাণী বা বস্তুৰ সলনি ব্যৱহাৰ হয়। যেনে— এই, এয়া, এইটো, এইবাৰ এনে সর্বনাম চাৰিটা ঃ সেই, সেইয়া, সৌ, সৌৱা।

খ) দূৰস্থ নির্দেশক সর্বনামে দূৰত থকা কোনো প্রাণী বা বস্তুৰ সলনি ব্যৱহাৰ হয়।

৩। সাকল্যবাচক সর্বনাম ঃ বহুতো প্রাণী বা বস্তুৰ নামৰ সলনি ব্যৱহৃত সর্বনামবোৰেই হ'ল সাকল্যবাচক সর্বনাম। অসমীয়া এনে সর্বনাম সাতোটা ঃ সকলো, সমূহ, উভয়, আটাই, গোটেই, সব আৰু সদৌ।

৪। সঙ্গতিসূচক বা সম্বন্ধবাচক সর্বনাম ঃ বাক্যত বহি আন নামপদৰ লগতে সম্বন্ধ বা সঙ্গতি বুজোৱা সর্বনামবোৰেই হ'ল সঙ্গতিবাচক সর্বনাম। অসমীয়াত এনে সর্বনাম দুটা ঃ সি আৰু যিহ। সি প্রাণীবাচক-অপ্রাণীবাচক সকলো শব্দৰ লগত আৰু যিহ কেৱল অপ্রাণীবাচক ৰূপৰ ক্ষেত্রত ব্যৱহৃত হয়।

৫। অনিশ্চয়তা বা অনির্দিষ্টতাবাচক সর্বনাম ঃ অনিশ্চয় বা অনির্দিষ্ট কোনো প্রাণী বা বস্তুৰ সলনি ব্যৱহাৰ হোৱা সর্বনামবোৰেই অনির্দিষ্টতাবাচক সর্বনাম। অসমীয়াত এনে সর্বনাম ঘাইকৈ চাৰিটা ঃ একো, কেও/কেৰে, কোনো আৰু কোনোবা।

৬। প্রশ্নবোধক সর্বনাম ঃ প্রশ্ন সুধিবলৈ ব্যৱহাৰ কৰা সর্বনামবোৰেই প্রশ্নবোধক সর্বনাম। অসমীয়াত এনে সর্বনাম তিনিটা ঃ কি, কিহ আৰু কোন।

কাৰক অনুযায়ী এনে সর্বনামৰ প্রয়োগ এনে ধৰণৰ হয় ঃ

কর্তা ঃ কি, কিহে, কোনে	কিবোৰ, কোনবোৰ
কর্ম ঃ কাক, কিহক	কিবোৰক, কোনবোৰক
কৰণ ঃ কাৰ দ্বাৰা, কিহৰ দ্বাৰাৰ	কিবোৰ দ্বাৰা দ্বাৰা, কোনবোৰৰ

৭। আত্মবাচক সর্বনাম ঃ নিজক বুজোৱা সর্বনামবোৰেই হ'ল আত্মবাচক সর্বনাম। অসমীয়া ভাষাত এনে সর্বনাম তিনিটা ঃ নিজ, স্বয়ং আৰু আপোন/আপুনি। এই সর্বনাম তিনিটাৰ

ভিতৰত কেৱল নিজটোহে বিভিন্ন কাৰক অনুযায়ী ৰূপ কৰিব পাৰি; বচন অনুযায়ী ৰূপ কৰিলে দ্বিত্ব হৈ যায়। যেনে ঃ নিজে নিজে। স্বয়ং আৰু আপোন/আপুনি একোটা বিশেষ পৰিৱেশত একবচনতহে ব্যৱহৃত হয়। যেনে ঃ তেওঁ স্বয়ং সভাত উপস্থিত আছিল।

এই সাতটা সর্বনামৰ উপৰিও অসমীয়া ভাষাত ক্রিয়াৰ স্থান, কাল আৰু ধৰণ বুজোৱা আৰু প্রাণী বা বস্তুৰ গুণ, পৰিমাণ আদি বুজোৱা কিছুমান সর্বনাম পদ আছে। যেনে—

ক) ইয়াত, তাত, কেতিয়া, যেতিয়া, এনেকৈ, তেনেকৈ

খ) এনে, এনেকুৱা, তেনে, তেনেকুৱা, ইমান, তিমান ইত্যাদি।

অসমীয়া ভাষাত কেতিয়াবা দুটা ভিন্ন শ্রেণীৰ সর্বনাম পদ যোৰ পাতি ব্যৱহাৰ কৰা হয়। এনে সর্বনামক যুৰীয়া সর্বনাম বুলি ক'ব পাৰি। সাধাৰণতে তৃতীয় পুৰুষৰ সর্বনাম সি-ৰ তীর্যক ৰূপ তা, সর্বনামবাচক সর্বনাম যি -ৰ তীর্যক ৰূপ যা- আৰু অন্য (বিশেষণ) সর্বনামৰ পৰা হোৱা আ-ৰ পাছত কে বা ক ব্যৱহাৰ কৰি সেই সর্বনামবোৰ যোৰ পাতি ব্যৱহৃত হয়। যেনে—

যাকে তাকে কথা খুলি নকবা।

আক-তাক সুধি ঘৰটো বিচাৰি উলিয়ালোঁ।

মুখখন থাকিলে বুলি যিহকে তিহকে নক'বা ইত্যাদি।

অসমীয়া ভাষাত কিছুমান সর্বনাম বিশেষণ হিচাপে ব্যৱহৃত হয়। সাধাৰণতে প্রথম আৰু দ্বিতীয় পুৰুষৰ সর্বনামৰ বাহিৰে কিছুমান সর্বনাম বিশেষ্যৰ আগত বিশেষণৰ দৰে ব্যৱহাৰ হয়। বিশেষণৰ দৰে ব্যৱহাৰ হ'লে সর্বনামৰ পিছত কাৰক বিভক্তি যোগ নহৈ বিশেষিত পদ অর্থাৎ বিশেষণ ৰূপ লোৱা সর্বনাম পদৰ পাছতহে যোগ হয়। যেনে—

সেই ল'ৰাজনৰ; সেইজন ল'ৰাৰ

যিবোৰ জন্তুক; এইবিলাক বহী

কোনো কোনো সাহিত্যিক ইত্যাদি।

তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দ ঃ

তিব্বত-বর্মীয় ভাষাসমূহৰ বিশেষকৈ বড়োবর্গীয় ভাষাসমূহৰ সর্বনাম আৰু সর্বনাম মূলেৰে নির্মিত সর্বনামীয় শব্দৰ বিশিষ্ট প্রয়োগ আছে। তিব্বত-বর্মীয় ভাষাসমূহত সর্বনামীয় শব্দই কেৱল যে সর্বনাম পদতহে প্রয়োগ হয় এনে নহয়; ক্রিয়াৰ বাহিৰে সকলো ধৰণৰ নামপদ আৰু ক্রিয়া বিশেষণ পদত ইয়াৰ ব্যৱহাৰ হয়। কেতিয়াবা সর্বনাম পদ ক্রিয়া বিশেষণৰ দৰে প্রয়োগ হয় আৰু অব্যয় পদৰ গঠনত সর্বনাম মূলে গুৰুত্বপূর্ণ ভূমিকা লয়। ইয়াৰে তিব্বত-বর্মীয় ভাষাসমূহত সর্বনাম মূলে পূর্বসর্গৰ দৰে প্রয়োগ গৈ শব্দ সাধনো কৰিব পাৰে।

তিব্বত-বর্মীয় ভাষাত শ্রোতা-অন্তর্ভুক্ত আৰু শ্রোতা বহির্ভুক্ত ৰূপৰ মাজত পার্থক্যবোৰ, দ্বিবচনৰ লিংগভেদে সর্বনামৰ বিশিষ্টতা আদি পৰিবর্ধিত ৰূপত লাভ কৰা তিব্বত-বর্মীয় ভাষাসমূহৰ অন্যতম লক্ষণ। তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ গঠনৰ ক্ষেত্রত থকা এই লক্ষণ বা বৈশিষ্ট্যৰাজি মূল তিব্বত-বর্মীয় ভাষাৰ পৰা আহৰিত নহয় বুলি বিবেচিত হৈছে।

তিব্বত-বর্মীয় ভাষাত সর্বনাম মূল মাত্রেই সাধাৰণতে একক প্রাকৃতিৰ আৰু একাক্ষৰিক

হয়। প্রায়বোৰ সর্বনাম মূলেই মূল ভাষাৰ পৰা বিকশিত হোৱা আৰু ইহঁতৰ স্বতন্ত্র প্রয়োগ হয়। বচনবাচক বা কাৰকবাচক সর্গ যুক্ত হ'লে সর্বনাম মূলটোৰ সংকোচন নতুবা আশিংক ধ্বনি বিচ্যুতি ঘটে বাবে ইহঁতৰ তীর্যক ৰূপৰ দৰে প্রয়োগ হয়।

তিব্বত-বর্মীয় ভাষাত বহুবচন ৰূপৰ লগত পুনৰ অইন এটা বহুবচনবাচক প্রত্যয় লগ লাগি দ্বিত্ব বহুবচনৰ দৰে প্রয়োগ হোৱা দেখা যায়। যেনে ঃ বডো ভাষাৰ জু'ংফু'ৰ, ৰাভা ভাষাৰ চিংবিজান (আমিবোৰ) আদি।

তিব্বত-বর্মীয় ভাষাসমূহত দ্বিবচন বুজোৱা বেলেগ স্বতন্ত্র সর্বনাম মূল নাই যদিও বহুবচনৰ ৰূপৰ লগত 'দুয়ো' অর্থাৎ বর্গকর্তাৰ লগত একক প্রয়োগ হোৱা দ্বিসংখ্যাবাচক শব্দৰ যোগ দিলে দ্বিবচনৰ অর্থ ওলায়। যেনে ঃ ৰাভা-নাৰং কামিং (তোমালোক দুয়ো), গাৰো ঃ উৱাৰাং ছাকনিং 'সিহঁত দুয়ো', বৰো-জু'ং ছানৈ 'আমি দুয়ো' আদি।

তিব্বত-বর্মীয় ভাষাত অব্যক্তিবাচক সর্বনামৰ অন্যতম বৈশিষ্ট্য হৈছে ইয়াৰ নির্দেশক ৰূপ। নির্দেশক ৰূপ বুলিলে ঘাইকৈ (ক) নিকটৱর্তী, (খ) দূৰৱর্তী আৰু (গ) অধিক দূৰৱর্তী এই তিনিটা স্থান নির্দেশক ৰূপকে বুজায় যদিও দেউৰী, ৰাভা আৰু তিৱা আদি তিব্বত-বর্মীয় ভাষাত (ঘ) অধিক নিকটৱর্তী অর্থতো কিছুমান আছুতীয়া সর্বনামৰো প্রয়োগ হয়। তুলনামূলক অধ্যয়নৰ দ্বাৰা ভাষাতাত্ত্বিকসকলে দেখুৱাইছে যে- অধিক নিকটৱর্তী বা দূৰৱর্তী ৰূপটো সাধাৰণ নিকটৱর্তী বা দূৰৱর্তী ৰূপটোৰ হয় মুক্তাক্ষৰ বৃদ্ধি হয় নহ'লে আদ্য আগম হয় অথবা একেলগে দুয়োটাই ঘটে। উদাহৰণ- ৰাভা ঃ এ >হে, তিৱা ঃ ই/এ>হে, দেউৰী ঃ ই/এ>হে।

নির্দেশবাচক সর্বনামসমূহ সাধাৰণতে তৃতীয় পুৰুষত প্রয়োগ হয়। এই সর্বনামসমূহে ব্যক্তি, অব্যক্তি, কাল, দিশ, পৰিমাণ, গুণ বুজোৱা অনুসর্গ বা শব্দাংশৰ লগত সংযুক্ত হৈ সর্বনামীয় শব্দ নতুবা অব্যয়মূলক বাক্যাংশ গঠন কৰে আৰু বিশেষণ নতুবা ক্রিয়া বিশেষণৰ দৰে প্রয়োগ হয়। সেইদৰে নির্দেশবাচক সর্বনাম মূলৰ লগত প্রশ্নবাচক, সম্পর্কবাচক/চর্তবাচক, সংযোজক/তুলনাবাচক আদি পূর্বসর্গ লগ লাগিব পাৰে। অসমৰ তিব্বত-বর্মীয় বড়োমূলীয় ভাষাসমূহতো এই বৈশিষ্ট্য কম-বেছি পৰিমাণে দেখা যায়। তিব্বত-বর্মীয় ভাষাত নির্দেশবাচক সর্বনামসমূহৰ লগত প্রাণী-অপ্রাণী, ব্যক্তি-অব্যক্তি আৰু মান্য-তুচ্ছ ভেদে ভিন্ ভিন্ বচনবাচক প্রত্যয় লগ লাগে। নির্দেশবাচক সর্বনামসমূহৰো অইন সম্পর্কবাচক বা প্রশ্নবাচক সর্বনামসমূহৰ নিচিনাকৈ ৩য় পুৰুষৰ ব্যক্তিবাচক সর্বনামৰ দৰে ৰূপ-সাধন আৰু শব্দ-সাধন হ'ব পাৰে।

তিব্বত-বর্মীয় ভাষাসমূহত কেতিয়াবা ভিন্ ভিন্ পদত বিশেষকৈ ক্রিয়া-বিশেষণৰ দৰে আৰু অব্যয়ৰ নিচিনাকৈ প্রয়োগ হয়। যেনে ঃ বডো ভাষাত মাবা-মাবি 'কিবা-কিবি', মানু'থে 'কি দৰকাৰ'।

প্রায়বোৰ তিব্বত-বর্মীয় ভাষাই কম-বেছি প্রত্যয়সিদ্ধ হোৱা হেতুকে সর্বনামসমূহতো কাৰক বিভক্তি একোটা লগ লগাব লাগে। অৱশ্যে অন্যান্য বিশেষ্য শব্দৰ নিচিনাকৈ এইবোৰ বিভক্তি সর্বনামসমূহৰ লগত পোনপটীয়াকৈ লগ নালাগি তির্যক ৰূপ একোটাৰ লগতহে লগ লাগে।

তিব্বত-বর্মীয় ভাষাত সর্বনামসমূহৰ শব্দ সাধনত বিশেষ ভূমিকা আছে যদিও বৰো,

গাৰো আদি ভাষাত সম্বন্ধবাচক শব্দ-সাধনৰ বাহিৰে অন্যান্য বিশেষ্য শব্দৰ সাধনত একমাত্র তৃতীয় পুৰুষৰ ৰূপটোৱহে সর্গৰ দৰে প্রয়োগ হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া ভাষাৰ সর্বনাম শব্দবোৰক ভিত্তি কৰি কেইটা ভাগত ভাগ কৰা হৈছে আৰু কি কি ? চমুকৈ আলোচনা কৰক। (১০০টা শব্দৰ ভিতৰত)

.....

প্রশ্ন নং ২ ঃ তিব্বত-বর্মীয় যি কোনো এটা ভাষাৰ সর্বনামসমূহৰ তালিকা কৰি দেখুৱা।

.....

৮.৪ অসমীয়া আৰু তিব্বত-বর্মীয় সর্বনাম শব্দৰ তুলনা

তিব্বত-বর্মীয় ভাষাসমূহৰ বিশেষকৈ বড়োবর্গীয় ভাষাসমূহৰ মাজত আর্যমূলীয় অসমীয়া ভাষাই উদ্ভৱ কালৰেপৰা সাগৰৰ মাজত থকা এটা দ্বীপৰ দৰে সহাৱস্থান কৰি আছে। যুগ যুগ ধৰি স্বকীয় গুণসম্পন্ন ভিন্নমূলীয় ভাষাই একেটা ভৌগোলিক পৰিমণ্ডলত বিকশিত হোৱা হেতুকে পৰস্পৰে পৰস্পৰৰ ভাষিক উপাদানৰ দ্বাৰা প্রভাৱিত হৈছে আৰু উভয় ভাষাই বৈচিত্র্যময় হৈ উঠিছে। এই পাৰস্পৰিক প্রভাৱ ৰূপগত উপাদান হিচাপে সর্বনাম আৰু সর্বনামীয় শব্দসমূহতো বাৰুকৈয়ে পৰিলক্ষিত হৈছে। এই বিষয়ে তিব্বত-বর্মীয় ভাষা-সাহিত্য-সংস্কৃতি গৱেষক ড° উপেন ৰাভা হাকাচামে তেওঁৰ গ্রন্থত বিস্তৃতভাৱে আলোচনা কৰিছে। তাৰ আঁত ধৰি অসমীয়া আৰু তিব্বত-বর্মীয় ভাষা, অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ তুলনামূলক আলোচনা আগবঢ়োৱা হ'ল।

১। আর্যমূলীয় অসমীয়া আৰু তিব্বত-বর্মীয় বড়ো ভাষাসমূহৰ সর্বনাম শব্দৰ ক্ষেত্রত থকা উমৈহতীয়া বৈশিষ্ট্যৰাজি নিম্নল্লিখিত ধৰণৰ—

ক) সর্বনামৰ ব্যক্তি-অব্যক্তিৰ ধাৰণা আৰু একোটা মূলে সুকীয়া সুকীয়া প্রত্যয়যোগে বিভিন্ন ৰূপ ধাৰণ।

খ) অইন সমার্থক সর্বনামৰ লগতে একত্রে প্রয়োগ হ'লে নিজত্ববাচক (Reflexive) বোধ।

গ) সর্গ যোগে নির্দিষ্টতা-অনির্দিষ্টতা আৰোপ।

ঘ) দূৰ-নিকট, প্রশ্ন, সম্পর্ক ইত্যাদি অর্থজ্ঞাপক সর্বনাম মূলৰ প্রয়োগ।

ঙ) আকৃতি, প্রকৃতি, পৰিমাণ, কাল আৰু স্থানবাচক সর্বনামীয় সর্গৰ প্রয়োগ।

চ) অইন, নিজ, সমষ্টি আদি বুজোৱা ভিন্ ভিন্ মূলৰ প্রয়োগ আৰু

ছ) অব্যয়বাচক বাক্যাংশ গঠনত সর্বনামৰ অপৰিহার্যতা।

অসমীয়া ভাষাত সীমিত সংখ্যক সর্বনামমূলৰ পৰাই প্রত্যয় বা সমষ্টিবাচক শব্দ যোগে

বহুবচন সাধন, একেটা মূলতে বিভিন্ন শব্দৰ বিভক্তিৰ দ্বাৰা কাৰক-সাধন, সংখ্যাবাচক বা পৰিমাণবাচক শব্দাংশ যোগে দ্বি, ত্রি, বহু আৰু অল্পতাসূচক ৰূপৰ লগত বিভিন্ন বচনৰ ধাৰণা, সর্বনামৰ লিংগভেদ থকা সত্ত্বেও প্রয়োগত লিংগ ব্যাকৰণসিদ্ধ নোহোৱা, বিশেষ্যবাচক পৰসর্গ আৰু বর্গকর্তাৰ লগত পূর্বসর্গৰ দৰে সর্বনামৰ প্রয়োগ আৰু অব্যয়বাচক বাক্যাংশ গঠনত সর্বনাম মূলৰ ভূমিকা ইত্যাদিৰে অসমীয়া ভাষা বৈচিত্র্যমণ্ডিত। অসমীয়া সর্বনামীয় শব্দৰ অন্যতম বৈশিষ্ট্য হৈছে— অনির্দিষ্ট অর্থত প্রয়োগ হোৱা {-বা-} প্রত্যয় (মধ্যসর্গ?); যিটো সংস্কৃত 'ৱা' অনুপদৰ সৈতে সম্পর্কান্বিত। তিব্বত-বর্মীয় বডো ভাষাসমূহতো একে অর্থতে আৰু একে ধৰণে {-বা-~-বু'} মধ্যসর্গৰ প্রয়োগ আছে। এয়া পাৰস্পৰিক প্রভাৱৰ ফলত গঢ় লোৱা।

তিব্বত-বর্মীয় ভাষাসমূহত সর্বনাম মূল মাত্রেই সাধাৰণতে একক প্রাকৃতিৰ আৰু একাক্ষৰিক হয়। প্রায়বোৰ সর্বনাম মূলেই মূল ভাষাৰ পৰা বিকশিত হোৱা আৰু ইহঁতৰ স্বতন্ত্রভাৱে প্রয়োগ হয়। অন্যান্য সর্গ— (বচনবাচক বা কাৰকবাচক) যুক্ত হ'লে সর্বনাম মূলটোৰ সংকোচন নতুবা আংশিক ধ্বনি বিচ্যুতি ঘটে বাবে ইহঁতৰ তির্যক ৰূপৰ দৰে প্রয়োগ হয়। অসমীয়া ভাষাৰ সর্বনাম মূল মাত্রে যদিও তিব্বত-বর্মীয় ভাষাৰ দৰে একক প্রাকৃতিৰ আন একাক্ষৰিক নহয় তথাপি এইসমূহৰ প্রয়োগত তিব্বত-বর্মীয়ৰ সৈতে যথেষ্ট সাদৃশ্য আছে।

তিব্বত-বর্মীয় ভাষাৰ দৰে অসমীয়া ভাষাতো বহুবচনৰ সাধনত সর্বনাম মূলৰ তাৎপর্যপূর্ণ ভূমিকা আছে। বডোবর্গীয় ভাষাসমূহৰ দৰে অসমীয়া ভাষাতো প্রথম পুৰুষৰ একবচন আৰু বহুবচনৰ বাবে দুটা পৃথক আৰু স্বতন্ত্র মূলৰ প্রয়োগ হয়। তদুপৰি কেতিয়াবা বড়োবর্গীয় আৰু অসমীয়া উভয় ভাষাতে বহুবচনৰ ৰূপৰ লগত পুনৰ অইন এটা বহুবচনবাচক প্রত্যয় লগ লাগি দ্বিত্ব বহুবচনৰ দৰে প্রয়োগ হোৱাও দেখা যায়। অসমীয়া ভাষাৰ আমিবোৰ/আমালোক আদিৰ সমার্থকভাৱে বড়োমূলীয় ভাষাসমূহতো জু'ংফু'ৰ (বৰো), চিংবিজান (ৰাভা) আদিৰ প্রয়োগ দেখা যায়।

অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাতে সততে দেখা বৈসাদৃশ্যৰাজিৰ ভিতৰত অন্যতম হ'ল— আর্যমূলীয় ভাষা হিচাপে অসমীয়াত তৃতীয় পুৰুষৰ পুং, স্ত্রী আৰু ক্লীৱ বুজোৱা আৰু দ্বিতীয় আৰু তৃতীয় পুৰুষৰ মান্য, তুচ্ছ আৰু সাধাৰণ অর্থ বুজোৱা বেলেগ বেলেগ মূলৰ প্রয়োগ আছে; কিন্তু তিব্বত-বর্মীয় ভাষাসমূহৰ সর্বনাম মূলটো সম্ভ্রম আৰু লিংগ নিৰপেক্ষ ভাৱেহে প্রয়োগ হয়। অৱশ্যে বডো আৰু কার্বি ভাষাত যথাক্রমে -থাং আৰু -লি প্রত্যয় যোগে দ্বিতীয় আৰু তৃতীয় পুৰুষৰ সর্বনামত সম্ভ্রম -ভাৱ অর্থাৎ মান্যতা প্রদান কৰা হয়।

অসমীয়াত দ্বিবচন বুজোৱা বেলেগ স্বতন্ত্র সর্বনাম-মূল নাই যদিও বহুবচনৰ ৰূপৰ লগত 'দুয়ো' অর্থাৎ বর্গকর্তাৰ লগত একত্র প্রয়োগ হোৱা দ্বি-সংখ্যাবাচক শব্দ যোগ দিলে দ্বি-বচনৰ অর্থ ওলায়। তিব্বত-বর্মীয় ভাষাসমূহতো এই ৰীতিৰ প্রচলন আছে। উদাহৰণ- ৰাভা ঃ নাৰং কামিং 'তোমালোক দুয়ো', গাৰো ঃ উৱাৰাং ছাকনিং 'সিহঁত দুয়ো' ইত্যাদি।

অব্যক্তিবাচক সর্বনামৰ অন্যতম বৈশিষ্ট্য হৈছে ইয়াৰ নির্দেশক ৰূপ। নির্দেশক ৰূপ বুলিলে ঘাইকৈ (ক) নিকটৱর্তী, (খ) দূৰৱর্তী আৰু (গ) অধিক দূৰৱর্তী— এই তিনিটা স্থান

নির্দেশক ৰূপকে বুজায় যদিও দেউৰী, ৰাভা আৰু তিৰা আদি তিব্বত-বর্মীয় ভাষাত (ঘ) অধিক নিকটৱর্তী অর্থতো কিছুমান আছুতীয়া সর্বনামৰ প্রয়োগ হয়। উদাহৰণ— অসমীয়া ই, এওঁ, এই আদি নিকটবাচক ৰূপৰ লগত স-/ত- পূর্বসর্গ যোগে যথাক্রমে সি, তেওঁ, সেই দূৰবাচক সর্বনাম গঠন হোৱাৰ দৰে তিব্বত-বর্মীয় কার্বি ভাষাত আলাবাংছ'/লাবাংছ' 'এইটো'— হালাবাংছ', 'সেইটো' আৰু বৰো ভাষাত উ'-জু'ং 'এইফালে'ৰ বিপৰীতে হু'জু'ং 'সেইফালে' আদি ৰূপসমূহত হ-আদ্য আগমে দূৰবাচক সর্বনামৰ কাম কৰিছে। এয়া পাৰস্পৰিক প্রভাৱৰ ফলশ্রুতিতেই সম্ভৱ হৈছে।

নির্দেশবাচক সর্বনামসমূহৰ সাধাৰণতে তৃতীয় পুৰুষত প্রয়োগ হয় আৰু ইহঁতে ব্যক্তি, অব্যক্তি, কাল, দিশ, পৰিমাণ, গুণ বুজোৱা পৰসর্গ বা শব্দাংশৰ লগত সংযুক্ত হৈ সর্বনামীয় শব্দ নতুবা অব্যয়মূলক বাক্যাংশ গঠন কৰে আৰু বিশেষণ নতুবা ক্রিয়া বিশেষণৰ দৰে প্রয়োগ হয়। সেই দৰে নির্দেশবাচক সর্বনাম মূলৰ লগত প্রশ্নবাচক, সম্পর্কবাচক/চর্তবাচক, সংযোজক/তুলনাবাচক আদি পূর্বসর্গ মূলৰ লগত প্রশ্নবাচক সম্পর্কবাচক/চর্তবাচক, সংযোজক/তুলনাবাচক আদি পূর্বসর্গ লগ লাগিব পাৰে। আর্য ভাৰতীয় ভাষা অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাতো এই বৈশিষ্ট্য কম-বেছি পৰিমাণে পোৱা যায়।

অসমীয়া প্রভৃতি আর্যভাৰতীয় ভাষাসমূহত সম্পর্কবাচক আৰু সংযোজক সর্বনাম যোগে জটিল বাক্যত দুটা সর্বনামৰ সম্পর্ক স্থাপন কৰা হয়। অসমীয়াত ইয়াৰ মূল যা- <OIA যা (AFD, Sec. 690) বুলি ধৰা হয় যদিও যি, যোনে (ব্যক্তি), যিহ (অব্যক্তি/ক্লীৱ) আৰু অন্যান্য সম্পর্কবাচক সর্বনামীয় ৰূপত পোৱা যি~যো~যে~যা~য' আদিত কেৱল য-হে পূর্বসর্গৰ দৰে (S.A. Sec. 8. 3214) নিকট নির্দেশক সর্বনাম-মূলৰ লগত সংযুক্ত হৈ সাধন হৈছে। তিব্বত-বর্মীয় ভাষাসমূতো বিশেষকৈ বৰোবর্গীয় দেউৰী, বডো, গাৰো, ৰাভা আদি ভাষাত যা- /যে-সর্বনাম-মূলৰ প্রয়োগ পোৱা যায়। উদাহৰণ- দেউৰী ঃ জি-বা 'যি, যিটো, যিজন', গাৰো ঃ জে-বা 'যিবা', জেখো 'যাক', জে-খাই 'যেনে'।

সম্পর্কবাচক য-ৰ পৰিপূৰকভাৱে অসমীয়া বা আন আর্যভাৰতীয় ভাষাসমূহত ত-ৰ প্রয়োগ হয় যাৰ মূল দূৰনির্দেশত পূর্বসর্গ (S.A., Sec. 8. 3212)। সাধাৰণতে সর্বনামৰ দুটাৰ তুলনা কৰিব লাগিলে নতুন বাক্যত চর্ত আৰোপ কৰিলে এনে সর্বনামীয় শব্দৰ প্রয়োগ হয়। বাক্যত ইহঁতৰ অকলে প্রায়ে প্রয়োগ নহয় আৰু সদায় সম্পর্কবাচক সর্বনামৰ সৈতে যুৰীয়াভাৱে প্রয়োগ হয়। যেনে- যা....তা (তুলনীয় যি....সি), যেতিয়া....তেতিয়া ইত্যাদি। অৱশ্যে ক্রিয়া বিশেষণ বা অব্যয়ৰ দৰে প্রয়োগ হোৱা তেওঁ, তাহানি, তাতকৈ, তেনেতে, তেনেহ'লে আদি ৰূপে বাক্যত অকলেও প্রয়োগ হ'ব পাৰে। বডোবর্গীয় ভাষাসমূহতো দূৰ নির্দেশক সর্বনাম-মূলেৰে নির্মিত ৰূপসমূহে চর্তসাপেক্ষতা বা তুলনাবাচক সর্বনামৰ লগত যুৰীয়াভাৱে বা অকলে প্রয়োগ হয়। উদাহৰণ— দেউৰী ঃ বা-কাং 'তেনে ধৰণে', বা-চ্চা 'সিমানখিনি', বিছিলাই 'সিমান', গাৰো ঃ ও-ন্দাকে 'তেনেকৈ'।

তিব্বত-বর্মীয় ভাষাৰ সর্বনামৰ অন্যতম বৈশিষ্ট্য হৈছে কালবাচক সর্বনাম মূলৰ উপস্থিতি।

একেটা কালবাচক মূলৰ লগত ভিন্ ভিন্ সর্গ বা শব্দাংশ যোগে বিভিন্ন কালবাচক ক্রিয়া-বিশেষণৰ গঠন হয়। কিন্তু অসমীয়াত হ'লে এনে উমৈহতীয়া মূলৰ অভাৱ; যিহেতু বেছিভাগ অসমীয়া কালবাচক শব্দ মূল সংস্কৃতৰ পৰা অহা। আজি, কালি, পৰহি আদি মৌলিক শব্দৰ উপৰিও অহাবেলি, যোৱাবেলি (আৰু বেলি), তেওজবেলি (আৰু তেওজবেলি), এইবেলি আদি সাধিত শব্দৰ দ্বাৰাও অসমীয়াত কালবাচক অর্থ বুজোৱা হয়। অৱশ্যে এতিয়া, কেতিয়া, তেতিয়া, কাহানি, তাহানি, অথনি, এথোন আদি সর্বনামীয় শব্দত পোৱা -ত/ -থ/ -হ/ -স আদি অক্ষৰৰ সৈতে তিব্বত-বর্মীয় ত-/দ-/চ-/পি সর্বনাম-মূলৰ সাদৃশ্য মন কৰিবলগীয়া।

অসমীয়া আৰু ইয়াৰ প্রতিবেশী তিব্বত-বর্মীয় ভাষাসমূহত আত্মবাচক আৰু সমষ্টিবাচক সর্বনামৰ দৰে প্রয়োগ হোৱা কেতবোৰ ভিন্নমূলীয় শব্দ পোৱা যায়; যি অকলে নতুবা অইন ব্যক্তিবাচক আৰু অইন ব্যক্তিবাচক আৰু নির্দেশবাচক সর্বনামৰ লগত একেলগে বহি বাক্যত ব্যৱহৃত হয়। অসমীয়া ভাষাতো এই বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। অসমীয়া ভাষাত প্রয়োগ হোৱা নিজ <OIA নিজ আৰু আপোন/আপুনি <OIA আত্মন্ (AFD, Sec. 702) আত্মবাচক সর্বনাম দুটাৰ সমার্থকভাৱে বৰোত গাও/গাগায়, ৰাভাত-কাকোং/কাকায় শব্দৰ প্রয়োগ হয়। এয়া উভয় ভাষাৰ পাৰস্পৰিক প্রভাৱৰ ফল।

সর্বনামমূলীয় শব্দসমূহৰো অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাতে কেতিয়াবা ভিন্ ভিন্ পদত বিশেষকৈ ক্রিয়া-বিশেষণৰ দৰে আৰু অব্যয়ৰ নিচিনাকৈ প্রয়োগ হয়। অব্যয়ৰ সমতুল্য সর্বনামীয় শব্দসমূহৰ প্রয়োগ বড়োবর্গীয় ভাষাসমূহতো একেবাৰে নথকা নহয়। উদাহৰণ— বডো ঃ মামা-মাবি 'কিবা-কিবি', মানু'না- 'কিয়নো' ইত্যাদি।

বর্তমান সময়ত কম-বেছি পৰিমাণে তিব্বত-বর্মীয় ভাষাসমূহ প্রত্যয়সিদ্ধ হোৱা হেতুকে সর্বনামসমূহতো কাৰকবোধৰ বাবে বিভক্তি একোটা লগ লগাব লাগে। অৱশ্যে অন্যান্য বিশেষ্য শব্দৰ নিচিনাকৈ এইবোৰ বিভক্তি সর্বনামসমূহৰ লগত পোনপটীয়াকৈ লগ নালাগি তির্যক ৰূপ একোটাৰ লগতহে লগ লাগে। এই বৈশিষ্ট্যটো অসমীয়াৰ সর্বনামসমূহৰ ক্ষেত্রতো পোৱা যায়। তিব্বত-বর্মীয় ভাষাত সর্বনামসমূহৰ শব্দ-সাধনত বিশেষ ভূমিকা আছে। ব্যক্তিবাচক সর্বনামৰ তিনিওটা ৰূপে সম্বন্ধবাচক শব্দ, শৰীৰৰ অংগ-প্রত্যংগবাচক শব্দ আৰু স্থাৱৰ সম্পত্তি বুজোৱা শব্দৰ সাধনত আৰু ক্রিয়া-কর্তা সাধনত সর্বনামীয় সর্গৰ কাম কৰে। অৱশ্যে মূলৰ এই বৈশিষ্ট্যটো এতিয়াৰ প্রায়বোৰ বড়োবর্গীয় ভাষাত প্রবল ৰূপত দেখা নাযায়। বৰো, গাৰো আদি ভাষাত সম্বন্ধবাচক শব্দ-সাধনৰ বাহিৰে অন্যান্য বিশেষ্য শব্দৰ সাধনত একমাত্র তৃতীয় পুৰুষৰ ৰূপটোৱহে সর্গৰ দৰে প্রয়োগ হয়। চৌপাশে পৰিবেষ্টিত আর্যভাষাসমূহৰ প্রভাৱতে এই শিথিলতা আহি গৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনাম-শব্দৰ দুটা পাৰস্পৰিক প্রভাৱৰ বিষয়ে লিখক।

(১০০টা শব্দৰ ভিতৰত)

.....



৮.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষাৰ এক ৰূপগত উপাদান হ'ল সর্বনাম। নামপদৰ সলনি ব্যৱহাৰ হোৱা পদবোৰেই হ'ল সর্বনাম। অসমত প্রচলিত আর্যমূলীয় অসমীয়া আৰু চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত তিব্বত-বর্মীয় ভাষাসমূহৰ সর্বনাম শব্দৰ স্বকীয় বৈশিষ্ট্য আছে।
- অসমীয়া ভাষাৰ সর্বনাম শব্দত প্রত্যয়-বিভক্তি যুক্ত হয়। বিশেষ্যৰ আৰু সর্বনাম ভিন্ন পদ হ'লেও সর্বনাম শব্দত বচনবাচক প্রত্যয়, লিংগবাচক প্রত্যয়, কাৰক বিভক্তি আৰু পৰসর্গ যোগৰ ক্ষেত্রত বিশেষ্য আৰু সর্বনাম পদৰ মাজত ভালেমান সাদৃশ্য আছে।
- অসমীয়া ভাষাৰ সর্বনাম পদবোৰক অর্থৰ ওপৰত ভিত্তি কৰি সাতটা ভাগত ভাগ কৰা হৈছে। ভাগবোৰ হ'ল— ব্যক্তিবাচক সর্বনাম, নির্দেশবাচক সর্বনাম, সাকল্যবাচক সর্বনাম, সঙ্গতিসূচক বা সম্বন্ধবাচক সর্বনাম, অনিশ্চয়তা বা অনির্দিষ্টতাবাচক সর্বনাম, প্রশ্নবোধক সর্বনাম, আত্মবাচক সর্বনাম।
- তিব্বত-বর্মীয় ভাষাসমূহৰ বিশেষকৈ বডোবর্গীয় ভাষাসমূহৰ সর্বনাম আৰু সর্বনাম মূলেৰে নির্মিত সর্বনামীয় শব্দৰ বিশিষ্ট প্রয়োগ আছে। তিব্বত-বর্মীয় ভাষাসমূহত সর্বনামীয় শব্দই কেৱল যে সর্বনাম পদতহে প্রয়োগ হয় এনে নহয়; ক্রিয়াৰ বাহিৰে সকলো ধৰণৰ নামপদ আৰু ক্রিয়া বিশেষণ পদত ইয়াৰ প্রয়োগ হয়। তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ গঠন আৰু প্রয়োগ সম্পর্কে অধ্যায়টিত আলোচনা কৰা হৈছে।
- যুগ যুগ ধৰি স্বকীয় গুণসম্পন্ন ভিন্নমূলীয় অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাই একেটা ভৌগোলিক পৰিমণ্ডলত বিকশিত হোৱা হেতুকে পৰস্পৰে পৰস্পৰৰ ভাষিক উপাদানৰ দ্বাৰা প্রভাৱিত হৈছে আৰু উভয় ভাষাই বৈচিত্র্যময় হৈ উঠিছে। এই পাৰস্পৰিক প্রভাৱ ৰূপগত উপাদান হিচাপে সর্বনাম আৰু সর্বনামীয় শব্দসমূহতো বাৰুকৈয়ে পৰিলক্ষিত হৈছে।
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ উমৈহতীয়া বৈশিষ্ট্যৰাজি অধ্যায়টিত আলোচনা কৰা হৈছে।



৮.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (২০১৩); *অসমীয়া ভাষাৰ ব্যাকৰণ,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) শইকীয়া বৰা লীলাৱতী (২০১১); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

৩) ৰাভা হাকাচাম, উপেন (২০১৬); *অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ অসম পাবলিছিং কোম্পানী।

৪) ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা,* ধূপধৰা, হাকাচাম কাওছাদাম।



৮.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অর্থৰ ওপৰত.....সাতটা.....পাৰি। ব্যক্তিবাচক.....।

২নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া.....। সর্বনাম ব্যক্তি.....মূলে সুকীয়া.....বিভিন্ন ৰূপ.....। অইন সমার্থক.....একত্রে প্রয়োগ.....বোধ।



৮.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সর্বনাম শব্দ কাক বোলে? উদাহৰণ দিয়ক।

প্রশ্ন ২ ঃ অর্থৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাৰ সর্বনাম শব্দবোৰক কেইটা ভাগত ভাগ কৰিব পাৰি, আলোচনা কৰক।

প্রশ্ন ৩ ঃ 'তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দ' শীর্ষক বিষয়ত এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন ৪ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ উমৈহতীয়া বৈশিষ্ট্যৰাজি উল্লেখ কৰক।

প্রশ্ন ৫ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সর্বনাম শব্দৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৯ ঃ অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনা

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ গঠন আৰু প্রয়োগ

৯.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনা

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দ সম্পর্কে জানিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ নিজস্ব বিশেষণ শব্দৰ গঠন আৰু প্রয়োগ সম্পর্কে জানিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ গঠন আৰু প্রয়োগত থকা স্বকীয়তা তথা উভয় ভাষাতে থকা পাৰস্পৰিক প্রভাৱ সম্পর্কে জানিব পাৰিব।

৯.২ পৰিচয়

ইয়াৰ পূর্বৰ অধ্যায়টোত আপুনি অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনাৰ বিষয়ে পঢ়িলে। এই অধ্যায়টোত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনাৰ বিষয়ে পঢ়িবলৈ পাব। অসম হৈছে বিভিন্ন ভাষাৰ মিলন থলী। অতীজৰে পৰা আর্য আৰু অনার্য ভাষাৰ মিলনে অসমক ভাৰতৰ আন ক্ষেত্রবোৰতকৈ ভাষিক দিশত বৈচিত্র্যময় কৰি তুলিছে। থলুৱা জাতি-জনগোষ্ঠীৰ ভাষাৰ লগত অসমীয়া ভাষাৰ মিশ্রণ হোৱাৰ ফলত আর্যমূলীয় অসমীয়া ভাষাৰ সৈতে চীন-তিব্বতীয় মূলৰ পৰা অহা তিব্বত-বর্মীয় ভাষাৰ আদান-প্রদান ঘটি উভয় ভাষাই এক নতুন ৰূপত বিকশিত হৈ উঠিছে।

ভাষিক দৃষ্টিকোণৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ৰূপতাত্ত্বিক গঠন ভিন্নমূলীয় হোৱা বাবে স্বকীয়তা আছে যদিও গঠন আৰু প্রয়োগৰ ক্ষেত্রত পাৰস্পৰিক প্রভাৱ পৰিলক্ষিত হয়। ৰূপতত্ত্বৰ গুৰুত্বপূর্ণ অংগ বিশেষণ ক্ষেত্রত এই স্বকীয়তা আৰু প্রভাৱ স্পষ্ট ৰূপত দেখা যায়।

এই অধ্যায়টিত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ গঠন প্ৰয়োগ আৰু তাৰ বৈচিত্ৰ্যৰ বিষয়ে ফঁহিয়াই দেখুওৱা হ'ব।

৯.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ গঠন আৰু প্ৰয়োগ

অসমীয়া ভাষাৰ বিশেষণ শব্দৰ গঠন আৰু প্ৰয়োগ ঃ

বিশেষণ হৈছে নামপদৰ এটা ভাগ। ই কোনো পদৰ দোষ, গুণ, অৱস্থা, পৰিমাণ আদিৰ ধাৰণা দিয়ে। স্থান আৰু আন পদৰ লগত থকা সম্পৰ্কৰ দিশলৈ চাই অসমীয়া ভাষাৰ বিশেষণক প্ৰধানভাৱে চাৰিটা ভাগত ভাগ কৰা হৈছে। এইকেইটা হ'ল— বিশেষ্যৰ বিশেষণ, বিশেষণীয় বিশেষণ, সর্বনাম বিশেষণ আৰু ক্ৰিয়া বিশেষণ।

বিশেষ্যৰ বিশেষণ ঃ বিশেষ্যৰ বিশেষণে বিশেষ্য পদৰ দোষ, গুণ, অৱস্থা, পৰিমাণ, উপাদান, সংখ্যা আদি বুজায়। ই সাধাৰণতে বিশেষ্য বা আন নামপদৰ আগত বহে। যেনে,

দোষ-গুণ বা অৱস্থাবাচক বিশেষ্যৰ বিশেষণ ঃ গৰম গাখীৰ, শান্ত ছোৱালী আদি।

উপাদানবাচক বিশেষ্যৰ বিশেষণ ঃ স্বর্ণ পাত্ৰ, মাটিৰ কলহ আদি।

সংখ্যা বা পৰিমাণবাচক বিশেষ্যৰ বিশেষণ ঃ হাজাৰ টকা, পাঁচ হাত, বহুত কিতাপ আদি।

কেতিয়াবা আকৌ বস্তুৰ দৈর্ঘ্য বা জোখ, পৰিমাণ আদি বুজোৱা বিশেষ্যৰ আগত বিভিন্ন সংখ্যা শব্দ যোগ দি আন এটা বিশেষ্যৰ আগত বিশেষণৰ দৰে ব্যৱহাৰ কৰা দেখা যায়। যেনে, ছহাত কাপোৰ, ছবিঘা মাটি, চাৰিকলহ পানী ইত্যাদি।

কেতিয়াবা পূৰণবাচক বা ক্ৰমবাচক সংখ্যা শব্দ বিশেষণ ৰূপে বিশেষ্যৰ আগত ব্যৱহাৰ হয়। যেনে, প্ৰথম সন্তান, একবিংশ শতিকা আদি।

আকৌ কেতিয়াবা বিশেষ পৰিৱেশত নামপদ বা বিশেষ্যৰ পিছতো বিশেষণ বহে। যেনে, ফুলপাহ নীলা, পাহাৰটো চাপৰ, মানুহজন বৰ দয়ালু; এই বাক্য তিনিটাত ক্ৰমে নীলা, চাপৰ, আৰু দয়ালু বিশেষণ কেইটাই ফুলপাহ, পাহাৰটো আৰু মানুহজন বিশেষ্যৰ গুণ ধর্ম আদি বুজাইছে। এনে ধৰণৰ বিশেষণক বিধেয় বিশেষণ বুলি কোৱা হয়।

বিশেষণীয় বিশেষণ ঃ যিবোৰ বিশেষণ বাক্যত আন বিশেষণৰ আগত ব্যৱহৃত হৈ বিশেষণৰ গুণ, দোষ, অৱস্থা আদি বুজায়, তাকে বিশেষণীয় বিশেষণ বুলি কোৱা হয়। এনে বিশেষণে বিশেষ্য আৰু সর্বনামৰ বিশেষণৰ দোষ-গুণ অৱস্থাদি বুজোৱাৰ উপৰি ক্ৰিয়া বিশেষণকো বিশেষভাৱে বুজাব পাৰে। যেনে—

টিকটিকীয়া ৰঙা ফুল।

সি বৰ অঁকৰা।

সি বৰ বেগাই গ'ল।

উল্লিখিত বাক্য তিনিটাৰ প্ৰথমটোত বিশেষ্য ফুল ৰ বিশেষণ ৰঙা-টোৰ গুণ বুজাইছে টিকটিকীয়া বিশেষণে; দ্বিতীয় বাক্যত সি সর্বনামৰ বিশেষণ অঁকৰা-ৰ দোষ বুজাইছে বৰ বিশেষণে আৰু তৃতীয় বাক্যত বৰ বিশেষণে ক্ৰিয়াবিশেষণ বেগাই-ক বিশেষকৈ বুজাইছে।

সর্বনামৰ বিশেষণ ঃ সর্বনামৰ দোষ, গুণ, অৱস্থা আদি বুজোৱা বিশেষণেই সর্বনামৰ বিশেষণ আৰু ই সদায় সর্বনামৰ পিছত বহে। এইবাবেই এইবোৰক বিধেয় বিশেষণ বোলে। যেনে—

তাই শান্ত, সি দুষ্ট, তেওঁ উদাৱ আদি।

কিন্তু কেতিয়াবা আৱেগিক হৈ কোৱা কথাত সর্বনামৰ আগতো বিশেষণ পদ বহে। যেনে, মুর্খ তহঁত। নহ'লেনো তহঁতৰ এই দশা হয়নে?

ইমান যে দুষ্ট ইহঁত!

সর্বনামৰ বিশেষণৰ উপৰিও সর্বনামজাত বিশেষণ কিছুমানো অসমীয়া ভাষাত পোৱা যায়। এই বিশেষণবোৰ কিছুমান সর্বনাম শব্দ আৰু সর্বনাম মূলৰ পৰা ওলাই। ইহঁতক গুণবাচক আৰু পৰিমাণবাচক — এই দুই ভাগত ভগোৱা হয়। উদাহৰণ—

গুণবাচক — এনেকুৱা কথা নক'বা।

কেনে কথা কোৱাহে!

যেনে কথা, তেনে কাম। আদি

পৰিমাণবাচক — কিমান কিতাপ কিনিলা?

ইমান ঠাণ্ডা!

এই বাক্যকেইটাৰ মূল সর্বনাম শব্দসমূহ হ'ল — এই, কি, যি আৰু ই। এইবোৰ কেতিয়াবা আকৌ বিশেষণীয় বিশেষণ ৰূপেও ব্যৱহাৰ হয়। যেনে—

এনে ৰেয়া কথা।

ক্রিয়া বিশেষণ ঃ ক্রিয়াৰ দোষ, গুণ, লক্ষণ আদি বুজোৱা শব্দবোৰেই হ'ল ক্রিয়া বিশেষণ। অসমীয়া ভাষাত বিভিন্ন ধৰণে ক্রিয়া বিশেষণ গঠন কৰিব পাৰি। সাধাৰণতে বিশেষ্য, সংখ্যাবাচক শব্দ, ধ্বন্যাত্মক শব্দমূল, বিশেষণ, ক্রিয়াবিশেষণ, সর্বনাম আৰু সর্বনাম শব্দমূলক বিভিন্ন প্রত্যয় বা অনুপদ (post-position) যোগ কৰি ক্রিয়াবিশেষণ গঠন কৰিব পাৰি।

বিবিধ প্রত্যয়— অনুপদৰ যোগত ক্রিয়া বিশেষণৰ গঠন ঃ

-আই ঃ সাধাৰণতে বিশেষ্য, দুই-এটা বিশেষণ আৰু ধ্বন্যাত্মক শব্দৰ পিছত -আই প্রত্যয় যোগ কৰি ক্রিয়াবিশেষণ গঠন কৰা হয়। যেনে ঃ বেগাই, টপৰাই, ঘনাই আদি।

-ই ঃ— সাধাৰণতে বিশেষণ আৰু দ্বিত্ব বা অভ্যাস হোৱা প্রতিটো সংখ্যাবাচক শব্দৰ পিছত -ই প্রত্যয় যোগ হৈ ক্রিয়া বিশেষণ গঠিত হয়। যেনে ঃ শুদাই খোৱা, কেঁচাই খোৱা আদি।

-এ, -এৰে ঃ— যুৱীয়া বিশেষ্য, বিশেষণ সংখ্যাবাচক শব্দ আৰু সাধাৰণ ক্রিয়াবিশেষণৰ পিছত -এ প্রত্যয় যোগ দি ক্রিয়াবিশেষণৰ গঠন কৰা হয়। যেনে ঃ মনে মনে, দিনে দিনে, বাহিৰে-ভিতৰে আদি।

-কৰে ঃ— সাধাৰণতে ধ্বন্যাত্মক শব্দৰ পিছত -কৰে প্রত্যয় যোগ হৈ ক্রিয়াবিশেষণ হয়। যেনে ঃ ধুপুচ্ কৰে, টপ কৰে, ভোঁ ভোঁ কৰে আদি।

-কৈ ঃ— বিশেষ্য, বিশেষণ, সর্বনাম, সংখ্যাবাচক শব্দ, ধ্বন্যাত্মক শব্দ আৰু দ্বিত্ব

হোৱা ক্রিয়াপদৰ পিছত এই প্রত্যয় যোগ হৈ ক্রিয়াবিশেষণ গঠন কৰে। যেনে ঃ খাটাংকৈ, আমন-জিমনকৈ, যাওঁ যাওঁকৈ, পথালিকৈ আদি।

-ত ঃ— বিশেষ্য আৰু বিশেষণৰ পিছত যোগ হৈ ক্রিয়াবিশেষণ গঠন কৰে। যেনেঃ আগত পিছত, ভিতৰত, বাহিৰত আদি।

ইয়াৰ উপৰিও বিশেষ বিশেষ নামপদৰ পিছত ক্রমে, নির্বিশেষে, স্বৰূপে, দৰে, ৰূপে আদি অনুপদ যোগ কৰিও ক্রিয়াবিশেষণ গঠন কৰা হয়। যেনে ঃ আহ্বানক্রমে, উদাহৰণস্বৰূপে, এইদৰে আদি।

কেতিয়াবা ক্রিয়াৰ পিছত - মানে যোগ কৰি 'পর্যন্ত' অর্থ প্রকাশক ক্রিয়া বিশেষণ গঠন কৰা হয়। যেনে ঃ থাকে মানে, পাৰে মানে আদি।

ক্রিয়াবিশেষণসমূহক আকৌ কালবাচক (উদাহৰণ— এতিয়া, তেতিয়া, আজিলৈ, সদ্যহতে, যেতিয়া আদি), স্থানবাচক (উদাহৰণ— ইয়াত, তাত, য'ত ত'ত, এইপিনে আদি), লক্ষণবাচক (উদাহৰণ— এনেকৈ, তেনেকৈ, কেনেকৈ, এনেকুৱাকৈ আদি।) —এই তিনিটা ভাগতো ভগোৱা হৈছে। এইবোৰ ক্রিয়াবিশেষণ সর্বনাম শব্দমূলৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছে।

আকৃতি বা গাঠনিক দিশৰ পৰা অসমীয়া ভাষাৰ বিশেষণসমূহক এই ধৰণে ভগোৱা হয়—

মৌলিক বিশেষণ ঃ ভাল, বেয়া, দুষ্ট, ক'লা, বগা, ৰঙা, ওখ, চাপৰ আদি। এইবোৰ বিশেষণক অর্থপূর্ণভাৱে খণ্ডিত কৰিব নোৱাৰি।

কৃদন্ত বিশেষণ ঃ পঢ়া কিতাপ, কৰা কাম, বোঁৱতী নদী আদি। ইয়াত পঢ়া, কৰা, বোঁৱতী আদি কৃদন্ত ধাতু বিশেষণ ৰূপে ব্যৱহাৰ হৈছে।

তদ্ধিতান্ত বিশেষণ ঃ গাঁৱলীয়া, মৰুৱা, বুদ্ধিয়ক আদি। ইয়াৰ গাঁও, মাৰ আৰু বুদ্ধি বিশেষ্যত ক্রমে -অলীয়া, -উৱা, -অক এই তদ্ধিত প্রত্যয় কেইটা যোগ হৈ বিশেষণ ৰূপ লৈছে।

বিভক্তিযুক্ত বিশেষণ ঃ প্রাণৰ বন্ধু, সুতাৰ কাপোৰ, মাটিৰ মূর্তি আদি। ইয়াত বিভক্তি যোগ হৈ বিশেষণ হৈছে।

যৌগিক বিশেষণ ঃ সাধাৰণতে বিশেষ্যৰ আগত বহি বিশেষ্যৰ দোষ-গুণাদি নির্দেশ কৰা বিশেষ কিছুমান সমাস বা সংযুক্ত শব্দই যৌগিক বিশেষণ। যেনে ঃ বুকু ভঙা দুখ, আধা-মৰা মানুহ, পুথিগত বিদ্যা আদি।

অসমীয়া ভাষাত এনে বহু শব্দ আছে, যিবোৰ বিশেষ্য আৰু বিশেষণ দুয়ো প্রকাৰে ব্যৱহাৰ হ'ব পাৰে। যেনে পাপ, পুণ্য, শুভ, কল্যাণ ইতাদি। এই বিশেষণ শব্দবোৰ অসমীয়া ভাষাত বিশেষ্য বা ক্রিয়াৰ আগত বহে।

তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ গঠন আৰু প্রয়োগ ঃ

চীন-তিব্বতীয় মূলৰ পৰা উদ্ভুত তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ কিছুমান নিজস্ব বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তিব্বতী-বর্মীয় ভাষাত বিশেষণ আৰু ক্রিয়াৰ মাজত স্পষ্ট

পার্থক্য দেখিবলৈ পোৱা নাযায়। একেটা শব্দই কেতিয়াবা বিশেষণ (উদ্দেশ্য প্রয়োগৰ ক্ষেত্রত) আৰু কেতিয়াবা ক্রিয়া (বিধেয় প্রয়োগৰ ক্ষেত্রত) পদৰ কাম কৰে। যেনে—

ভাষা	**উদ্দেশ্য প্রয়োগ**	**বিধেয় প্রয়োগ**
মিছিং	আইনু' আমি	আমি-উ' আইদাক
কার্বি	কেমে আ-মনিত	(লাছো) মনিত কেমে -লো
বডো	গাহাম মানছি	মানছিয়া গাহাম আদি।

তিব্বত-বর্মীয় ভাষাবোৰত এনে ক্রিয়া আৰু ক্রিয়া বিশেষণ উভয়ধর্মী শব্দমূলৰ লগত বিশেষণ বুজাবলৈ একোটা পূর্বপ্রত্যয় বা পৰপ্রত্যয় লগ লাগি নামপদৰ আগে-পিছে প্রয়োগ হয়। আনহাতে ক্রিয়া বুজাবলৈ পোনপটীয়াকৈ অন্যান্য ক্রিয়া বিভক্তি (নঞৰ্থক প্রত্যয়কে ধৰি) যোগে নতুবা একোটা সহায়কাৰী ক্রিয়াৰ লগত বাক্যৰ অন্ত্যস্থানত প্রয়োগ হয়। আন শব্দ বা পদৰ তুলনাত তিব্বত-বর্মীয় ভাষাৰ মাজত বিশেষণ শব্দই সর্বাধিক। এই শব্দবোৰেই বাক্যত ক্রিয়া বিশেষণৰ দৰেও প্রয়োগ হোৱা দেখা যায়। সাধাৰণতে মিছিঙত -পু', দেউৰীত -চ্ছা, বডোত -উ'ই, গাৰোত -এ আৰু ৰাভাত -এ (ৰাঙ/খাৰ আদি সংযুক্ত ধাতুৰ সৈতে একেত্রে) প্রত্যয় যোগে ক্রিয়া বিশেষণত প্রয়োগ হয়। যেনে —

মিছিং ঃ	আইপু'	কাংকানপু'	আনি' পু'
বডো ঃ	গাহামু'ই	মু'জাঙু'ই	গু'দানু'ই
ৰাভা ঃ	নেমৰাঙে	চিথোৰাঙে	পিদানখাৰে
(সমার্থক অস) ঃ	ভালকৈ	ধুনীয়াকৈ	নকৈ

এই শ্রেণীৰ বিশেষণধর্মী ধাতুৰ বাহিৰেও অন্যান্য ধাতুও ভিন্ ভিন্ সংযুক্ত ধাতুৰ লগত নাইবা সিবিলাকৰ কৃদন্ত ৰূপৰ লগত বিভক্তি বা অনুপদ যোগে বাক্যত ক্রিয়াবিশেষণৰ দৰে প্রয়োগ হয়। উদাহৰণ স্বৰূপে—

মিছিং ভাষাত -গৰ সংযুক্ত ৰূপৰ সহযোগত 'সোনকালে' অর্থত— √দগৰ 'সোনকালে খা', √মগৰ 'সোনকালে ৰান্ধ', √গি'গৰ 'সোনকালে যা', √লাং-গৰ 'সোনকালে ল' ইত্যাদি।

কার্বি ভাষাত -দাপ সংযুক্ত ৰূপৰ সহযোগত সোনকালে অর্থত— √দামদাপ 'সোনকালে যা', √দম-দাপ 'সোনকালে বহ', √থুৰ দাপ 'সোনকালে উঠ' আদি।

তিব্বত-বর্মীয় ভাষাসমূহত ভিন্ন ক্রিয়াজাত অর্থাৎ নামপদীয় বিশেষণ (ক্রিয়া বিশেষণ বা বিশেষণীয় বিশেষণৰ দৰে প্রয়োগ হোৱা) শব্দ আছে। কিন্তু সংখ্যাত ই যথেষ্ট কম। তিব্বত-বর্মীয় পৰিয়ালৰ প্রায়বিলাক ভাষাতে সর্বনামীয় বিশেষণ বা ক্রিয়াবিশেষণৰ প্রয়োগ হোৱাৰ উপৰিও একোটা অব্যক্তিবাচক সর্বনামে বিশেষণ ৰূপে প্রয়োগ হোৱাৰ উদাহৰণো দেখা পোৱা যায়। সর্বনামৰ দৰে অন্যান্য নামপদতো কেতবোৰ কাৰক-বিভক্তি আৰু অনুপদ যোগ হৈ বাক্যত বিশেষণ বা ক্রিয়াবিশেষণ ৰূপে প্রয়োগ হয়। কেতিয়াবা সম্বন্ধ কাৰক হিচাপে অকলে বা অন্য এটা কাৰকৰ লগত নাম বিশেষণ হিচাপে (তদ্ধিতান্ত ৰূপৰ অভাৱত) আৰু অধিকৰণ কাৰক ৰূপে অকলে বা আন এটা কাৰকৰ ৰূপৰ লগত ক্রিয়া

বিশেষণ হিচাপে প্রয়োগ হয়। যেনে—

উদাহৰণ— কার্বি ভাষাত সম্বন্ধ কাৰকৰ 'আ-' পূর্বপ্রত্যয়ৰ যোগত— 'হেম আ-ফাক' মানে ঘৰৰ (ঘৰচীয়া গাহৰি), 'হাবিত আ-ৰো' মানে বনৰ (বনৰীয়া) চৰাই। তেনেদৰে অধিকৰণ কাৰকৰ '-চি' বা কৰণ কাৰকৰ -'পেন' বিভক্তি যোগে (অকলে বা সম্বন্ধ কাৰকৰ ৰূপৰ লগত)— কেদেৰে-চি (পলমকৈ), কিচিৰ-পেন (সযত্নে) আদি।

গাৰো ভাষাত সম্বন্ধ কাৰকৰ -নি (অকলে বা অধিকৰণ কাৰকৰ -ও বিভক্তিৰ সৈতে) বিভক্তিৰ যোগত— 'নোক-ওনি ৰাক' মানে ঘৰৰ (ঘৰচীয়া) গাহৰি, 'বুৰিং-নি দো' মানে বনৰ (বনৰীয়া) চৰাই। আকৌ অধিকৰণ কাৰকৰ -ও বা সম্প্রদান কাৰকৰ -চি বিভক্তি যোগে (অকলে বা অইন কাৰকৰ ৰূপৰ লগত) ঃ— খিনাল -ও 'কাইলৈ' তু. খিনাল 'কালি', খছাক -ও/-চি 'ওপৰত, ওপৰলৈ, মিখাং -ও/-চি 'সন্মুখত, সন্মুখলৈ' তু. মিখাং 'মুখ' আদি। এইদৰে নামপদৰ পৰা সাধিত কৰা ক্রিয়াবিশেষণ প্রায়েই অব্যয়ৰ দৰে প্রয়োগ হয় বাবে ইহঁতক অব্যয়ধর্মী বাকাংশৰ নামান্তৰ মাত্রাহে বুলি ক'ব পাৰি।

অব্যয়ধর্মী বাকাংশৰ দৰে প্রায়বোৰ তিব্বত-বর্মীয় ভাষাতে ধ্বন্যাত্মক আৰু দ্বিৰুক্তবাচৰ শব্দই বিশেষণীয় বিশেষণ বা ক্রিয়া বিশেষণ ৰূপে প্রয়োগ হোৱা দেখা যায়। কেতিয়াবা অবিভাজ্য হিচাপে এইবোৰত একোটা প্রত্যয় যোগ হৈ থাকিব পাৰে। উদাহৰণস্বৰূপে, থাব থাব (সোনকালে), ব্রা ব্রা (বাৰে বাৰে), খ্রুং' খ্রুং' (টান) (বড়ো); থম থম (শান্তভাৱে), ফিলাকান (আটায়ে) (গাৰো); ছাৰ ছাৰ/ছাৰান (ঘূৰণীয়াকৈ), বাৰাং বাৰাং (বাৰে বাৰে), তাপ তাপ (সোনকালে) [ৰাভা] ইত্যাদি।

অসমীয়াৰ দৰে তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দবোৰকো মৌলিক আৰু সাধিত (বিভাজ্য অবিভাজ্য), এই দুইটা ভাগতে পোৱা যায়। উদাহৰণ, মিছিং ভাষাত আৰ, মু'নাম, কু'ৰাং, আনি, আকু; কার্বি ভাষাত কালাং, কালি, চালায়, দইদাই, নাৰেপ; বড়ো ভাষাত বায়গৰ, উদাং, ফাথ্রা, নিখাউৰি, দুষ্ট আদিবোৰ মৌলিক শব্দ। তেনেদৰে কার্বি ভাষাত ইংথুপ, ইংতাং আলন; গাৰো ভাষাত জাৰা, নেংগ্রা, ছেঙা; ৰাভা ভাষাত আলছিয়া, বাউদিয়া, হাউৰিয়া আদিবোৰ সাধিত শব্দ। প্রতিটো তিব্বত-বর্মীয় ভাষাতে যথেষ্ট পৰিমাণে মৌলিক আৰু সাধিত বিশেষণ শব্দ আছে আৰু সমান্তৰালভাৱে তাৰ গঠন আৰু প্রয়োগ হোৱা দেখা যায়।

অগ্রগতি নিৰীক্ষণ



প্রশ্ন নং ১ ঃ অসমীয়া ভাষাত বিশেষণ শব্দসমূহক কি ধৰণে ভগোৱা হয়? (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

প্রশ্ন নং ২ ঃ তিব্বত-বর্মীয় ভাষাত বিশেষণৰ প্রয়োগ সম্পর্কে লিখক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক)

.....

৯.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণৰ তুলনা

অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষাসমূহৰ বিশেষণৰ গঠন আৰু প্ৰয়োগৰ স্বকীয় বৈশিষ্ট্যলৈ চাই দুইবিধ ভাষাতে বিশেষণৰ সাদৃশ্য আৰু পাৰস্পৰিক প্ৰভাৱ সম্পৰ্কে স্পষ্ট ধাৰণা এটা পোৱা যায়। একেখন ভাষাগত ক্ষেত্ৰত থকাৰ বাবেই দুয়োটা ভাষাতে পৰস্পৰৰ প্ৰভাৱ পৰা বুলি ধাৰণা কৰিব পাৰি। অৱশ্যে দুইটা ভাষাতে বিশেষণৰ গঠন আৰু প্ৰয়োগত বৈচিত্ৰ্যও লক্ষ্য কৰা যায়। তলত এই সম্পৰ্কে ড° উপেন ৰাভা হাকাচামে কৰা আলোচনাৰ ভিত্তিত এক চমু অৱলোকন দাঙি ধৰা হ'ল—

(ক) অসমীয়া ভাষাত বিশেষণপদীয় মৌলিক শব্দ পোৱা যায়। এইবোৰৰ প্ৰায়ভাগেই তৎসম, অৰ্ধতৎসম আৰু তদ্ভৱ শব্দ। তদুপৰি প্ৰত্যয়ান্ত নামপদীয় আৰু কৃদন্ত বিশেষণৰ প্ৰয়োগ অসমীয়া ভাষাত আছে। অৱশ্যে গুণ বা লক্ষণবাচক বিশেষণৰ বাহিৰে বর্ণবাচক বা স্বাদবাচক বিশেষণ হিচাপে কৃদন্ত বিশেষণৰ প্ৰয়োগ অসমীয়াত পোৱা নাযায়।

তাৰ বিপৰীতে তিব্বত-বর্মীয় ভাষাসমূহত বিশেষণপদীয় মৌলিক শব্দ নাই বুলিবই পাৰি। যিও আছে সি হয় ধাৰ কৰি অনা শব্দ নাইবা অস্পষ্ট মূলৰ বিকৃত ৰূপ। ক্ৰিয়ামূলৰ পৰা সাধিত হোৱা বিশেষণৰ সংখ্যাহে এইসমূহ ভাষাত সর্বাধিক।

(খ) অসমীয়া প্ৰত্যয়ান্ত বিশেষণ শব্দৰ সাধনত পৰ প্ৰত্যয়ৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। পুংলিঙ্গবাচক-আ, স্ত্ৰীলিংগবাচক-ঈ, বিশেষণবাচক -ঈ-/ঈয়া/-অনী, কৃদন্ত/-ওঁতা/-ওঁতী আদি প্ৰত্যয়ৰ জৰিয়তে অসমীয়া নামপদীয় আৰু ক্ৰিয়াপদীয় বিশেষণ শব্দৰ সাধন হয়। পূৰ্বসর্গ যোগেও অসমীয়াত দুই-এটা বিশেষণ শব্দ সাধিত হয়।

আনহাতে তিব্বত-বর্মীয় ভাষাসমূহত পূৰ্বপ্ৰত্যয় আৰু পৰপ্ৰত্যয় এই দুইবিধৰে প্ৰয়োগ আছে যদিও ভাষাবিশেষে বিশেষ এক শ্ৰেণীৰ প্ৰত্যয়বহে প্ৰাধান্য আছে। সাধাৰণতে বৰো আৰু কার্বি ভাষাত পূৰ্বসর্গৰ আৰু বাকীকেইটা ভাষাত পৰপ্ৰত্যয় প্ৰাধান্য আছে।

(গ) তিব্বত-বর্মীয় ভাষাসমূহত গুণৰ তাৰতম্য বুজোৱা মাত্ৰাসূচক প্ৰত্যয়ান্ত বিশেষণৰ প্ৰয়োগ অন্যতম মনকৰিবলগীয়া বৈশিষ্ট্য। এইবোৰ ক্ৰিয়াবিশেষণৰ দৰে বাক্যত প্ৰয়োগ হয়। অসমীয়াত এনে ধৰণৰ বিশেষণৰ সংখ্যা কম। ক্ষুদ্ৰতাবাচক -চা/-চীয়া, অক্ষুদ্ৰতাবাচক -মা/-মীয়া প্ৰত্যয়ান্ত বর্ণবাচক আৰু স্বাদবাচক বিশেষণীয় শব্দ এই শ্ৰেণীৰ অন্তর্গত। অসমীয়া সুকীয়া ধ্বন্যাত্মক শব্দৰ দ্বাৰা এনে অর্থ আৰোপ কৰা হয়।

(ঘ) তিব্বত-বর্মীয় ভাষাত ধ্বন্যাত্মক বা দ্বিৰুক্তিবাচক শব্দৰ সাধাৰণ বিশেষণ বা ক্ৰিয়াবিশেষণৰ দৰে বাক্যত প্ৰয়োগ আছে। অসমীয়াত এই জাতীয় বিশেষণৰ প্ৰয়োগ নাই।

(ঙ) অসমীয়াত বিশেষণ বা ক্ৰিয়াবিশেষণ সাধাৰণতে নাম বা ক্ৰিয়াপদৰ আগত বহে। ব্যতিক্ৰম ঃ বগে ঢকেঢকী, নেজখঁৰা, মাজডাঙৰ আদি। অৱশ্যে অসমীয়াত বিধেয় প্ৰয়োগত বিশেষণৰ নামপদৰ পিছতো প্ৰয়োগ আছে। আনহাতে তিব্বত-বর্মীয় ভাষাত বিশেষণ বা ক্ৰিয়া বিশেষণৰ সাধাৰণতে নামপদ বা ক্ৰিয়াপদৰ পিছতহে প্ৰয়োগ আছে। আনকি এনে শব্দ

কেতিয়াবা পৰপ্রত্যয়ৰ দৰে মূল পদৰ লগতে একত্রে প্রয়োগ হ'ব পাৰে। এইসমূহ ভাষাত বিশেষণৰ বিধেয় প্রয়োগত ক্রিয়া বিভক্তি বিশেষণৰ পোনে পোনে লগ লাগে।

(চ) অসমীয়াত বিশেষণ আৰু ক্রিয়া বিশেষণৰ বিপৰীত অর্থ সূচোৱা প্রত্যয়ান্ত ৰূপৰ ব্যৱহাৰ অতি সীমিত। অ-/অন-/অনা-/আ-/এ-/কু-/বে-/নি- আদি পূর্বসর্গযোগে সীমিত সংখ্যক বিপৰীত শব্দৰ সাধন হয়। যেনে— অপঁইতা, অশুৱনি, বেহিচাপী, কুলক্ষণী আদি।

ইয়াৰ বিপৰীতে প্রায়বিলাক তিব্বতবর্মীয় ভাষাতে নঞৰ্থকবাচক প্রত্যয় যোগে সকলো ক্রিয়াবাচক বিশেষণ শব্দৰ বিপৰীত অর্থ সূচোৱা ৰূপৰ বহুল ব্যৱহাৰ আছে। অৱশ্যে বৰো আদি ভাষাত বিশেষণৰ উদ্দেশ্য প্রয়োগত নঞৰ্থকবাচক ব্যৱহাৰ নাই। যেনে— মিছিং ভাষাত তিনু' মানে 'মিঠা', তিমাঃনু' মানে 'মিঠা নোহোৱা'; ৰাভা ভাষাত নেমকায় 'ভাল', নেমচাকায় 'বেয়া' আদি।

(ছ) অসমীয়াত কেতবোৰ বিশেষণৰ বিশেষকৈ বর্ণ, স্বাদ, উষ্ণতাবাচক বিশেষণৰ মাত্রাৰ অতিশয় আংশিক আদি বুজোৱা বেলেগ শব্দ কিছুমানৰ প্রয়োগ আছে। এইবোৰ অব্যয় পদ সদৃশ ক্রিয়া বিশেষণ হিচাপে বিশেষণৰ আগত বহে। যেনে ঃ উগ্র টেঙা, অতি মিঠা, ডাঠ হালধীয়া আদি।

তিব্বত-বর্মীয় ভাষাত এই জাতীয় অব্যয়ৰ প্রয়োগ নাই। অৱশ্যে কিছুমান ধ্বন্যাত্মক শব্দ বা ক্রিয়া বিশেষণে একোটা বিশেষণ শব্দৰ আগে-পিছে প্রয়োগ হৈ এনে অর্থ সূচাব পাৰে। যেনে ঃ য়াকা তুগ-তুগ্ 'অতি ক'লা' (মিছিং), লক-বকবাক 'ধূসৰ বগা' (কার্বি), ফলফল বককায় 'ঢকঢকীয়া বগা' (ৰাভা) আদি।

(জ) অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাতে কালবাচক আৰু অৱস্থানবাচক বিশেষণৰ সংখ্যা মৌলিক শব্দ হিচাপে অতি কম। সাধাৰণতে নিদের্শক সর্বনাম, কাল আৰু স্থান বা দিশ বুজোৱা বিশেষ্য শব্দৰ অধিকৰণ কাৰক ৰূপে যথাক্রমে সর্বনামীয় ক্রিয়া বিশেষণ, কালবাচক ক্রিয়া বিশেষণ আৰু স্থানবাচক ক্রিয়াবিশেষণ হিচাপে প্রয়োগ হয়। সেইদৰে প্রশ্নবাচক, সম্পর্কবাচক আদি সর্বনামমূলে অন্যান্য কাৰকবাচক বিভক্তি বা অনুপদ আৰু লক্ষণবাচক, পৰিমাণবাচক, কালবাচক আদি অনুপদযোগে সর্বনামীয় অব্যয়ৰ দৰে বাক্যত প্রয়োগ আছে।

(ঝ) উভয় ভাষাতে বিশেষণত বচনৰ সংগতি দেখা নাযায়। বচনবাচক প্রত্যয় লগ লাগিলেই বিশেষণ শব্দ এটা বিশেষ্যলৈ ৰূপান্তৰিত হয়।

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাসমূহৰ ভাষাগত ক্ষেত্রখন যিহেতু একেখনেই, সেয়ে দুয়োটা ভাষাতে পাৰস্পৰিক সাদৃশ্য থকাটো স্বাভাৰিক। অসমীয়াত বহুলভাৱে প্রচলিত বিশেষণ শব্দ বা বিশেষণবাচক বাক্যাংশ তিব্বত-বর্মীয় ভাষাসমূহত প্রয়োগ হৈছে। আনহাতে অসমীয়াতো তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দ সোমাইছে। এইখিনিতে উল্লেখযোগ্য যে বিশেষণ আৰু ক্রিয়াবিশেষণ শব্দ সাধনত ধ্বন্যাত্মক আৰু দ্বিৰুক্তিবাচক শব্দৰ যি ভূমিকা, সি মূলতঃ তিব্বত-বর্মীয় মূলৰ বুলি বিভিন্ন পণ্ডিতে একেমুখে স্বীকাৰ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ শব্দৰ তুলনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া ভাষাত বিশেষণ শব্দসমূহক মূলতঃ দুই ধৰণে ভগাব পাৰি— স্থান আৰু আন পদৰ লগত থকা সম্পর্কৰ দিশলৈ চাই আৰু আকৃতি বা গাঁথনিক দিশৰ ওপৰত ভিত্তি কৰি। এই বিশেষণ শব্দসমূহ বিভিন্ন ধৰণে অসমীয়া ভাষাত প্রয়োগ হয়।
- তিব্বত-বর্মীয় ভাষাসমূহত অসমীয়া ভাষাৰ লেখীয়াকৈ বিশেষণ আৰু ক্রিয়া বিশেষণৰ মাজত স্পষ্ট প্রভেদ দেখা নাযায়। এই ভাষাসমূহৰ বিশেষণ প্রয়োগৰ বৈশিষ্ট্য অসমীয়া ভাষাতকৈ কিছু বেলেগ।
- যদিও প্রয়োগৰ ক্ষেত্রত বৈচিত্র্য দুয়োটা ভাষাতে আছে, তথাপি উভয় ভাষাতে উভয় ভাষাৰ পাৰস্পৰিক প্রভাৱ মনকৰিবলগীয়া



৯.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (২০১৩); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মানিক প্রকাশ

২) গোস্বামী, উপেন্দ্রনাথ (২০১২); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ মণি-মানিক প্রকাশ।

৩) গোস্বামী, গোলকচন্দ্র (২০১১); *অসমীয়া ব্যাকৰণ মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৪) বৰা, লীলাৱতী শইকীয়া (২০১১); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

৫) ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* ধূপধৰা, হাকাচাম কাওছাদাম।

৬) ৰাভা হাকাচাম, উপেন (২০০৩); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।



৯.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্ন উত্তৰ ঃ অসমীয়া ভাষাত বিশেষণ সমূহক ..... ভগোৱা হৈছে। এই ভাগকেইটা হ'ল .....।

২ নং প্রশ্ন উত্তৰ ঃ তিব্বত-বর্মীয় ভাষাত বিশেষণ শব্দ প্রয়োগৰ ক্ষেত্রত .....।.....।

৩ নং প্রশ্ন উত্তৰ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাসমূহৰ তুলনা কৰিলে দেখা যায় যে.....। .....।



৯.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া ভাষাত বিশেষণ কেইপ্রকাৰৰ আৰু কি কি? এটি চমু আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ তিব্বত-বর্মীয় ভাষাত বিশেষণৰ গঠন আৰু প্রয়োগ সম্পর্কে চমু আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাত বিশেষণৰ গঠন আৰু প্রয়োগ'— এই শিতানত এটি চমু নিবন্ধ যুগুত কৰক।

প্রশ্ন ৪ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ প্রয়োগৰ ক্ষেত্রত কি ধৰণৰ পার্থক্য আছে আলোচনা কৰক।

প্রশ্ন ৫ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাসমূহৰ মাজত থকা পাৰস্পৰিক সম্পর্কে তথা প্রভাৱৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৬ ঃ চমুটোকা লিখক ঃ

(ক) ক্রিয়া বিশেষণ

(খ) বিশেষণীয় বিশেষণ

(গ) সর্বনামৰ বিশেষণ

(ঘ) বিশেষ্যৰ বিশেষণ

(ঙ) গাঠনিক দিশৰ ওপৰত ভিত্তি কৰি অসমীয়া ভাষাত বিশেষণ পদ।

*** ***** ***

অধ্যায় ১০ঃ অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ গঠন আৰু প্রয়োগ

১০.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনা

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবলৈ

১০.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ ধাৰণা লাভ কৰি তাৰ বিৱৰণ আগবঢ়াব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ গঠন আৰু প্রয়োগৰ বিষয়ে জানি তাৰ বিশ্লেষণ আগবঢ়াব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ গঠন আৰু প্রয়োগৰ ক্ষেত্রত থকা পার্থক্যসমূহ জানি তাৰ আলোচনা কৰিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনামূলক আলোচনা আগবঢ়াব পাৰিব।

১০.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ ষাণ্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা চতুর্থ পাঠ্যবিষয় 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'ৰ এইটো দশম তথা শেষ অধ্যায়। এই অধ্যায়টোৰ শিৰোনাম 'অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনা।' ভাষাৰ ৰূপতাত্ত্বিক আলোচনাত ক্রিয়াপদে এক বিশিষ্ট ভূমিকা গ্রহণ কৰি আছে। সহজ অর্থত কোনো কার্য কৰা বা হোৱা বুজাবলৈ বা ইয়াৰ নেতিবাচক অর্থ বুজাবলৈ আমি বাক্যত যিবোৰ পদ ব্যৱহাৰ কৰো সেয়াই হৈছে ক্রিয়াপদ। বাক্যৰ প্রতিটো মূল পদৰ সৈতে ক্রিয়াৰ প্রত্যক্ষ বা পৰোক্ষ সম্পর্ক থাকে। ধাতু, পুৰুষ, কাল, ভাৱ, বাচ্য আদিৰ সমন্বয়ত ক্রিয়াপদৰ আলোচনা সম্পূর্ণ হয়। ধাতু হৈছে ক্রিয়াৰ মূল। বিভিন্ন ধাতুৰ দ্বাৰাই ক্রিয়াপদৰ গঠন হয়।

আর্যমূলীয় অসমীয়া ভাষা আৰু চীন-তিব্বতীয় মূলৰ তিব্বত-বর্মীয় ভাষাত ক্রিয়াপদৰ গুৰুত্ব মনকৰিবলগীয়া। দুয়োটা ভাষাতেই ক্রিয়াৰ গঠন, প্রয়োগ, প্রকাৰ আদিৰ ক্ষেত্রত সুকীয়া বিশেষত্ব আছে। সেই ফালৰ পৰা দুয়োবিধ ভাষাতেই ক্রিয়াপদৰ সাদৃশ্য বৈসাদৃশ্য দেখা যায়। তদুপৰি তিব্বত-বর্মীয় ভাষাৰ অন্তর্গত ভাষা হিচাপে বৰো, ৰাভা, কার্বি, ডিমাচা, গাৰো, মিছিং, দেউৰী আদি থকা হেতুকে এই ভাষাসমূহৰ মাজতো ক্রিয়াপদৰ মিল অমিল আছে। এই অধ্যায়ত অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় ভাষাসমূহৰ ধাতু, ক্রিয়াৰ গঠন, প্রকাৰ, প্রয়োগ আদিৰ আলোচনা কৰা হ'ব। লগতে ক্রিয়াৰ আলোচনাত ধাতুৰ লগতে পুৰুষ, ভাৱ, কাল আদিৰ বিষয়েও সামৰি লোৱা হ'ব। তুলনামূলক পদ্ধতিৰে এই অধ্যায়ত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াপদৰ আলোচনা কৰা হৈছে।

১০.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ গঠন আৰু প্রয়োগ

ক্রিয়াপদ হৈছে কাব্যত ব্যৱহৃত সব্যয় পদৰ এটা অন্যতম প্রধান ভাগ। আমি কথা বতৰা কওঁতে বা বাক্য লিখোঁতে যিবোৰ পদৰ সহায়ত কোনো কার্য কৰা, হোৱা, কৰি থকা, হৈ থকা অথবা নোহোৱা, নকৰা আদি নেতিবাচক অর্থ বুজাও তেনে পদবোৰক ক্রিয়াপদ বোলে। যেনে—

মই পঢ়ি আছোঁ। সি কান্দিছে। চৰাই উৰে। ৰবীন বহু সময়ৰে পৰা ৰৈ আছে। ৰুমীয়ে চিঠি লিখিছে।

ইয়াৰে প্রতিটো বাক্যতে পঢ়ি, কান্দি, উৰি, ৰৈ, লিখা আদি ক্রিয়াপদৰ ব্যৱহাৰ হৈছে। ক্রিয়াপদৰ ব্যৱহাৰে বাক্যবোৰ অর্থবহ তথা সম্পূর্ণ কৰি তুলিছে। বাক্যৰ প্রতিটো মূল পদৰ সৈতে ক্রিয়াপদৰ সম্পর্ক থাকে। ধাতু, পুৰুষ, কাল, ভাৱ, বাচ্য এই আটাইবোৰ বিষয়ৰ অন্তৰালত ক্রিয়াপদ নিহিত থাকে।

ধাতু হৈছে ক্রিয়াৰ মূল। অর্থাৎ ক্রিয়াপদৰ পৰা ক্রিয়া বিভক্তি আঁতৰাই দিলে যিটো ৰূপ পোৱা যায় সেয়াই হৈছে ধাতু। যেনে ঃ পঢ়োঁ, পঢ়িছোঁ, পঢ়িছিলোঁ, পঢ়িম, পঢ়ক— এইকেইটা ক্রিয়াপদৰ পৰা ক্রমে -ওঁ, -ইছোঁ, -ইছিলোঁ, -ইম আৰু -অক আঁতৰাই আনিলে তাৰ মূল ৰূপটো পোৱা যাব √পঢ়। এইকেইটা শব্দত √পঢ়টোৱেই হৈছে ধাতু। অর্থাৎ ধাতু হৈছে ক্রিয়াপদৰ মূল ভেটি। অসমীয়া তথা তিব্বত-বর্মীয় মূলীয় বৰো, ৰাভা, মিছিং, কার্বি, দেউৰী আদি সকলোতে ধাতু আৰু ক্রিয়া অভিন্ন। তলত অসমীয়া আৰু তিব্বত-বর্মীয ধাতুৰ গঠন আৰু প্রয়োগ সম্পর্কে আলোচনা আগবঢ়োৱা হ'ল—

অসমীয়া ধাতু ঃ উৎপত্তি, প্রকৃতি আৰু গাঠনিক দিশৰ পৰা বিচাৰ কৰি ড° লীলাৱতী শইকীয়া বৰাই অসমীয়া ধাতুক মুখ্যত তিনিটা ভাগত ভাগ কৰিছে—

(ক) মুখ্য বা মৌলিক ধাতু।

(খ) গৌণ বা সাধিত ধাতু।

(গ) যৌগিক ধাতু।

(ক) মুখ্য বা মৌলিক ধাতু ঃ যিবোৰ ধাতু স্বয়ংসিদ্ধ, যাক খণ্ড খণ্ডকৈ ভাঙিব নোৱাৰি, সেইবোৰেই হৈছে মুখ্য ধাতু। যেনে- কৰ, দেখ্, বল্, খা, গা, গুণ্ ফাল্, উৰ্ ইত্যাদি। এই ধাতুবোৰৰ পাছত পোনপটীয়াকৈ ক্রিয়া বিভক্তি যোগ দিব পাৰি। এই ধাতুবোৰৰ বেছিভাগেই সংস্কৃত মূলীয়।

(খ) গৌণ বা সাধিত ধাতু ঃ যিবোৰ ধাতুক অর্থপূর্ণভাৱে খণ্ড খণ্ডকৈ ভাঙিব পাৰি, যিবোৰ ধাতু ভাঙিলে এটা ধাতু আৰু প্রত্যয় পোৱা যায়, তেনে ধাতুক গৌণ বা সাধিত ধাতু বোলে। যেনে—

দেখ্ + উৱা = দেখুৱা

পঢ়্ + উৱা = পঢ়ুৱা

কৰ্ + আ = কৰা ইত্যাদি।

অসমীয়া ভাষাত তিনিবিধ সাধিত ধাতু পোৱা যায়। সেয়া হৈছে— পাঁচনি ধাতু, নাম ধাতু আৰু ধ্বন্যাত্মক ধাতু।

আনক পাঁচি বা আনৰ হতুৱাই কোনো কাম কৰোৱা ধাতুৱেই হৈছে পাঁচনি ধাতু। পাঁচনি ধাতু গঠন কৰা প্রত্যয় কেইটা হৈছে— -আ, -উৱা, -ওৱা। উদাহৰণ—

গা + আ = গোৱা, মৰ্ + আ = মৰা

পঢ়্ + উৱা = পঢ়ুৱা, দেখ্ + উৱা = দেখুৱা

কৰ + ওৱা = কৰোৱা ইত্যাদি।

বিশেষ্য আৰু বিশেষণ শব্দত -আ, -ইয়া আৰু -উৱা প্রত্যয় যোগ কৰি নামধাতু গঠন কৰা হয়। যেনে—

কিল্ + আ = কিলা, তপত্ + আ = তপতা

আগ্ + উৱা = আগুৱা, টাঙন্ + ইয়া = টঙনিয়া ইত্যাদি।

ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা ধ্বন্যাত্মক শব্দবোৰত 'আ' প্রত্যয় যোগ দি ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। যেনে—

কেঁক্ + আ = কেঁকা, ফোঁপ + আ = ফোঁপা

গুণ্‌গুণ + আ = গুণগুণা ইত্যাদি।

(গ) যৌগিক ধাতু ঃ দুটা ধাতুৰ মিলিত ৰূপৰ দ্বাৰা সৃষ্টি হোৱা ধাতুক যৌগিক ধাতু বোলে। যৌগিক ধাতুৱে কিছুমান বিশেষ্য, বিশেষণ, অসমাপিকা ক্রিয়া, কৃদন্ত ৰূপ, তুমুনন্ত ৰূপ আদিৰ পাছত লগ লাগি এক শ্রেণীৰ নতুন ধাতুৰ সৃষ্টি কৰে। যেনে ঃ নাম কৰ্, মাছ মাৰ্, খাই পেলা, বহি থাক্, ধৰা পৰ্, শোৱা কৰ্ ইত্যাদি।

তিব্বত-বর্মীয় ধাতু ঃ

তিব্বত-বর্মীয় ভাষাৰ ধাতু বা ক্রিয়ামূলক ড° উপেন ৰাভা হাকাচামে প্রধানকৈ দুটা ভাগত ভাগ কৰিছে—

(ক) সাধাৰণ বা অনাম ধাতু।

(খ) নাম ধাতু।

(ক) সাধাৰণ বা অনাম ধাতু ঃ কোনো কার্য ঘটা বা হোৱা বা বর্ণনা কৰা কিন্তু বিশেষ্য, বিশেষণ, ধ্বন্যাত্মক পদৰ সৈতে সাদৃশ্য নথকা ধাতুৰেই হৈছে অনাম ধাতু বা সাধাৰণ ক্রিয়া। প্রয়োগ ৰীতি আৰু প্রকৃতিৰ ওপৰত নির্ভৰ কৰি অনাম ধাতুক পুনৰ তিনিটা ভাগ কৰা হৈছে—

(i) স্থিতিধর্মী ক্রিয়া

(ii) বর্ণনাধর্মী ক্রিয়া

(iii) কার্যধর্মী ক্রিয়া

উদাহৰণ—

(i) স্থিতিধর্মী ক্রিয়া

সদর্থক	নঞর্থক
গাৰো ঃ দোং (আছ/থাক)	দোং-জা (নাই)
বডো ঃ দং (আছ	গৈ-য়া (নাই)
থা (থাক)	থা-য়া (নাথাক)

(ii) বর্ণনাধর্মী ক্রিয়া

সদর্থক	নঞর্থক
মিছিং ঃ আৰ' 'হ' (শুদ্ধ হ)	আৰ'মা 'নহ' (অশুদ্ধ হ)
কার্বি ঃ দেত 'হ' (শুদ্ধ হ)	কালি 'নহ' (অশুদ্ধ হ)

(iii) কার্যধর্মী ক্রিয়া

সদর্থক	নঞর্থক	বিপৰীতার্থক
ৰাভা ঃ ৰিবা (আহ)	ৰিবা-চা (নাহ)	ৰেং (যা)
নু (বহ)	নুচা (নবহ)	মু'ংছা (উঠ)
গাৰো ঃ ৰেবা (আহ)	ৰেবা জা (নাহ)	ৰেয়াং (যা)
ফাল (বেচ)	ফাল জা (নেবেচ)	ৰে (কিন)

(খ) নাম ধাতু ঃ নাম ধাতুক তিনিটা উপশাখাত ভাগ কৰা হৈছে—

(i) নামপদীয় ধাতু

(ii) বিশেষণপদীয় ধাতু

(iii) ধ্বন্যাত্মক ধাতু

(i) নামপদীয় ধাতু ঃ তিব্বত-বর্মীয় শাখাৰ ভাষাসমূহত নামপদীয় ধাতু কিছুমানৰ আংশিকভাৱে আৰু কিছুমানৰ পূর্বৰূপে সাদৃশ্য আছে। যেনে—

বডো ঃ বাৰ (ফুল), তু. বিবাৰ (ফুল), ছিপ (বিচ), তু. গিছিপ্ (বিচনী), দু'ই (পনীয়া হ), তু. দু'ই (পানী)

ৰাভা ঃ ফা (বৰষ্), তু. ফাচি (বৰষুণ), নুক (দেখ),

তু. নুকেন (চকু), জাপ' (বিচ), তু. জাপ' (বিচনী)।

মিছিং ঃ য়াব (বিচ), তু. মি'য়াব (বিচনী), ছাৰ (বতাহ ব'লা), তু. উছাৰ (বতাহ), আৰ' (সঁচা হ), তু. আৰ' (সঁচা) ইত্যাদি।

(ii) বিশেষণপদীয় ধাতু ঃ ক্রিয়াৰ লক্ষণ বা গুণাগুণ বুজোৱা ক্রিয়া বিশেষণৰ মূলেই হৈছে বিশেষণপদীয় ধাতু। তিব্বত-বর্মীয় ভাষাৰ বিশেষণপদীয় ধাতুক আঠটা ভাগত পোৱা যায়— গুণ বা লক্ষণবাচক, আকৃতিবাচক, অৱস্থানবাচক, কাল বা বতৰবাচক, পৰিমাণ বা ওজনবাচক, উষ্ণতাবাচক, ঘ্রাণবাচক, উজ্বলতাবাচক ইত্যাদি।

(iii) ধ্বন্যাত্মক ধাতু ঃ ধ্বনিৰ অনুকৰণত এককভাৱে আৰু কেতিয়াবা দ্বিৰুক্তিৰে গঠন হোৱা ধাতুৰেই হৈছে ধ্বন্যাত্মক ধাতু। উদাহৰণ—

বডো ঃ ছু'ং (ভুক), খু'ৰু'ম (গোঁজৰ), খেং খেং (খেচখেচা),

খ্রেব খ্রেব (গচক), থোথো (টকটকা)।

কার্বি ঃ হাং (চিঞৰ), কাং-উত (ভুক), ইং-ছিপ (হোঁপ) ইত্যাদি।

তিব্বত-বর্মীয় ভাষাত এটা ধাতুৰ সৈতে এক বা একাধিক ধাতু সংযুক্ত হৈ অন্য ধাতু গঠন হোৱা নিয়ম আছে। তলত তেনে সংযুক্ত ধাতুৰ কেইটামান উদাহৰণ দিয়া হ'ল—

বডো ঃ বিৰ + লাং = বিৰলাং (উৰি গুচি যা)

দান + ছো = দানছো (কাটি খণ্ড কৰ)

ফু'ই + নাং = ফু'ইনাং (আহিব লাগ)

গাৰো ঃ দাক + চাক = দাকচাক (সহায় আগবঢ়া)

চা + থো = চাথো (খাবৰ উপযোগী হ')

নাং + নিক = নাংনিক (প্রয়োজনীয় হ') ইত্যাদি।

ক্রিয়াপদৰ ভাগ ঃ উল্লিখিত বিভিন্ন ধাতুৰ সৈতে কাল, ভাৱ, পুৰুষবাচক বিভক্তি যুক্ত কৰিলে যিবোৰ পদ পোৱা যায়, সেয়াই হৈছে ক্রিয়াপদ। ক্রিয়াপদে কোনো কাম কৰা, হোৱা বা নোহোৱা অর্থ প্রকাশ কৰাৰ লগতে বাক্য এটাও সম্পূর্ণ কৰি তোলে। বাক্যৰ সমাপ্তি, অসমাপ্তিৰ ওপৰত নির্ভৰ কৰি ক্রিয়াপদক বহলভাৱে দুই ভাগত ভাগ কৰা হয়—

(ক) সমাপিকা ক্রিয়া

(খ) অসমাপিকা ক্রিয়া

(ক) সমাপিকা ক্রিয়া ঃ সমাপিকা ক্রিয়াই ক্রিয়াৰ কার্যৰ সমাপ্তি বুজোৱাৰ লগতে বাক্যও শেষ হোৱা বুজায়। যেনে- ৰবীনে খৰি ফালিছে। মলয়াই কিতাপ পঢ়িছে।

তিব্বত-বর্মীয় ভাষাত সমাপিকা ক্রিয়া সাধনত ক্রিয়া ৰূপৰ লগত বিভিন্ন ভাৱ, দশা প্রকাশক সংযুক্ত ধাতু বা অনুপদৰ প্রয়োগ হয়।

বাক্যত ক্রিয়াৰ কর্ম থকা বা নথকা অনুযায়ী সমাপিকা ক্রিয়া দুবিধ—

(**i**) সকর্মক ক্রিয়া

(**ii**) অকর্মক ক্রিয়া

যিবোৰ সমাপিকা ক্রিয়াৰ কর্ম থাকে, সেইবোৰেই সকর্মক ক্রিয়া। সকর্মক ধাতুৰ পৰাই সকর্মক ক্রিয়া পোৱা যায়। ক, পঢ়্, লিখ্, শিক, খা আদি সকর্মক ধাতু। আনহাতে, কর্ম নথকা সমাপিকা ক্রিয়াবোৰ অকর্মক ক্রিয়া। যেনে- চৰাই উৰে, মানুহ মৰে, সি বহি আছে। ইত্যাদি।

(খ) অসমাপিকা ক্রিয়া ঃ বাক্য এটা সম্পূর্ণ কৰিবলৈ যি ক্রিয়াই অন্য ক্রিয়াৰ ওপৰত নির্ভৰ কৰিব লাগে, তেনে ক্রিয়াপদেই অসমাপিকা ক্রিয়া। যেনে- মণিয়ে ভাত খাই স্কুললৈ গ'ল। ইয়াত 'খাই' ক্রিয়াই বাক্যটো সম্পূর্ণ কৰিবলৈ 'গ'ল' ক্রিয়াৰ সহায় ল'বলগীয়া হৈছে। অসমীয়া ভাষাত সাধাৰণে 'ই' প্রত্যয়ৰ সহযোগত অসমাপিকা ক্রিয়া গঠন কৰা হয়। একেটা বাক্যতে একাধিক অসমাপিকা ক্রিয়া থাকিব পাৰে। তিব্বত-বর্মীয় ভাষাতো বাক্যত অসমাপিকা ক্রিয়াৰ প্রয়োগ দেখা যায়। বডো, ৰাভা, মিছিং, গাৰো আদি ভাষাত যথাক্রমে -নানৈ, -এ, -লা, -গিলা আদি প্রত্যয়ৰ দ্বাৰা অসমাপিকা ক্রিয়া গঠন কৰা হয়। উদাহৰণ—

বডো ঃ মাওডু'ব - নানৈ.....ফু'ই (কাম সমাপ্ত কৰি.....আহ)

মিছিং ঃ কাংগিলা.....লু (দেখি পেলাই ক) ইত্যাদি।

ক্রিয়াৰ কাল ঃ কোনো কার্য ঘটা বা সম্পন্ন হোৱা সময়কে কাল বোলে। এই অর্থ অনুযায়ী অসমীয়াত ক্রিয়াৰ কাল তিনি প্রকাৰৰ—

(i) বর্তমান কাল

(ii) অতীত কাল

(iii) ভৱিষ্যৎ কাল।

ৰূপ বা গঠন অনুযায়ী এই তিনিওটা কালক দুটা প্রধান ভাগত ভাগ কৰা হয় ঃ

(ক) সৰল বা মৌলিক কাল

(খ) মিশ্র বা যৌগিক কাল

(ক) যি কালৰ ক্রিয়াপদত ধাতুৰ পিছত ক্রিয়া বিভক্তি প্রত্যক্ষভাৱে লগ লাগে সেইবোৰেই হৈছে সৰল বা মৌলিক কাল। ক্রিয়াৰ সময় অনুযায়ী সৰল বা মৌলিক কাল তিনিটা—

(i) সাধাৰণ বা নিত্য বর্তমান

(ii) সাধাৰণ অতীত

(iii) সাধাৰণ ভৱিষ্যৎ

(খ) যিবোৰ কালৰ ক্রিয়াপদত দশাবাচক আৰু কালবাচক প্রত্যয় যোগ হোৱাৰ পাছতহে ক্রিয়াবিভক্তি লগ লাগে, যিবোৰ ক্রিয়াপদৰ পাছত সম্ভাব্যবাচক অনুপদ যোগ হয় আৰু যিবোৰ ক্রিয়াপদ এটা অসমাপিকা ক্রিয়াৰ সংযোগতহে সম্পূর্ণ হয়, তেনে ক্রিয়াৰ কালেই যৌগিক বা মিশ্র কাল। যেনে- খাইছো, খাইছিলোঁ, খালোঁহেঁতেন, কৰি আছোঁ ইত্যাদি। গঠন আৰু অর্থৰ

ওপৰত ভিত্তি কৰি যৌগিক কালক দুটা বহল ভাগত ভগাব পাৰি— পুৰাঘটিত কাল আৰু ঘটমান কাল। পুৰাঘটিত কালৰ ভাগ দুটা ঃ স্বৰূপ বর্তমান আৰু অপূর্ণভূত। ঘটমান কালৰ ভাগ তিনিটা ঃ ঘটমান বর্তমান, ঘটমান অতীত আৰু ঘটমান ভৱিষ্যৎ।

তিব্বত-বর্মীয় ভাষাতো ক্রিয়াৰ কালক প্রধানত অতীত, বর্তমান, ভৱিষ্যৎ এইদৰেই পোৱা যায় যদিও লিখিতভাৱে ক্রিয়াৰ কাল— (i) ভৱিষ্যৎ আৰু (ii) অভবিষ্যৎ (বর্তমান আৰু অতীত) এই দুই ভাগত ভগোৱা হয়। ৰাভা, বডো, গাৰো, মিছিং আদি ভাষাত বর্তমান কালৰ ৰূপৰ লগত যথাক্রমে মু'ন, মু'ন, চিম'/হা, বো/আই আদি সহায়কাৰী ক্রিয়াৰ যোগেদি অতীত কাল বুজোৱা হয়।

ক্রিয়াৰ ভাৱ ঃ যি প্রক্রিয়াৰে ক্রিয়াপদৰ দ্বাৰা বর্ণিত কার্য সংঘটিত হোৱাৰ ভাৱ বোধ হয়, তাকেই ক্রিয়াপদৰ ভাৱ বোলা হয়। অসমীয়াত ক্রিয়াৰ ভাৱ দুটা— (ক) নির্দেশক ভাৱ (খ) অনুজ্ঞা ভাৱ।

বর্তমান, অতীত, ভৱিষ্যৎ তিনিওটা কালৰে যিকোনো সময়ৰ কার্য প্রকাশ কৰা ভাৱেই হৈছে নির্দেশক ভাৱ। যেনে- মই খাওঁ, তুমি খালা, সি খাব, ইত্যাদি।

আদেশ, অনুমতি, অনুৰোধ, আশীর্বাদ, ইচ্ছা আদি অর্থ প্রকাশিত ভাৱ হৈছে অনুজ্ঞা ভাৱ। যেনে- তই কামটো কৰ। তোমালোক যোৱা. তহঁত আবেলি আহিবি। ইত্যাদি।

অনুজ্ঞা পদত কেতিয়াবা চোন, দেই আদি প্রত্যয় ব্যৱহাৰ কৰি আদেশ বা অনুৰোধ অধিক স্পষ্ট কৰা হয়। যেনে—

তুমি কামটো কৰাচোন। তহঁত এতিয়া যাচোন।

তিব্বত-বর্মীয় ভাষাত ক্রিয়াৰ ভাৱ বুজাবলৈ নির্দেশক, অনুজ্ঞা, ইচ্ছাবোধক, সম্ভাব্য আদি সামৰি লোৱা হয়। গাৰোৰ বাহিৰে অন্য ভাষাসমূহত অনুজ্ঞা ভাৱ বুজাবলৈ মূল ধাতুটো পোনে পোনে বাক্যত প্রয়োগ হয়। অৱশ্যে অনুৰোধ বা ইচ্ছাবোধক আদি ভাৱ বুজোৱাত বিশেষ বিশেষ পৰপ্রত্যয়ৰ ব্যৱহাৰ আছে। মিছিং ভাষাৰ অনুজ্ঞা ভাৱৰ উদাহৰণ ঃ

গি' কাং — কোনো ঠাইলৈ যা

কংক — সিপাৰ হ

দুগলেন — ওচৰলৈ যা ইত্যাদি।

ক্রিয়া বিশেষণ ঃ ক্রিয়াৰ গুণ, অৱস্থা, কার্যৰ সময়, স্থান আদি বুজোৱা শব্দবোৰেই হৈছে ক্রিয়াবিশেষণ। অৱস্থানগত দিশৰ পৰা ক্রিয়াবিশেষণ ক্রিয়াপদৰ আগত বহে। অৱশ্যে অসমীয়া ভাষাত কেতিয়াবা ক্রিয়া-বিশেষণ আৰু ক্রিয়াৰ মাজত ক্রিয়াৰ কর্ম বহে। যেনে- ভালকৈ যাবা, খৰকৈ নাখাবা ইত্যাদি।

অসমীয়া ভাষাত বিশেষ্য, সংখ্যাবাচক শব্দ, ধ্বন্যাত্মক শব্দ, বিশেষণ, ক্রিয়াবিশেষণ, সর্বনাম আৰু সর্বনাম শব্দমূলক বিভিন্ন প্রত্যয় বা অনুপদ যোগ কৰি ক্রিয়াবিশেষণ গঠন কৰা

হয়। যেনে- টপৰাই ক, বেগাই আহ, জকমকাই ফুলিছে, ফুচফুচাই কৈছে, ভালে ভালে, দিনে-ৰাতিয়ে, ধুপুচ্ কৰে, আমন-জিমনকৈ, থৰক বৰককৈ ইত্যাদি।

তিব্বত-বর্মীয় ভাষাত ক্রিয়াপদৰ পৰা বিশেষণ বা ক্রিয়াবিশেষণ গঠন কৰিব পাৰি। ক্রিয়াপদৰ পৰা প্রত্যয় যোগে বা প্রত্যয় অবিহনে ভাৱবাচক বিশেষ্য, ক্রিয়া-কর্তা আদিলৈ পৰিৱর্তিত কৰা হয়। যেনে—

বডো ঃ গাব-ছুলা/ছুলী (কান্দুৰা/কান্দুৰী), মিনি-নায় (হাঁহি, হাহোঁন), নাংগৌ (সঁচা)।

ৰাভা ঃ ছা-কায় (খোৱা), ছা-বাতাং (খাওঁতা/খাইতী), খাপ-ব্রাউ (কান্দুৰা কান্দুৰী)

গাৰো ঃ চা-গিপা (খোৱা বস্তু, খাওঁতা/খাইতী), ৰিং-আনি (গীত, গোৱা) ইত্যাদি।

কাল আৰু ভাৱ প্রকাশক ক্রিয়াপদৰ উপৰিও অসমীয়াত আৰু কেইপ্রকাৰমান ক্রিয়াপদ আছে। সেইবোৰ হৈছে- পাঁচনি ক্রিয়া, নাম ক্রিয়া, অনিয়মিত ক্রিয়া, নঞৰ্থক ক্রিয়া, সহায়কাৰী ক্রিয়া, তুমুনন্ত আৰু কৃদন্ত।

অসমীয়া ভাষাত -আ, -ওৱা, -উৱা প্রত্যয়ান্ত পাঁচনি ধাতুত কাল বা পুৰুষবাচক বিভক্তি যোগ দি পাঁচনি ক্রিয়া গঠন কৰা হয়। যেনে- মই তাক পঢ়ুৱাওঁ।

তেনেদৰে তিব্বত-বর্মীয় ভাষাতো দেউৰী ভাষাত √লে ধাতু যোগ পাঁচনী অর্থ বুজোৱা হয়। যেনে- পৰা-লে (পঢ়ুৱা), হাতিগা-লে (হহুঁৱা) ইত্যাদি। মিছিং ভাষাত 'ম' পৰ প্রত্যয় যোগে পাঁচনী ক্রিয়া গঠন কৰা হয়। যেনে- দ'ম' (খুওৱা), ছ'ঃম' (নচুৱা) ইত্যাদি।

সমাপিকা ক্রিয়া আৰু অসমাপিকা ক্রিয়াৰ হোৱা, কৰা, থকা আদি অস্ত্যর্থক ক্রিয়াৰ বিপৰীতে নোহোৱা, নকৰা, নথকা আদি বুজোৱা নস্ত্যর্থক ক্রিয়াবোৰক নঞৰ্থক নামেৰে জনা যায়। অসমীয়া ভাষাত সাধাৰণতে অস্ত্যর্থক ক্রিয়াপদৰ আগত 'ন' উপসর্গ যোগ দিলে নঞৰ্থক ক্রিয়াপদ পোৱা যায়। যেনে- নাই, নহ'ব, নিদিওঁ, নকৰোঁ, নুধুওঁ, নেখেলোঁ, নাযাওঁ ইত্যাদি।

তিব্বত-বর্মীয় ভাষাৰ বডো, ৰাভা, গাৰো, তিৱা, ককবৰক, দেউৰী আদি ভাষাত নঞৰ্থক ৰূপত পূর্বসর্গ হিচাপে দা/তা আৰু পৰসর্গ হিচাপে -যা/-জা/-চা ইত্যাদি ব্যৱহাৰ হয়। মিছিং ভাষাত পৰসর্গ— -ম'/-মা/-ম', কার্বি ভাষাত পৰসর্গ 'ৰি'ৰ প্রয়োগ হয়। যেনে—

বডো ঃ নু'ং দা মিনি (তুমি নাহাঁহিবা), বিয়ু' থাং লিয়া (সি যোৱা নাই)।

দেউৰী ঃ ন দা ক (তুমি নাহিবা), ন কেন নয়া (তই যাব নালাগে)।

ৰাভা ঃ উবে ছাখুচা (তেওঁ খোৱা নাই), ৰিবাচা নায়না তাতং (নহাকৈ নাথাকিবা)।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ধাতুৰ এটি পৰিচয়মূলক টোকা যুগুত কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

১০.৪ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ তুলনা

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ গঠন আৰু প্রয়োগ, প্রকাৰ আৰু প্রকৃতিৰ মাজত সাদৃশ্য বৈসাদৃশ্য আছে। কিন্তু প্রত্যেক ভাষাতেই ক্রিয়াৰ ভূমিকা গুৰুত্বপূর্ণ। দুয়োটা ভাষাতেই প্রত্যয় যোগে বা প্রত্যয় অবিহনে অকর্মকৰ পৰা সকর্মক, অপাঁচনীৰ পৰা পাঁচনী, সদর্থকৰ পৰা নঞর্থক, ধাতুৰ পৰা নাম শব্দ, নামশব্দৰ পৰা নামধাতু আদিলৈ ৰূপান্তৰৰ প্রক্রিয়া আছে। তেনেদৰে দুয়োটা ভাষাতেই অনিয়মিত ক্রিয়া আছে। কিন্তু তিব্বত-বর্মীয় ভাষাত বিশেষণধর্মী আৰু ক্রিয়াবিশেষণধর্মী ধাতুৰ প্রয়োগ অসমীয়াতকৈ অধিক। লগতে যুগ্মধাতুৰো বহুল প্রয়োগ আছে। ৰাভা, বৰো, দেউৰী আদি ভাষাত একোটা ক্রিয়াৰ সৈতে চাৰিটালৈ কর্মৰ অন্বয় হ'ব পাৰে, কিন্তু অসমীয়াত সর্বাধিক তিনিটা কর্মৰহে ক্রিয়াৰ সৈতে অন্বয় হ'ব পাৰে। আনহাতে আকৌ দুয়ো প্রকাৰৰ ভাষাতেই একেটা ক্রিয়াৰ সৈতে সাতোটা কাৰকৰ অন্বয় হ'ব পাৰে।

অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাত সাধিত ধাতুৰ ব্যৱহাৰ আছে। দুয়োবিধ ভাষাতেই ধাতু সাধনৰ প্রক্রিয়া ভিন্ ভিন্।

অসমীয়া ভাষাত সাধিত ধাতু তিনি প্রকাৰৰ— পাঁচনি ধাতু, নাম ধাতু আৰু ধ্বন্যাত্মক ধাতু। এই তিনিবিধ ধাতুৰ দুই ধৰণে সাধন হয়— ধ্বনি পৰিৱর্তনৰ যোগে আৰু প্রত্যয় (পূর্বপ্রত্যয় বা পৰ প্রত্যয়) যোগে। অসমীয়াত তিব্বত-বর্মীয়ৰ দৰে যুগ্ম ধাতু যোগে সাধিত ধাতু গঠন নহয়।

ধ্বনি পৰিৱর্তনৰ যোগেদি সাধন হোৱা অসমীয়া ধাতু ঃ অসমীয়া স্বৰ বা ব্যঞ্জন পৰিৱর্তন যোগে অতি সীমিত সংখ্যক ধাতু অকর্মকৰ পৰা সকর্মক হয়। যেনে- মৰ্ ঃ মাৰ্, পৰ্ ঃ পাৰ্, চৰ্ ঃ চাৰ্, ৰখ্ ঃ ৰাখ ইত্যাদি।

পূর্বপ্রত্যয় যোগে সাধন হোৱা অসমীয়া ধাতু ঃ অসমীয়াত একমাত্র নঞর্থকবাচক পূর্বপ্রত্যয়েহে সাধিত ক্রিয়া গঠন কৰিব পাৰে। নঞর্থকবাচক পূর্বপ্রত্যয় বিভিন্ন দশা, কাল, অসমাপিকাবাচক ক্রিয়া আদিৰ সৈতে সমীভূত হয়। উদাহৰণ ঃ ন্-আ্->নাহ, ন্-এৰ্->নেৰ, ন্ + কয়>নকয়, ন-বেচে>নেবেচে ইত্যাদি। অসমীয়াত দ্বিত্ব নঞর্থকৰ প্রয়োগ আছে। যেনে ঃ নকৈ নোৱাৰ, নুই নকৰ, নোকোৱাকৈ নাথাক, নহাকৈ নাথাক ইত্যাদি।

পৰপ্রত্যয় যোগে সাধন হোৱা ধাতু ঃ অসমীয়াত -আ, -ইয়া, -উৱা প্রত্যয় যোগে নামধাতু আৰু ধ্বন্যাত্মক ধাতু সাধন কৰা হয়। কোনো প্রত্যয় যোগ নোহোৱাকৈও কিছুমান নাম শব্দ আৰু ধ্বন্যাত্মক শব্দ ধাতুৰ দৰে প্রয়োগ হয়। ই তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ। যেনে- √চেলেক, √চিন্, √মাত্, √গোঁজ, √জিৰা ইত্যাদি।

তিব্বত-বর্মীয় ভাষাতো সাধিত ধাতু তিনি প্রকাৰৰ পোৱা যায়— পাঁচনী ধাতু, নামধাতু, সংযুক্ত ধাতু। এই ধাতুসমূহ তিনি প্রকাৰে গঠন কৰিব পাৰি— ধ্বনি পৰিৱর্তনৰ যোগে, প্রত্যয় যোগে আৰু যুগ্ম ধাতু যোগে। এই ক্ষেত্রত অসমীয়াৰ সৈতে তিব্বত-বর্মীয় ভাষাৰ সাধিত ধাতু

গঠনৰ প্রক্রিয়াৰ পার্থক্য এয়াই যে তিব্বত-বর্মীয়ত থকা যুগ্ম ধাতু যোগে গঠন হোৱা সাধিত ধাতুৰ অসমীয়া ভাষাত প্রয়োগ নাই।

ধ্বনি পৰিৱর্তনৰ যোগেদি সাধন হোৱা তিব্বত-বর্মীয় ধাতু ঃ সকলো তিব্বত-বর্মীয় ভাষাতে স্বৰ আৰু ব্যঞ্জন পৰিৱর্তনৰ যোগেদি ধাতু সাধন হয়। যেনে—

বডো ঃ লা ('ল') ঃ লাই (লৈ আহ)

হু' ('দি') ঃ হু'ই (আনি দি)

নু (দেখ) ঃ নায় (চা) ইত্যাদি।

ৰাভা ঃ ৰা (ল') ঃ ৰায় (আন)

প্রে (ঢুকা) ঃ প্রা (নাটনি হ)

প্রত্যয় যোগে সাধন হোৱা তিব্বত-বর্মীয় ধাতু

বডো ঃ বডো ভাষাত 'ফস্ব', 'বস্ব', 'ছস্ব' এই তিনিটা পূর্বপ্রত্যয়ৰ সংযোগেৰে পাঁচনী ধাতু গঠন হয়। যেনে- ফি-ছিৰি (পেলা, সৰা), ফু-থাং (জীয়া), বো-খো (মুক্ত কৰ) ইত্যাদি।

গাৰো ঃ গাৰো ভাষাত সকলো ধাতুতে 'আত' পৰপ্রত্যয় লগ লগাই পাঁচনী ধাতু গঠন কৰা হয়। যেনে- নাম- আত (ভাল কৰ), দাৰ-বাত (কিছু ডাঙৰ হ', উই- আত (জনা) ইত্যাদি।

যুগ্ম ধাতু যোগে সাধন হোৱা তিব্বত-বর্মীয় ধাতু ঃ তিব্বত-বর্মীয় ভাষাত এটা ধাতুৰ সৈতে অন্য ধাতু সংযুক্ত হৈ সাধিত ধাতু গঠন হয়। উদাহৰণ ঃ

বডো ঃ বিৰ + লাং = বিৰলাং (উৰি গুচি যা)

দান + ছো = দানছো (কাটি খণ্ড কৰ)

ৰাভা ঃ তং + ছা = তংছা (জীৱন যাপন কৰ)

নুক + ৰাং = নুকৰাং (দেখা যা)

চি + থো = চিথো (দৃষ্টিমধুৰ হোৱা) ইত্যাদি।

- তিব্বত-বর্মীয় ভাষাত ধাতুৱে ধাতুৱে লগ লাগি সংযুক্ত ধাতু গঠন হোৱা দৃষ্টান্ত অসমীয়া ভাষাত দেখা নাযায়। তথাপিও ভাৱবাচক বিশেষ্যৰ ৰূপত থকা অপ্রত্যয়ান্ত ধাতুৱে আন এটা সহায়কাৰী ধাতুৰ লগত লগ লাগি সাধিত ধাতু গঠন হোৱা প্রক্রিয়া দেখা যায়। যেনে- মোচৰ খা, কামোৰ খা, খোল খা ইত্যাদি। তদুপৰি, অসমীয়া ভাষাত বহুতো নাম শব্দজাত সংযুক্ত ধাতু আছে। যেনে- আগবাঢ়, কথা ক, নাম ল, খোজ কাঢ়, ক্ষমা কৰ, টোপনি যা ইত্যাদি। অসমাপিকা ক্রিয়াৰ ৰূপৰ লগতো সংযুক্ত ধাতুৰ প্রয়োগ হয়। যেনে ঃ উঠি যা, আহি থাক, খাই পেলা, পুনৰাই ক, নিলগাই থ ইত্যাদি।
- আর্যমূলীয় অসমীয়া আৰু চীন-তিব্বতীয় বৃহৎ পৰিয়ালৰ তিব্বত-বর্মীয় শাখাৰ ভাষাসমূহৰ ক্রিয়াৰ ক্ষেত্রত সাদৃশ্যতকৈ বৈসাদৃশ্য অধিক। যদিও দুয়োটা ভাষাই অন্ত্য

ক্রিয়াপদীয় আৰু পৰসর্গীয়, তথাপি ক্রিয়াৰ প্রয়োগত দুয়োটা ভাষাৰেই ভিন্নমুখী প্রক্রিয়া দেখা যায়।

অসমীয়া ভাষাত ক্রিয়াপদৰ প্রয়োগৰ সীমাবদ্ধতা আছে। আনহাতে তিব্বত-বর্মীয় ভাষাত একেটা শব্দই কালবাচক, দশাবাচক, কৃদন্ত ক্রিয়া, আৰু অন্য ৰূপত বিশেষ্য, বিশেষণ, ক্রিয়াবিশেষণ হিচাপে আনকি সর্গ হিচাপেও প্রয়োগ হয়। সংযুক্ত ধাতু গঠনৰ ক্ষেত্রতো দুয়োটা ভাষাৰ মাজত পার্থক্য আছে। কিন্তু দুয়োটা ভাষাৰ মাজত পাৰস্পৰিক প্রভাৱো বিদ্যমান। অসমীয়া ভাষাত এটা মুখ্য ক্রিয়াত এক বা একাধিক অসমাপিকা ক্রিয়াৰ প্রয়োগ, সহায়কাৰী ক্রিয়াৰ প্রয়োগ আদিত তিব্বত-বর্মীয় প্রভাৱ অনুভূত হয়।

- তিব্বত-বর্মীয় ভাষাৰ দৰে অসমীয়াতো ধাতু বা ক্রিয়াৰ দ্বিৰুক্তি প্রয়োগ আছে। যেনে—

  বডো ঃ বিয়ু' মিনিহাং মিনিহাং বুংবায় (তেওঁ হাঁহো হাঁহোকৈ ক'লে)

  নুং থাংগু'ন না থাঙা (তুমি যাবা নে নাযাবা)

  ৰাভা ঃ খাপে-ক্রি'ঙে তাতং (কন্দা-কটা নকৰিবা)

  গাৰো ঃ বিয়া আগান দাপদাপআ (তেওঁ ওপৰা-উপৰিকৈ কথা পাতে)।

  ক্রিয়াৰ দ্বিৰুক্তি প্রয়োগত এইদৰে দুয়োটা ভাষাৰে মাজত সাদৃশ্য দেখা যায়।

- তিব্বত-বর্মীয় ভাষা আৰু অসমীয়া ভাষাৰ ক্রিয়া বিশেষণৰ প্রয়োগত পার্থক্য আছে। সেয়া হ'ল— অসমীয়াত ক্রিয়া বিশেষণৰ লগতে বিশেষণৰ তুলনা বুজোৱা ৰূপ মুখ্য ক্রিয়াৰ বাওঁফালে বহে, কিন্তু তিব্বত-বর্মীয় ভাষাসমূহত এনে ৰূপ মুখ্য ক্রিয়াৰ সোঁফালে বহে। উদাহৰণ ঃ

	অসমীয়া
ৰাভা ঃ (খাপাক) ৰম্ ৰম্ চাং	(বুকু) হম্ হম্ কৰে
জ্রাওৱান মুনি কি	চেৰেংকৈ মনত পৰ্
বডো ঃ (মু'দু'ম) থু'ৰ থু'ৰ মাও	(গা) থৰ্ থৰ্ কঁপে্
খু খু গাব	হুক হুকাই কান্দ
মিছিং ঃ আছ' আছ' পু'লু	ফুচফুচাই ক

তিব্বত-বর্মীয় হোৱা স্বত্বেও বহুকেইটা বিষমবর্গীয় ভাষাৰ মাজত ক্রিয়াৰ গঠন, প্রয়োগ, প্রকাৰ আদি বিষয়ক তুলনামূলক আলোচনা কৰাটো জটিল। সংস্কৃতমূলীয় অসমীয়া ভাষাৰ সৈতে ৰাভা, বডো, গাৰো, কার্বি, মিছিং আদি তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ বহুল পৰিমাণে পার্থক্য দেখা যায়। তদুপৰি সামান্যভাৱে পাৰস্পৰিক প্রভাৱো পৰিলক্ষিত হয়। একেখন ভাষাগত ক্ষেত্রত বিকশিত হোৱা অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষাৰ এনে সাদৃশ্য-বৈসাদৃশ্যই দুয়োবিধ ভাষাৰেই সম্পর্ক দৃঢ় কৰি ৰাখিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সাধিত ধাতু গঠন প্রক্রিয়াৰ এক তুলনামূলক আলোচনা আগবঢ়াওক।

(১০০টা শব্দৰ ভিতৰত)

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টিৰ পৰা আমি জানিব পাৰিলোঁ যে অসমীয়া আৰু তিব্বত-বর্মীয় দুয়োবিধ ভাষাতেই বৈয়াকৰণিক দিশত ক্রিয়াৰ ভূমিকা অপৰিসীম। ক্রিয়াৰ মূল হৈছে ধাতু। দুয়োবিধ ভাষাতেই ধাতুৰ গঠন, প্রয়োগ, প্রকাৰ ভিন্ ভিন্।
- ক্রিয়াৰ গঠন, প্রকাৰ, প্রয়োগৰ ক্ষেত্রত দুয়োবিধ ভাষাৰ মাজত সাদৃশ্য-বৈসাদৃশ্য আছে আৰু পাৰস্পৰিক সম্পর্ক আছে।
- অসমীয়া আৰু তিব্বত-বর্মীয় দুয়োটা ভাষাতেই ধাতু, পুৰুষ, কাল, ভাৰ আদিৰ সমন্বয়ত ক্রিয়াৰ আলোচনা সম্পূর্ণ হয়।
- তিব্বত-বর্মীয় ভাষাত ধাতুৱে ধাতুৱে যোগ হৈ সংযুক্ত ধাতু গঠন হোৱা দৃষ্টান্ত অসমীয়া ভাষাত নাই। লগতে সাধিত ধাতু গঠনৰ ক্ষেত্রত দুয়োবিধ ভাষাৰ মাজত মিল-অমিল আছে।
- অসমীয়া ভাষাৰ তুলনাত তিব্বত-বর্মীয় ভাষাত ক্রিয়া বিশেষণৰ প্রয়োগ অধিক। লগতে ক্রিয়া বিশেষণৰ প্রয়োগৰ ক্ষেত্রত দুয়োবিধ ভাষাৰ মাজত পার্থক্য আছে।
- অসমীয়া ভাষাৰ দৰেই তিব্বত-বর্মীয় ভাষাতো পাঁচনি ক্রিয়া, অনিয়মিত ক্রিয়া, নঞৰ্থক ক্রিয়া, কৃদন্ত, তুমুন্ত আদি ৰূপ আছে।



১০.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) গোস্বামী, উপেন্দ্রনাথ (২০১৩); *অসমীয়া ভাষাৰ ব্যাকৰণ,* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

২) গোস্বামী, গোলোকচন্দ্র (২০১২); *অসমীয়া ব্যাকৰণ প্রৱেশ,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৩) বৰা, লীলাৱতী শইকীয়া (২০১১); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব,* গুৱাহাটী ঃ বনলতা।

৪) হাকাচাম, উপেন ৰাভা (২০১১); *ৰাভা ভাষা আৰু সাহিত্য,* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

৫) হাকাচাম, উপেন ৰাভা (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা,* ধূপধৰা, হাকাচাম কাওছাদাম।

১০.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ধাতু....মুখ্য, গৌণ, যৌগিক....স্বয়ংসিদ্ধ....উদাহৰণ.... ।.....খণ্ডখণ্ডকৈ ভাঙিব....উদাহৰণ পাঁচনি, নাম, ধ্বন্যাত্মক....। যৌগিক....। তিব্বত-বর্মীয় ধাতু সাধাৰণ, নাম ধাতু....। উদাহৰণ....।

২নং প্রশ্নৰ উত্তৰ ঃ অসমীয়া ভাষাৰ সাধিত ধাতু....। প্রক্রিয়া....। ধ্বনি পৰিৱর্তন যোগে....। প্রত্যয় যোগে....। তিব্বত-বর্মীয় সাধিত ধাতু....। ধ্বনি পৰিৱর্তন যোগে....। প্রত্যয় যোগে....। যুগ্ম ধাতু যোগে....।

১০.৮ আৰ্হি প্রশ্ন

প্রশ্ন নং ১ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়ামূল বা ধাতুৰ গঠন আৰু প্রয়োগ সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন নং ২ ঃ ক্রিয়াপদৰ ভাগসমূহ উল্লেখ কৰি অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ মাজত এক তুলনামূলক আলোচনা আগবঢ়াওক।

প্রশ্ন নং ৩ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়া বিশেষণসমূহ কেনেদৰে গঠন আৰু প্রয়োগ হয় উল্লেখ কৰক।

প্রশ্ন নং ৪ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সাধিত ধাতু গঠনত কি কি সাদৃশ্য-বৈসাদৃশ্য দেখা যায়? বহলাই আলোচনা কৰক।

প্রশ্ন নং ৫ ঃ 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়া' শীর্ষক এটি নিবন্ধ যুগুত কৰক।

প্রশ্ন নং ৬ ঃ তিব্বত-বর্মীয় ভাষাৰ পাঁচনি ক্রিয়া আৰু নঞৰ্থক ক্রিয়াৰ গঠন আৰু প্রয়োগ সম্পর্কে বহলাই লিখক।

প্রশ্ন নং ৭ ঃ চমুটোকা লিখক ঃ

(ক) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সমাপিকা আৰু অসমাপিকা ক্রিয়া।

(খ) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়াৰ ভাৰ।

(গ) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্রিয়া বিশেষণৰ প্রয়োগ।

(ঘ) অসমীয়া নঞৰ্থক ক্রিয়া।

(ঙ) তিব্বত-বর্মীয় ভাষাৰ যুগ্ম ধাতু।

(চ) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ দ্বিৰুক্তি ক্রিয়া।

(ছ) তিব্বত-বর্মীয় ভাষাৰ পাঁচনী ক্রিয়া।

*** ***** ***

অধ্যায় ১১ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনা
১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৫ অধিক জানিবলৈ
১১.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১১.৭ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া ভাষাৰ বাক্যতত্ত্বৰ বিষয়ে জানিব পাৰিব
- তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ বিষয়ে জানিব পাৰিব
- অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনামূলক আলোচনা আগবঢ়াব পাৰিব।

১১.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'ৰ এইটো একাদশ অধ্যায়। অধ্যায়টোৰ শিৰোনাম 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনা'। পৃথিৱীত বিভিন্ন ভাষা পৰিয়ালৰ অন্তর্গত ভিন্ ভিন্ ভাষা আছে। পৃথিৱীত প্রচলিত ভাষাসমূহৰ গঠন, প্রকৃতি আদিলৈ লক্ষ্য কৰি একোটা পৰিয়ালত শ্রেণীভক্ত কৰা হৈছে। পৃথিৱীত প্রচলিত দুটা ভাষা পৰিয়াল হ'ল ইন্দো-ইউৰোপীয় ভাষা পৰিয়াল আৰু চীন-তিব্বতীয় ভাষা পৰিয়াল। অসমত এই দুটা ভাষা পৰিয়ালৰ অন্তর্গত অনেক ভাষা প্রচলিত। চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত বৰো, ৰাভা, গাৰো, তিৰা, কার্বি, মিচিং আদি ভাষাৰ লগতে ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তর্গত আর্যমূলীয় অসমীয়া ভাষাই অতি প্রাচীন কালৰে পৰাই সহাৱস্থান কৰি আছে। ভিন্নমূলীয় ভাষা হোৱা বাবে উভয় ভাষাৰ বাক্যতত্ত্বৰ পার্থক্য স্পষ্ট; কিন্তু একেখন ভাষাগত ক্ষেত্রত একেলগে সহৱস্থান কৰি থকাৰ বাবে উভয় ভাষাৰ বাক্যতাত্ত্বিক দিশত পা�ৰস্পৰিক প্রভাৱ পৰিলক্ষিত হয়। অধ্যায়টিত উভয় ভাষাৰ বাক্যতাত্ত্বিক দিশৰ তুলনামূলক আলোচনা আগবঢ়োৱা হৈছে।

১১.৩ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনা

চীনা প্রভৃতি তিব্বত-বর্মীয় ভাষাসমূহ মূলতঃ যোগাত্মক। অর্থাৎ এই ভাষাসমূহ অৱস্থানগত প্রকৃতিৰ হোৱা বাবে শব্দ বা ক্রিয়াত প্রত্যয়, বিভক্তি আদিৰ প্রয়োগ সমূলি নাথাকে। চীনা প্রভৃতি তিব্বত-বর্মীয় ভাষাসমূহ অযোগাত্মক হোৱা সত্ত্বেও অসম তথা উত্তৰ-পূর্বাঞ্চলত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহত যোগাত্মক প্রকৃতিৰ অসমীয়া ভাষাতো তিব্বত-বর্মীয় ভাষাৰ বাক্য গাঁথনিৰ প্রভাৱ নপৰাকৈ থকা নাই। অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যগত দিশৰ তুলনামূলক আলোচনা দাঙি ধৰা হ'ল।

১। বড়ো, ৰাভা অসমত প্রচলিত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাসমূহ একেটা আর্হিৰে অর্থাৎ ইবোৰ ক্রিয়া-পদান্ত ভাষা। এই ভাষাবোৰৰ বাক্য-সজ্জা, কর্তা-কর্ম-ক্রিয়া (Sov) আর্হিৰ আৰু সদর্থক বা প্রশ্নবাচক বাক্যলৈ ৰূপান্তৰ কৰিলেও ইবোৰৰ ক্রমৰ কোনো হীন ডেঢ়ি নহয়। উদাহৰণস্বৰূপে—

অসমীয়া ঃ

কর্তা	কর্ম	ক্রিয়া	
ক) সি/তাই-	ভাত-	খা-এ	
কর্তা-কর্তা নি	কর্ম-কর্ম নি.	ক্রিয়া-বর্ত. নি. (৩য়.পু.নি.)	
'সি/তাই ভাত খায়।'			
খ) সি/তাই-	ভাত-	না-খা-এ	
কর্তা-কর্তা নি.	কর্ম-কর্ম নি.	নঞ.নি.-ক্রিয়া-বর্ত. নি. (৩য়.পু.নি.)	
'সি/তাই ভাত নাখায়।'			
গ) সি/তাই-	ভাত-	খা-এ	নে
কর্তা-কর্তা নি.	কর্ম-কর্ম নি.	ক্রিয়া-বর্ত. নি.	প্রশ্ন. নি.
সি/তাই ভাত খায় নে?			

তিব্বত-বর্মীয় (বৰো)

কর্তা	কর্ম	ক্রিয়া
ক) বি (-য়ু')	জৌ-	লু'ং-উ'
তেওঁ (-কর্তা নি.)	মদ-কর্ম নি	পী-বর্ত. নি.
'তেওঁ মদ খায়।'		
খ) বি (-য়ু')	জৌ-	লু'ং-আ-
তেওঁ (-কর্তা নি.)	মদ-কর্ম নি	পী-নঞ. নি.-বর্ত. নি.
'তেওঁ মদ নাখায়?'		
গ) বি (-য়ু')	জৌ-	লু'ং-উ'-মা

তেওঁ (-কর্তা নি.) মদ-কর্ম নি. পী-বর্ত. নি.-প্রশ্ন নি.

'তেওঁ মদ খায় নে?'

২। অসমীয়া ভাষাত ক্রিয়াৰ দ্বিত্ব প্রয়োগ (সদর্থক-নঞর্থক) ঘটে। অসমীয়াত অৱশ্যে কাল নিৰপেক্ষ { নাই } সহায়কাৰী ক্রিয়াৰ বিস্তৰ প্রয়োগ হয়; যিটো কিছুমান তিব্বত-বর্মীয় ভাষাতহে পৰিলক্ষিত নহয়। উদাহৰণ—

অসমীয়া ঃ

কর্তা	কর্ম	ক্রিয়া
ক) তুমি-	মদ-	খা-আ
কর্তা-কর্তা. নি.	কর্ম-কর্ম নি.	ক্রিয়া.-বর্ত. নি. (২য়./পু.নি.)
নে না -	খা-আ/নাই	

প্রশ্ন নি নঞ. নি. - ক্রিয়া -বর্ত. নি. (৩য় পু.নি.) /সহায়কাৰী ক্রিয়া

'তুমি মদ খোৱা নে নোখোৱা/নাই?'

খ) তুমি-	মদ-	খা-বা
কর্তা-কর্তা. নি.	কর্ম কর্ম নি.	ক্রিয়া.-ভবি. নি. (২য়./পু.নি.)
-নে না -	খা-বা/নাই	

প্রশ্ন নি নঞ. নি. - ক্রিয়া -ভবি. নি. (২য় পু.নি.) /সহায়কাৰী ক্রিয়া

'তুমি মদ খাবা নে নাখাবা/নাই?'

ব্যতিক্রম ঃ

ৰাভা ঃ

কর্তা	কর্ম	ক্রিয়া
ক) উ (-বে)	মায়-	ছা-বা
তেওঁ (কর্তা নি.)	ভাত-কর্ম নি.	খা-ভূত নি.
না -	ছা-চা-বা / * তংচা / * দংচা	
প্রশ্ন নি.	খা-নঞ.নি.-ভূত নি. / * নাই/ * নহয়	

'তেওঁ ভাত খাইছিল নে নাখাইছিল/* নাই / * নহয়?'

৩। অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাতে ক্রিয়াবিহীন বাক্যৰ প্রয়োগ আছে আৰু ইবিলাক বাক্য প্রশ্নবাচক বাক্যলৈ ৰূপান্তৰ কৰিলে আন কোনো ক্রিয়াৰ সহায় ল'ব নালাগিলেও নঞর্থক বাক্যলৈ ৰূপান্তৰ কৰিলে এটা সহায়কাৰী বা মুখ্য ক্রিয়াৰ সহায় ল'বলগীয়া হয়। উদাহৰণ —

অসমীয়া ঃ

ক) সি/তাই-	এজন/এজনী	শিক্ষিত	যুৱক/যুৱতী
কর্তা (পুং-স্ত্রী) কর্তা নি.	সংখ্যা (পুং-স্ত্রী)	বিণ.	বিশেষ্য (পুং-স্ত্রী)

'সি/তাই এজন/এজনী শিক্ষিত যুৱক/যুৱতী।'

সি/তাই- এজন/এজনী শিক্ষিত যুৱক/যুৱতী নহয়

কর্তা (পুং-স্ত্রী) -কর্তা নি. সংখ্যা (পুং-স্ত্রী) বিণ. বিশেষ্য (পুং-স্ত্রী) নঞ.নি.-হ

সি/তাই এজন/এজনী শিক্ষিত যুৱক/যুৱতী নহয়।'

গ) সি/তাই- এজন/এজনী শিক্ষিত যুৱক/যুৱতী নে?

কর্তা (পুং-স্ত্রী) কর্তা নি. সংখ্যা (পুং-স্ত্রী) বিণ. বিশেষ্য (পুং-স্ত্রী)

'সি/তাই এজন/এজনী শিক্ষিত যুৱক/যুৱতী নে?'

ঘ) সি/তাই- এজন/এজনী শিক্ষিত যুৱক/যুৱতী

কর্তা (পুং-স্ত্রী) কর্তা নি. সংখ্যা (পুং-স্ত্রী) বিণ. বিশেষ্য

হয় নে নহয় / * নাই।

হ- বর্ত নি. প্রশ্ন নি. নঞ. নি. -ক্রিয়া -বর্ত. নি. /* সহায়কাৰী ক্রিয়া

'সি/তাই এজন/এজনী শিক্ষিত যুৱক/যুৱতী হয় নে নহয় /* নাই?'

তিব্বত-বর্মীয় (গাৰো) ঃ

ক) উৱা (-দে) ছাক-ছা ডালগিপা মান্ দে

সি (নির্দিষ্ট নি.) শ্রেণী নি.-এক ডাঙৰ মানুহ

'তেওঁ এগৰাকী ডাঙৰ মানুহ।'

খ) উৱা (-দে) ছাক-ছা ডালগিপা মানদে ওঁ-জা

সি (নির্দিষ্ট নি.) শ্রেণী নি.-এক ডাঙৰ মানুহ হ-নঞ.নি. -বর্ত.নি.

'তেওঁ এগৰাকী ডাঙৰ মানুহ।'

গ) উৱা (-দে) ছাক-ছা ডালগিপা মানদে ওং-আ মা

সি (নির্দিষ্ট নি.) শ্রেণী নি. -এক ডাঙৰ মানুহ হ-বর্ত.নি. প্রশ্ন নি.

'তেওঁ এগৰাকী ডাঙৰ মানুহ নে?'

ঘ) উৱা (-দে) ছাক-ছা ডালগিপা মান দে

সি (নির্দিষ্ট নি.) শ্রেণী নি. -এক ডাঙৰ মানুহ

ও-আ মা ওং-জা-

হ-বর্ত নি. প্রশ্ন নি. হ-নঞ.নি. বর্ত.নি.

'তেওঁ এগৰাকী ডাঙৰ মানুহ হয় নে নহয়?'

৪। অসমীয়াত ক্রিয়াৰ লগত পুৰুষৰ সংগতি বিশেষভাৱে লক্ষণীয় অর্থাৎ পুৰুষভেদে আৰু মান্য তুচ্ছ সাপেক্ষে ক্রিয়া ৰূপৰ তাৰতম্য হয়। অৱশ্যে অসমীয়াত তিব্বত-বর্মীয় ভাষাৰ দৰে পুং-স্ত্রী (লিংগ) ভেদে নতুবা একবচন-বহুবচন (বচন) ভেদে আৰু মান্য-তুচ্ছ সাপেক্ষে ক্রিয়াৰূপৰ তাৰতম্য হয়। অৱশ্যে অসমীয়াতো তিব্বত-বর্মীয় ভাষাৰ দৰে পুং-স্ত্রী

(লিংগ) ভেদে নতুবা একবচন-বহুবচন (বচন) ভেদে ক্রিয়াৰূপৰ তাৰতম্য নহয়। উদাহৰণ —

অসমীয়া ঃ

মই /আমি	ভাত	খাওঁ /খাম
তই /তহঁতে	ভাত	খাৱ /খাবি
আপুনি /তেখেতসকলে	ভাত	খায় /খাবি
সি /তাই /তেওঁ /তেওঁলোক	ভাত	খায় /খাব
তেখেত /তেখেতসকল	ভাত	খায় /খাব
ৰামে /সীতাই	ভাত	খায় /খাব

অসমত প্রচলিত তিব্বত-বর্মীয় তিৱা আৰু কার্বি ভাষাৰ বাহিৰে কোনোটো তিব্বত-বর্মীয় ভাষাতে ক্রিয়াৰ সৈতে লিংগ, বচন কিম্বা পুৰুষৰ সংগতি সমূলি নাই। তিৱা ভাষাত তিনিওটা পুৰুষভেদে ক্রিয়াৰূপৰ তাৰতম্য হোৱাৰ দৰে কার্বি ভাষাত সর্বনামৰ মান্য-তুচ্ছ ৰূপভেদে ক্রিয়াৰূপৰ কিছু তাৰতম্য হয়। সাধাৰণতে মান্যার্থত {-ইক) নির্দেশকৰ প্রয়োগ হয়। উদাহৰণ —

নে /নেতুম	আন	চ-
‘মই /আমি (সাধাৰণ)	ভাত	খাওঁ।’
কিন্তু নেলি /নেলি তুমি /ইলি /ইলিতুম	আন	চ-ইক
‘মই /আমি (মান্য	ভাত	খাওঁ’
নাং /নাংতুম	আন	চ-
তই/তহঁতে/তুমি/তোমালোকে (সাধাৰণ)	ভাত	খাৱ/খোৱা।’
কিন্তু নাংলি /নাংলিতুম	আন	চ-ইক
‘আপুনি/আপোনালোকে (মান্য)	ভাত	খায়।’
আংলা/আলাংতুম	ভাত	চ-ইক’
সি/তেওঁ/সিহঁতে/তেওঁলোকে (সাধাৰণ)	ভাত	খায়।’
কিন্তু, আলাংলি/আলাংলিতুম (মান্য)	আন	চ-ইক
‘তেখেত/তেখেতসকলে (মান্য)	ভাত	খায়।’

৫। অসমীয়া ভাষাত কর্তা আৰু ক্রিয়াৰ সৈতে কর্মৰ সংগতি আছে অর্থাৎ ক্রিয়া সকর্মক নে অকর্মক তাৰ ওপৰত ভিত্তি কৰি বেলেগ কর্তা নির্দেশক আৰু ক্রিয়াৰ পুৰুষ নির্দেশকৰ প্রয়োগ হয়। নির্দেশক আৰু ক্রিয়াৰ পুৰুষ নির্দেশকৰ প্রয়োগ হয়। উদাহৰণ —

অকর্মক ঃ	ৰাম/সীতা-	আহ্-ইল-	
	কর্তা-কর্তা নি.	অ. ধাতু	- কাল নি. -পু. নি.
	‘ৰাম/সীতা আহিছিল।’		
সকর্মক ঃ	ৰাম/সীতা -এ	ভাত	খা-ইল-এ

কর্তা-কর্তা.নি.	কর্ম.	স. ধাতু-কাল. নি. -পু.নি.	

'ৰামে/সীতাই ভাত খালে।'

অসমীয়া ভাষাত থকা ক্রিয়াৰ সৈতে কর্মৰ সংগতি ৰক্ষা কৰাৰ উদাহৰণ তিব্বত-বর্মীয় মূলৰ ভাষাত দেখা নাযায়।

৬। অসমীয়া ভাষাত দ্বিকর্মক ধাতুৰ ক্ষেত্রত প্রত্যক্ষ কর্ম (Do) মূল ধাতুৰ নিচেই কাষতে অৱস্থান কৰে। এনে ক্ষেত্রত প্রত্যক্ষ কর্মত কোনো কর্ম নির্দেশক বা পৰসর্গৰ প্রয়োগ নহয়। কিন্তু পৰোক্ষ কর্মত (Io) হ'লে বাধ্যতামূলকভাৱে কর্ম নিদের্শক বা পৰসর্গৰ প্রয়োগ হয়। অসমৰ তিব্বত-বর্মীয় মূলৰ ভাষাসমূহতো এই বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। উদাহৰণ —

অসমীয়া ঃ

ক) মাকে	কেচুৰাটো -ক	পিয়াহ-	খুৱাইছে
কর্তা	পৰোক্ষ কর্ম-কর্ম কি.	প্রত্যক্ষ কর্ম-কর্ম নি.	ক্রিয়া
S	Io-case	Do-	V
খ) তুমি	মানুহজন-ক	মদ-	নুখুৱাবা
কর্তা	পৰোক্ষ কর্ম-কর্ম নি.	প্রত্যক্ষ কর্ম-কর্ম নি.	ক্রিয়া
S	Io-case	Do-	V

তিব্বত-বর্মীয় (মিছিং) ঃ

	তানি-দু'ম	আপং-	বিলং-
S	কর্ম নি.	Do--কর্ম নি.	V
'(তুমি)	মানুহজনক	মদ	দিবা।'

৭। অসমৰ তিব্বত-বর্মীয় ভাষাসমূহত বিশেষণবাচক খণ্ডবাক্যযুক্ত বাক্য এটা সৰল বাক্য কৰিব পৰা যায়। তিব্বত-বর্মীয় ভাষাসমূহৰ নিচিনাকৈ অসমীয়া ভাষাতো এই খণ্ডবাক্যযুক্ত বাক্য এটা সৰল বাক্য কৰিব পৰা যায়।

উদাহৰণ —

সিমান ডাঙৰ (এটা) মতা-কুকুৰা/বোৰৰ মাংসৰে কাক কাক পূজিবা।

তিব্বত-বর্মীয় (ৰাভা) ঃ

ওকায়	(মু'লকায়)	তো-গগো	গছা/বিজান-নি
সেইটো	সৰু	কুকুৰা-মতা	এটা/বোৰ-কাৰৰ
	মাকান(-ও)-বে		ছাঙা-ছান স্রিধা-জে
	মাংস-কর্ম নি. -নির্দিষ্ট নি.		কাক জোৰবাচক জোৰ্ ভাৰি. ক্রি.

'সেই (সৰু) মতা কুকুৰাবোৰৰ/এটাৰ মাংসখিনি কাকনো জুৰিব?'

৮। অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ তুলনাত জটিল বা মিশ্র বাক্যৰ প্রয়োগ বেছি। সাধাৰণতে বিশেষ্য বা ক্রিয়াৰ খণ্ডবাক্য (clause) ৰূপত এনে সৰল বাক্য জটিলকৰণ হয়। উদাহৰণ —

অসমীয়া ঃ

ক) যি কেইখন ভাল কিতাপ তাত আছে; সেই কেইখনহে মোক লাগে।

খ) তাৰ যি কেইখন কিতাপ ভাল; সেই কেইখনহে মোক লাগে।

ইয়াক সৰল বাক্যৰেও প্রকাশ কৰিব পাৰি। যেনে —

তাত থকা তাৰ ভাল কিতাপবোৰহে মোক লাগে।

অসমৰ ব্রহ্মপুত্র উপত্যকাত প্রচলিত ৰাভা আদি তিব্বত-বর্মীয় ভাষাৰ বাক্য-ৰীতিত নতুনকৈ হ'লেও এনে ৰীতি প্রচলন হোৱা দেখা গৈছে। যেনে —

তিব্বত-বর্মীয় (ৰাভা) ঃ

ক) যাকায়	গছা	কাওছা	নেমকায়	উছি	তোৱা;
সম্প্র	সংখ্যা বিণ.	বিশেষ্য	বিশেষণ	সম্প্র.	ক্রিয়া
উকায়ছে	আঙা	লাগিয়া।			
কর্তা	কর্তা	ক্রিয়া			

'যি (খন) খেন ভাল কিতাপ তাত আছে সেইখনহে মোক লাগে।'

খ) উছিনি	যাকায়	গছা	কাওছা	নেমা;
সম্প্র.	সম্প্র.	সংখ্যা বিণ.	বিশেষ্য	বিশেষ (বিধেয়)
	উকায়ছে	আঙা	লাগিয়া	
	কর্তা	কর্ম	ক্রিয়া	

'তাৰ যি (খন) এখন কিতাপ ভাল (আছে); সেইখনহে মোক লাগে।'

৯। সংযুক্ত ধাতু বা ক্রিয়াৰ প্রয়োগ তিব্বত-বর্মীয় ভাষাসমূহত লক্ষ্য কৰা যায়। অসমীয়াতো তিব্বত-বর্মীয় ভাষাসমূহৰ দৰে ক্রিয়াৰূপৰ প্রয়োগ আছে যদিও এইবোৰৰ সম্প্রসাৰণ ৰূপে ক্রিয়া বিশেষণ, ভাৱবাচক বিশেষ্য, কৃদান্ত বা বিশেষ্য আৰু বিশেষণৰ হৈ প্রয়োগ হয়। তিব্বত-বর্মীয় ভাষাৰ দৰে সংযুক্ত ধাতু (মুক্ত বা বদ্ধ ৰূপ) বা ধাতুই একাধিক ধাতুৰ সৈতে মুক্ত হোৱাৰ উদাহৰণ বিৰল। অসমীয়াত দশাবাচক, কালবাচক, পুৰুষ নির্দেশক ৰূপৰ দৰে অন্যান্য সম্প্রসাৰণেৰে একোটা ক্রিয়াবাচক বাক্যাংশ (VP) গঠন হয়। উদাহৰণ —

ক) তিৰোতাজনী-এ	সৰু	ছোৱালীজনী-ক	লাহে লাহে	
কর্তা-কর্তা নি.	বিণ.	কর্ম-কর্ম নি.	ক্রি.বিণ.(দ্বিত্ব)	
(গাত)	হাত	বুলা-ইছ-এ		

বিশেষ্য বাক্যাংশ ক্রিয়া য-দশা-কর্ত. নি. (৩য় পু. নি.)

' তিৰোতাজনীয়ে সৰু ছোৱালীজনীক লাহে লাহে (গাত) হাত বুলাইছে।'

খ) সেই	দুষ্ট	ল'ৰাটো-এ	বুঢ়া	মানুজনক-ক	কোবাই
সম্প্র.	বিণ.	কর্তা-কর্তা নি.	বিণ.	কর্ম-কর্ম. নি.	ক্রি. বিণ.
(থৈ)	দৌৰি	পলাই গ	-ইছ	ইল -এই	দেখোন
ক্রি. বিণ.	ক্রি.বিণ.	ক্রি.বিণ.	ক্রিয়া-দশা	নি.-কাল নি.	-জোৰবাচক স্বার্থিক

'সেই দুষ্ট ল'ৰাটোৱে বুঢ়া মানুহজনক কোবাই থৈ গৌৰি পলাই হৈছিলেই দেখোন'।

শব্দ-সজ্জাৰ ৰূপত ইয়াক তলত দিয়াৰ দৰে সজাব পাৰি —

VP = NP Adv^2 Adv^3 Adv^3 Adv^4 + V + Asp Tens Encl Emph.

সাম্প্রতিক অসমৰ পৰিস্থিতিত অসমত বসবাস কৰা অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাসমূহৰ মাজত পাৰস্পৰিক ভাব-বিনিময় গাঢ় হৈছে। এনে পৰিস্থিতিত অসমীয়া আৰু তিব্বত-বর্মীয় উভয় ভাষাৰ লোক-সাহিত্যৰ সমল যেনে ঃ নানান ধৰণৰ সাধুকথা, প্রবাদ-পটন্তৰ, কাহিনী গীত আদি উভয় ভাষালৈ অনূদিত হৈছে। ফলস্বৰূপে ভাষাৰ মাজতে ভাষাগত সকলো উপাদানৰে সাদৃশ্য ক্রমান্বয়ে গাঢ়ৰ পৰা গাঢ়তৰ হৈ আহিব ধৰিছে। মনকৰিবলগীয়া যে বাক্যগত দিশত এনে সাদৃশ্য যে তুলনামূলকভাৱে বেছি সেয়া সহজে অনুমেয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ যোগাত্মক আৰু অযোগাত্মক ভাষা কি? (৪০টা মান শব্দৰ ভিতৰত লিখক)

.....



১১.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমত প্রচলিত অসমীয়া ভাষা পৃথিৱীৰ সর্ববৃহৎ ভাষা পৰিয়ালৰ ইন্দো ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তর্গত। অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহ পৃথিৱীৰ দ্বিতীয় সর্ববৃহৎ ভাষা পৰিয়াল চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তর্গত।
- অসমৰ একেখন ভাষাগত ক্ষেত্রত দীর্ঘদিন ধৰি সহাৱস্থান কৰি থকাৰ ফলস্বৰূপে পৰস্পৰে পৰস্পৰৰ ভাষাতাত্ত্বিক উপাদানৰ দ্বাৰা প্রভাৱিত হয়। বাক্যতত্ত্বৰ ক্ষেত্রতো এনে পাৰস্পৰিক প্রভাৱ স্পষ্ট ৰূপত দেখা যায়।
- চীনা প্রভৃতি তিব্বত-বর্মীয় ভাষাসমূহ অযোগাত্মক প্রকৃতিৰ হ'লেও অসমত বহুলভাৱে প্রচলিত যোগাত্মক প্রকৃতিৰ প্রত্যয়ান্ত ভাষাসমূহৰ লক্ষণ স্পষ্ট ৰূপত দেখা

যায়। সমান্তৰালভাৱে যোগাত্মক প্ৰকৃতিৰ অসমীয়া ভাষাতো তিব্বত-বর্মীয় ভাষাৰ বাক্য গাঁথনিৰ প্ৰভাৱ নপৰাকৈ থকা নাই। অধ্যায়টিত অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনামূলক আলোচনা আগবঢ়োৱা হৈছে।



১১.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১। পাঠক, ৰমেশ (২০১৪); *ভাষা বিজ্ঞানৰ ভূমিকা*, গুৱাহাটী ঃ অশোক বুক ষ্টল।

২। বৰুৱা, ভীমকান্ত (২০১৫); *অসমৰ ভাষা*; ডিব্ৰুগড় ঃ বনলতা।

৩। ৰাভা হাকাচাম, উমেন (২০১১); *ৰাভা ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৪। ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা*; ধূপধৰা ঃ হাকাচাম কাওছাদমে।

ইংৰাজী গ্ৰন্থ ঃ

1. Kakati, B (1941); *Assamese its Formation and Development,* Ghy. LBS.



১১.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱীত প্ৰচলিত..... শব্দ বা ক্ৰিয়াত প্ৰত্যয়.....থাকে সেইবোৰ ভাষাক.....। আকৌ পৃথিৱীত প্ৰচলিত এনেকুৱা.....প্ৰত্যয়, বিভক্তি.....সমূলি নাথাকে.....অযোগাত্মক ভাষা।



১১.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ ক্ষেত্ৰত থকা সাদৃশ্যবোৰ পাঠত দিয়া উদাহৰণসহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ ক্ষেত্ৰত থকা বৈসাদৃশ্যবোৰ পাঠত দিয়া উদাহৰণসহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ 'অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ তুলনামূলক আলোচনা'— শীর্ষক বিষয় সম্পর্কে এটি টোকা যুগুত কৰক।

*** ***** ***

অধ্যায় ১২ ঃ অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ অসমৰ অনা-আর্য ভাষা
১২.৪ অসমীয়া ভাষাত আর্যভিন্ন উপাদান ৰক্ষিত হোৱাৰ কাৰণ
১২.৫ অসমীয়া সমাজ সংস্কৃতিলৈ মংগোলীয় (তিব্বত-বর্মীয়) লোকসকলৰ অৱদান
১২.৬ অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ
১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৮ অধিক জানিবলৈ
১২.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১২.১০ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমত প্রচলিত আর্যভিন্ন ভাষা আৰু অসমীয়া ভাষাত অনা-আর্য উপাদান ৰক্ষিত হোৱাৰ কাৰণ সম্পর্কে জানিব পাৰিব
- অসমীয়া সংস্কৃতিলৈ মংগোলীয়সকলৰ অবদান সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব,
- অসমীয়া ভাষাত ৰক্ষিত তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ সম্পর্কে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

ইতিমধ্যে ইয়াৰ পূর্বৰ অধ্যায়টিত আপুনি অসমীয়া আৰু তিব্বত বর্মীয় ভাষাৰ বাক্যতত্ত্বৰ সাদৃশ্য-বৈসাদৃশ্যৰ বিষয়ে অবগত হ'ল। প্রস্তাৱিত এই অধ্যায়ত অসমীয়া ভাষাত ৰক্ষিত তিব্বত-বর্মীয় ভাষাৰ প্রভাৱ সম্পর্কে জানিব পাৰিব। অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহ আৰু অসমীয়া সংস্কৃতিলৈ মংগোলীয় লোকৰ অবদানৰ বিষয়েও ফঁহিয়াই আলোচনা কৰা হ'ব।

১২.৩ অসমৰ আর্যভিন্ন ভাষা

অৱস্থিতিৰ পিনৰপৰা লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া ভাষাটো বিভিন্ন আর্যভিন্ন

ভাষাই আগুৰি আছে। সম্ভৱতঃ সেই কাৰণতে অসমীয়া ভাষাত আৰ্য উপাদানৰ লগতে বহুতো আৰ্যভিন্ন উপাদানো ৰক্ষিত হৈছে। অসমীয়া ভাষাত থকা আৰ্যভিন্ন উপাদানৰ প্ৰতি লক্ষ্য ৰাখিয়েই সম্ভৱতঃ নাথান ব্ৰাউনে অসমীয়া ভাষাৰ উদ্ভৱ সম্পৰ্কে এই মন্তব্যটো আগবঢ়াইছে— "Whether it (Assamese) was itself a dialect of Sanskrit or whether it was formed by engrafting the Sanskrit upon some original native stock now extinct is uncertain, the latter, however is the more probable opinion" (ই অসমীয়া) সংস্কৃতৰে এটা উপভাষা নে অধুনালুপ্ত আৰ্যভিন্ন ভাষাৰূপ এটিৰ ওপৰত সংস্কৃতৰ গাঁথনি জাপি দি ইয়াক জন্ম দিয়া হৈছিল, সেই কথাও খাটাংকৈ একো ক'ব নোৱাৰি, সম্ভৱত ঃ দ্বিতীয় মন্তব্যটোৱে শুদ্ধ)।

অসমত বসবাস কৰা অনা-আৰ্য ভাষা গোষ্ঠী বুলিলে মূলতঃ তলত দিয়া ভাষাগোষ্ঠীবোৰ বুজা যায়—

(ক) **অষ্ট্ৰিক ভাষাগোষ্ঠী ঃ** অষ্ট্ৰিক ভাষাগোষ্ঠীৰ শাখা দুটা- অষ্ট্ৰো এছিয়াটিক আৰু অষ্টোনেচিয়ান। ভাৰতত অষ্টো-এচিয়াটিক শাখাৰ ভাষাবোৰৰ প্ৰচলন আছে। এই গোষ্ঠীৰ অন্তৰ্গত খাচী (মূলতঃ মেঘালয়) আৰু কোলমুণ্ডা ভাষা-ভাষী লোক অসমত পোৱা যায়।

(খ) **তিব্বত-বর্মীয় ভাষাগোষ্ঠী ঃ** তিব্বত-বর্মীয়সকল মংগোলীয়। লোক এই ভাষাগোষ্ঠীক তিনিটা ভাগত ভগোৱা হৈছে— তিব্বত হিমালয়ী, উত্তৰ অসম আৰু অসম-বর্মী। বডো, কছাৰী, লালুং, ডিমাছা, ৰাভা, গাৰো, নগা, কুকি-চীন আদি ভাষা অসম-বর্মী শাখাৰ ভিতৰত পৰে।

গ) **শ্যাম চীন ভাষাগোষ্ঠী ঃ** শ্যাম-চীন গোষ্ঠীৰ টাই ভাষাই প্ৰধান। টাই ভাষাৰ প্ৰধান শাখা হ'ল— আহোম, খামটি, আইটন, নগা, টাইফাকে আদি।

(ঘ) **দ্ৰাবিড় গোষ্ঠী ঃ** অসমলৈ দ্ৰাবিড়সকল আহিছে নে নাই তাক লৈ বিতর্ক আছে যদিও অসমীয়া ভাষা আৰু সংস্কৃতিত কিছু পৰিমাণে দ্ৰাবিড় উপাদান লক্ষ্য কৰা যায়।

১২.৪ অসমীয়া ভাষাত আৰ্যভিন্ন উপাদান ৰক্ষিত হোৱাৰ কাৰণ

অসমীয়া এটা আৰ্যমূলীয় ভাষা। আৰ্যমূলীয় ভাষা হোৱা স্বত্ত্বেও ইয়াৰ অৱস্থিতিৰ বাবে আৰু অন্যান্য কাৰণত অসমীয়া ভাষাত অনা-আৰ্যমূলীয় ভাষাৰ প্ৰভাৱ পৰিছে। আৰ্যমূলীয় অসমীয়া ভাষাত অসংখ্য আৰ্যভিন্ন উপাদান সন্নিৱিষ্ট হৈ থকা পৰিলক্ষিত হয়। অসমীয়া ভাষাত আৰ্যভিন্ন উপাদান সৰহ হোৱাৰ সাম্ভব্য কাৰণবোৰ হ'ল—

(ক) অসমীয়া ভাষাটো কেৱল আৰ্য লোকসকলৰে ভাব প্ৰকাশৰে মাধ্যম নহয়। আৰম্ভণিৰ পৰা এই ভাষা বিভিন্ন অনার্যমূলীয় ভাষাগোষ্ঠীৰ লোকে ব্যৱহাৰ কৰি আহিছে। অসমীয়া ভাষাক সংযোগী ভাষা হিচাপে ব্যৱহাৰ কৰা হেতুকে আৰ্যভিন্ন ভাষাৰ বহু শব্দ

অসমীয়া ভাষাত প্ৰৱেশ কৰিছে।

খ) প্ৰজাতিগত সংমিশ্ৰণো অসমীয়া ভাষাত আৰ্যভিন্ন উপাদান ৰক্ষিত হোৱাৰ আন এটা কাৰণ। বিয়া-বাৰুৰ যোগেদি এটা ভাষাৰ শব্দ আৰু ভাষিক উপাদান অন্য এটা ভাষালৈ প্ৰবাহিত হৈছিল। কিছুমান ক্ষেত্ৰত আনকি ধ্বনি আৰু অৰ্থগত পৰিবৰ্তনো হৈছিল।

গ) বহু শতিকা একেলগে বসবাস কৰাৰ ফলস্বৰূপেও বহু আৰ্যভিন্ন ভাষাৰ শব্দ অসমীয়া ভাষাত সোমাইছিল। প্ৰব্ৰজনৰ সময় সীমালৈ চালে দেখা যায় যে আৰ্যভিন্ন লোকসকল আৰ্যসকলৰ পিছত প্ৰব্ৰজন কৰা লোক। সেয়েহে আৰ্যভিন্ন নদীৰ নাম, ঠাইৰ নাম, মাছৰ নাম আদি অনেক শব্দ ৰূপত অসমীয়া ভাষাত প্ৰৱেশ কৰিছিল।

(ঘ) অসমীয়া ভাষাত আৰ্যভিন্ন উপাদানৰ প্ৰৱেশত আহোম যুগৰ পাইক প্ৰথাইও অৰিহণা যোগাইছিল। এই পাইকবোৰ বিভিন্ন জনগোষ্ঠীৰ আছিল আৰু ৰজাঘৰত অসমীয়া ভাষাতে ভাব বিনিময় কৰিবলগীয়া হৈছিল। ফলত তেওঁলোকে নতুন শব্দ আৰু অন্যান্য ভাষিক উপাদান গ্ৰহণ কৰাৰ লগতে নিজৰ ভাষাৰ শব্দও অসমীয়া ভাষাত সংযোজন কৰিছিল।

(ঙ) অসমত বাস কৰা বিভিন্ন ভাষাগোষ্ঠীৰ লোকসকল সাংস্কৃতিকভাৱে স্বয়ং সম্পূৰ্ণ নাছিল। কোনো লোক যদি বাঁহ-বেতৰ সঁজুলি নিৰ্মাণত পাকৈত আছিল, তেন্তে আন কোনো লোক বোৱা-কটাত পাকৈত আছিল। এনে সংস্কৃতিক কাৰণতো অসমীয়া ভাষালৈ কিছু আৰ্যভিন্ন ভাষিক উপাদান আহিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমীয়া ভাষাত আৰ্যভিন্ন উপাদান ৰক্ষিত হোৱাৰ কাৰণবোৰ কি কি?

(২০০ শব্দৰ ভিতৰত).

.....

.....

.....

.....



জানি থোৱা ভাল

অসমৰ জনগোষ্ঠী বা অধিবাসীসকলে প্ৰতিনিধিত্ব কৰা নৃগোষ্ঠীকেইটা হ'ল—

ক) মংগোলয়ড (তিব্বত-বর্মীয়)

খ) অষ্ট্ৰলয়ড (অষ্ট্ৰিক)

গ) ভূমধ্য সাগৰীয় (দ্ৰাৱিড়)

ঘ) নৰ্ডিক (আৰ্য)

ভূমধ্য সাগৰীয় নৃগোষ্ঠীৰ ভিতৰত দ্ৰাবিড়সকল উল্লেখযোগ্য। অষ্ট্ৰিকসকলৰ পিছত দ্ৰাবিড়সকল ভাৰতলৈ আহে যদিও তেওঁলোকৰ বসতি ব্ৰহ্মপুত্ৰ উপত্যকা পৰ্যন্ত বিস্তৃত হৈছিল নে নাই সেয়া খাটাংকৈ ক'ব পৰা নাযায়। অৱশ্যে অসমীয়া সংস্কৃতিত কিছু পৰিমাণে দ্ৰাবিড়ীয় উপাদান ৰক্ষিত নোহোৱাকৈ থকা নাই।

১২.৫ অসমীয়া সমাজ-সংস্কৃতিলৈ মংগোলীয় (তিব্বত-বর্মীয়) লোকসকলৰ অৱদান

অসমীয়া সমাজ-সংস্কৃতিলৈ মংগোলীয় (তিব্বত-বর্মীয়) লোকসকলৰ বিশেষ বৰঙণি আছে। ই অসমীয়া সংস্কৃতিক অধিক শক্তিশালী কৰি তুলিছে। তিব্বত-বর্মীয় অর্থাৎ মংগোলীয়সকলে ঘাইকৈ নদীৰ পাৰত বসবাস কৰিছিল। অসমৰ প্ৰখ্যাত নদীসমূহৰ নামে সেই ইতিহাসক নির্দেশ কৰে। পানী বুজোৱা বডো 'দি' শব্দেৰে গঠিত অসমৰ নদীৰ নাম হৈছে দিখৌ, দিচাং, দিহিং, ভোগদৈ, মংগলদৈ ইত্যাদি। নদীৰ পাৰত বাস কৰা বাবে নদীৰ লগত সংযোগ থকা ভালেমান অসমীয়া বস্তুৰ নাম আৰু আচাৰ-ব্যৱহাৰ বডোসকলৰ পৰা অহা।

বাণীকান্ত কাকতিয়ে *পুৰণি অসমৰ ধর্মৰ ধাৰা* নামৰ পুথিখনত আলোচনা কৰি কৈছে যে কিৰাত ধর্মৰ সন্ন্যাস বিধি বা দীঘলীয়া ব্ৰত পালন কৰাৰ নিয়ম নাই। ইয়াত মাছ, মাংস, মদ আদি খাই স্ত্ৰী ধর্ম পালন কৰাৰ কথা আছে। কোনো শুভ কার্যৰ আৰম্ভণিতে পূজা দিয়া প্ৰথা কিৰাতসকলৰ পৰা অহা বুলি কোৱা হৈছে। তদুপৰি কিৰাত বা মংগোলীয়সকলৰ আদর্শতে অসমীয়া সংস্কৃতিত সন্ন্যাস বিধি বা দীঘলীয়া ব্ৰত পালন কৰা নহয়।

তিব্বত-বর্মীয়সকলৰ সমাজ ব্যৱস্থা কটকটীয়া আছিল। তেওঁলোকৰ বংশপ্ৰীতি বৰ প্ৰবল। এওঁলোকৰ সমাজত যৌথ পৰিয়ালৰ প্ৰচলন আছিল। এওঁলোকে চাংঘৰত বসবাস কৰিছিল। বাঁহ সংস্কৃতি মংগোলীয়সকলৰ পৰাই অসমীয়া সংস্কৃতিলৈ আহে। গাজটেঙা, খৰিচা আদি এওঁলোকৰ অৱদান। কোনো কোনোৱে বাঁহ পূজাও কৰে। শনিবাৰ আৰু মংগলবাৰে বাঁহ কাটিব নোৱৰাৰ কথা এওঁলোকৰ বাঁহ পূজাতে লুকাই আছে। বাঁহ পানীত থৈ ***গোৱোৱাৰ*** নিয়ম এওঁলোকেই প্ৰথমে প্ৰৱর্তন কৰে। এই আটাইবোৰ নিয়ম অসমীয়া সংস্কৃতিত মংগোলীয়সকলৰ পৰা আহিছে।

মৰং বা ডেকাচাং তিব্বত-বর্মীয় লোকসকলৰ সামাজিক জীৱনৰ অপৰিহার্য অনুষ্ঠান। চাং শব্দটো বডো ভাষাৰপৰা অহা। অৱশ্যে বর্তমান সময়ত ভৈয়ামৰ জনজাতিৰ মাজৰ পৰা ডেকাচাং উঠি গৈছে। ডেকাচাং গাঁৱৰ সোমাজত সজা হয়। গাঁৱৰ ডেকাসকলে নিশা ডেকাচাঙত শোৱে। ইয়াৰ জৰিয়তে সামাজিক সম্প্ৰীতি আৰু সদ্ভাৱ ডেকাচাঙৰ মিলনত বাঢ়ে; গাঁৱৰ সকলো যেন এটা পৰিয়াল, এই ভাব দৃঢ় হয়। ভৈয়ামত মাঘৰ বিহুৰ মৰলি বা ভেলাঘৰত ডেকাচাঙৰ স্মৃতি জড়িত হৈ আছে।

কিৰাতসকল আচাৰ-ব্যৱহাৰত কিছু লক্ষণীয়। বর্তমান আমাৰ প্ৰচলিত তামোল খোৱা প্ৰথা মংগোলীয় বা তিব্বত-বর্মীয় লোকৰ পৰা অহা। ইয়াৰোপৰি মাছ-মঙহ খোৱাৰ

অভ্যাস আমাৰ সমাজত বডোসকলৰপৰা অহা বুলি কোৱা হৈছে। তদুপৰি শৰীৰ চৰ্চা, সামাজিক উৎসৱ পতা, মাঘৰ বিহুত ভেলাঘৰ সজা, পথাৰত মহিলাই ধান ৰোৱা, ধান কটা, এড়ি আৰু পাটসূতা কটা, যুৱতী কালত বিয়া হোৱা, বিবাহ বিচ্ছেদ, গা ধন দিয়া, ছোৱালী পলুৱাই অনা, বিয়াত হেঙাৰ দিয়া আদি বহু সামাজিক প্ৰথা তিব্বত-বর্মীয়সকলৰ পৰা আহিছে। ইয়াৰোপৰি ঘৰ সজা, জন্তু পোহা, চিকাৰ কৰা আদি অসমীয়া মহিলাৰ সাজ-পাৰ ঘাইকৈ মেখেলা আৰু ৰিহা তিব্বত-বর্মীৰ দান।

অসমীয়া ধার্মিক সংস্কৃতিত তিব্বত-বর্মীয়ৰ কিছু উপাদান আছে। কাকতিৰ মতে কেঁচাইখাতী গোঁসানীৰ পূজা মংগোলীয়সকলে প্ৰৱর্তন কৰে। দেওধনী নৃত্য, গছ, শিল আদিৰ পূজা তিব্বত-বর্মীয়ৰ বিশ্বাসৰ মাজতে আছে। মহ খেদা উৎসৱ তিব্বত-বর্মীয়ৰ দান।

অসমীয়া শিল্প আৰু সুকুমাৰ কলাত তিব্বত-বর্মীয় ভাষীৰ সুস্পষ্ট ছাপ আছে। বাদ্যযন্ত্ৰৰ ভিতৰত ডবা, ভোৰতাল, টকা, গগনা, চিফুং, বাঁহী আদি তিব্বত-বর্মীয়ৰ সংসর্গত পোৱা। গাৰো আৰু কছাৰী মহিলাৰ ৰিহা মেখেলাৰ পাতলিত যি ফুল বচা কার্য সিয়ো উল্লেখযোগ্য। তিব্বত-বর্মীয়ৰপৰা অহা কিছুমান শব্দ হৈছে— হাফলু, বোন্দা, ডাউক, শিলিখা আদি। শব্দৰ বাহিৰেও ক্ৰিয়াপদ আৰু প্ৰত্যায়ো তিব্বত-বর্মীয় ভাষাৰপৰা গ্ৰহণ কৰা হৈছে। তেলেক্, চেকুৰ, চেপ্ আদি ক্ৰিয়াপদ অসমীয়ালৈ আহিছে। আনহাতে বডো ভাষাৰ প্ৰত্যয়ৰ সংযোগত পেখম, লেহেম, দহেচীয়া, কেৰেচীয়া আদি শব্দ অসমীয়ালৈ আহিছে।

১২.৬ অসমীয়া ভাষাত তিব্বত-বর্মীয় ভাষাৰ প্ৰভাৱ

অসমৰ জনগোষ্ঠী বা অধিবাসীসকলে মংগোলীয়, দ্ৰাৱিড়, অষ্ট্ৰলয়ড আৰু নর্দিক এইকেইটা নৃ-গোষ্ঠীক প্ৰতিনিধিত্ব কৰিছে। অষ্ট্ৰিকসকলৰ পিছতে মংগোলীয় নৃগোষ্ঠী চীনদেশৰ দক্ষিণ অঞ্চলৰপৰা ব্ৰহ্মপুত্ৰ, ইৰাৱতী, চালুইন, মেকং আদি নদীৰে অসম, ব্ৰহ্মদেশ, ইন্দো-চীন আদিলৈ প্ৰব্ৰজিত হয়। মংগোলয়ডসকলেই কিৰাত ৰূপে অভিহিত হৈ আহিছে। অতি প্ৰাচীন কালৰেপৰা কিৰাতসকলে অসমত বসবাস কৰি আহিছে। তেওঁলোকে যে এই দেশত ৰাজত্ব কৰিছিল, তাৰ আভাস *কালিকাপুৰাণ*, *যোগিনীতন্ত্ৰ* আদি গ্ৰন্থত পোৱা যায়। চীন-তিব্বতীয় ভাষা-ভাষী লোকসকলক সেই সময়ত হিন্দুসকলে কিৰাত বুলিছিল। মংগোলয়ড নৃগোষ্ঠীৰ অন্তর্গত চীন-তিব্বতীয় ভাষা পৰিয়ালৰ ভোটবর্মী শাখাৰ পৰা অসমৰ বিভিন্ন অঞ্চলত সিঁচৰতি হৈ থকা বডো, ৰাভা, লালুং, মিকিৰ, দেউৰী, মিচিং আদি আৰু অসমৰ আশে-পাশে থকা মিৰি, ডফলা, নগা, লুচাই, মণিপুৰী আদি অলেখ ভাষা-উপভাষাৰ উৎপত্তি হৈছে। তলত অসমীয়া ভাষাত ৰক্ষিত তিব্বত-বর্মীয় ভাষাৰ প্ৰভাৱ সম্পর্কে পর্যায়ক্ৰমে আলোচনা কৰা হ'ল—

- **ধ্বনিতাত্ত্বিক প্ৰভাৱ ঃ**

  ক) গ্ৰীয়ার্ছনৰ মত অনুসৰি প্ৰত্ন ভাৰতীয় আর্য ভাষাৰ দন্ত্য আৰু মূর্ধন্য ধ্বনি

অসমীয়াত দন্তমূলীয় হিচাপে উচ্চাৰিত হোৱাৰ মূলতে হ'ল তিব্বত-বর্মীয় ভাষাৰ প্ৰভাৱ। এই মতটোক বাণীকান্ত কাকতিয়ে সমর্থন কৰিছে। আধুনিক ভাষা-চিন্তাৰপৰা লব্ধ ফলাফল অনুসৰি মূল ইণ্ডো-ইউৰোপীয় ভাষাত দন্তমূলীয় ধ্বনি আছে। যদিও নব্য ভাৰতীয় আর্য ভাষাত নথকালৈ লক্ষ্য কৰি ইয়াক অনা-আর্য প্ৰভাৱ বুলিব পাৰি।

খ) মূলত নাসিক্য ধ্বনি নাথাকিলেও অসমীয়াত অনুনাসিক ধ্বনি হোৱাৰ কাৰণ অন্য-আর্য ভাষাৰ প্ৰভাৱ বুলি গ্ৰীয়ার্ছনে মত প্ৰকাশ কৰিছে।

গ) প্ৰত্ন ভাৰতীয় আর্য ভাষাৰ তালব্য ধ্বনিসমূহ অসমীয়াত দন্তমূলীয় হিচাপে উচ্চাৰিত হোৱাৰ মূলতে হ'ল তিব্বত-ধর্মীয় ভাষাৰ প্ৰভাৱ।

ঘ) তিব্বত-বর্মীয় আদি আর্যভিন্ন ভাষাৰ প্ৰভাৱত অসমীয়াত স্বৰ-সংগতি আৰু অভিশ্রুতি হোৱা দেখা যায়।

ঙ) প্ৰত্ন ভাৰতীয় আর্য ভাষাৰ স্পর্শ-ধ্বনিসমূহৰ (আদ্য আৰু মধ্য অক্ষৰত) মহাপ্ৰাণীভৱন হোৱা পৰিঘটনাত তিব্বত-বর্মীয় ভাষাৰ অৱদান আছে। বাণীকান্ত কাকতিয়ে অসমীয়া ভাষাত হোৱা স্বৰৰ মধ্যৱর্তী অঘোষীভৱনত বডো ভাষাৰ প্ৰভাৱ আছে বুলি কৈছে।

- **ৰূপতাত্ত্বিক প্ৰভাৱ**

ক) সংস্কৃতত বহুবচনত প্ৰত্যয় যোগ হ'লে শব্দটোৰ আকৃতিৰ পৰিৱর্তন হয়। কিন্তু তিব্বত-বর্মীয় ভাষাত বহুবচনাত্মক সুকীয়া প্ৰত্যয় প্ৰয়োগ কৰি বহুবচন নির্দেশ কৰা হয়। তিব্বত-বর্মীয় ভাষাৰ দৰে অসমীয়াতো সমষ্টিবোধক সুকীয়া প্ৰত্যয় ব্যৱহাৰ কৰি বহুবচন বুজোৱা হয়। তিব্বত-বর্মীয়ৰ দৰে অসমীয়াত 'বোৰ', 'বিলাক', 'হঁত' আদি মূল ৰূপৰ পাছত জোৰা দিয়া হয়। কামৰূপী উপভাষাৰ ক্ষেত্ৰত ব্যৱহৃত বহুবচনৰ চিন 'গিলাক', 'গিলান', 'গুলা' আদি অনার্যমূলীয়।

খ) অসমীয়া ভাষাত সম্বন্ধবাচক শব্দৰ পাছত বিভিন্ন পুৰুষৰ বাবে বিভিন্ন প্ৰত্যয় যোগ দিয়া হয়। এই প্ৰত্যয়বোৰক পুৰুষবাচক প্ৰত্যয় নামেৰে জনা যায়। নব্য ভাৰতীয় আর্য ভাষাবোৰৰ ভিতৰত অসমীয়াতহে এই বৈশিষ্ট্য আছে। বাণীকান্ত কাকতি আৰু গ্ৰীয়ার্ছনে এইবোৰ তিব্বত-বর্মীয় ভাষাৰ প্ৰভাৱ বুলি কৈছে।

গ) মাগধী প্ৰাকৃতৰ পৰা জন্ম পোৱা নব্য ভাৰতীয় আর্য ভাষাবোৰৰ ভিতৰত কেবল অসমীয়াতে নস্ত্যর্থক 'ন' ক্ৰিয়াৰ আগত বহে। অসমৰ তিব্বত-বর্মীয় ভাষাবোৰৰ ক্ষেত্ৰত দেখা যায় যে ইয়াত নস্ত্যর্থক 'ন' দুই ধৰণে ব্যৱহাৰ কৰা হয়। কিছুমান মূলৰ আগত আৰু আন কিছুমান মূলৰ পিছত বহে। আকৌ বডো, দেউৰী, চুতীয়া আদি ভাষাৰ ক্ষেত্ৰত নস্ত্যর্থক 'দা' ব্যৱহাৰ হয়। যেনে—
দা-খা (নাযাবা)

দাদা (নকৰিবা) আদি

ঘ) টাই আহোম ভাষাত নস্ত্যৰ্থক ৰূপটো ক্ৰিয়াৰ আগত বহাৰ লগতে মূলৰ প্ৰথম স্বৰ অনুসৰি সমীভৱনো হয়। যেনে— নস্ত্যৰ্থক 'মা' যদি 'কিন' (খোৱা) ৰ আগত বহে তেন্তে 'মিকিন' হ'ব আৰু 'ক্যু' (ভয় কৰা)ৰ আগত বহিলে 'ম্যুক্যু' হ'ব।

প্ৰাচীন অসমীয়া ভাষাত নস্ত্যৰ্থক 'ন' সমীভৱন হোৱা নাছিল যদিও আধুনিক অসমীয়া ভাষাত সমীভৱন হয়। ঐতিহাসিক বিৱৰ্তনৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি ক'ব পাৰি যে প্ৰথমতে এই ক্ষেত্ৰত দেউৰী-চুতীয়াৰ প্ৰভাৱ থাকিলেও পৰৱৰ্তী সময়ত টাই আহোমৰ প্ৰভাৱত সমীভৱন হয়।

ঙ) চেলেক্, গম, জিৰা, ৰেপ্, আগচ, গচক, চেকুৰ, বখলিয়া, চেপ্ আদি ধাতু বডো ভাষাৰপৰা অসমীয়ালৈ আহিছে।

(চ) অসমীয়া ভাষাত পঞ্চমী বিভক্তিৰ চিন নাই। ষষ্ঠী বিভক্তিৰ চিন 'ৰ'ৰ পিছত 'পৰা' পৰসৰ্গ যোগ দি অপাদান কাৰক বুজোৱা হয়। বডো ভাষাত এই বৈশিষ্ট্য আছে। অসমীয়ালৈ বডোৰপৰা এই বৈশিষ্ট্য আহিব পাৰে বুলি ভবাৰ অৱকাশ আছে।

ছ) বাণীকান্ত কাকতিয়ে আধুনিক অসমীয়া ভাষাৰ কেতবোৰ জতুৱা প্ৰয়োগত আৰু প্ৰাক্-বৈষ্ণৱ কবিসকলৰ লেখনিত প্ৰয়োগ হোৱা ইবা/-বা কৃদন্ত পদৰ প্ৰয়োগত বডোমূলীয় ভাষাৰ প্ৰভাৱ আছে বুলি কৈছে।

জ) উপেন্দ্ৰনাথ গোস্বামীৰ মতে অসমীয়া ভাষাৰ শব্দ সাধনত দ্বিত্বকৰণৰ প্ৰয়োগৰ মূলতে হ'ল তিব্বত-বর্মীয় ভাষাৰ প্ৰভাব। অৱশ্যে বাণীকান্ত কাকতিয়ে ই কোলাৰীয়, দ্ৰাবিড়ীয় আৰু মালয় ভাষাৰ উমৈহতীয়া প্ৰভাৱৰ ফল বুলি কৈছে।

- **শব্দতাত্ত্বিক প্ৰভাৱ**

অসমত বাস কৰা ডিমাছা, বডো, কছাৰী, টাই-আহোম, ৰাভা, কার্বি, মিচিং আদি লোকসকল তিব্বত-বর্মীয় ভাষাগোষ্ঠীৰ লোক। ভাষাৰ পিনৰপৰা ডিমাছা লোকসকল বডো গোষ্ঠীৰ হ'লেও ডিমাছাসকলে নিজকে স্বতন্ত্ৰ বুলি ভাবে আৰু সেই মর্মে ১৯৭২ চনত চৰকাৰে ডিমাছা ভাষাক স্বীকৃতি দিছে। দিজুৱাছা, দেম্ৰাছা, হাৰাৰছা আদি ডিমাছাৰ আঞ্চলিক ৰূপ। ডিমাছা ভাষাৰ সৈতে সাদৃশ্য থকা অসমীয়া শব্দ কিছুমান হ'ল—

মাছ মৰা সঁজুলি— জাকৈ (জেখাই), চেপা (চেফা), প'ল (পল)

গছ-গছনিৰ নাম— সিজু (চি গুজা), ৰবাব(ৰেবা), লফা (লাংফাই)

অন্যান্য শব্দ— জালি (জালাই কোমোৰা), জোং।

অসমীয়া ভাষাত বডো-কছাৰীৰ প্ৰভাৱ অত্যন্ত বেছি। বডোসকল অসমৰ আদিম জনগোষ্ঠীসমূহৰ অন্যতম। বডো-কছাৰী ৰজাসকলে অসমীয়া ভাষাৰ কেইবাজনো কবি-সাহিত্যিককো পৃষ্ঠপোষকতা কৰিছিল। অসমীয়া আৰু বডো ভাষাৰ শব্দগত সাদৃশ্যসমূহ

এনে ধৰণৰ—

মাছ মৰা সঁজুলি— অসমত ব্যৱহাৰ কৰা মাছ মৰা সঁজুলিবোৰৰ অধিকাংশ বাঁহেৰে নির্মিত। গতিকে ইয়াৰ নামো বড়ো ভাষাৰ পৰা অহাৰ সম্ভাৱনাই অধিক। যেনে— প'ল, চোহৰা, জাকৈ, লাঙি (জাল) আদি।

মাছৰ নাম বুজোৱা শব্দ— ভাঙনা/ভাঙন, চেঙেলি (চেঙ্গনা মাছ)।

পানীৰ সৈতে সম্পর্কিত শব্দ— দিখৌ, দিচাং, দিহিং, দিবং (নদীৰ নাম), দলং, দোং, টেকা।

অন্যান্য শব্দ— চং, জপনা, হোলোং, টেকেলি, টোকোন, আব্‌ৰা, পিলিঙা আদি।

মন কৰিবলগীয়া যে বড়ো ভাষাৰ লগত মিল থকা শব্দ কামৰূপী উপভাষাতহে ব্যৱহৃত হয়। মান্য অসমীয়াত তাৰ সমান্তৰালভাৱে ব্যৱহাৰ হোৱা অধিকাংশ শব্দৰ মূল সংস্কৃত।

অসমত আহোমসকলে প্ৰায় ৬০০ বছৰকাল ৰাজত্ব কৰিছিল। গতিকে অসমীয়াত টাই-আহোম শব্দ ৰক্ষিত হোৱাটো স্বাভাৱিক। অসমীয়া ভাষাত ব্যৱহৃত টাই-আহোম শব্দবোৰ পর্যালোচনা কৰি চালে দেখা যায় যে এইবোৰৰ মাজত নদী, ঠাই, চৰাই আদি বুজোৱা শব্দ খুব কম। নদী আৰু ঠাই বুজোৱা যিকেইটা টাই শব্দ অসমীয়াত আছে, সেইকেইটা উজনিত সীমাবদ্ধ। অসমীয়া আৰু টাই-আহোম ভাষাৰ শব্দগত সাদৃশ্যবোৰ হ'ল—

সম্বন্ধসূচক শব্দ— আইচু, এনাই, এপাদেউ, পুথাও আদি।

গছ-লতিকা বুজোৱা শব্দ— কাকিনী (তামোল), আউনি (পাণ)

চৰাইৰ নাম বুজোৱা শব্দ— দৰিক

বাচন-বর্তন বুজোৱা শব্দ— খাং, ঢৌ, মাইহাং, বানবাতি আদি।

পদমর্যদাসূচক শব্দঃ চাংমাই, চাওদাং, লিকচৌ, লিগিৰা, ফুকন আদি।

অন্যান্য শব্দ— কাৰেং, খিলঞ্জীয়া, মৈদাম, নঙলা, হেং-দাং আদি।



১২.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আমি—

- অসমৰ আর্যভিন্ন ভাষা আৰু অসমীয়া ভাষাত অনা-আর্য উপাদান ৰক্ষিত হোৱাৰ কাৰণ সম্পর্কে জানিলো।
- অসমীয়া সংস্কৃতিলৈ মংগোলীয়সকলৰ অৱদানৰ বিষয়ে অৱগত হ'লো।
- অসমীয়া ভাষাত ৰক্ষিত তিব্বত-বর্মীয় ভাষাৰ প্ৰভাৱৰ বিষয়ে ধাৰণা লাভ কৰিলো।



১২.৮ অধিক জানিবলৈ

১) পাঠক, ৰমেশ (২০১৩), *অসমীয়া ভাষাৰ ইতিহাস*, অশোক বুক ষ্টল, গুৱাহাটী।

২) পাদুন, নাহেন্দ্ৰ (২০১৪), *ভাষাৰ তত্ত্ব কথা*, বাণী মন্দিৰ, পাণবজাৰ, গুৱাহাটী।

৩) হাকাচাম, উপেন ৰাভা (২০১৩), *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা*, প্ৰকাশিকা-শ্ৰীমতী মঞ্জুলা ৰাভা হাকাচামজাক।

৪) হাকাচাম, উপেন ৰাভা (২০১৪), *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা*, জ্যোতি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী।



১২.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ আৰম্ভণি— অসমীয়াত আৰ্যভিন্ন উপাদান ৰক্ষিত হোৱাৰ বিভিন্ন কাৰণ— সামৰণি।



১২.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ অসমত প্ৰচলিত আৰ্যভিন্ন ভাষাবোৰ কি কি? অসমীয়া ভাষাত বিভিন্ন আৰ্যভিন্ন উপাদান ৰক্ষিত হোৱাৰ কাৰণবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ 'অসমীয়া ভাষাত ৰক্ষিত তিব্বত-বর্মীয় প্ৰভাৱ'— এই সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া সংস্কৃতিৰ সমৃদ্ধিত মংগোলীয় লোকসকলে কিদৰে অৰিহণা যোগাইছে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৩ঃ তিব্বত-বর্মীয় ভাষাত অসমীয়া ভাষাৰ পাৰস্পৰিক প্ৰভাৱ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ তিব্বত-বর্মীয় লোকসকলৰ ভাষাত অসমীয়া আৰু আর্যভিন্ন ভাষাৰ উপাদান সন্নিৱিষ্ট হোৱাৰ কাৰণ

১৩.৪ তিব্বত-বর্মীয় ভাষাত ৰক্ষিত অসমীয়া আৰু আর্যমূলীয় ভাষাৰ প্ৰভাৱ

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- তিব্বত-বর্মীয় লোকসকলৰ ভাষাত অসমীয়া বা আর্যভিন্ন ভাষাক উপাদান সন্নিৱিষ্ট হোৱাৰ কাৰণবোৰৰ বিষয় অৱগত হ'ব পাৰিব
- অসমৰ তিব্বত-বর্মীয় ভাষাবোৰত ৰক্ষিত হোৱা অসমীয়া আৰু অন্য আর্যমূলীয় ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দগত প্ৰভাৱৰ বিষয়ে ধাৰণা লাভ কৰিব।

১৩.২ পৰিচয়

ইয়াৰ পূৰ্বৰ অধ্যায়ত অসমীয়া ভাষাৰ পৰা তিব্বত-বর্মীয় ভাষাৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। প্ৰস্তাৱিত এই অধ্যায়ত তিব্বত-বর্মীয় ভাষাবোৰত ৰক্ষিত হোৱা অসমীয়া আৰু অন্যান্য আর্যমূলীয় ভাষাৰ প্ৰভাৱসমূহ উদাহৰণসহ আলোচনা কৰা হৈছে। লগতে এনে প্ৰভাৱৰ অন্তৰালত নিহিত কাৰণসমূহৰ ওপৰতো দৃষ্টি নিক্ষেপ কৰা হৈছে।

১৩.৩ তিব্বত-বর্মীয় লোকসকলৰ ভাষাত অসমীয়া আৰু অন্য আর্য ভাষাৰ উপাদান সন্নিৱিষ্ট হোৱাৰ কাৰণ

অসমৰ ভাষিক প্ৰেক্ষাপটখন পর্যালোচনা কৰিলে দেখা যায় যে অসমত আর্য আৰু আর্যভিন্ন উভয় ভাষাগোষ্ঠীৰ লোক বসবাস কৰি আহিছে। অসমৰ মূল ভাষা অসমীয়া যদিও অসমীয়া লোকসকল দীর্ঘদিন ধৰি আর্যভিন্নলোকসকলৰ সৈতে বসবাস কৰি থকা বাবে অসমীয়া

ভাষাত বহুতো আৰ্যভিন্ন ভাষাৰ প্ৰভাৱ ৰক্ষিত হৈছে। এই ক্ষেত্ৰত বিপৰীত প্ৰক্ৰিয়া এটাও পৰিলক্ষিত হয়। অসমীয়াত যিদৰে আৰ্যভিন্ন ভাষিক উপাদান ৰক্ষিত হৈছে, ঠিক তেনেদৰেআৰ্যভিন্ন ভাষাসমূহতো অসমীয়া, সংস্কৃত আৰু আৰ্যমূলীয় উপাদান সন্নিৱিষ্ট হৈছে. অসমৰ প্ৰধান তিব্বত-বর্মী ভাষা বডো, ৰাভা, কাৰ্বি, মিচিং, ডিমাচা ভাষাত আৰ্যমূলীয়া ভাষাৰ প্ৰভাৱ পৰিছে। গতিকে অসমৰ তিব্বত-বর্মীয় ভাষাবোৰত অসমীয়া বা অন্য আৰ্য ভাষাৰ উপাদান সন্নিৱিষ্ট হোৱাৰ কাৰণ হিচাপে আৰ্য আৰু আৰ্যভিন্ন মূলৰ লোকৰ সহ-অৱস্থিতিলৈ আঙুলিয়াব পাৰোঁ। দুটা পৃথক ভাষাগোষ্ঠীৰ লোকে একেখন ঠাইত দীৰ্ঘদিন ধৰি বসবাস কৰি থাকিলে প্ৰায়ে দেখা যায় যে তেওঁলোকৰ ভাষাত পাৰস্পৰিক ভাষাৰ প্ৰভাৱ পৰিছে। সাধাৰণতে অধিক মৰ্যাদাসম্পন্ন হিচাপে গণ্য কৰা ভাষাটোৰ প্ৰভাৱ আনটো ভাষাৰ ওপৰত পৰে যদিও কম মৰ্যাদাসম্পন্ন হিচাপে গৃহীত ভাষাসমূহৰ ভাষিক প্ৰভাৱো মৰ্যাদাসম্পন্ন ভাষাটোত ৰক্ষিত হয়। অসমীয়া আৰু অন্য তিব্বত-বর্মীয় ভাষাসমূহৰ ক্ষেত্ৰতো একেই প্ৰক্ৰিয়া সংঘটিত হৈ আহিছে।

দ্বিতীয়তে, ভাষিক আদান-প্ৰদানৰ এই প্ৰক্ৰিয়াটো সাংস্কৃতিক দিশৰ পৰাও পৰ্যলোচনা কৰিব পাৰি। সংস্কৃতিৰ বিশাল পথাৰখনৰ এটা গুৰুত্বপূৰ্ণ উপাদান হ'ল ভাষা। সংস্কৃতিক বহু ক্ষেত্ৰত এটা Umbrella term হিচাপে গণ্য কৰা হয়, যাৰ ভিতৰত ভাষাকে আদি কৰি বিভিন্ন উপাদানসমূহ নিহিত হৈ থাকে। সমাহৰণ এটা উল্লেখযোগ্য সাংস্কৃতিক প্ৰক্ৰিয়া। দৰাচলতে সমন্বয়ৰ প্ৰৱণতা প্ৰকাশ কৰাটো সংস্কৃতিৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। বিশ্বত যিদৰে অবিমিশ্ৰ সমাজ পাবলৈ নাই, তেনেদৰে অবিমিশ্ৰ সংস্কৃতিও পাবলৈ নাই। আৰ্যীকৰণ বা বৈদিকীকৰণ (Sanskritization or Aryaniszation) সাংস্কৃতিক সমন্বয় আৰু সমাহৰণৰ অন্যতম দিশ। সহজ ভাষাত ক'বলৈ গ'লে আৰ্যভিন্ন সংস্কৃতিসমূহে আৰ্য সংস্কৃতিক আপোন কৰি লোৱাৰ প্ৰৱণতা, প্ৰচেষ্টা আৰু প্ৰক্ৰিয়াৰ নামেই হ'ল আৰ্যীকৰণ। আৰ্যীকৰণ প্ৰক্ৰিয়াৰ অন্তৰালত এটা পৰিমাৰ্জনাৰ প্ৰক্ৰিয়া লুকাই থাকে। আৰ্য লোক আৰ্যভিন্ন লোকৰ তুলনাত শ্ৰেষ্ঠ বুলি মানুহৰ মাজত যি ধাৰণা আছে, সেই ধাৰণাই আৰ্য সংস্কৃতিকো অনা-আৰ্য সংস্কৃতিৰ তুলনাত উচ্চ বুলি মানুহক পতিয়ন নিয়াইছে। ফলস্বৰূপে আৰ্যভিন্ন লোকৰ মাজত আৰ্য সংস্কৃতি গ্ৰহণৰ জৰিয়তে উচ্চ মৰ্যাদা লাভ কৰাৰ প্ৰৱণতা সৃষ্টি হৈছিল। এই প্ৰক্ৰিয়াই হ'ল আৰ্যীকৰণ। আৰ্যীকৰণৰ বাবে আৰ্যভিন্ন লোকসকলৰ মাজত আৰ্যভাষাৰ উপাদান গ্ৰহণ কৰি ব্যৱহাৰ কৰাৰ এক প্ৰক্ৰিয়াৰ সূত্ৰপাত হৈছিল। এনে প্ৰৱণতা বা প্ৰক্ৰিয়াৰ বাবেই বহু আৰ্যভিন্ন ভাষালৈ আৰ্য উপাদান আমদানি কৰা পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ তিব্বত-বর্মীয় লোকসকলৰ ভাষাত অসমীয়া বা অন্য আৰ্যমূলীয় ভাষাৰ উপাদান ৰক্ষিত হোৱাৰ কাৰণবোৰ কি কি? (১০০ টা শব্দৰ ভিতৰত)

.....

১৩.৪ তিব্বত-বর্মীয় ভাষাত ৰক্ষিত অসমীয়া আৰু আর্যমূলীয় ভাষাৰ প্রভাৱ

অসমৰ ভাষিক ক্ষেত্রখনলৈ দৃষ্টি নিক্ষেপ কৰিলে এই কথা সহজে বুজিব পাৰি যে অসম আর্য-আর্যভিন্ন মূলৰ ভাষাৰ মিলনভূমি। সেই হেতুকে আর্যসম্ভূত ভাষা হোৱা সত্বেও অসমীয়াত এনে কিছুমান বৈশিষ্ট্য নিহিত হৈ আছে, যিবোৰ আর্যভিন্ন ভাষাবোৰতহে পৰিলক্ষিত হয়। সেইদৰে ভাষিক 'আদান-প্রদান'ৰ প্রৱণতাৰ বাবে আর্যভিন্ন ভাষাবোৰতো আর্য উপাদান ৰক্ষিত হৈছে। তলত অসমৰ তিব্বত-বর্মীয় ভাষাবোৰত ৰক্ষিত হোৱা অসমীয়া বা অন্য আর্য ভাষাৰ উপাদানৰ বিষয়ে একাদিক্রমে আলোচনা কৰা হ'ল---

- ধ্বনিতাত্ত্বিক দিশ ঃ

* তিব্বত-বর্মীয় ভাষাৰ বৈশিষ্ট্য ইয়াৰ সুৰ লহৰ। চীনা আদি ভাষাৰ দৰে মণিপুৰী (মেইথেই) ভাষাত প্রায় তিনিটাৰ পৰা পাঁচটা পর্যন্ত সুৰ ৰক্ষিত হৈ আছে। কিন্তু অসমৰ বডো, ৰাভা ভাষাত দুটাৰ পৰা তিনিটামানহে সুৰ লহৰ ৰক্ষিত হৈছে। ইয়াৰ বিপৰীতে মিচিং, গাৰো, কার্বি আদি বেছিভাগ ভাষাত এই সুৰ ৰক্ষিত হোৱা নাই। তিব্বত-বর্মীয় ভাষাত সুৰৰ ক্ষেত্রত অহা এই বিকল্প প্রয়োগ সংস্কৃত বা সংস্কৃতমূলীয় ভাষাৰ প্রভাৱ বুলি অনুধাৱন কৰিব পাৰি।

* চীন-তিব্বতীয় ভাষাসমূহত কণ্ঠ্য স্পর্শধ্বনি (Glottal stop) আৰু কণ্ঠ্য স্পর্শীভূত ব্যঞ্জনৰ বহুল প্রয়োগ দেখা যায়। কিন্তু অসমৰ তিব্বত-বর্মীয় ভাষাসমূহত কণ্ঠ্য স্পর্শধ্বনিৰ বিপৰীতে মহাপ্রাণ ধ্বনিৰ অস্তিত্ব পৰিলক্ষিত হয়। ই অসমৰ তিব্বত-বর্মীয় ভাষালৈ আর্য ভাষাৰ বিশেষ অৱদান। বর্তমান বডো, ককবৰক, গাৰো, ৰাভা, তিৱা, কার্বি, মণিপুৰী আদি প্রায়বিলাক ভাষাতে অঘোৰ মহাপ্রাণ ধ্বনিৰ উপৰিও সঘোৰ মহাপ্রাণ ধ্বনিৰো ব্যৱহাৰ স্বীকাৰ কৰি লোৱা হৈছে।

* অসমৰ প্রায়বিলাক তিব্বত-বর্মীয় ভাষাৰে ধ্বনিৰীতি ক্রমান্বয়ে চীনা বা তিব্বত-বর্মীয় বৈশিষ্ট্যৰ পৰা ফালৰি কাটি প্রতিবেশী ভাৰতীয় আর্য ভাষাৰ বৈশিষ্ট্যৰ প্রতি ঢাল খোৱা পৰিলক্ষিত হৈছে। উদাহৰণস্বৰূপে --

. কার্বি, দেউৰী, তিৱা আদি ভাষাত কেন্দ্রীয় স্বৰধ্বনিৰ প্রয়োগ নোহোৱা হ'ল।

. বডো, ৰাভা, গাৰো আদি ভাষাত তালব্য অনুনাসিক ধ্বনিৰ প্রয়োগ নোহোৱা হৈছে।

. মণিপুৰী, দেউৰী আদি ভাষাৰ বাহিৰে প্রায়বিলাক তিব্বত-বর্মীয় ভাষাতে আদ্যস্থানত পশ্চতালব্য / ঙ / ৰ প্রয়োগ নোহোৱা হৈছে।

. তালব্য বা দন্তমূলীয়া তালব্য / চ / ৰ প্রয়োগ বডো, মিচিং আদি ভাষাত নোহোৱা হৈছে।

* একে জাতীয় শব্দসমূহৰ ধ্বনি পৰিৱর্তনৰ ৰীতিলৈ লক্ষ্য কৰিলে দেখা যায় যে তিব্বত-বর্মীয় ভাষাসমূহতো সংস্কৃত তৎসম, তদ্ভৱ বা অর্ধতৎসম শব্দমালাৰ বিকাশৰ লেখিয়াকৈ

সমবর্গীয ধ্বনিসমূহৰ মাজত প্রায় বিকল্প প্রয়োগ হয়। এই বৈশিষ্য অসমীয়া ভাষাৰ পৰা আহিছে বুলি অনুধাৱন কৰিব পাৰি।

* সমীভৱন, বিষমীভৱন, স্বৰভক্তি, স্বৰসংগতি, বর্ণ-বিপর্যয় ইত্যাদি ধ্বনি পৰিৱর্তন ৰীতিৰ অস্তিত্ব অসমীয়া ভাষাত পৰিলক্ষিত হয়। ইয়াৰ প্রভাৱ কম-বেছি পৰিমাণে তিব্বত-বর্মীয় ভাষাসমূহতো পৰিছে।

- ৰূপতাত্ত্বিক প্রভাৱ ঃ

* তিব্বত-বর্মীয় শব্দৰ সাধনত সর্বনামীয় পূর্বসর্গৰ প্রয়োগ এক বিশেষ বৈশিষ্ট্য। ৰাভা-গাৰো আদি ভাষাৰ সম্বন্ধবাচক শব্দৰ সাধনত পূর্বসর্গৰ বিপৰীতে পৰসর্গৰ প্রয়োগ, ৰাভা-মিচিং আদি ভাষাৰ দ্বিৰুক্তিৰ দ্বাৰা সম্বোধনসূচক শব্দসাধন আদি মূল বহির্ভূত লক্ষণ ই অসমীয়া আদি ভাৰতীয় ভাষাৰ প্রভাৱ।

* তিব্বত বর্মীয় ভাষাত বিশেষ্য আৰু বিশেষণ শব্দ ঘাইকৈ লিংগ-নিৰপেক্ষ, কিন্তু 'আ, 'উৱা', 'উৰা' আদি পুংলিংগবাচক আৰু 'ঈ', 'অনী', 'নী', 'উৰী' আদি স্ত্রী-বাচক প্রত্যয়ৰ ৰাভা, বডো আদি ভাষাত বহুলভাৱে ব্যৱহাৰ হোৱা দেখা যায়।

* তিব্বত-বর্মীয় ভাষাত সমষ্টিবাচক শব্দ বা শব্দসংযোগে বিশেষ্য বা সর্বনামৰ বহুবচনৰ ধাৰণা দিয়া হয়। কিন্তু অসম আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ ভাষাত সংখ্যাবাচক শব্দ ব্যৱহাৰ কৰি দ্বিবচন বুজোৱা হয়। ই সংস্কৃত ভাষাৰ অন্যতম বৈশিষ্ট্য।

* অধিকাংশ তিব্বত-বর্মীয় ভাষাতে ভাৰতীয় আর্য ভাষাৰ দৰে একোটা সর্বনামীয় মূলৰ পৰাই প্রত্যয যোগে বহুবচনৰ ধাৰণা জন্মোৱা হয়। লগতে বিভিন্ন পৰসর্গৰ যোগেদি সর্বনামীয় বিশেষণ বা ক্রিয়া বিশেষণ পদৰ সাধন কৰা হয়। মূলৰ এই বৈশিষ্ট্য মণিপুৰী আৰু ৰাভা ভাষাৰ বাহিৰে প্রায়বিলাক ভাষাতে ৰক্ষিত হোৱা পৰিলক্ষিত নহয়। ইয়াৰ মুখ্য কাৰণ হ'ল চৌপাশে থকা অসমীয়া আদি ভাষাবোৰত এই বৈশিষ্ট্য অনুপস্থিত।

* তিব্বত-বর্মীয় ভাষাত পুৰুষ ভেদ থাকে যদিও পুৰুষ ব্যাকৰণগত বিষয় নহয়। মান্য-তুচ্ছৰ ধাৰণা অথবা ক্রিয়াৰূপৰ ক্ষেত্রত পুৰুষৰ ভূমিকা থকা দেখা নাযায়। ইয়াৰ বিপৰীতে বডো, কার্বি আদি ভাষাতো দ্বিতীয় আৰু তৃতীয় প্রত্যয় যোগ দি একোটাকৈ মান্য ৰূপ প্রদান কৰা দেখা যায়। ই অসমীয়া ভাষাৰ বিশেষ বৈশিষ্ট্য।

* সংযুক্ত ধাতুযোগে তিব্বত-বর্মীয় ভাষাত পাৰস্পৰিক (reciprocal), আত্মবাচক (reflectiv), পাঁচনী আদি ধাতু ৰূপৰ সাধন কৰা হয়। আনহাতে ভাৰতীয় আর্য ভাষাত সহায়কাৰী ক্রিয়াৰ যোগেদিহে এনে ভাব বুজোৱা হয়। বর্তমান আটাইকেইটা তিব্বত-বর্মীয় ভাষাতে ভাৰতীয় আর্য ভাষাৰ বৈশিষ্ট্য স্বীকাৰ কৰি লোৱা হৈছে।

- **শব্দগত প্রভাৱ ঃ**

শব্দ সম্ভাৰ তিব্বত-বর্মীয় ভাষাসমূহলৈ আর্যভাষাৰ বিশেষ অৱদান। প্রতিবেশী আর্যমূলীয় ভাষাসমূহত নিহিত বহু শব্দ বিকৃত বা অবিকৃত ৰূপত পোৱা যায়। অৱশ্যে এনে

একাংশ শব্দক লৈ বিতৰ্কও আছে। কিয়নো এনে শব্দৰ ব্যুৎপত্তি ব্যাখ্যা সমমূলীয়া ভাষাৰ লগতে খাচী, কোলমুণ্ডা আদি অষ্টিকমূলীয়া ভাষাত পোৱা যায়।

তলত অবিতৰ্কিত শব্দবোৰ উল্লেখ কৰা হ'ল --

* বডো ভাষাৰ ধ্বনিৰীতি অনুসৰি সংস্কৃত বা অন্যান্য আৰ্য ভাষাৰ প ত ক > ফ থ খ; ট ঠ > থ এইদৰে পৰিৱৰ্তন হয়। যেনে ---

পাপ > ফোব

পূজা > ফুজা

বতৰা > বাথ্রা > বাথু'ৰা

কপাল > খাফান

চকা > চাকা > ছাখা। ইত্যাদি

* বডো ভাষাত সকলো ঋণশব্দৰ ক্ষেত্ৰত মূৰৰ ভ, ধ, ঘ > ব / ৱহ, দ > দহ্, গ > গ্হ -- এইৰূপে পৰিৱৰ্তন হয়। যেনে --

ভাগ > বাহাগ

ভাগিন > বাগিলছা

ব্যাধি > বিয়াধি

ঘাট > গাহাত

বুধ > বুদ। ইত্যাদি

* বড়ো ভাষালৈ ক্ষ > খ, ঢ, ড় > ৰ হৈ শব্দবোৰৰ আগমন হৈছে। যেনে ---

ক্ষমা > খেমা

ৰক্ষা > ৰৈখা

পঢ় > ফৰায়া। ইত্যাদি

* অন্যায়, আদৰ, বৰ, বাৰ, মালা, ৰাজা, ৰক্ষা, শনি, শান্তি, শালি, সময়, সতী আদি শব্দ অবিকৃত ৰূপত আৰ্যমূলীয়া ভাষাৰ পৰা ধাৰ কৰি ৰাভা ভাষাত ব্যৱহাৰ কৰা হৈছে।

* ৰাভা ভাষাত অৰ্দ্ধবিকৃত ৰূপত ব্যৱহাৰ হোৱা শব্দবোৰ হ'ল ---

আখৈ > আখাই

অমুক > মুকী / আমকা

অকাল > আকাল

কপাল > কাপাল

পথাৰ > পাথাৰ। ইত্যাদি



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- তিব্বত-বর্মীয় লোকসকলৰ ভাষাত অসমীয়া বা অনা আর্য ভাষাৰ উপাদান সন্নিৱিষ্ট হোৱাৰ কাৰণবোৰৰ বিষয়ে অৱগত হ'ল।
- অসমৰ তিব্বত-বর্মীয় ভাষাবোৰত ৰক্ষিত হোৱা অসমীয়া আৰু অন্য আর্যমূলীয় ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দগত প্ৰভাৱৰ বিষয়ে ধাৰণা লাভ কৰিলো।



১৩.৬ অধিক জানিবলৈ

১) পাঠক, ৰমেশ (২০১৩) ঃ *অসমীয়া ভাষাৰ ইতিহাস*, অশোক বুকষ্টল, গুৱাহাটী।

২) পাদুন, নাহেন্দ্র, (২০১৪) ঃ *ভাষাৰ তত্ত্বকথা*, বাণী মন্দিৰ, পাণবজাৰ, গুৱাহাটী।

৩) হাকাচাম, উপেন ৰাভা, (২০১৩) *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা*, প্রকাশিকা-শ্রীমতী মঞ্জুলা ৰাভা হাকাচাম জাক।

৪) হাকাচাম, উপেন ৰাভা, (২০১৪) ঃ অসমীয়া আৰু অসমৰ উপভাষা, জ্যোতি প্রকাশন, পাণবজাৰ, গুৱাহাটী।



১৩.৭ অগ্রগতি খতিয়ান (অগ্রগতিৰ খতিয়ান)

১ নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি --তিব্বত-বর্মীয় ভাষাত আর্যমূলীয়া উপাদান ৰক্ষিত হোৱাৰ কাৰণ ---সামৰণি।



১৩.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ তিব্বত-বর্মীয় ভাষাত ৰক্ষিত হোৱা অসমীয়া তথা অন্য আর্যমূলী ভাষাৰ প্রভাৱসমূহৰ বিষয়ে ফঁহিয়াই আলোচনা কৰক।

প্রশ্ন ২ ঃ চমুটোকা লিখক।

ক) আর্যীকৰণ

খ) তিব্বত-বর্মীয় ভাষাত আর্য ভাষাৰ ধ্বনিতাত্ত্বিক প্রভাৱ।

গ) তিব্বত-বর্মীয় ভাষাত আর্য ভাষাৰ ৰূপতাত্ত্বিক প্রভাৱ।

ঘ) তিব্বত-বর্মীয় ভাষাত আর্য ভাষাৰ শব্দগত প্রভাৱ।

অধ্যায় ১৪ ঃ সাম্প্রতিক কালত তিব্বত-বর্মীয় ভাষাৰ চর্চা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ তিব্বত-বর্মীয় ভাষাসমূহৰ শেহতীয়া অগ্রগতিৰ সমীক্ষা
১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৫ অধিক জানিবলৈ
১৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসম তথা ভাৰতত প্রচলিত তিব্বত-বর্মীয় ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা জানিব পাৰিব
- এই ভাষাবোৰত ইতিমধ্যে সম্পন্ন হোৱা বিদ্যায়তনিক গৱেষণাৰ বিষয়ে অৱগত হ'ব পাৰিব
- তিব্বত-বর্মীয় ভাষাসমূহৰ বিশ্লেষণ সন্নিৱিষ্ট একাংশ ইংৰাজী আৰু অসমীয়া পুথিৰ বিষয়ে জ্ঞাত হ'ব পাৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুর্থ যান্মাসিকৰ ভাষা শাখাৰ শিক্ষার্থীৰ বাবে আগবঢ়োৱা এইখন চতুর্থ পাঠ্যবিষয়। পাঠ্যবিষয়ৰ শিৰোনাম 'তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা'। পাঠ্যবিষয়ৰ এইটো চতুর্দশ তথা শেষ অধ্যায়। পূর্বৰ অধ্যায়ত আপুনি তিব্বত-বর্মীয় ভাষাত অসমীয়া ভাষাৰ পাৰস্পৰিক প্রভাৱ সম্পর্কে জানিব পাৰিলে। প্রস্তাৱিত এই অধ্যায়ত সাম্প্রতিক কালত তিব্বত-বর্মীয় ভাষা চর্চাৰ দিশটোৰ অগ্রগতি সম্পর্কে প্রেক্ষাপটত আলোচনা আগবঢ়োৱা হ'ব। লগতে তিব্বত-বর্মীয় ভাষা চর্চালৈ বিভিন্ন সমল ব্যক্তিয়ে আগবঢ়োৱা অবদান সম্পর্কেও এটি সমীক্ষা প্রদান কৰা হ'ব।

১৪.৩ তিব্বত-বর্মীয় ভাষাসমূহৰ শেহতীয়া অগ্রগতিৰ সমীক্ষা

তিব্বত-বর্মীয় ভাষা পৰিয়াল পৃথিৱীৰ দ্বিতীয় সর্ববৃহৎ ভাষা পৰিয়াল। এই ভাষা

পৰিয়ালৰ অন্তর্গত কেইবাটাও ভাষা অসমত প্রচলিত। বর্তমান অসমত আধাতকৈও কম জনসংখ্যাৰ মাজত এই তিব্বত-বর্মীয় ভাষাসমূহ প্রচলিত। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি ভাৰতত মুঠ জনসংখ্যা হৈছে ১২১০৮৫৪৯৭৭ জন। ইয়াৰে মাত্র ১৫৩১১৩৫১ গৰাকী লোকে অসমীয়াক মাতৃভাষা হিচাপে ব্যৱহাৰ কৰে। অসমৰ বাকী লোকসকলৰ অধিকাংশই তিব্বত-বর্মীয় ভাষা পৰিয়ালৰ অন্তর্গত ভাষা ব্যৱহাৰ কৰে। অসমত অসমীয়াৰ বাহিৰে অন্য ভাষাবোৰৰ ভিতৰত তিব্বত-বর্মীয় ভাষাৰ সংখ্যাই সর্বাধিক (মুঠ ১৬৭ টাৰ ভিতৰত ৯৩ টাই তিব্বত-বর্মীয় মূলৰ ভাষা) আন এক সমীক্ষা মতে ভাৰতৰ ৬২৩ টা জনজাতীয় (১৭৪ টা উপগোষ্ঠীক সামৰি) সম্প্রদায়ে সর্বমুঠ ১৯৬ টা ভাষা ব্যৱহাৰ কৰে আৰু ইয়াৰ ১০৬ টাই তিব্বত বর্মীয় পৰিয়ালৰ অন্তর্গত ভাষা।

অসম তথা ভাৰতৰ এই তিব্বত-বর্মীয় ভাষাবোৰে অন্যান্য আর্য ভাষাৰ দৰেই বর্তমান সময়ত অগ্রগতি লাভ কৰিছে। তলত অসমৰ তিব্বত-বর্মীয় ভাষাবোৰৰ শেহতীয়া অগ্রগতিৰ এই সমীক্ষা দাঙি ধৰা হ'ল—

- গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত ১৯৯২ চনত ভাষা গোটৰ ছাত্র-ছাত্রীৰ বাবে তিব্বত-বর্মীয় ভাষা বিষয়ক এখন কাকত স্নাতকোত্তৰ পাঠ্যক্রমত পোনপ্রথমবাৰৰ বাবে অন্তর্ভক্ত কৰা হৈছিল। প্রণিধানযোগ্য যে, ২০১৬ চনত নতুন পাঠ্যক্রম প্রণয়ন কৰাৰ পিছতো কাকতখনৰ গুৰুত্বৰ প্রতি লক্ষ্য ৰাখি চতুর্থ ষান্মাসিকৰ পাঠ্যক্রমত ইয়াক অক্ষুণ্ণ ৰখা হৈছে।
- অধ্যয়নৰ সমান্তৰালভাৱে এই ভাষাগোষ্ঠীৰ অন্তর্গত ভাষাসমূহত বিদ্যায়তনিক গৱেষণা কৰি ইতিমধ্যে বহু লোকে গৱেষণা কৰি এম. ফিল. আৰু পিএইচ. ডি ডিগ্রী লাভ কৰিছে। প্রমোদ চন্দ্র ভট্টাচার্যই কৰা বড়ো বিষয়ক গৱেষণাৰ কেইবা দশক পিছত অতি সাম্প্রতিক সময়ত কেইবাগৰাকী গৱেষকে এই বিষয়বোৰত গৱেষণা কৰিছে। কেইটামান উল্লেখযোগ্য গৱেষণা আৰু গৱেষকৰ নাম তলত উল্লেখ কৰা হ'ল—
  - ড° বেণুধৰ গগৈ- *A Critical Study of the Tiwa Community and their Language* (G.U. 1991)
  - ড° অর্পণা কোঁৱৰ- *Karbi People and their Language: A Critical Study* (G.U. 1992)
  - ড° কৈলাশ চন্দ্র তালুকদাৰ- *The Mishing People and their Language*: *A Critical Study* (G.U. 1993)
  - ড° অঞ্জনা চৌধুৰী- *Structure of Assamese and Garo: A Critical Study* (G.U. 1995)
  - Dr. B.K. Doley- *Mishing Language: A Morphological Study* (D.U. 1997)

- Dr. Pranita Devi- *A Descriptive Analysis of the Garo Language* (G.U. 2000)
- Khumeyan Dhiren Singha- *The Structure of Dimasa: A Typological Study* (A.U. 2003)
- ড° নিভাৰাণী ফুকন- *Rabha Litterateurs and their Literary Contribution: A Critical Study* (G.U. 2008) ইত্যাদি।

- দিপাংকৰ মৰলে গুৱাহাটী আই. আই. টিৰ কম্পিউটাৰ বিজ্ঞান আৰু অভিযান্ত্রিক বিভাগৰ সহযোগত উত্তৰ-পূব ভাৰতৰ ভাষাসমূহৰ তথ্য আধাৰ সম্পর্কীয় North East Indian Language Information Base নামৰ অভিলাষী প্রকল্পটোৰ মুখ্য নিৰীক্ষক হিচাপে কার্যনির্বাহ কৰিছিল। তেওঁ আন্তঃৰাষ্ট্রীয় পর্যায়ত ৰাভাকে ধৰি অন্যান্য তিব্বত-বর্মীয় ভাষাসমূহৰ প্রসাৰত অহোপুৰুষার্থ চেষ্টা কৰিছিল।
- বডো ভাষাত ৰচিত সাহিত্যৰ স্বীকৃতি স্বৰূপে সাহিত্য অকাডেমিয়ে ২০০৫ চনৰ পৰা প্রতি বছৰে অকডেমি বঁটা প্রদান কৰি আহিছে। ২০১৭, ২০১৮ আৰু ২০১৯ ত ক্রমে ৰিভা বডো, ৰিতুৰাজ বসুমতাৰী আৰু ফুকন চন্দ্র বসুমতাৰীয়ে এই বঁটা লাভ কৰিছিল।
- বর্তমান ভাৰতৰ ২২ টা সংবিধান স্বীকৃত ভাষাৰ ভিতৰত বডো ভাষাই স্থান লাভ কৰিছে। ২০১৯ চনৰ পিয়ল অনুসৰি বড়োভাষী লোকৰ সংখ্যা হ'ল- ১৪,৮২,৯২৯
- ১৯৯৯ চনৰ ১৩-১৫ চেপ্তেম্বৰলৈ কাঠমাণ্ডুৰ ত্রিভূৱন বিশ্ববিদ্যালয়ত অনুষ্ঠিত 5th Himalayan Language Symposium লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্রৱক্তা উপেন ৰাভা হাকাচামে 'Some peculiaritis in Noun Formation of Boro, Garo and Rabha' শীর্ষক গৱেষণা প্রৱন্ধ প্রেৰণ কৰিছিল।
- অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহৰ বিভিন্ন দিশৰ বিষয়ে ইংৰাজী আৰু অসমীয়া ভাষাত ইতিমধ্যে অসংখ্য গ্রন্থ প্রণয়ন কৰা হৈছে। সেইবোৰৰ একাংশৰ নাম তলত উল্লেখ কৰা হ'ল—

  ইংৰাজী ঃ

  - P.K. Benedict - *Sino Tibetan: A Conspectus* (1972)
  - R. Burling - *A Garo Grammar* (1961)
  - M.R. Boro - *The Boro Structure* (1991)
  - P.C. Brahma - *Boro-English-Hindi Dictionary* (1996)
  - P.N. Dutta Baruah - *Language of the North East* (1998)
  - S.N. Goswami - *Studies in Sino Tibetan Languages* (1988)
  - Upen Goswami - *An Instruction to the Deori Langauge* (1994)

- Arpana Konwar - *Karbi: The People and their Language* (2003)
- Bal Ram Prasad - *Mishing Grammar* (1991)
- U.C. Singh - *Structure Analysis of the Manipuri Language* (1976)
- Kh. D. Singha - *The Stucture of Dimasa: A Typological Study* (Unpublished Thesis)
- K.V. Subbarao - *A Typological Rabha Grammar* (A Project under ABILAC)
- Taburam Taid - *A Dictionary of the Mishing Language* (1995)
- S.N. Wolfenden - *Outline of Tibeto-Burman Linguistic Morphology* (1927)
- Pranita Devi - *Structure of Garo* (2015)

অসমীয়া ঃ

- ৰং বং তেৰাং ঃ *কার্বি লামতাছাম* (১৯৭৪)
- মনেশ্বৰ দেউৰী ঃ *তিৰা জনজাতি আৰু ভাষাৰ ইতিহাস* (১৯৮৮)
- প্রমোদা দেৰী ঃ *ৰাভাসকলৰ সমাজ, সংস্কৃতি আৰু ভাষা* (এম, ফিল. গৱেষণা পত্রিকা ১৯৮৪)
- পূর্বোত্তৰ ভাষা সমিতি ঃ *মিছিং ভাষাৰ চমু পৰিচয়* (১৯৮৮)
- মাহেন্দ্র পাদুন ঃ *মিচিং অসমীয়া পাঠ* (১৯৮৯)
  ঃ *মিচিং ভাষাৰ আভাস* (১৯৯৭)
- মধুৰাম বৰো ঃ *বডো ভাষাৰ গঠন*
- চাণক্য ব্রহ্ম ঃ *বডো ভাষাৰ শিক্ষা* (১৯৮৭)
- যোগেন বাথৌ ঃ *পকেট ৰাভা শব্দকোষ* (১৯৯৬)
- প্রমোদ চন্দ্র ভট্টাচার্য ঃ *অসমৰ ভাষা পৰিচয়* (২০০৫)
- ৰাজেন ৰাভা ঃ *ৰাভা শব্দ সম্ভাৰ* (১৯৮২)
- উপেন ৰাভা হাকাচাম ঃ *ৰাভা ভাষা আৰু সাহিত্য* (১৯৯৮)
  ঃ *ৰাভা কথিত ভাষা আৰু অসমীয়া ভাষা ঃ এটি তুলনামূলক অধ্যয়ন* (পিএইচ.ডি গৱেষণা পত্র, ১৯৯৭)
  ঃ *অসমীয়া ভাষা আৰু অসমৰ ভাষা-উপভাষা* (২০০৯)
  ঃ *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা* (২০০০)
- প্রণীতা দেৰী ঃ *তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ অধ্যয়ন* (২০১৬)
  ঃ *গাৰো ভাষাৰ মৌলিক বিচাৰ*
- বিমল মজুমদাৰ ঃ *জনজাতি আৰু গাৰো জনজাতি* (২০১৪)

- অসমৰ প্ৰাথমিক বিদ্যালয়সমূহত ইতিমধ্যে ৰাভা-মিচিং-তিৱা-দেউৰী আদি ভাষা পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰা হৈছে। বডো ভাষাৰ শিক্ষার্থীসকলে মাধ্যম হিচাপে লৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীর্ণ হোৱাৰ সুযোগ লাভ কৰিছে।
- বহুতো ভাষা শিক্ষণ প্ৰতিষ্ঠানত বডো, ৰাভা, গাৰো, মিচিং আদি ভাষাত Certificate Course ৰ ব্যৱস্থা কৰা হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অসমৰ তিব্বত-বর্মীয় ভাষাসমূহত হোৱা বিদ্যায়তনিক গৱেষণাৰ এটি আভাস প্ৰদান কৰক। (১০০ টা শব্দৰ ভিতৰত)

.....

.....

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ


- অসম তথা ভাৰতত প্ৰচলিত তিব্বত-বর্মীয় ভাষা ব্যৱহাৰকাৰীৰ সংখ্যা জানিব পাৰিলোঁ।
- এই ভাষাসমূহত ইতিমধ্যে হোৱা বিদ্যায়তনিক গৱেষণাৰ বিষয়ে অৱগত হ'লোঁ।
- তিব্বত-বর্মীয় ভাষাসমূহৰ বিশ্লেষণ সন্নিৱিষ্ট একাংশ ইংৰাজী আৰু অসমীয়া পুথিৰ বিষয়ে জ্ঞাত হ'লোঁ।



১৪.৫ অধিক জানিবলৈ

১) হাকাচাম উপেন ৰাভা (২০১৩) ঃ *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা,* প্ৰকাশিকা-শ্ৰীমতী মঞ্জুলা ৰাভা হাকাচামজাক,

(২০১১) *ৰাভা ভাষা আৰু সাহিত্য,* বীণা লাইব্ৰেৰী



১৪.৬ অগ্রগতি খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্রশ্নৰ উত্তৰ ঃ আৰম্ভণি—বিদ্যায়তনিক গৱেষণাসমূহৰ খতিয়ান—সামৰণি।



১৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সাম্প্রতিক কালত তিব্বত-বর্মীয় ভাষাৰ চর্চাৰ দিশটোৱে কিমান অগ্রগতি লাভ কৰিছে? অসমৰ প্রেক্ষাপটত এটি আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ অসমত প্রচলিত তিব্বত-বর্মীয় ভাষাসমূহৰ ভাষিক চর্চা সম্বলিক ইংৰাজী আৰু অসমীয়া পুথি সম্পর্কে এটি সমীক্ষা প্রদান কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) গোস্বামী, উপেন্দ্ৰনাথ (২০১৩); *অসমীয়া ভাষাৰ ব্যাকৰণ;* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

২) গোস্বামী, উপেন্দ্ৰনাথ; (২০১২); *ভাষা-বিজ্ঞান,* গুৱাহাটী ঃ মণি-মাণিক প্ৰকাশ।

৩) গোস্বামী, উপেন্দ্ৰনাথ (২০১২); *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ;* গুৱাহাটী ঃ মণি-মানিক প্ৰকাশ।

৪) গোস্বামী, গোলকচন্দ্ৰ (২০১১); *অসমীয়া ব্যাকৰণত মৌলিক বিচাৰ;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৫) গোস্বামী, গোলোকচন্দ্ৰ (২০১২); *অসমীয়া ব্যাকৰণ প্ৰৱেশ,* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

৬) তেৰাং ৰংবং (১৯৭৪); *কাৰ্‌বি লামতাছান;* ডিফু, জিলা স্বায়ত্ত পৰিষদ।

৭) দাস, বিশ্বজিৎ আৰু বসুমতাৰী, ফুকন চন্দ্ৰ (সম্পা.) (২০১০); *অসমীয়া আৰু অসমৰ ভাষা;* গুৱাহাটী ঃ আঁক-বাক।

৮) পাঠক, ৰমেশ (২০১৪); *ভাষা বিজ্ঞানৰ ভূমিকা,* গুৱাহাটী ঃ অশোক বুক ষ্টল।

৯) বৰা, লীলাৱতী শইকীয়া (২০১১); *অসমীয়া ভাষাৰ ৰূপতত্ত্ব;* গুৱাহাটী ঃ বনলতা।

১০) বৰুৱা, ভীমকান্ত (২০১৫); *অসমৰ ভাষা;* ডিব্ৰুগড় ঃ বনলতা।

১১) ভৰালী, বিভা আৰু তালুকদাৰ, কল্পনা (সম্পা) (২০০৯); *গোৱালপৰীয়া উপভাষা ঃ ৰূপ বৈচিত্ৰ্য;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১২) ভৰালী, দেবানন্দ; (২০১১); *অসমীয়া ভাষাৰ মৌলিক বিচাৰ,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

১৩) ৰাভা হাকাচাম. উপেন (২০০৩); *ৰাভা ভাষা আৰু সাহিত্য;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১৪) ৰাভা হাকাচাম, উপেন (২০০৯); *অসমীয়া আৰু অসমৰ ভাষা-উপভাষা;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৫) ৰাভা হাকাচাম, উপেন (২০১৩); *অসমীয়া আৰু অসমৰ তিব্বত-বর্মীয় ভাষা;* গোৱালপাৰা, হাকাচাম কাওচাদাম।

১৬) ৰাভা হাকাচাম, উপেন (২০১৬); *অসমীয়া ৰূপতত্ত্বৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ অসম পাবলিছিং কোম্পানী।

১৭) ৰাভা হাকাচাম, উপেন আৰু দেৰী, প্ৰণীতা (২০১৬); *ভাষাতাত্ত্বিক অধ্যয়নত তুলনা প্ৰসঙ্গ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৮) দেৱী, প্রণীতা (২০০৩); *গাৱো ভাষাৰ মৌলিক বিচাৰ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

ইংৰাজী গ্রন্থ ঃ

1. Barman, R. R. (ed.) (2006); *Anglo-Dimasa Grammar and Dictionary;* Garadima Janadaorine Hashom, Silchar (Assam)
2. Bhattacharya, P.C. : A Descriptive Analysis of the Baor language; GU. Publication.
3. Goswami, S. N. (1988); *Studies in Sino-Tibetan Language;* Guwahati.
4. Jeypal, V. K. (1987); *Karbi Grammar;* CIIL, Mysore.
5. Konwar, Arpana (2003); *Karbi : The People and the Language;* Department of Assamese, Dibrugarh University.
6. Lyall r Stack (1908); *The Mikirs;* Guwahati, United Publishers.
7. Singh, Dhiren Kh (2007); *An Introduction to Dimasa Phonology;* Guwahati : DVS Publishers.
8. Debi, Pronita (2015); *Structure of Garo;* Guwahati : Pratisruti Prakashan.